নগাঁও ছোৱালী কলেজ

# আলোচনী

1984



সম্পাদনাত-
প্ৰনয়া ভূঞা

নগাঁও ছোৱালী কলেজ

# ॥ আলোচনী ॥

শ্ৰদ্ধা আৰু প্ৰীতিৰে

শ্ৰী.......................................................

আগবঢ়োৱা হ'ল।

.......................................................

তত্ত্বাৱধায়ক :
অধ্যাপক কৃষ্ণ বৰা

●

: সম্পাদনাত :
প্ৰণয়া ভূঞা

নগাঁও ছোৱালী কলেজ

# ॥ আলোচনী ॥

১৯৮৪

তত্ত্বাৱধায়ক :
অধ্যাপক কৃষ্ণ বৰা

: সম্পাদনাত :
প্ৰণয়া ভূঞা

Annual Magazine of Nowgong Girls' College :
Published by B. K, Borah, Principal, NGC
Editor : Pranaya Bhuyan.
Printed at SUCHANDA PRESS : Nagaon : Assam.

- প্ৰকাশ ঃ ১৯৮৪
- প্ৰকাশক : অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা
- বেটুপাত : স্মিতা আগৰৱালা
- ছপা ঃ সুছন্দা প্ৰেছ ঃ নগাঁও

## শুভেচ্ছা-বাণী

"ন হি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে।" গীতাৰ মতে জ্ঞানৰ সমান পৱিত্ৰ আন একোৱেই নাই। সৰ্ব্বকালৰ সৰ্ব্বজনৰ সমাদৃত শাশ্বত জ্ঞানৰ পবিত্ৰ আলয় হৈছে শিক্ষানুষ্ঠান। শিক্ষাৰ্থীসকলৰ প্ৰকৃত জ্ঞান উন্মেষৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ বাহিৰেও যিবোৰ উপাদান সৰ্ব্বজন স্বীকৃত সেইবোৰৰ ভিতৰত সাহিত্য-সংস্কৃতি চৰ্চ্চাৰ অন্যতম মাধ্যম যে কলেজ আলোচনী সেই বিষয়ে সন্দেহৰ অৱকাশ নাই। ছাত্ৰীসকলৰ বৌদ্ধিক প্ৰতিভাৰ সুষমাময় বিকাশত অফুৰন্ত প্ৰেৰণা দান কৰাৰ কাৰণে নগাঁও বালিকা মহাবিদ্যালয় আলোচনীৰ দীৰ্ঘ জীৱন কামনা কৰিলোঁ। ইতি—

শ্ৰীবিমল কুমাৰ বৰা.
২/২/৮৫

# ॥ সূচী ॥


● তত্ত্বাবধায়কৰ একাষাৰ

● সম্পাদকীয়

**প্ৰবন্ধ :**

বিনয়-দিৰ্ছিপ্লিন : ১ — শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
অসমীয়া কাব্য-সাহিত্যত ডিম্বেশ্বৰ নেওগৰ অৱদান : ২ — মণিকুন্তলা ভট্টাচাৰ্য্য
সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা : ৫ — বীণা বৰা
আসাম 'টাইগাৰ' হেম বৰুৱা : ১০ — বীতামণি গোস্বামী
যজ্ঞেশ্বৰ শৰ্মাৰ কবিতা : ব্ৰাত্যৰ ব্ৰত : ১৪ — ইদ্ৰিছ আলি
ডঃ ভট্টাচাৰ্য্য আৰু তেওঁৰ সাহিত্য-কৃতি : ২২ — অৰ্পণা দেৱী
লোক-সাহিত্য : ২৭ — দীপালী বৰা
মেদাম মেৰিয়া মণ্টেচৰী : ৩৫ — প্ৰণয়া ভূঞা
তেজদান আঁচনি : ৩৯ — জিনু বৰা

**কবিতা :**

অগ্নিবীণা : ৪১ — গায়ত্ৰী বৰুৱা
সিহঁতে সপোন দেখে : ৪২ — ইৰা ভট্টাচাৰ্য্য
এজাক ৰ'দৰ আগমনত : ৪৩ — উৎপলা শইকীয়া
পোৱা মঙহৰ গোন্ধ লৈ : ৪৪ — কবিতাৰাণী দাস
সেই দিনটো : ৪৪ — দীপিকা শইকীয়া
কণ্ঠত কণ্ঠ মিলাই : ৪৫ — অনুৰূপা শৰ্মা
মোৰ কবিতাৰ এতিয়া বয়স কিমান : ৪৬ — মণিকুন্তলা ভট্টাচাৰ্য্য
শাশ্বত : ৪৭ — দীপা ৰাজখোৱা
কাজিৰঙা : ৪৮ — মালা মহন্ত
নহন্যাতে : ৪৯ — হিমাদ্ৰি দেৱী
ভাবীকালৰ অভিমন্যু : ৫০ — দীপা বৰা
জীৱন : ৫১ — নীতা শৰ্মা
এটি টেলিগ্ৰাফ—বাস্তৱৰ : ৫২ — অঞ্জনা গোস্বামী
ৰঙাজবা : ৫৩ — বীণা কুমাৰী দেৱী
অপেক্ষা : ৫৪ — বিবি বৰা
গীত (১) : ৫৫ — ৰাগিনী ভট্টাচাৰ্য্য
" (২) : ৫৫ — অলকা বৰঠাকুৰ

**গল্প :**

মাটিৰ মানুহ : ৫৭ — কবিতাৰাণী দাস
এজনী ছোৱালীৰ ছবি : ৬১ — দীপামণি বৰা
অপূৰ্ণ বাসনা : ৬৪ — অলকা বৰঠাকুৰ
ধুমুহা : ৬৭ — ভূপেন তালুকদাৰ

**সৰস ৰচনা :**

মোৰ আত্ম পৰিচয় : ৭১ — প্ৰতিমা হাজৰিকা

**একাংক নাট :**

যুগৰ সমাধি : ৭৫ — অপৰূপা সিন্‌হা

**মুকুতামালা** : ৮৪ — সংগ্ৰহ : দীপা বৰা, মালা মহন্ত, মণিকা দাস

**জানোনে** : ৮৭ — দীপ্তি বিশ্বাস

**ENGLISH :**

Trend of Population in Nogaon Town. : 89 — Jyoti Chakravarty
Migration : 94 — Tankeswar Bora
History and its Necessity : 97 — Pradip Kr. Duara
A Geographical Information : 99 — Collected by F. Rahman

* * *

প্ৰতিবেদনসমূহ ( সম্পাদিকাসকলৰ ) : ১০১
বাৰ্ষিক প্ৰতিযোগিতাৰ ফলাফল : ১০৯

# তত্ত্বাৱধায়কৰ একেষাৰ

নগাঁও ছোৱালী কলেজৰ ১৯৮৪ চনৰ বছৰটোৰ আলোচনীখন প্ৰকাশ পাব লাগে বছৰটোৰ মাজ বা শেষৰ ফালে চলিত বছৰৰ সম্পাদিকাৰ কাৰ্য্যকালতে, বছৰটো পাৰহৈ নিশ্চয় নতুন সম্পাদিকাৰ কাৰ্য্যকাল পাবগৈ নেলাগে। আমাৰ কলেজ আলোচনীৰ প্ৰকাশত এইটো বৰকৈ চকুত পৰা ত্ৰুটী হৈছে। এনে কিয় হ'বলৈ পাইছে অলপ বিশ্লেষণ কৰি চালে দেখা যায় যে আলোচনীখনে যিবোৰ সাহিত্যিক সম্ভাৰ বুকুত সামৰি লৈ আত্ম-প্ৰকাশ কৰিব লাগে, সেই সম্ভাৰ আমাৰ ছাত্ৰীসকলে সম্পাদিকাৰ বহুবাৰৰ জাননীৰ পিছতো যোগান ধৰিব নোৱাৰে। যিখিনি যোগান ধৰে সিখিনিৰ কিছুমানৰ মৌলিকতা নাই, দেখদেখকৈ আনৰ নকল, কিছুমান গল্পও নহয়, প্ৰবন্ধও নহয় কিম্বা আন ৰচনাৰ শাৰীতো ঠাই দিব পৰা বিধৰ নহয়। এনেক্ষেত্ৰত ছাত্ৰীৰ লেখাখিনি চাই-চিতি পোনাই-পাজৰাই দিবলৈ অধ্যাপক-অধ্যাপিকাসকলে গাত ললেও প্ৰকাশযোগ্য অতি কম সংখ্যক ৰচনাহে নিৰ্ব্বাচিত কৰি সম্পাদিকাৰ হাতত দিয়ে। এনে ৰচনা ইমান কম যে এখন কলেজৰ মুখপত্ৰ স্বৰূপ আলোচনীখন যেনে সৌষ্ঠৱেৰে প্ৰকাশ হ'ব লাগে, তেনে সৌষ্ঠৱেৰে প্ৰকাশ কৰিবলৈ সাহিত্য-সম্ভাৰৰ নাটনিত সম্পাদিকা হতাশ হ'ব লগা হয়। এনেদৰে উপৰ্য্যুপৰি চেষ্টাৰ ফলত এইবাৰো বছৰ পাৰ হৈ যাব লগাৰ সময়তহে আলোচনীখন ছপাশালত দিব পৰা হ'ল। ই বৰ সন্তোষৰ কথা নহয়। কলেজ আলোচনীখন ছাত্ৰীসকলৰে সম্পত্তি যদিও কলেজৰ অধ্যাপক-অধ্যাপিকাসকলেও দুই-চাৰিটা ৰচনা সম্ভাৰ আগবঢ়াই ছাত্ৰীসকলৰ শিক্ষণীয় বিষয়ৰ ওপৰত লেখনী ধৰি নিশ্চয় ছাত্ৰীসকলক উৎসাহিত কৰাৰ স্থল আছে। ভৱিষ্যতে সকলোৱেই আলোচনীখনৰ সমৃদ্ধিৰ প্ৰতি চকু দি যথাসময়ত প্ৰকাশ লাভ কৰাত সহায় কৰিব বুলি আশা ৰাখিলোঁ।

আমাৰ ন-লেখিকা ছাত্ৰীসকলে মনত ৰখা উচিত যে আনৰ অন্ধ অনুকৰণ এটা মানসিক ভ্ৰম। পেনপেনীয়া প্ৰেমৰ কথা আৰু অতীন্দ্ৰিয় ভৌতিক কথা সামৰি গল্প লেখা, দুৰ্ব্বোধ্য শব্দৰ সমাহাৰ ঘটাই কবিতা লেখা, দন্দ আৰু ৰসবিহীন একাঙ্কিকা লেখা, জীৱনৰ বৈচিত্ৰ্য আৰু সামগ্ৰিকতাহীন উপন্যাসিকা লেখা এটা অন্ধ অনুকৰণ প্ৰৱণতা ছাত্ৰীসকলৰ মাজত পৰিলক্ষিত হৈছে। ছাত্ৰীসকলে দেখিছে বৰ্ত্তমান মানুহৰ জীৱনৰ জটিলতা বাঢ়িছে। মানুহৰ আহৰি নোহোৱা হৈছে। জগতখন বিজ্ঞানৰ



পাখিলগা কাঁড়েৰে গতি কৰি প্ৰগতিৰ পথত আগবাঢ়িছে। মানুহৰ বৌদ্ধিক চিন্তাৰ প্ৰখৰতা আৰু জটিলতা বাঢ়ি বৰ্ত্তমান জগতৰ লগত খোজত খোজ মিলাই যাবলৈ ধৰিছে। তেনেস্থলত উল্লিখিত ধৰণৰ বৈচিত্ৰ্যবৰ্জ্জিত লেখনীৰে আলোচনীৰ পাত ভৰাব পৰা হ'ব পাৰে কিন্তু তাৰ স্থায়িত্ব একেবাৰে শূন্য। সেইবোৰ ফটাকাকতৰ পাচিত জাহ যোৱা বিধৰ বস্তুহে হ'ব। সেইবাবে ছাত্ৰীসকলে কম-দিনীয়া জীৱনৰ অভিজ্ঞতাৰে যি দেখিছে, যি শুনিছে, যি অনুভৱ কৰিছে, অগ্ৰজ লেখক-লেখিকাৰ লেখনী পঢ়ি যি জ্ঞান লাভ কৰিছে, তাকেই মূলধন হিচাবে লৈ নিজে চিন্তা-চৰ্চ্চা কৰি মৌলিকভাৱে লিখিবলৈ চেষ্টা কৰিব লাগে। মনত ৰাখিব লাগে যুগ-মানসত সাঁচ বহুৱাব নোৱাৰা কোনো লেখনীয়েই পাঠকক আমোদ দিব নোৱাৰে। তেওঁলোকৰ আগত সাহিত্যৰ বহলক্ষেত্ৰ পৰি আছে। সমাজত কৃষি, শিল্প, উদ্যোগ, কাৰিকৰী অনুষ্ঠান-প্ৰতিষ্ঠান, বিজ্ঞানৰ ক্ষেপণাস্ত্ৰ-মাৰণাস্ত্ৰ, বিভিন্ন যান-বাহনৰ বহুল প্ৰচলন আৰু বিজ্ঞানৰ ন ন আৱিষ্কাৰে জগতক বিস্মিত কৰি তুলিছে। ক্ৰীড়া জগতৰ খ্যাতি, বোলছবি-অভিনয় জগতৰ জনপ্ৰিয়তা, সঙ্গীত-সুকুমাৰ কলা আদি সাংস্কৃতিক বিষয়ৰ জনপ্ৰিয় প্ৰসাৰ আদিত মানুহ বাবুকৈয়ে প্ৰবৃত্ত হৈ পৰিছে। বৰ্ত্তমান সময়ত প্ৰাচ্য-পাশ্চাত্যৰ মাজত এখন ৰাষ্ট্ৰই আনখনৰ ওপৰত বিভিন্ন দিশত প্ৰভাৱান্বিত কৰিছে। বৰ্ত্তমান মানুহৰ কথা-বাৰ্ত্তা, চাল-চলন, পোচাক-পৰিচ্ছদ, আহাৰ-বিহাৰ,, ধৰ্ম-বিশ্বাস, নৈতিকতা আদিত ক্ষীপ্ৰ পৰিবৰ্ত্তনে দেখা দিছে। উদ্যোগপতি-শ্ৰমিকৰ, শাসক-শাসিতৰ মাজৰ অৰিয়াঅৰি সৰ্ব্বজন বিদিত। মানুহ সমাজবাদী আনু গণতান্ত্ৰিক ভাববাদী হৈছে। তথাপি বিশ্বখন শ্ৰেণীহীন সমাজত পৰিণত হ'ব পৰা নাই। শিক্ষিতৰ হাৰ বাঢ়িছে, কিন্তু শিক্ষিত নিবনুৱা বৃদ্ধি কৰা এই শিক্ষা যেন বিধাতাৰ অভিসম্পাতত পৰিণত হৈছে। অৰ্থনৈতিক প্ৰতি-যোগিতা বাঢ়িছে। তাৰ উপৰি মানুহৰ মাজত এদলক বঞ্চিত কৰি আনদলে ভোগ কৰাৰ প্ৰৱণতা বঢ়াৰ বাবে ঈৰ্ষা-অসূয়া, মৃত্যু-ধ্বংস আদিৰ প্ৰকোপ বাঢ়িছে। সাম্প্ৰদায়িক ভেদাভেদৰ সীমাসংখ্যা নাই। বিশ্বৰ বুকুৰ মানৱ সমাজৰ এইবোৰ কথালৈ আৰু মানৱ জীৱনৰ প্ৰমূল্যবোৰলৈ দৃষ্টি দি মানুহৰ জীৱনৰ আৰু সমাজৰ বিভিন্ন দিশৰ সচাঁ কাহিনীৰ আলমতে শিল্পী, লেখক-লেখিকাই পাঠক-পাঠিকাৰ মনত লগাকৈ অনেক সাহিত্য-সম্ভাৰ আগবঢ়াব পৰাৰ স্থল আছে। ছাত্ৰীসকল মাথোন সূক্ষ্ম দৃষ্টিৰ, জ্ঞান-অভিজ্ঞতা আৰু অধ্যয়ন পুষ্ট এটা মনৰ অধিকাৰী হ'ব লাগে।

ভাষা হৈছে ভাব প্ৰকাশৰ বাহন। দিনটোৰ চৌবিশ ঘণ্টাৰ ভিতৰত মানুহৰ অন্তৰত সুখ-দুখ, হৰ্ষ বিষাদ, প্ৰেম-বিৰহ, আশা-নিৰাশা আদি অজস্ৰ ভাৱৰ উদয় হয় আৰু মাৰ যায়। এইবোৰ ভাৱ-অনুভূতি প্ৰকাশৰ প্ৰধান মাধ্যম হৈছে ভাষা। বুদ্ধিসম্পন্ন মানুহহে কেৱল ভাষাৰ অধিকাৰী। এই ভাষাই মানুহক ইতৰ প্ৰাণীৰ মাজৰ পৰা চিৰদিনৰ বাবে বিছিন্ন কৰি আনি মননশীল মানুহ-ৰূপে গঢ়ি তুলিছে। গতিকে ছাত্ৰীসকলে লেখনী ধৰাৰ লগতে নিজৰ ভাষাৰ ওপৰত দখল থকাটোও অতি প্ৰয়োজনীয় কথা। ভাষাৰ শুদ্ধ ৰূপ হৈছে

ইয়াৰ জতুৱা ৰীতি। তাৰ লগতে শুদ্ধ আখৰ-জোঁটনিৰে শব্দ সৃষ্টি, শুদ্ধ বানান আৰু শুদ্ধ শব্দৰে ব্যাকৰণসন্মত শুদ্ধ বাক্য গঠন আদি আনুষঙ্গিক কথাবোৰলৈও বিশেষ মনোযোগ দিব লাগিব। নিজৰ ভাষাটোৰ ধ্বনিতত্ত্ব (স্বৰ-ব্যঞ্জন ধ্বনিৰ সংখ্যা, উচ্চাৰণ পদ্ধতি, প্ৰয়োগ), ৰূপতত্ত্ব (পদ-প্ৰকৰণ, ধাতুপ্ৰকৰণ, লিঙ্গ, বচন, কাল, বাচ্য, কৃদন্ত প্ৰকৰণ) আৰু শব্দ তত্ত্ব (শব্দাৱলীৰ বিভিন্ন উৎস আৰু শব্দ গঠনৰ বুৰঞ্জী) এই তিনি বিষয়ত সম্যক জ্ঞান থাকিলে ৰচনাৰাজিৰ ভাষা বিজতৰীয়া হোৱাৰ আশংকা নেথাকে। বৰ্ত্তমান সময়ৰ অসমীয়া ভাষাৰ আখৰ-জোঁটনিলৈ চকু দিহে লেখনী ধৰিব লাগে। অসমীয়া আখৰ-জোঁটনিৰ সমস্যাৰ সৰ্বগ্ৰাহ্য সিদ্ধান্ত দিবলৈ পণ্ডিতমণ্ডলীয়ে চেষ্টা কৰিবই লাগিছে। ছাত্ৰীসকলে অসমীয়া ভাষাত প্ৰণয়ন কৰা হেমকোষ, চন্দ্ৰকান্ত আৰু প্ৰকাশন পৰিষদৰ অভিধান, ডঃ গোলোক চন্দ্ৰ গোস্বামীৰ 'অসমীয়া আখৰ-জোঁটনি' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে উলিওৱা 'আখৰ-জোঁটনি' আদিলৈ লক্ষ্য কৰি বানানৰ সমতা ৰাখিবলৈ চেষ্টা কৰিব। তদুপৰি বিখ্যাত লেখক-লেখিকাসকলৰ লেখনী, সাম্প্ৰতিক আলোচনী, বাতৰি-কাকতসমূহেও বানান আৰু আখৰ-জোঁটনিৰ ক্ৰম ৰক্ষা কৰিছে। ছাত্ৰীসকলে এইবোৰলৈও চকু ৰাখি ভাষাৰ শুদ্ধ ৰূপ দিব পাৰে। শেষত 'সাহিত্য-চৰ্চা আৰু জ্ঞান বিকাশ' ছাত্ৰীসকলৰ কলেজ আলোচনী প্ৰকাশৰ যি মহান আদৰ্শ সেই আদৰ্শ যুগমীয়া হওক, ইয়াকে কামনা কৰিলোঁ।

অধ্যাপক **শ্ৰীকৃষ্ণ বৰা**
১৬।২।৮৫



কৰ্মৰত অৱস্থাত নব-নিযুক্ত অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা ॥

# সম্পাদকীয়

প্ৰাৰম্ভণিতে নগাঁও ছোৱালী কলেজৰ যিসকল ছাত্ৰীয়ে ১৯৮৩-৮৪ চনৰ নিৰ্বাচনী ঘোষণা পত্ৰৰ তলত বিনা প্ৰতিদ্বন্দিতাৰে আলোচনী সম্পাদিকাৰ দায়িত্ব বহন কৰিবলৈ সুবিধা দিলে তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰি ঋণ পৰিশোধ কৰাৰ ব্যৰ্থ প্ৰয়াস কৰিব খোজা নাই, চিৰকাল ঋণী হৈ থকাৰ স্বীকাৰোক্তিহে কৰিছোঁ।

অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যিসকল বীৰ শ্বহীদে কলিজাৰ কেঁচা তেজেৰে অসম মাতৃৰ চৰণ ধুৱালে, সেই মহান শ্বহীদসকললৈ মই অশ্ৰু সিক্ত শ্ৰদ্ধাঞ্জলি যাচিছোঁ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

নগাঁও ছোৱালী কলেজ মধ্য অসমৰেই একমাত্ৰ ছোৱালী কলেজ। এই কলেজৰ জন্ম ১৯৬২ চনতেই হৈছিল যদিও নিয়মিতভাৱে আলোচনীখন প্ৰকাশ পাই থকাটো দৃষ্টিগোচৰ নহয়। এখন কলেজৰ বাবে এইটো অতি পৰিতাপৰ বিষয়। এখন আলোচনী মানুহৰ মনৰ ভাৱ, ভাষা প্ৰকাশৰ উপযুক্ত সম্বল। বহিৰ্জগত নানান ৰঙত ৰঞ্জিত হৈ আমাৰ চৌদিশে বিয়পি আছে। কিন্তু মনৰ জগতখন অকল বাহ্য পদাৰ্থৰ প্ৰতিবিম্বই নহয়। সেই প্ৰতিবিম্ব মিহলি হৈ আছে আমাৰ আশা-আকাঙ্ক্ষা, হৰ্ষ-বিষাদ আদি ভিন্ ভিন্ প্ৰবৃত্তি আৰু মানসিক অৱস্থাৰ লগত। গতিকে আমাৰ মনৰ জগতখন নানান ৰঙৰ নানান মাধুৰ্য্যৰ। সাহিত্য এক প্ৰকাৰ ব্যক্তিত্ব প্ৰকাশৰ চেষ্টা। বাহ্য জগতৰ প্ৰেৰণাৰ পৰাই নিজ অভিৰুচি অনুসাৰে এজন লিখকে তেওঁৰ অন্তৰত ভাবৰ ৰূপ দিয়ে। বাহ্য জগতৰ নানা তৰহৰ প্ৰক্ৰিয়াই তেওঁৰ অন্তৰত বিচিত্ৰ ভাৱনা আৰু কল্পনাৰ সৃষ্টি কৰে, তাকেই নানান ৰূপত তেওঁ প্ৰকাশ কৰে। তেওঁৰ প্ৰতিভাৱ বলতে নতুন শক্তি আৰু ক্ষমতা লৈ অপ্ৰকাশিত ভাৱৰাশি মূৰ্ত্তিমন্ত হৈ উঠে।

স্কুল-কলেজৰ আলোচনীবোৰেই ছাত্ৰ-ছাত্ৰীসকলৰ অপ্ৰকাশিত ভাব
প্ৰকাশৰ স্থলী। মই আশাকৰোঁ আমাৰ কলেজৰ ছাত্ৰীসকলে নিজৰ সাহিত্য-
প্ৰতিভা আলোচনীখনৰ জৰিয়তে প্ৰকাশ কৰাৰ সুযোগকণ হাততে যেন হেৰুৱাই
নিদিয়ে। প্ৰৱন্ধ-পাতি সংগ্ৰহৰ সমস্যাটোৱেই এখন আলোচনী পলমকৈ প্ৰকাশ
হোৱাৰ একমাত্ৰ কাৰণ। ছাত্ৰ-ছাত্ৰীসকলে আলোচনীখন সম্পাদক/সম্পাদিকাৰ
ব্যক্তিগত সম্পত্তি বুলি ভবাটো অনুচিত। সম্পাদক/সম্পাদিকাৰ শতকোটি অনু-
ৰোধৰ ফলতহে গল্প, কবিতা, প্ৰবন্ধ আদি অনিচ্ছাকৃতভাৱে প্ৰকাশৰ বাবে দিবলৈ
বাধ্য হয়। এইটো অতি দুখজনক বিষয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনে এটা
বিবৃপ মন্তব্য শুনা যায় "আলোচনীত প্ৰকাশ হ'ব জানো ?" কিন্তু উচ্চমান-
বিশিষ্ট গল্প, কবিতা, প্ৰৱন্ধ প্ৰকাশ কৰি আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰিবলৈ
সম্পাদক/সম্পাদিকাই কদাচিতো কুণ্ঠাবোধ নকৰে, অৱশ্যে নিকৃষ্ট মানদণ্ডৰ প্ৰৱন্ধ-
পাতি প্ৰকাশ কৰি আলোচনীখনৰ মানদণ্ড লঘু কৰিব নিবিচাৰে। নগাঁও
ছোৱালী কলেজ আলোচনীত প্ৰকাশৰ বাবে দিয়া যিসকল ছাত্ৰীৰ প্ৰৱন্ধ-পাতি
প্ৰকাশ হৈ নোলাল তেওঁলোকক হতাশ নহৈ মই পুনৰ হাতত নতুন
উদ্যমেৰে কলম তুলি লবলৈ অনুৰোধ জনালোঁ যাতে—ভৱিষ্যতে উচ্চমানৰ গল্প-
কবিতা লিখি প্ৰকাশ কৰাৰ সুবিধা আগবঢ়াই সুন্দৰকৈ আলোচনী সৃষ্টি হোৱাত
সম্পাদিকাক সহায় কৰে। মই মোৰ কাৰ্য্যকালৰ আৰম্ভণিৰ পৰাই আলো-
চনীখন প্ৰকাশৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ, ইয়াৰ লগে লগে কলেজত নতুন
নতুন লেখিকা সৃষ্টি কৰিবৰ বাবে প্ৰাচীৰ পত্ৰিকা "কণ্ঠত কণ্ঠ মিলাই"
সম্পাদনাৰ কাম কৰিছিলো যাৰ জৰিয়তে ছাত্ৰীসকলে নিজৰ ভাব-অনুভূতি
প্ৰকাশৰ সুবিধা পাইছিল। প্ৰাচীৰ পত্ৰিকাত প্ৰকাশিত হোৱা প্ৰায়বোৰ গল্প-
কবিতাৰ সামঞ্জস্য আছিল আমাৰ বাস্তৱ জগতত সন্মুখীন হোৱা সমস্যাবোৰৰ লগত।

**কৃতজ্ঞতা :**

কৃতজ্ঞতা স্বীকাৰৰ ক্ষেত্ৰত মই মাননীয় প্ৰাক্তন অধ্যক্ষ ড° ৰত্নকান্ত
বৰুৱাদেৱৰ নাম স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰোঁ। তেখেতৰ বহুমূলীয়া কথা-
বোৰ মোৰ স্মৃতিৰ পটত সোণালী আখৰতকৈও অধিক মূল্যৱান হৈ ৰ'ব।
বৰ্ত্তমানৰ অধ্যক্ষ মহোদয় শ্ৰীযুত বিমল কুমাৰ বৰাদেৱে আলোচনী প্ৰকাশ কৰি-



বলৈ উৎসাহ-উদ্দীপনা যোগোৱাৰ বাবে আৰু আলোচনীলৈ একাষাৰ শুভ-ৰাণী প্ৰেৰণ কৰা হেতু মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাদেৱে তেখেতৰ বহুমূলীয়া লিখনিৰ দ্বাৰা আমাৰ আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰাত মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধা যাচিলোঁ। মোৰ সৈতে সমভাৱলৈ যথাসাধ্যে কষ্ট কৰাৰ হেতু অধ্যাপক তত্বাৱধায়ক শ্ৰীযুত কৃষ্ণৰাম বৰাদেৱ আৰু প্ৰৱন্ধ-পাতি চাই মোক উৎসাহ-উদ্দীপনা যোগোৱাৰ বাবে অধ্যাপক শ্ৰীভূপেন তালুকদাৰ, অধ্যাপক শ্ৰীটঙ্কেশ্বৰ বৰা, অধ্যাপক শ্ৰীগৌতম গোস্বামী, অধ্যাপক শ্ৰীপ্ৰভাত বৰা আৰু অধ্যাপিকা শ্ৰীহিমাদ্ৰিদেৱী বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদিলোঁ। প্ৰুফ আদি চাই বাছি দিয়াৰ বাবে অধ্যাপক শ্ৰীঅপূৰ্ব শৰ্মা চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লোঁ। প্ৰাচীৰ পত্ৰিকা "কণ্ঠত কণ্ঠ মিলাই" প্ৰকাশ কৰিবৰ বাবে বিশেষ সহায় আগবঢ়োৱা অধ্যাপক ইদ্ৰিছ আলি চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। যিসকল অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰীয়ে তেখেতসকলৰ লিখনিৰ দ্বাৰা আলোচনীখন প্ৰকাশৰ বাবে সহায় আগবঢ়ালে তেখেতসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু মোৰ গাৰ ছাঁৰ দৰে সহায়-সহযোগ আগবঢ়োৱা বান্ধৱী জিনু, পদ্মা, ৰীণা, মঞ্জু মালা ভণ্টি মঞ্জু, মীৰালৈ মই কৃতজ্ঞতাৰ ভাষাত এষাৰ লিখিবলৈ কদাচিতো কুণ্ঠাবোধ নকৰোঁ। সদৌ শেষত বেটুপাতৰ শিল্পী শ্ৰীস্মিতা আগৰৱালাৰ ওচৰতো মই চিৰকৃতজ্ঞ হৈ ৰ'লো।

নগাঁও ছোৱালী কলেজ আলোচনীখনি আপোনালোকৰ দৃষ্টিত কিমান দৃষ্টিমান হৈছে সেইটো আপোনালোকৰ বিচাৰ্য্য। মই হ'লে এইটো চিৰ নিশ্চিত যে পঢ়ুৱৈসকলে এটাত নহয় এটাত তিলমাত্ৰ হ'লেও আসোঁৱাহ উলিয়াবই। অৱশ্যে সম্পাদনা ক্ষেত্ৰত মই বোধহয় যত্নৰ ত্ৰুটি কৰা নাছিলোঁ। সদৌ শেষত অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিলোঁ।

॥ জয়তু নগাঁও ছোৱালী কলেজ ॥

**শ্ৰীপ্ৰণয়া ভুঞা,**
॥ আলোচনী সম্পাদিকা ॥



ৰাইজৰ দান বৰঙণি, উপহাৰ কুপন আদিৰে সংগৃহীত ধনেৰে নতুনকৈ নিৰ্মাণ কৰা কলেজৰ ভবন উদ্বোধন কৰিছে ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে ।



কলেজৰ শ্ৰেষ্ঠা সঙ্গীত প্ৰতিযোগী অদিতি ভূঞা ।



কলেজৰ ছাত্ৰীসকলে কলেজ চৌহদত সমাজ উন্নয়নমূলক কাম কৰাৰ দৃশ্য ।।



কলেজৰ শ্ৰেষ্ঠা ক্ৰীড়া প্ৰতিযোগী ঃ মিনতি দেৱী

## তেজদান আঁচনি গোট, ১৯৮৩-৮৪



বহি (বাওঁফালৰ পৰা) ঃ শ্ৰীঅনুৰূপা শৰ্মা (সভানেত্ৰী), অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা (উপদেষ্টা), অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা (উপদেষ্টা), অধ্যাপিকা শ্ৰীমালতী বৰা (উপদেষ্টা) আৰু শ্ৰীজিনু বৰা (সম্পাদিকা।

থিয়হৈ " " ঃ শ্ৰীপ্ৰণয়া ভূঞা (সদস্যা), শ্ৰীবীণা বৰা (সদস্যা)

ছবিত নথকা ঃ শ্ৰীমঞ্জু বৰা আৰু শ্ৰীমণিকুন্তলা ভট্টাচাৰ্য্য (সদস্যা)

## ছাত্ৰী একতা সভা ১৯৮৩-৮৪



বহি বাওফালৰ পৰা ঃ (অধ্যাপকসকল) শ্ৰীজয়ধন দাস (তত্বাৱধায়ক, সমাজসেৱা), শ্ৰীমহেন্দ্ৰ নাথ শইকীয়া (তত্বাৱধায়ক, সাংস্কৃতিক), শ্ৰীবিমল কুমাৰ বৰা (অধ্যক্ষ, সভাপতি), শ্ৰীকৃষ্ণ ৰাম বৰা (তত্বাৱধায়ক, আলোচনী), শ্ৰীভূপেন তালুকদাৰ (তত্বাৱধায়ক, ক্ৰীড়া), আৰু ছাত্ৰী অনুৰূপা শৰ্মা (সাধাৰণ সম্পাদিকা)।

থিয় হৈ বাওফালৰ পৰা ঃ পদ্মাৱতী দেৱী (সম্পাদিকা, দুখীয়া সাহায্য নিধি), প্ৰণয়া ভূঞা (আলোচনী সম্পাদিকা), জিনু বৰা (শ্ৰেণী প্ৰতিনিধি), ৰীণা বৰা (সহ সাঃ সম্পাদিকা), পদ্মাৱতী দাস (সহ সাংস্কৃতিক সম্পাদিকা), কবিতাৰাণী দাস (শ্ৰেণী প্ৰতিনিধি), মালা মহন্ত (সমাজ সেৱা)।

ছবিত নথকা ঃ ছাত্ৰী—প্ৰতিভা বৰুৱা (উপ-সভানেত্ৰী), ত্ৰিবেণী বৰা (সাংস্কৃতিক সম্পাদিকা), কল্পনা শইকীয়া (ক্ৰীড়া সম্পাদিকা), ইভা বৰা (সহ ক্ৰীড়া সম্পাদিকা), কল্পনা পাতৰ (সঙ্গীত সম্পাদিকা), বাণী বৰা (তৰ্ক আৰু নাটক সম্পাদিকা), নিভা বৰা (ছাত্ৰী জিৰণি কোঠা সম্পাদিকা)।
অধ্যাপকসকল—উপাধ্যক্ষা শ্ৰীতৰু বৰুৱা (কাৰ্য্যকৰী সভানেত্ৰী), শ্ৰীইদ্ৰিছ আলি (তত্বাৱধায়ক সঙ্গীত) শ্ৰীঅপূৰ্ব শৰ্মা (তত্বাৱধায়ক তৰ্ক আৰু নাট), শ্ৰীমুনি কাকতি (তত্বাৱধায়ক ছাত্ৰী জিৰণি কোঠা), শ্ৰীৰেখা দাসগুপ্তা (তত্বাৱধায়ক, দুখীয়া সাহায্য নিধি)।

# বিনয়-দিছিপ্লিন্

॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ॥ প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা ॥

দিছিপ্লিন্ কথাটোৱে ভয় খুৱাব নালাগে । দিছিপ্লিন বা বিনয় আমাৰ জীৱনৰ বাট । বিনয় শব্দৰ অৰ্থ সুধিলে ল'ৰা-ছোৱালীয়ে ক'ব - নম্ৰতা, শিষ্টাচাৰ । প্ৰকৃততে বিনয় শব্দৰ অৰ্থ ব্যাপক । বিনয় শব্দই শিক্ষা, সংস্কৃতি, সংযত ব্যৱহাৰ সকলোকে বুজায় । বৌদ্ধ শাস্ত্ৰৰ এটা ভাগৰ নাম আছিল বিনয়-পিটক । কালি-দাসৰ ৰঘুবংশত আছে, প্ৰজাৰ বিনয় বা সৰ্বাঙ্গীন শিক্ষাৰ ভাৰ ৰজাই লৈছিল ; পিতাই পুত্ৰক জন্মহে দিছিল, আচল পিতৃৰ কাম ৰজাইহে কৰিছিল । ৰঘুবংশৰ প্ৰথম সৰ্গত আছে ।

ইংৰাজী 'দিছিপ্লিন' শব্দই পাঠ্য বা অধ্যয়ন কৰিব লগীয়া বিষয় বুজায়, যেনে discipline of letters, discipline of science, যি বিষয়টো অধ্যয়ন কৰা হয় তাক খৰচি মাৰি, তন্নতন্নকৈ পঢ়া যায় ; সেই বিষয় ছাত্ৰ-ছাত্ৰীয়ে চিন্তা কৰে আৰু চিন্তা কৰি সেই বিষয়টো সম্পূৰ্ণৰূপে আয়ত্ত কৰে । ছাত্ৰৰ একা-গ্ৰতা, চিন্তা আৰু তৎপৰতাৰ বিকাশ নাই । এইদৰেই ছাত্ৰৰ চৰিত্ৰৰ ওপৰত পাঠ্য বিষয়ে গভীৰ প্ৰভাৱ পেলায় । এয়াই আচল 'দিছিপ্লিন্' ।

আমাৰ জীৱনত আমি স্কুল-কলেজত পঢ়া প্ৰায় আটাইবোৰ কথাই পাহৰি যাওঁ । কিন্তু অধ্যয়নৰ কালত মনৰ যি প্ৰচেষ্টা তাৰ প্ৰভাৱ আমাৰ ব্যক্তিত্বৰ ওপৰত থাকি যায় – এনে স্বাধীন চিন্তা, সূক্ষ্মদৰ্শিতা, জিজ্ঞাসাপ্ৰৱণতা ইত্যাদি । বিষয়-বস্তুৰ কথা পাহৰি গলেও এই গুণবোৰ আমাৰ চৰিত্ৰৰ মাজত ৰৈ যায়, বানপানীৰ পাছত পলস ৰৈ যোৱাদি ।

স্কুল-কলেজত পঢ়াৰ পাছত ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰত যিগুণ অৱশিষ্ট থাকি যায় তাকে 'কাল্চাৰ' বুলিও কোনো কোনে শিক্ষাবিদে কয় । তথ্যবোৰ পাহৰি যায়, অদৃশ্য প্ৰভাৱ স্থায়ী হৈ ৰয় ।

এই চৰিত্ৰ লাভ কৰিবলৈ প্ৰত্যেক বিষয়ৰ অধ্যয়ন-অধ্যাপনা সম্পূৰ্ণ আৰু ছিদ্ৰৰহিত আৰু নিষ্কপট হ'ব লাগে । তেহে অধ্যয়নৰ ফল মন আৰু চৰিত্ৰই লাভ কৰে । বৰ্ত্তমান উচ্চ শিক্ষা প্ৰণালীয়ে এই চৰিত্ৰ কি পৰিমাণে দিব পাৰিছে, সেইটো ভাবিব লগীয়া । কেৱল পৰীক্ষামুখী অধ্যয়ন-অধ্যাপনাই শিক্ষাৰ মূল লক্ষ্য ডিছিপ্লিন আনিব পৰা টান ।

অনুকূল পৰিবেশ, অধ্যাপক-ছাত্ৰৰ পৰস্পৰ সম্পৰ্ক-সহযোগিতা ৰক্ষা কৰি তাৎকালিক লাভৰ প্ৰলোভন কিছু কমাব পাৰিলে শিক্ষাৰ্থীয়ে প্ৰকৃত বিনয় লাভ কৰিব পাৰিব বুলি আমাৰ ধাৰণা । ●

# অসমীয়া কাব্য-সাহিত্যলৈ ডিম্বেশ্বৰ নেওগৰ অৱদান

॥ মণিকুন্তলা ভট্টাচাৰ্য্য ঃ প্ৰাক-বিঃ ২য় বাৰ্ষিক ॥

অসমীয়া কাব্য-কাননৰ প্ৰথিতযশা পূজাৰী-সকলৰ ভিতৰত কবি ডিম্বেশ্বৰ নেওগ অন্যতম। তেওঁৰ সাহিত্য সাধনাৰ আদিছোৱা কাব্যময়। তেওঁৰ কবিতাৰ অন্তৰ্নিহিত সুৰ হ'ল ভাব চঞ্চল বিলাসিতা-ময় 'প্ৰেম-প্ৰণয়' আৰু নিভাঁজ 'স্বদেশ-প্ৰীতি'। কবি আশাবাদী। জীৱন যুঁজত ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ ক্ষত-বিক্ষত অৱস্থাতো তেওঁ অসীম ধৈৰ্য্য, অদম্য সাহস আৰু সুদৃঢ় মনোবল অটুট ৰাখি সাহিত্য-সাধনাৰ বেদীত নিজকে প্ৰতিষ্ঠা কৰি গ'ল। অসমীয়া ভাষা-সাহিত্যৰ 'জোনাকী' যুগত নেওগৰ কবিতাৰ পাতনি মেল খায় আৰু ৰোমাণ্টিক যুগত তেওঁৰ কবিতাই সুমধুৰ ছন্দ. উপমাৰ সাৰ্থকতা, ভাবাবেগৰ আন্তৰিকতা আৰু সুন্দৰ সৱল সাৱলীল গতিৰ দ্বাৰা পৰিপুষ্টি লাভ কৰি বেজবৰুৱাৰ যুগৰ শেষৰ ফালে কাব্য-সাহিত্যৰ গতিয়ে ন-সুঁতি ভাষা-সাহিত্যলৈ প্ৰৱলভাবে গতি কৰে। এই গতি কবিৰ জীৱনৰ অন্তিম মুহূৰ্ত্তলৈকে প্ৰবাহিত হৈ থাকে। সাহিত্য সাধনাৰ বেদীত তেওঁৰ অৰিহণা চিৰজ্যোতিষ্মান।

নেওগে লিখাৰ পাতনি মেলে ১৯১১ চনত হাতেলিখা আলোচনী 'ভূমুকি'ৰ জৰিয়তে। তেওঁ তেতিয়া শিৱসাগৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আৰু 'ভূমুকি'ৰ সহকাৰী সম্পাদক। ১৯১৪ চনত তেওঁ 'আভাস' কবিতা এটি লিখি কাব্য-সাহিত্যত প্ৰথম পদক্ষেপ আগবঢ়ায়। 'আভাস' কবিতাৰ চানেকি হ'ল -

নিবিচাৰোঁ একো প্ৰভু মাথো দুচকুত
দিয়া সানি জ্ঞানৰ পোহৰ
চাওঁ এই বিনন্দীয়া বসুধা তোমাৰ
এয়ে মোৰ ভিক্ষা পৰাণৰ।

এই সময়তে তেওঁ বন্ধু হিচাবে লগ পায় 'জোনাকী' যুগৰ নীৰৱ সাহিত্যিক ৰাধিকা প্ৰসাদ বৰুৱাৰ পুত্ৰ ভগৱতী প্ৰসাদ বৰুৱাক। তেওঁৰ গঠন-মূলক পৰামৰ্শই নেওগৰ কবিতাৰ উৎকৰ্ষ সাধনত ইন্ধন যোগায় আৰু লাহে লাহে তেওঁৰ কাব্য-ফুলনিৰ সৌৰভ চৌদিশে বিয়পি পৰে। ছাত্ৰ অৱস্থাতে শিৱ-সাগৰত আয়োজিত দুটি পৃথক কবিতা-প্ৰতিযোগিতাত তেওঁৰ 'স্মৃতি-সংগীত' আৰু 'মহাৰজা' নামৰ কবিতা দুটিয়ে প্ৰথম বঁটা লাভ কৰিবলৈ সমৰ্থ হয়। এই সফলতাই নেওগৰ আত্মবল দৃঢ় আৰু কবিতা ৰচনাত বিশেষ অৰিহণা যোগায়। নৱম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে শিৱসাগৰ উচ্চ ইংৰাৰাজী বিদ্যালয়ত শিক্ষক-সকলৰ হাতেলিখা মুখপত্ৰ 'মালতী'ত 'মালতী' নামৰ কবিতা এটি লিখি সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈ পৰে। তেওঁৰ স্কুলীয়া সহপাঠী মণিৰামৰ মৃত্যুৱে কবি হৃদয়ত তীব্ৰভাৱে আঘাত কৰে। প্ৰিয় বন্ধুৰ স্মৃতিত লিখা 'মালিকা'ই তেওঁৰ শোকৰ নিজৰা বহন কৰে।

দিখৌপৰীয়া তৰুণ কবি নেওগ গুৱাহাটী পায়হি ১৯১৯ চনত। তেওঁ তেতিয়া কটন কলেজৰ ১ম বাৰ্ষিক বিজ্ঞানৰ ছাত্ৰ। গুৱাহাটীৰ প্ৰাকৃতিক সৌন্দৰ্য্যই কবিক হাত বাউল দিলে—কবি আগ-বাঢ়ি গ'ল নীলাচল, অশ্বক্লান্তৰ প্ৰাকৃতিক সৌন্দৰ্য্য-ৰাশিৰ মাজলৈ—ব্ৰহ্মপুত্ৰৰ বুকুত মাৰ যোৱা বেলিত সনাতন সৌন্দৰ্যই কবিৰ হৃদয় আলোড়িত কৰি ধৰা দিয়ে 'আকাশবাণী' কবিতাত—

কবিৰ কল্পনা-লীলা কৰি অৱসান
অলপতে বুৰিব তপন ;
চূৰ্ণ হ'ব অন্তৰৰ প্ৰেমৰ অভিমান
হৃদয়ত বাজিব যাতন।

এই সৌন্দৰ্য্যৰ পূৰ্ণৰূপ বিকশিত হৈছে 'সন্ধিয়া' কবিতাত এইদৰে—

'এতিয়া বুৰিল ৰবি হিয়াৰ শোণিত সানি
লুইতৰ বুকুখনি তেজেৰে বুৰালে,
ডুবিল তাহানি সেই গোসাঁনী প্ৰতিমাখনি
চেনেহী প্ৰতিমা মোৰ লগতে ডুবিলে।'

প্ৰথম বাৰ্ষিকত পঢ়ি থাকোঁতে 'উপহাৰ' কবি-তাটি 'বাঁহী'ত প্ৰকাশিত হয়। তেওঁৰ কটনৰ সহ-পাঠী প্ৰসন্নলাল চৌধুৰী, বিষ্ণু গোস্বামী, মহেন্দ্ৰ-নাথ ডেকাফুকন, প্ৰফুল্ল চন্দ্ৰ বৰুৱা।



নেওগৰ প্ৰথম প্ৰকাশিত কবিতা পুথি 'মালিকা' ১৯২১ চনত গুৱাহাটীৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ নিউ প্ৰেছৰ পৰা ছপা হৈ ওলায়। 'বাঁহীত' এই পুথিখনৰ প্ৰকাশৰ লগে লগে লক্ষীনাথ বেজবৰুৱাই ব্যক্তিগত ভাৱে পত্ৰ লিখি তৰুণ কবিক আন্তৰিক অভিনন্দন জনায়। সাহিত্যৰ প্ৰতি এই উজ্জ্বল আশা-বাদে তেওঁক প্ৰেৰণা যোগালে। কবি প্ৰেৰণাৰ উৎস হ'ল সেই সময়ৰ স্বনামধন্য সাহিত্যিক আনন্দচন্দ্ৰ আগৰৱালা, ৰাজেন্দ্ৰ নাথ বৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, ভাগৱতী প্ৰসাদ বৰুৱা, পাৰ্ব্বতী প্ৰসাদ বৰুৱা আদিৰ ভূয়সী প্ৰশংসা। গুৱাহাটী বিশিষ্ট সাহিত্যসেৱীসকলৰ মিলন স্থল। ইয়াতে তেওঁ সাহিত্যিক জ্ঞানদাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ, মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্য্য আদিক লগ পায়।

'মালিকা' কবিতা পুথিৰ পাছতে ধাৰাবাহিক-ৰূপে প্ৰকাশিত কাব্য— থুপিতৰা (১৯২৫), মালতী (১৯২৭), ইন্দ্ৰধনু (১৯২৯), মুকুতা (১৯৩১), মেঘদূত (১৯৪০), থাপনা ১৯৪৬), অসমা (১৯৪৭), বিচিত্ৰা (১৯৪৮), শ্বহীদান (১৯৫১), শুৱনি আদি। কাব্য-সাহিত্যত নেওগক 'ইন্দ্ৰধনু'ৰ কবি বুলি পৰিচিত।

অকল কাব্-সাহিত্যত নেওগৰ প্ৰতিভাৰ পূৰ্ণ বিকাশ হোৱা বুলি ক'বলৈ মনত খোকোচা লাগে। টকা এটিৰ দুয়ো পিঠি নোচোৱাকৈ ভাল বেয়া মন্তব্য দিব নোৱাৰাৰ নিচিনাকৈ জীৱন জোৰা অসমীয়া সাহিত্য-সংস্কৃতি সাধকৰ প্ৰতিভা কাব্য কালতে সীমাবদ্ধ নাছিল। তেওঁ আছিল বহুমুখী প্ৰতিভাশালী ব্যক্তি। তেওঁ একাধাৰে কবি-সাহিত্যিক, ভাষাতাত্বিক, শিক্ষাবিদ আৰু নিৰ্ভীক সমালোচক

হিচাবেও অসমীয়া ভাষা-সাহিত্যত তেওঁৰ এখন সুকীয়া আসন আছে। বিজ্ঞানৰ ছাত্ৰ আছিল যদিও নেওগ ছাত্ৰ অৱস্থাৰে পৰা ভাষা-জননীৰ একনিষ্ঠ সেৱক। এসময়ত ছাত্ৰ সন্মিলনৰ মূলমন্ত্ৰ 'মিলন'ৰ আৰু পিছত সাহিত্য সভা পত্ৰিকাৰ সম্পাদক আছিল। বিভিন্ন ধৰণৰ প্ৰায় চাৰে-তিনিকুৰিৰ ওপৰ গ্ৰন্থ তেওঁ ৰচনা কৰিছে। অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাৰূপে তেওঁ প্ৰসিদ্ধ। তেওঁৰ ভাষা-সাহিত্যৰ অমৰ গ্ৰন্থসমূহ হ'ল— 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী' (১৯৩৭), 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি' (১৯৪০), অসমীয়া সাহিত্যৰ সংক্ষিপ্ত বুৰঞ্জী (১৯৫০), আলোচনাত্মক গ্ৰন্থ 'বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি' (১৯৪০), 'বৈষ্ণৱ ধৰ্মৰ ক্ৰমবিকাশ' (১৯৪৩), 'প্ৰাক্-ঐতিহাসিক অসম' (১৯৪৯), সমালোচনাত্মক গ্ৰন্থ 'অসমীয়া সাহিত্য অধ্যয়ন' (১৯৬৪)।

বিংশ শতাব্দীৰ দ্বিতীয় দশকৰ পৰা চতুৰ্থ দশকলৈ অসমীয়া ভাষা-সাহিত্যৰ সেৱকসকলৰ ভিতৰত নেওগ আছিল অন্যতম। সেই কালৰ 'বাঁহী', 'উষা', 'আলোচনী' আৰু 'চেতনা'ত তেওঁৰ অৱদান অনন্য। দুহেজাৰ মান ফকৰা-যোজনাৰ 'ৰহৰহী' লোক সাহিত্যৰ পথ-প্ৰদৰ্শক।

নেওগ আছিল অসমীয়া জাতিৰ ভাষা-সংস্কৃতিৰ বাহক; জাতীয় সংহতিৰ প্ৰতীক; প্ৰগাঢ় দেশপ্ৰেমিক। তেওঁৰ লিখনি আছিল সুস্থ, সবল, সতেজ আৰু চিৰ নতুন। দেশৰ বৰ্ত্তমান কাল-সন্ধিক্ষণত নেওগে তাহানিতে লিখা 'অসমীয়া জাতিৰ আৰু সাহিত্যৰ ভৱিষ্যত' নামৰ প্ৰৱন্ধৰ এচোৱা আজি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ— 'সাহিত্যত জোৱাৰৰ পাচত ভাটা স্বভাৱতে আহিলেও, ভাটাৰ পিচত জোৱাৰ স্বভাৱতে নাহে। তাৰ বাবে নিশ্চয় জাতীয় সাধনাৰ আৱশ্যক। জাতীয় সাধনা আকৌ সেইদৰে সহজতে হোৱা দেখিবলৈ পোৱা নহয়; কোনো জাতীয় বিপৰ্য্যয় বা সংকটক আশ্ৰয় কৰিহে ই গঢ় লয়। অসমীয়াৰ আজি জীৱন-মৰণ সমস্যা। আজি ইয়াকে লৈ এটা সাৰ্বজনীন জাতীয় আন্দোলন গঢ়ি উঠা উচিত। ৰাজনীতিত ভেদ থাকে, মাতৃভক্তিত মিলনৰ বাহিৰে একো নাই। অসমীয়া চিৰকাল মাতৃভক্ত; মাতৃ সেৱাত কেও বিভক্ত হ'ব নোৱাৰে।'

দেশ আজি বিপন্ন। বিগত পাঁচ বছৰে অসমৰ জনগণে দেশৰ অস্তিত্ব ৰক্ষাৰ কাৰণে সাৰ্বজনীন সংগ্ৰামত অৱতীৰ্ণ হৈ কবি নেওগৰ ভাষাৰে টেটুফালি চিঞৰিছে—

"মৰে অসম জীয়ে কোন,
জীয়ে অসম মৰে কোন ?" ●

# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

॥ বীণা বৰা : স্নাতক, ২য় বাৰ্ষিক ॥

সাধাৰণতে দেখা যায় যে একোজন মহৎলোক সমাজত সাধাৰণ দুজন লোকৰ দৰে থাকি জীৱন যাপন কৰে। দেখাত তেওঁলোকৰ গাত এক অসাধাৰণত্ব নাই, কিন্তু তাৰ মাজতে লুকাই আছে তেওঁলোকৰ সাধনা, ঐকান্তিকতা। এইবিলাকেই তেখেতসকলক মহান কৰে। আমাৰ বেজবৰুৱাদেৱো তেনে এজন লোক। অসমীয়া ভাষা-সাহিত্যৰ এটা জীৱন-মৰণ সন্ধিক্ষণত বেজবৰুৱাৰ জন্ম হৈছিল।

বেজবৰুৱাৰ দেউতাক মন্সিফ কামৰ বাবে বদলি হৈ যেতিয়া নগাঁৱৰ পৰা বৰপেটালৈ নাৱেৰে যায়, তেতিয়া ১৮৬৪ চনৰ কাতি মাহৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা ব্ৰহ্মপুত্ৰৰ বুকুত আৰু নাৱৰ ওপৰতে তেখেতৰ জন্ম হয়। লক্ষ্মী পূৰ্ণিমাৰ দিনা জন্ম লাভ কৰাৰ বাবেই তেখেতৰ নাম লক্ষ্মীনাথ বেজবৰুৱা হয়। বেজবৰুৱা সৰুৰে পৰা বাপেকৰ লগত ইঠাই সিঠাইকৈ ঘূৰি ফুৰি শেষত শিৱসাগৰত থিতাপি লৈ অধ্যয়নত প্ৰবৃত্ত হয় আৰু শিৱসাগৰৰ পৰাই প্ৰৱেশিকা পৰীক্ষা পাচ কৰি উচ্চ শিক্ষা লাভাৰ্থে তেখেত কলিকতালৈ যায়। কলিকতাৰ পৰাই বি. এ. পাচ কৰে। তাৰ পাছত এম. এ. আৰু আইন অধ্যয়ন কৰে যদিও ডিগ্ৰী নোলোৱাকৈ অধ্যয়ন সমাপ্ত কৰে। ১৮৯১ চনত বঙ্গদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰায়। তাৰ পাছত তেওঁ বিখ্যাত সদাগৰ ৺ভোলানাথ বৰুৱাৰ লগত ব্যৱসায়ত নামে। পিছত ৱাৰ্ড নামৰ ইংৰাজ কোম্পানীৰ লগত কাৰবাৰ চলায়। অৱশেষত উৰিষ্যাৰ সম্বলপুৰত নিজাকৈ কাঠৰ ব্যৱসায় কৰে। আজি বেজবৰুৱাৰ দেহাটি অসমীয়া সমাজত নাই, কিন্তু তেখেতৰ মহান প্ৰাণটি অসমীয়া ভাষা-সাহিত্যৰ ভড়ালত আজিও আছে। তেখেতৰ প্ৰকৃত চিনাকি আমি তেখেতৰ অমূল্য লিখনিবোৰৰ মাজতহে বিচাৰি পাওঁ।

দেশৰ প্ৰতি গভীৰ প্ৰেম আছিল তেওঁৰ জীৱন দৰ্শন। বঙ্গৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ দুহিতাৰ বিবাহ-পাশত আৱদ্ধ হৈও তেওঁ নিজ দেশৰ জেউতি পাহৰি যোৱা নাছিল। তেওঁ আছিল উচ্চমানৰ এক দুৰন্ত পুৰুষ। দেশ-প্ৰেমৰ বিশাল আত্মা তেওঁৰ। অসমৰ ভাষা-সংস্কৃতি তেওঁৰ বুকুৰ মঙহ। সেয়ে সৃষ্টি হ'ল "'অ' মোৰ আপোনাৰ দেশ" এক বিখ্যাত গীতি-কবিতা দেশ-প্ৰেমৰ। নিজ

দেশক ভালপোৱা, নিজৰ সংস্কৃতি ভালপোৱা, নিজ দেশৰ মহাপুৰুষক শ্ৰদ্ধা জনাই গুৰু মনা, বেজবৰুৱাই লিখিলে—

"প্ৰকৃত ধৰম বিচাৰি খোচাৰি
জগত বেহালোঁ দুখে
নিজৰেই দেশৰে পবিত্ৰ ধৰম
নামঘৰৰ দুৱাৰ মুখে ॥
গুৰু লাগে বুলি
মই শিক্ষিত শিষ্য
জগতে জননী দিলোঁ
জগতৰে গুৰু
শ্ৰীশঙ্কৰ ঘৰতেই
অন্ধলাই নেদেখিলোঁ ।

সেয়া আছিল বেজবৰুৱাৰ বিদ্ৰোহী মনৰ বিৰাট প্ৰত্যাহ্বান । নিজক পাহৰি পৰৰ ধৰ্ম বিচাৰি, ভেমত ওফন্দি নিজ দেশৰ মহান গুৰুক চিনি নোপোৱা অসমীয়ালৈ এক প্ৰত্যাহ্বান—সাৱধান বাণী।

নীচাত্মিকা ভাৱ তেওঁৰ পৰা বহু দূৰত আছিল । সমাজৰ কু-মনোবৃত্তিবোৰ আঁতৰাবৰ বাবে চেষ্টা কৰাটোতেই তেখেতৰ সাহিত্য প্ৰতিভাৰ মূল্য পোৱা যায় । অসমীয়া সমাজৰ দোষবোৰ আঁতৰাব পৰাটোৱেই তেখেতৰ জীৱনৰ লক্ষ্য আছিল । সেই চেষ্টাৰ ফল স্বৰূপে অসমীয়া সাহিত্যৰ প্ৰতিটো দিশতে বেজবৰুৱাৰ অৱদান আছে বুলিব পাৰি । নিজ দেশ, জাতিক বেজবৰুৱাই উচ্চ আসনত ৰাখি গৌৰব অনুভৱ কৰিছিল । এবাৰ এজন বঙালীয়ে অসমীয়া জাতিক কানিয়া, ধোদ বুলি উপহাস কৰাত বেজবৰুৱাই বুজালে যে প্ৰকৃততে বঙালীহে ধোদ, অসমীয়া নহয় । তাৰ প্ৰতীক, বঙালীয়ে কয় "কাঠ ফাটা ৰোদ" । অন্যহাতে অসমীয়াই কয় "টিকা ফটা ৰ'দ" । ৰ'দত অসমীয়াৰ টিকা ফাটে আৰু বঙালীৰ ফাটে কাঠ । অৰ্থাৎ অসমীয়াই ৰ'দতো কাম কৰে । এতেকে অসমীয়া ধোদ হ'ব নোৱাৰে ।

বেজবৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হয় "জোনাকী" কাকতৰ জৰিয়তে । জোনাকী কাকততেই তেখেতৰ পোন প্ৰথম লিখা 'লিতিকাই' নাটকখন প্ৰকাশ পায় । এইখন নাটকৰ সহায়ত তেখেতে সমাজৰ হোজা লোকসকলৰ ওপৰত যে সমাজৰ দোষবোৰ পৰে তাকে আঙুলিয়াই দিছে । সেইদৰে তেখেতৰ "নোমল" নামৰ নাটকৰ মাজেদি সমাজৰ সকলো গণ্য–মান্য লোকৰ আত্মম্ভৰিতাই কেনেকৈ গৰীব শ্ৰেণীৰ ওপৰত নিপীড়ন চলায় তাক দেখুৱাইছে । "পাচনী" নাটকৰ মাজেদি একেখন সমাজতে যে কানীয়া, ভঙুৱা আৰু মদাহীৰ দ'ল থাকিব পাৰে তাক সহজ-সৰলভাৱে প্ৰকাশ কৰিছে। "চিকৰপতি নিকৰপতি"ৰ মাজেদি সমাজত থকা একশ্ৰেণী (ভূৱাপাজী) লোকৰ চৰিত্ৰৰ ওপৰত চোকা মন্তব্য দিছে । ইত্যাদিবোৰৰ পৰা বুজিব পাৰি যে বেজবৰুৱাই সেইসময়ত অসমীয়া সমাজত থকা দুৰ্বলতাবোৰৰ প্ৰতিকাৰ কৰাৰ উদ্দেশ্যেই এনে ধৰণৰ ব্যঙ্গাত্মক নাটক ৰচনা কৰিছিল আৰু সমাজৰ আগত স্পষ্টকৈ দাঙি ধৰিছিল । সেইবাবেই তেখেতে সমাজৰ ঠেক গণ্ডীবোৰৰ ওপৰত ভিত্তি কৰি প্ৰায়বোৰ নাটক ৰচনা কৰিছিল । তাৰ ফল স্বৰূপেই প্ৰকাশ পাইছিল তেখেতৰ দেশৰ প্ৰতি থকা ভালপোৱা ভাৱটো ।



'পদুম-কুঁৱৰী'ৰ মাজত আমি বেজবৰুৱাদেৱ যে এজন ঔপন্যাসিক তাক জানিব পাৰোঁ । ইংৰাজে আমাৰ দেশ লোৱাৰ পাছত তেওঁলোকৰ চাল-চলন, আচাৰ-ব্যৱহাৰ আদিয়ে আমাৰ অসমীয়া সমাজৰ একশ্ৰেণী লোকৰ ওপৰত বাবুকৈয়ে প্ৰভাৱ পেলাইছিল । লগে লগে সকলো দেশৰ দেশীয় সাহিত্যবোৰৰ ক্ষেত্ৰতো পৰিৱৰ্ত্তন নামি আহিছিল । দেশীয় বহুতো লোকেই সেই পৰিৱৰ্ত্তন সাহিত্যত ঘটাব বিচাৰিছিল ৰোমাণ্টিচিজিমৰ মাজেদি । বেজবৰুৱাৰ পদুম-কুঁৱৰীয়েও তাৰেই চেষ্টা কৰিছিল । অৱশ্যে এইটো কথা ঠিক যে ঔপন্যাসিক হিচাবে বেজবৰুৱাৰ মূল্য যদিও কম তথাপিও নৱন্যাস যুগৰ অন্যতম হোতা হিচাবে তেখেতৰ অসমীয়া সমাজত ভাল খ্যাতি আছে । অসমীয়া বৰ্ণনাৰ মাজে মাজে অনেক ভাষাৰ বাক্য প্ৰয়োগ কৰি পাশ্চাত্য ৰীতি-নীতিয়ে অসমীয়া সমাজত কি প্ৰভাৱ বিস্তাৰ কৰে তাক স্পষ্টকৈ দেখুৱাই দিয়ে । ইয়াৰ পৰা বুজিব পাৰি যে তেখেতে আধুনিকতাৰ পোহৰৰ মাজেদি এটা নিস্তেজ জাতিক সতেজ কৰি তুলিব বিচাৰিছিল । সেই কাৰণেই হয়তো জোনাকী যুগৰ কবিতা, সাহিত্য, উপন্যাস আদি সকলোতে পশ্চিমীয়া প্ৰভাৱ পৰিলক্ষিত হয় । সেইবাবেই বেজবৰুৱাই অসমীয়া পুৰণি ৰীতি-নীতিৰ ওপৰত আধুনিকতাৰ প্ৰভাৱ পেলাই অসমীয়া সাহিত্যৰ ভেটি কটকটীয়া কৰিব খোজাত "পদুম-কুঁৱৰী" উপন্যাসেই প্ৰমাণ বুলিব পাৰি ।

বেজবৰুৱাই হাস্যৰসেৰে বহু ৰচনা লিখিছিল । সেয়ে তেওঁ "ৰসৰাজ" । কিন্তু মাথো "ৰসৰাজ" তেওঁ নাছিল । তেওঁৰ ৰস আছিল এক তীব্ৰ বিহ এক তিতা ৰস ! হাঁহিৰে তেওঁ সমাজক ব্যঙ্গ কৰিছিল । ঠেক গণ্ডীৰ মইমতলীয়া অহংকাৰী সমাজক তেওঁ ব্যঙ্গ কৰিছিল । সাধাৰণ কথা এটাকে তেখেতে নিভাঁজ অসমীয়া বিহা-মেখেলা পিন্ধাই এজনী পাট গাভৰু কৰি অসমীয়া সমাজৰ আগলৈ উলিয়াই দিছে । তাকে কৰিবলৈ গৈ তেখেতে আশ্ৰয় লৈছে নিভাঁজ অসমীয়া ভাষাক । য'ত যেনেভাৱে যি অৰ্থত প্ৰকাশ কৰিব লাগে ঠিক তেনেদৰেই প্ৰয়োগ কৰিছে এই ভাষা । কাৰণ তেখেতে সেই সময়ৰ দেশৰ অৱস্থা দেখি ভালদৰেই বুজিছিল যে তাৰ সমাধান কৰা সহজসাধ্য নহয় । সেইবাবেই তেখেতে এই হাস্যৰসত পৰি এফালে হাঁহিৰ লগীয়া হৈ হাঁহিছে আৰু আনহাতে এটা নৈতিক শিক্ষাও লাভ কৰিছে । বেজবৰুৱাদেৱৰ উদ্দেশ্য আছিল হাস্যৰসৰ মাজেদি নৈতিক শিক্ষা ঘূৰাই অনা । আৰু এই হাস্যৰসৰ সহায়ত বেজবৰুৱা অতি সহজেই সমাজৰ মাজত সোমাই পৰিছিল । উদাহৰণ স্বৰূপে তেখেতে "কৃপাবৰৰ কাকতৰ টোপোলা"ত যেতিয়া অসমীয়া মানুহক গালি পাৰে তেতিয়া সেই গালি আধা ইংৰাজী আধা অসমীয়া মিহলিৰ ফলত ভাষাই অন্যৰূপ লয় । অথচ তাতে ৰহণ লগাই লাথুৰা. ইষ্টুপিড্, দুষ্টপিড্, ননচন্, ব্ৰাডি, থাৰখোৱা, ফোৰবেইড আদি অনেক ধৰণৰ গালি দিছে । সেইসময়ত আমাৰ দেশত ইংৰাজে আহি কানি বীজ সিঁচিছিল আৰু অসমীয়া মানুহে তাক ব্যৱহাৰ কৰি পেট ডাঙৰ নোখোজা হৈছিল । সেইবাবে বেজবৰুৱাই সামাজিক প্ৰবন্ধৰ মাজেদি যমদূতক কানি চিকৰা যাচিছে ।

বেজবৰুৱা কেৱল সাহিত্যিকেই, নহয় তেখেত এজন ভাল কবিতা লিখকো। তেখেত কবি নহয় কাৰণ কবিতা সাধনা কৰা তেখেতৰ জীৱনৰ লক্ষ্য নাছিল। তেওঁ কবিতা লিখিছিল স'চা, কিন্তু কবিতা হওঁক নহওঁক তালৈ তেখেতে চিন্তা কৰা নাছিল। “কদমকলি” তেখেতৰ কবিতা পুথি। তেখেতৰ ৰচিত “মালতী” “প্ৰিয়তমা” কবিতাত কবি মনৰ সুক্ষ্মানুভূতি, কোমলতা, মাৰ্ধুৰ্য্যতা বিৰাজমান। তেখেতৰ কবিতাবোৰ দুটা ধাৰাত ভগাব পাৰি। এটা ভাগত পৰিছে তেখেতৰ খুহুতীয়া আৰু ব্যঙ্গাত্মক কবিতাখিনি আৰু আনটো ভাগ হ'ল বেজবৰুৱাৰ উচ্চভাৱৰ ৰোমাণ্টিক কবিতাসমূহ। বেজবৰুৱাৰ কবিতাত কোনো ধৰা-বন্ধা নিয়ম নাছিল। যেতিয়াই মনত যেনেকৈ খেলাইছিল তাকে লিখি গৈছিল। আনহাতে তেওঁ বৈয়াকৰণিক নীতি নিয়মকো আওকাণ কৰিছে। অথচ বেজবৰুৱাৰ ভাষাই আমাৰ সমাজত প্ৰতিষ্ঠা লাভ নকৰাকৈ থকা নাই।

তেখেতৰ ‘ভাগৱত-কথা”, “শ্ৰীশঙ্কৰদেৱ-শ্ৰীমাধৱদেৱ” তত্বমূলক ৰচনা আৰু সেই ৰচনাত তেখেতে চিন্তাশীল দাৰ্শনিক মনৰ চিনাকি দিছে। এই-বিলাকৰ উপৰিও তেখেতে “ভাৰত-বুৰঞ্জী”ও ৰচনা কৰে। এইবোৰৰ পৰাই বুজিব পাৰি যে এনে এটা দিশ নাই য'ত নেকি বেজবৰুৱাৰ প্ৰভাৱ পৰা নাই।

প্ৰবাসত থাকোতেই বিদেশীৰ আচাৰ-ব্যৱহাৰ, আও-ভাও দেখি স্বদেশলৈ মনত পৰিছিল আৰু সেই প্ৰেৰণাত অনুপ্ৰাণিত হৈ স্বদেশ-সেৱাত লাগিছিল। বিদেশত থাকোতেই তেখেতে “বাঁহী” কাকত সম্পাদনা কৰে। মুঠতে ক'বলৈ গলে অসমীয়া জাতীয় জীৱনৰ লগত বেজবৰুৱাৰ ৰচনাৱলীৰ যে ওতঃপ্ৰোত সম্বন্ধ আছে, তাক নুই কৰিব নোৱাৰোঁ। সেই বেজবৰুৱাদেৱেই নিজ দেশৰ মঙ্গল কামনাৰ্থে হৃদয়ৰ তপত তেজেৰে লিখি থৈ গৈছে—

“বাজক ডবা, বাজক শঙ্খ, বাজক মৃদঙ্গ খোল
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।”

উপৰোক্ত সকলো আলোচনাৰ পৰাই বুজিব পাৰি যে অসমীয়া সাহিত্যক সজীৱ কৰি তুলি নতুন যুগৰ সন্ধান দিয়া বিষয়ত বেজবৰুৱা-দেৱৰ স্থান অদ্বিতীয়। তেখেতৰ অসমীয়া সাহিত্যৰ ভড়াল টনকিয়াল কৰা পুথিসমূহ হৈছে—

ধেমেলীয়া নাটক –

(১) লিতিকাই (২) নোমল ১৯১৪ চনত।
(৩) পাঁচনী – ১৯১৩ চনত।
(৪) চিকৰপতি-নিকৰপতি --১৯১৩ চনত।

**গহীনভাৱৰ নাট্যসমূহ :**

(৫) চক্ৰধ্বজ সিংহ—১৯১৫ চনত।
(৬) জয়মতী কুঁৱৰী ১৯১৫ চনত।
(৭) বেলিমাৰ - ১৯১৫ চনত।

**উপন্যাস :**

(৮) পদুম-কুঁৱৰী ১৯১৫ চনত।

**সাধুকথাৰ পুথি :**

(৯) জুনুকা – ১৯১৫ চনত।
(১০) বুঢ়ী আইৰ সাধু ১৯১২ চনত।
(১১) ককাদেউতা আৰু নাতিল'ৰা ১৯১২ চনত।

**চুটি গল্পসমূহ :**

(১২) সুৰভি ১৯০৯ চনত।
(১৩) সাধু কথাৰ কুঁকি - ১৯১৫ চনত।
(১৪) জোনবিৰি—১৯১৩ চনত।



**জীৱন চৰিত :**

(১৫) দীননাথ বেজবৰুৱা জীৱন চৰিত—১৯১২ চনত
(১৬) শঙ্কৰদেৱ—১৯১২ চনত।
(১৭) শ্ৰীশঙ্কৰদেৱ মাধৱদেৱ— ১৯১৪ চনত।

**ৰচনা পুথি :**

(১৮) কামত কৃতিত্ব লভিবৰ সংকেত - ১৯০৩ চনত
(১৯) পথৰ –১৯১৪ চনত।

**পঢ়াশলীয়া পুথি :**

(২০) ভাৰতবৰ্ষৰ বুৰঞ্জী -- ১৯১৫ চনত।

**আধ্যাত্মিক তত্ত্বমূলক পুথি :**

(২১) ভগবৎ-কথা – ১৯১৫ চনত।

**ৰসৰচনা পুথি :**

(২২) কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা-১৯০৯চনত
(২৩) ওভোতনী—১৯০৯ চনত।

**কবিতা পুথি :**

(২৪) কদমকলি — ১৯১৩ চনত।

**আলোচনী :**

(২৫) বাঁহী ১৯০৯ চনত।

ইয়াৰ উপৰিও “জোনাকী”, “উষা”, “আবাহন” আদিত একাধিকভাৱে গল্প প্ৰবন্ধ আদিও প্ৰকাশ পাইছিল।

বেজবৰুৱাদেৱৰ সুস্পষ্ট চিনাকি পাবলৈ হ'লে আমি তেখেতৰ এই লিখনিৰাজিৰ মাজত সোমাব লাগিব আৰু তাতেই থুলমুলভাৱে তেখেতৰ পৰিচয় বিয়পি আছে। ●

“সাহিত্যত উচ্ছৃঙ্খলতা যেনেকৈ দোষৰ কথা, ‘মোক নুছুবি—মোক নুছুবি বাৰো’— তেনেকৈ দোষৰ কথা।”

॥ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা— ॥

# অসমৰ জাতীয় প্ৰতিনিধি
# “আসাম টাইগাৰ” হেম বৰুৱা

॥ ৰীতামণি গোস্বামী ঃ স্নাতক, ২য় বাৰ্ষিক ॥

কাৰ্ল মাৰ্ক্সক বোধহয় ভাৰতৰ কোনেও দেখা নাই। তথাপিও তেওঁৰ নৈতিক অনুপ্ৰেৰণাতে “মাৰ্ক্স-বাদী” এটা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ উদ্ভৱ হ'ল। ভাৰতীয় ৰাজনীতিতেই হওক বা সামাজিক বা আধ্যাত্মিক দিশতেই হওক এনে একোজন লোকৰ অভূতপূৰ্ব নীতি বা আদৰ্শই জনসাধাৰণক সততে আকৰ্ষিত কৰিছে যাক সহজে পাহৰিব নোৱাৰি। ঠিক সেইদৰেই প্ৰত্যেক জাতি বা প্ৰত্যেক সমাজলৈ এনে একোজন লোকৰ আগমন বিভিন্ন সময়ত দেখিবলৈ পোৱা যায়। অসমীয়া জাতিৰ মাজতো ঠিক সেই দৰেই তেনে এজন পণ্ডিত, কবি, সাহিত্যিক, সুবক্তা, সাংবাদিক, ৰাজনীতিজ্ঞ আৰু সকলোৰে উৰ্দ্ধত সকলো বিপদতে মানুহৰ মাজত দেখা পোৱা, ভাৰতীয় সংসদৰ মজিয়াত নিজ প্ৰতিভাৰে প্ৰতিভাত “আসাম টাইগাৰ” হেমবৰুৱা।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত আমি কেবাজনো হেম বৰুৱাৰ নাম পাইছো। আভিধানিক হেম বৰুৱা, সাহিত্যিক হেম বৰুৱা, ত্যাগবীৰ হেমবৰুৱা, ডঃ হেম-বৰুৱা ইত্যাদি অসমী ভাষা জননীৰ একো একো-ডাল “হেমৰ হাৰ”। কিন্তু তাৰো ওপৰত আৰু এজন হেম বৰুৱাক পাই হেবুৱালো অধ্যক্ষ হেম বৰুৱা বা এম পি হেমবৰুৱা। যিজনে একেলগে একেৰাহে দুটা বিপৰীতধৰ্মী কাম কৰিবলৈ সক্ষম হৈছিল। ১৯৬৪ চনতে ছপা হোৱা ‘আচুফুল'ৰ পাতনিতে নিজে কৈছিল – “ক্ৰমাৎ মোৰ উপলব্ধি হৈ আহিছে ৰাজনীতি আৰু সাহিত্য-চৰ্চা একেলগে দুয়োটা বস্তু চলাবলৈ টান”। অথচ জীৱনৰ শেষ ভাগৰ সুস্থ অৱস্থালৈকে সেই একে উদ্যমেৰে একেৰাহে, দুয়োটা অসামঞ্জস্য আৰু অসম্ভৱ বুলি ভবা কামকো কাৰ্য্যতঃ সম্ভৱ কৰি প্ৰতিভা আৰু খ্যাতি অক্ষুন্ন ৰাখিলে।

“হেমবৰুৱা” আচলতে হেমকান্ত শৰ্মা বৰুৱাহে। হেমবৰুৱাৰ জন্ম হয় ১৯১৫ খৃঃ ২২ এপ্ৰিলত উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডৰ বিখ্যাত ভ'ৰালী বৰুৱা বংশত। মাক শিৱসাগৰৰ বিখ্যাত মজিন্দাৰ বৰুৱা বংশৰ জীয়ৰী পদ্মলোচনী দেৱী আৰু দেউতাক বিনন্দীৰাম শৰ্মা বৰুৱা। ১৯৩২ খৃঃত হেমবৰুৱাই তেজপুৰৰ পৰা প্ৰবেশিকা পাছ কৰি গুৱাহাটী কটন মহাবিদ্যালয়ৰ পৰা ১৯৩৪ খৃঃ ত আই এ পৰীক্ষা আৰু ১৯৩৬ খৃঃত বি,এ, পৰীক্ষাত ইংৰাজীত সন্মান সহকাৰে ২য় বিভাগ পাই উত্তীৰ্ণ হয়। একেলেঠাৰীয়ে ১৯৩৮ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যৰ ২য় বিভাগত এম, এ পাছ কৰে। সেইসময়ত দেউতাক বিনন্দি-ৰাম বৰুৱাদেৱে বহুসময়ত চৰকাৰী চাকৰিৰ বাবে অসমৰ বিভিন্ন ঠাইলৈ বদলি হৈছিল আৰু ফলত হেমবৰুৱাদেৱেও বিভিন্ন স্কুলত শিক্ষা লব লগাত পৰিছিল। প্ৰবেশিকা পৰীক্ষা পাছ কৰি মহা-বিদ্যালয়ত ভৰ্ত্তি হোৱাৰ পৰাহে বৰুৱাদেৱৰ ধ্যান-ধাৰণাই নতুন ৰূপ লবলৈ ধৰে। তেতিয়াৰ পৰাহে নিজকে এজন তাৰ্কীক আৰু সু-বক্তা হিচাপে গঢ়ি তুলিছিল।

“অভাৱেই স্বভাৱ নষ্ট” বোলা এটা প্ৰবাদ আছে। হেমবৰুৱাদেৱৰো ঠিক তেনেকুৱাই হৈছিল। ১৯৩৮ খৃঃত এম, এ পাছ কৰিও চাকৰিৰ সন্ধানত সেই দিনতো ঘৰতে বহি আছিল আৰু তাৰ ফলতেই হেমবৰুৱা এটা নতুন ৰূপত জন্ম হ'ল – সমালোচক, সংগঠক আৰু সাহিত্যিক ৰূপে। “আধুনিক নাট্য-সাহিত্যত “ৰিয়েলিজিম্ আৰু ৰোমান্স” আছিল তেখেতৰ আবাহনত প্ৰথম প্ৰকাশিত প্ৰৱন্ধ।

হেম বৰুৱা অসমীয়া সাহিত্য আকাশৰ এজন বাছকবনীয়া সাহিত্যিক। তেওঁ এজন প্ৰকৃত অসমীয়া, তথাপি ইংৰাজী সাহিত্যতহে ব্যুৎপত্তি লভিছিল বেছি। ইংৰাজীত বক্তৃতা দি বিশ্বৰ বিভিন্ন ঠাইত ভূয়সী প্ৰশংসা লাভ কৰিছিল, ভাৰতক বিশ্বত প্ৰতিনিধিত্ব কৰিছিল, ভাৰতৰ মান-চিত্ৰত অসমক আৰু অসমীয়াক নিজস্ব এখন স্থান দিছিল। বিশ্বৰ বাবে-ৰহনীয়া ভাষা-সাংস্কৃতিক কঢ়িয়াই আনি আমাক বিলাই দিবৰ বাবে বহু যত্নেৰে অসমীয়া সাহিত্যৰ উন্নতি সাধন কৰিছিল। তেখেতে নিজৰ ভাষাতেই প্ৰথমে ইংৰাজীত লিখি পিছত অসমীয়ালৈ অনুবাদ কৰিছিল। সংসদৰ লাইব্ৰেৰীত যেতিয়া যৌন সাহিত্য লেখীয়া কিতাপ ৩৪ খন আছিল আৰু অসমীয়া ভাষাত তেনেকুৱা কিতাপ এখনো নাছিল, বহুতো দেশী-বিদেশী কিতাপ পঢ়ি অসমীয়াতো তেনে কিতাপৰ অভাৱ দূৰ কৰিলে “বহাগতে পাতি যাওঁ বিয়া”ৰে। তেওঁ অসমীয়া সাহিত্য পঁজিলৈ আগবঢ়োৱা অৰিহনাৰ ভিতৰত জীৱনীমূলক, ভ্ৰমণমূলক আৰু সৃষ্টিধৰ্মী বিভিন্ন দিশৰ ২৩খন কিতাপ আৰু ইংৰাজী সাহিত্যতো ৮খন কিতাপ লিখে। এইদৰে তেখেতে অসমীয়া জাতিৰ অভাৱ দূৰ কৰি অসমীয়া ভাষা-সংস্কৃতিৰ বহুল প্ৰচাৰ কৰি সাহিত্যৰ আকাশত এটা উজ্বল তৰা ৰূপে বিৰাজ কৰিলে।

হেম বৰুৱা আছিল এজন কবিও। কবি হিচাপে সমাজত তেখেতে সমাদৰ লাভ কৰা মূলতে আছিল, তেখেতৰ বাকপটুতা, স্পষ্টবাদিতা, সফলযুক্তিৰ ৰসাল কণ্ঠনভঙ্গৰী। তেওঁক আধুনিক সমালোচকে উচ্চ কবিৰ স্থান দিব নোখোজে যদিও ‘জাৰৰ দিনৰ সপোন”. ‘মমতাৰ চিঠি”, “আইতা” আদিৰ ৰচনাভঙ্গৰী বিশ্লেষণ কৰিলে সেই যুক্তি নিৰৰ্থক হৈ পৰে। “মন ময়ূৰী” আৰু “বালিচন্দা” দুখন কবিতা পুথিয়েই তেখেতৰ কবি প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন আৰু কবি সাহিত্যিকৰ মাজত এক বলিষ্ঠ পদক্ষেপ।

হেম বৰুৱা আছিল জনতাৰ নেতা, ৰাইজৰ সুখ-দুখৰ লগৰী আৰু জাতীয় আন্দোলনৰ প্ৰতিভু

বিভিন্ন দেশ-বিদেশৰ কলা-সংস্কৃতি আৰু অভিজ্ঞতাৰে পুষ্ট জনতাৰ নেতা। সেয়েহে তেওঁ ৰাজনীতিৰ বিৰোধী দলত থাকিও ভাৰতক প্ৰতিনিধিত্ব কৰিবৰ বাবে প্ৰেৰিত হৈছিল আমেৰিকা, ৰাচিয়া, ইউৰোপ, ইণ্ডোনেছিয়া আদি বিভিন্ন ৰাষ্ট্ৰলৈ। তাৰ পৰাই তেখেতৰ অসমীয়া সাহিত্যলৈ সৃষ্টিসুলভ জ্ঞানগৰ্ভৰ অৱদান "ইজৰাইল", "ৰঙা কৰবী ফুল" "মেকং নৈ দেখিলোঁ", "সাগৰ দেখিছা" এই চাৰিখন অসমীয়াৰ আপুৰুগীয়া ভ্ৰমণমূলক গ্ৰন্থ।

১৯৫৭ চনৰ পৰা ১৯৭১ চনলৈকে এই সুদীৰ্ঘ ১৪ বছৰ কাল ৰাজনীতি কৰিলে। সেয়ে অসমৰ প্ৰতিনিধি হিচাপে সংসদৰ মজিয়াৰ বাহিৰতে অসমৰ জনতাৰ লগত অসমৰ অভাৱ দূৰীকৰণৰ বাবে অসমত উদ্ভৱ হোৱা প্ৰতিটো আন্দোলনত তেখেত জঁপিয়াই পৰিছিল। অসমৰ তেল শোধনাগাৰ, যোগীঘোপাৰ কাগজৰ কল, ব্ৰহ্মপুত্ৰত দলং নিৰ্মাণ ভাষা-সমস্যা আদিৰ উপৰিও দেশৰ প্ৰত্যেক ঠাইৰে মানুহৰ মাজৰে তেওঁ বুলিব পাৰি। অসমত বানপানীত বিধ্বস্ত হোৱা অঞ্চল প্ৰত্যক্ষদৰ্শী আৰু সমাজসেবীসকলৰ ভিতৰতো হেমবৰুৱা আছিল প্ৰথম। হেমবৰুৱা এজন ৰাজনীতিজ্ঞ আছিল, কিন্তু তেওঁ যি ৰাজনীতি কৰিছিল সি মাছ দেখি জাল গোঠা বিধৰ বা দল বাগৰা দলাৰ বৰ্গৰিও নাছিল। তেওঁ প্ৰথমতে যদিও কংগ্ৰেছী আছিল দেশ স্বাধীন হোৱাৰ পিছত কেইজনমান বিশিষ্ট লোকৰ সংযোগত নতুনকৈ ছচিয়েলিষ্ট পাৰ্টি গঠন কৰে আৰু তাকেই শেষলৈকে লাগি থাকে। যিটো শুদ্ধ তাক প্ৰতিপন্ন কৰিহে তেওঁ ক্ষান্ত হৈছিল। সেয়েহে দৰদী বৰুৱাদেৱে ৰাইজৰ সেৱাত ব্যাঘাত হ'ব বুলি কোনো প্ৰলোভনত ভোল নগৈ স'চাক স'চা বুলি প্ৰতিপন্ন কৰিবলৈ গৈ উপযাচি দিয়া পদবীও গ্ৰহণ নকৰি নিজ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰি গ'ল।

হেমবৰুৱা এজন বাগ্মী পুৰুষ আছিল। তেওঁৰ বাগ্মীতাৰ গুণত আৰু জ্ঞানত সকলো শ্ৰোতাকে মুগ্ধ কৰিছিল। অকল অসমীয়া ভাষাতেই নহয় ইংৰাজী ভাষাতো সমান ব্যুৎপত্তি তেওঁৰ আছিল। ১৪ বছৰ ভাৰতৰ সংসদৰ সদস্য হিচাপে (স্বৰাষ্ট্ৰ আৰু পৰৰাষ্ট্ৰৰ) ৮৫০টা বিষয়ত নিজৰ যুক্তিসঙ্গত মতামত দাঙি ধৰি এক অভিলেখ স্থাপন কৰে। নেহেৰুৰ দিনত বিখ্যাত সংসদী সদস্যসকলৰ সাক্ষাতত মিনিটত এশ পচাঁশিটা ইংৰাজী শব্দ প্ৰয়োগ কৰি দিয়া বক্তৃতাই সকলোকে বিস্মৃত কৰিছিল। তেখেতৰ ভাষণ প্ৰসঙ্গত তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী M.C. Chagla দেৱে মত পোষণ কৰি কৈছিল— "Mr. Hem Borua always attacks me in parliament, but I have a soft corner for him becaus3 he is a poet and there is an element of poettry is his attacks"

হেমবৰুৱা আছিল বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক আৰু সদস্য। ১৯৩৮ চনতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এ হৈয়ো দেশ স্বাধীনতা আন্দোলন হোৱালৈকে কতো সংস্থাপন কৰিব নোৱাৰিছিল। অৱশেষত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত অধ্যাপনা কৰে আৰু তেতিয়াৰ পৰাই স্বাধীনতাৰ আন্দোলনত জঁপিয়াই পৰে আৰু কাৰাবুদ্ধ হ'ব লগা হয়। কাৰাবুদ্ধ অৱস্থাতে দেশবৰেণ্য লোকৰ সান্নিধ্য লাভ কৰে আৰু তাতেই বৰুৱা দেৱৰ জীৱনৰ নতুন অধ্যায়ৰ সূচনা হয়। পিছত গুৱাহাটী সন্দিকৈ ছোৱালী কলেজত অধ্যাপনা কৰে আৰু অৱশেষত ৺গোপীনাথ বৰদলৈদেৱৰ যত্নত গুৱাহাটী ভোলানাথ বৰুৱা কলেজৰ অধ্যক্ষ ৰূপে কাম কৰি আৰু নিগাজিকৈ কলেজ স্থাপন কৰি সৌষ্ঠৱ বৃদ্ধি কৰে। ঠিক সেইদৰে অসমত প্ৰথম বিশ্ববিদ্যালয় গুৱাহাটীত প্ৰতিষ্ঠাৰ বাবে যিসকলে কষ্ট স্বীকাৰ কৰিছিল সেইসকলৰ ভিতৰত হেম বৰুৱা আছিল অন্যতম। হেম বৰুৱা সুদীৰ্ঘ ১৪ বছৰ কাল কেৱল সংসদৰ সদস্যই নাছিল, নতুন দিল্লীৰ কলেজসমূহত মাজে মাজে দেশৰ বিশিষ্ট-লোকৰ বিশেষ কিছু অনুষ্ঠানত বক্তৃতা দিয়াৰ নিয়ম আছিল, বৰুৱাদেৱেও তেনে নিমন্ত্ৰণ ৰক্ষা কৰি "ৰামদাস কলেজ", "চেণ্ট ষ্টিফেনছ কলেজ" "দিল্লী স্কুল অব ইকনমিকছ্" প্ৰভৃতি অনুষ্ঠানত এজন শিক্ষাবিদ্ হিচাপে বহুবাৰ ভাষণ দিছিল। সেইসময়ত "বাৰানসী হিন্দু বিশ্ব বিদ্যালয় কোৰ্ট"ৰ বৰুৱাদেৱো এজন সদস্য আছিল।

কবি যতীন্দ্ৰনাথ দুৱৰাদেৱে—'শূণ্য পৰিচয়ত'

"অনাদৰ অৱহেলা  
সকলো গোটাই লই  
ৰচোঁ মই জীৱনৰ কুসুম কানন।"

—বুলি গোৱাৰ দৰে হেম বৰুৱাদেৱেও ১৯৭১ চনৰ ফেব্ৰুৱাৰী মাহত সংঘটিত মধ্যকালীন নিৰ্বাচনত পৰাজিত হৈ ভগ্ন মন আৰু হৃদয়েৰে ১৯৫৭ চনৰ পৰা ১৯৭০ চনলৈকে মানুহৰ পৰা পোৱা এই ১৪ বছৰীয়া সুখ-দুখ, হাঁহি-কান্দোনৰ সকলো অভিজ্ঞতাৰে ভাবিছিল এজন সাংবাদিক হৈয়ে কটাব বুলি। সেয়ে ১৯৭১ চনৰ নৱেম্বৰ মাহত গুৱাহাটীৰ পৰা



প্ৰকাশিত "আসাম এক্সপেছ" নামৰ কাকতখনি সম্পাদনা কৰিছিল। কিন্তু আশাভঙ্গই তেখেতক তাৰ পৰাও আঁতৰাই আনিলে খুব কম দিনৰ ভিতৰতে। সেয়ে ১৯৭২ চনত ধুবুৰীত অনুষ্ঠিত ঊনচত্বাৰিংশ অধিবেশনৰ সভাপতি হৈয়ো শাৰীৰিক অসুস্থতাৰ বাবে সভাত সভাপতিত্ব কৰাৰ বাহিৰে অন্য বিশেষ ভূমিকা লব পৰা নাছিল। দুখ লাগে, অসমীয়া ভাষা-সাহিত্যলৈ অভাৱনীয় ভাৱে উদ্ভৱ হৈ, বিশ্বৰ দৰবাৰতো গুৰু-গাম্ভীৰ্য্য বক্তব্যৰে চমক খুউৱা হেম বৰুৱাই নীৰৱ-নিচ্ছিন্ন ভাৱে কেৱল সভাপতিৰ ভাষণ পাঠ কৰিব লগা হোৱাৰ বাবে। তাতোকৈ দুখ লাগে— যি হেম বৰুৱাৰ হেমকণ্ঠেৰে বিশ্বত বিস্মিত কৰি কথাৰ কোবত টেবুলত ভুকুৱাই ঘ'ড়ীৰ কাচ ভঙা হেম বৰুৱাই জীৱনৰ বিয়লি বেলাত অস্পষ্ট বাক্-শক্তি আৰু অসাৰ দেহাৰে এই অসাৰ পৃথিৱীত চকুৰ পানীৰেই যেন অব্যক্ত মনোকণ্ঠই গাই যোৱা কথাষাৰত -

"ইয়ে মোৰ কপালত  
বিধিৰ নিষ্ঠুৰ লেখা  
এয়ে মোৰ জীৱনৰ কাইটীয়া বন"

অৱশেষত ১৯৭৭ চনৰ ৯ এপ্ৰিল শনিবাৰে হেম বৰুৱাৰ পঞ্চভৌতিক দেহা ধুমুহাৰ সোঁতত বিলীন হৈ গ'ল। লগে লগে অসমৰ এজন চিৰজাগ্ৰত প্ৰহৰীয়ে হঠাতে পৃথিৱীৰ মায়া-মোহ এৰি মহাধামলৈ প্ৰস্থান কৰিলে। থৈ গ'ল আমালৈ মাথো নিৰ্ভীক মনৰ সুৰলা ভাষাৰ বিশ্ববিজয়ী ভাষা আৰু দুৰ্বোধ্য মনৰ এনে কিছুমান যতিহীন প্ৰশ্ন "কোনে আমাক নেতৃত্ব দিব?" ●

# যজ্ঞেশ্বৰ শৰ্মাৰ কবিতা ঃ ব্ৰাত্যৰ ব্ৰত

॥ অধ্যাপক ঃ ইদ্ৰিছ আলি ॥

তাহানি বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষা দিয়াৰে পৰা কলেজৰ পদূলি গৰকালৈকে এই শ্ৰম-বিমুখ এলাহসৰ্বস্ব যন্ত্ৰণাময় কালছোৱাৰ কোনো এটা দিনত ঘৰুৱা কিতাপৰ আলমাৰীৰ দুৰ্ভেদ্য অন্ধকাৰ আৰু দাম্ভিক ধূলিৰ মাজত হঠাৎ আৱিষ্কৃত হৈছিল এখনি জৰাজীৰ্ণ শীৰ্ণকায় পুথি ঃ যতি না ৰায়ণ শৰ্মাৰ দ্বাৰা সংকলিত 'আধুনিক অসমীয়া কবিতা' (ডিচেম্বৰ, ১৯৪৬)। সেইখনৰ সংস্পৰ্শতে আমাৰ অসমীয়া কবিতাৰ প্ৰতি অনুৰক্তিৰ পূৰ্বৰাগৰ জন্ম। পিচত 'শতপত্ৰ' (দ্বিতীয় প্ৰকাশ, ১৯৬০) নামৰ কবিতা সংকলনখন প্ৰথম কবিতাৰ প্ৰেমত পৰা কলেজীয়া ডেকাৰ হাতপুথি হৈ পৰিছিল। অৱশ্যে ড° মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন কবিতা'ৰ (১৯৫৬ ?) তৰিৎ প্ৰভাৱৰ অব্যৱহিত প্ৰাক্কালাৱধিহে। তেতিয়া পৰ্য্যন্ত 'শতপত্ৰ'ৰ সংগ্ৰাহক তথা সংকলয়িতা যজ্ঞেশ্বৰ শৰ্মা (১৯০৬) মোৰ মানত এগৰাকী বিচক্ষণ কবিতা ৰসিক ব্যক্তিতকৈ বেচি গুৰুত্বপূৰ্ণ নাছিল। কেৱল 'দেৱতাৰ মৰণ' আৰু 'যথাপূৰ্বম' (শতপত্ৰ, ১৯৬০ : ১২০) কবিতা-যুগলৰ ভিত্তিতে মই মোৰ জ্ঞাত অসমীয়া কবিৰ সূচীত যজ্ঞেশ্বৰ শৰ্মাৰ নাম সন্নিবিষ্ট কৰিব পৰা নাছিলোঁ। আনকি 'শতপত্ৰ'ক 'সকলোৰে পৰিচিত লিখক-সকলৰ শ্ৰেষ্ঠ কবিতাৰ' প্ৰয়াস-গ্ৰন্থ বুলি দাবী কৰা সত্ত্বেও। তদানীন্তত অসমীয়া সাহিতৰ বুৰঞ্জীকাৰ তথা সমালোচক দলো যজ্ঞেশ্বৰ শৰ্মা প্ৰসঙ্গত আছিল সম্পূৰ্ণ অন্যমনস্ক।

কিন্তু বৰ্তমান পৰিস্থিতিত যজ্ঞেশ্বৰ শৰ্মাৰ সাহিত্য-কৃতিৰ আলোচনাৰ অবিহনে অসমীয়া কবিতা বা প্ৰবন্ধৰ আলোচনাবোৰ স্বয়ং-সম্পূৰ্ণ বুলি কব পৰা নাযাব। বিগত ডেৰটা দশকৰ সাহিত্য-সৃষ্টিৰ আধাৰতেই নিশ্চয় যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰতি সমসাময়িক সমালোচকসকলৰ লগতে এক বৃজন সংখ্যক অসমীয়া পাঠকো এই গৰাকী সাহিত্যিকৰ প্ৰতি আকৃষ্ট হ'বলৈ বাধ্য হৈছে। কিন্তু লেখত প্ৰবন্ধতকৈ কবিতাৰ সংখ্যাই সৰহ যদিও শৰ্মাদেৱক কবি হিচাপে চিহ্নিত কৰিবলৈ সংকোচ বোধ হয়। ইয়াৰ কাৰণ হৈছে চিন্তাবিদ, পণ্ডিত, গধূৰ বিষয়ৰ প্ৰবন্ধকাৰ যজ্ঞেশ্বৰ শৰ্মাৰ ব্যক্তিত্বই কবিজনক সততে নিষ্প্ৰভ কৰি পেলায়। তেনে হোৱাটোৱেই স্বাভাৱিক। তেওঁৰ কবিতা কেৱল কবিতা হিচাপে পাঠ কৰিলেও এনে ধাৰণা আৰু বেছি ঘনীভূত হয়। কিয়নো শৰ্মাদেৱৰ



কবিতাবোৰ চিন্তাবদ্ধ প্ৰবন্ধৰে এক সুনিৰ্দ্ধাৰিত ৰূপ মাথোন—যিবোৰত কবিতাৰ আবেগিক স্বতস্ফুটনৰ লক্ষণ দেখা নাযায়। 'আজি দুপৰীয়া' (১৯৮০) কবিতা পুথিৰ 'প্ৰট্ৰ'প্লাজম' শীৰ্ষৰ মুখবন্ধত কবিয়ে স্পষ্ট ভাষাত ব্যক্ত কৰিছে— 'এই সবু প্ৰবন্ধ-কেইটাৰ সৰহভাগ (essay, loose sally of the mind.") যজ্ঞেশ্বৰ শৰ্মাৰ সৰহ সংখ্যক কবিতাৰ ক্ষেত্ৰতে কথাষাৰ সমানেই প্ৰযোজ্য। সেয়ে প্ৰবন্ধ পাঠৰ মানসিকতাৰে ওচৰ চাপিব পাৰিলেহে পাঠকে শৰ্মাদেৱৰ কবিতাৰ কালিকা অনুধাবন কৰিব পাৰিব। 'A little nonsense, Now and then/Is relished by wisest man' বা 'ব্যাস মুনিয়েও মাজে সময়ে আফুৰা গল্প শুনি আমোদ পায়' অথবা '.. .. মনলৈ অহা লাগ-বান্ধ নথকা ছন্ গুৰি নোহোৱা কথা' বুলি ৰচনা কৰিলেও শৰ্মাদেৱে ভৱাৰ দৰে 'এই কবিতাবোৰ কবিতাৰ বজাৰত ব্ৰাত্য' নহয়। বৰং পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ, বিদ্বান ৰসিক-জন ৺ডঃ যোগীৰাজ বসু আৰু বুৰঞ্জীৰ মঠিয়া স্বৰ্গীয় বেণুধৰ শৰ্মাৰ দৰেই আন বহুজনেই শৰ্মা-দেৱৰ কবিতাৰ তাৰিফ কৰিবলৈ বাধ্য। তাৰ মূল কাৰণটোৱেই হ'ল – যজ্ঞেশ্বৰ শৰ্মাৰ কবিতা-বোৰ কবিতাই— মূলতঃ কবিতাই। পিচতহে হয়তো সিবোৰ প্ৰবন্ধ ; হয়তো আপাতঃ দৃষ্টিত ৰহুৱালিও। গদ্য পদ্য কবিতা প্ৰবন্ধ হাইকো চনেট— এই সাহিত্যিক মাল-মছলাৰ সংমিশ্ৰণত ৰূপ পোৱা তেওঁৰ কবিতাসমূহ গতানু-গতিক কবিতাৰ সূত্ৰ-বহিৰ্ভূত স্বকীয় বৈশিষ্ট্যৰ গুণত মন টানি ধৰা বিধৰ। চিৰাচৰিত কবিতাৰ সাচঁত ঢালি কবিতা ৰচাৰ কুচ্‌কাৱাজ কৰিবলৈ কবি নাৰাজ। ইচ্ছা-ঘোঁৰাৰ লেকাম ঢিলাই তেওঁ নিজৰ কবিতাক সকলো পৰম্পৰাৰ পৰা আঁতৰাই আনি এক অবাধ স্বাধীনতা দিছে। আজিৰ কবিৰ পাণ্ডিত্যাভিমান, চৌখিন ভাবাদৰ্শৰ উচ্চবাচ্য, বিদেশী কবি আৰু কবিতাৰ আঙ্গিক আৰু অন্বেষণৰ প্ৰতি অন্ধ আনুগত্য ; সৰ্বোপৰি দুৰ্বোধ্য সাথৰ-সদৃশ চিত্ৰ-কল্পৰ ফৰ্মূলাসৰ্বস্বতাৰ বিপৰীতে শৰ্মাদেৱৰ কবিতা সদায়েই নিজস্ব গ্ৰামত বন্ধা। ইয়েই হয়তো তেওঁক আজিৰ কবিতাৰ বজাৰত এগৰাকী উৎকৃষ্ট কবি ৰূপে স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত অন্তৰায় হ'ব পাৰে ; কিন্তু সি তেওঁৰ কবিতাক পণ্ডশ্ৰমত পৰ্য্য-বসিত হ'বলৈ এৰি নিদিয়ে। তেওঁৰ কবিতা কিবা যেন দুৰ্ভেদ্য সত্যৰ ধ্যানত a specific form out of formless flux of life. কিন্তু এনেবোৰ মন্তব্যৰ প্ৰতি সঁকিয়নি যজ্ঞেশ্বৰ শৰ্মাই শুনাই থৈছে ঃ 'পাঠকে ইয়াত কিবা গূঢ় অৰ্থ সোমাই আছে বুলি নাভাবিলেই ৰক্ষা' ! হায়, তেখেতে জানো ৰক্ষা পালে ?

যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাত সাম্প্ৰতিক কালৰ অসমীয়া কবিতাত বিৰল কেইবাটাও বৈশিষ্ট্য চকুত পৰে। সিবোৰৰ ভিতৰত লিমাৰিক-ধৰ্মী গুণটোৱেই সৰ্বাগ্ৰে উল্লেখনীয়। কোনো ব্যক্তি বা একোটা মুহূৰ্ত্তৰ ক্ষণিক দ্যোতনাক স্ফুলিঙ্গকৃত কৰি তুলিব পৰা চিত্ৰল, প্ৰকাশ-ভঙ্গি যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰায়বোৰ কবিতাৰেই কেন্দ্ৰীয় শক্তি। তলত তাৰেই অননুকৰণীয় উদাহৰণ দুটামান দাঙি ধৰা হ'ল ঃ

**(১) লেফাফা :**

ফটা লেফাফা নোহোৱা তুমি ফটা কাকতৰ পাচিত থকা
পেলনি যোৱা কাগজৰ টুকুৰা মাত্ৰ ; মোৰ মানত তুমি
অচিন বস্তু ঢাকি থোৱা হিৰণ্ময় পাত্ৰ।
সোমাই আছে তোমাৰ মাজত গ্ৰীক ট্ৰেজেদীৰ কাহিনী
তুমিয়েই বহন কৰা কুৰুক্ষেত্ৰৰ কাহিনী।

( লেফাফা : ১ )

**(২) গণিচাৰ :**

বিলাতৰ বিলৰ পাৰত ভকতীয়া কবিয়ে লিখিলে
'কুলি' নামে বিখ্যাত কবিতা
কুলিৰ মাতত কবিয়ে নোৱাৰে কব
ধৰাখন স্বপ্ন নে দিঠক।
ইংৰাজীৰ অধ্যাপক গণিচাৰে হ'লে আপদীয়া কুলিটোক
কৰিলে হলাল।

( লেফাফা : ৩১ )

**(৩) সংস্কৃতৰ অধ্যাপক :**

সংস্কৃতৰ অধ্যাপক দেখিলে খং উঠে, পাণিনিৰ সূত্ৰ যেন লাগে
শুকান ডাবৰি। শকুন্তলা নাটকৰ তৃতীয় অঙ্কত
নায়ক-নায়িকা কোনো নাটকৰ পাতত নেথাকে
গুচি যায় কেণ্টিনত চাহ খাবলৈ।

( লেফাফা : ৩৪ )

**(৪) টুপীধৰ**

... ... ... ...

স্কুলৰ লগৰীয়া টুপীধৰ গণকে গণি পঢ়ি চাই দিয়া নাম
গান্ধী টুপী পিন্ধি লোৱা নাম নহয়
মাষ্টৰৰ গালি খোৱা বছৰে বছৰে ফেল কৰি থকা টুপীধৰ
ফুটবল ফিল্ডত কালান্তক, স্কুলৰ বেক

( আজি দুপৰীয়া : ১৩ )



যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাৰ অন্য এক বৈশিষ্ট্য হ'ল ব্যক্তিগত প্ৰবন্ধৰ সহজ আবেদনশীলতা। আৱামী-চকীৰ প্ৰবন্ধকাৰৰ মনৰ অনায়াস চিন্তাবৰ্তৰ ব্যঙ্গাত্মক আৰু লঘু-ভাবাত্মক প্ৰকাশ-ধৰ্মিতাৰ গুণত তেওঁৰ কবিতাই এক আত্মীয়তাপূৰ্ণ কথন-ৰীতিলৈ ৰূপান্তৰিত হয় ; যাৰ ফলত কবি পাঠক মাত্ৰৰে অন্তৰঙ্গ বন্ধু হৈ পৰে। কিন্তু মনোযোগী পাঠকজনে এই সত্যও উপলব্ধি নকৰাকৈ নেথাকে যে যজ্ঞেশ্বৰ শৰ্মাৰ ক্ষীপ্ৰ অথবা তীক্ষ্ণ টিপ্পনীসূচক বহুতো কবিতাৰ হৃদপিণ্ডত দূৰাগত অনেক গভীৰ মন্থন আৰু জীৱন-প্ৰীড়াৰ তীব্ৰ যন্ত্ৰনা ধ্বনিত হৈ থাকে।

**(৫) দুখন তপোবন :**

দুখন তপোবন তাৰে এখন মাটিত লাগি থকা তাত
ৰূপৰ চমক লাগি কণা হয় চকু—ওচৰক দূৰ কৰে দূৰক ওচৰ
তাত দেহাটোকে দেখে মনোহৰ
বতাহৰ পৰলিত গোন্ধ আহে, টোপনিয়ে হেঁচা মাৰি ধৰে,
আনখন স্বৰ্গৰ সীমাত ; তাত চকুলোৰে গা ধুই ভোগে আঠু লয় ;
স্বৰ্গ আৰু পৃথিৱীৰ সীমা ; নাই তাত দেহ গৰিমা
ভোগৰ বুৰঞ্জী হয় শেষ
ৰূপ ৰাণী সন্ন্যাসিনী বেশ।

( লেফাফা : ৩ )

**(৬) সংহতি :**

মাৰকেই বা নামাৰকেই পোন্ধ।
আমাৰ সকলোৰে নামবোৰত আছে ধৰ্মৰ গোন্ধ।
ৰহমান, ৰামেশ্বৰ, বাণী, লক্ষ্মী, ফাতেমা, মহেন্দ্ৰ, শিৱ
জেবুন্নিচা, গোবিন্দ, উষা, পদ্মা, ৰহিম, ইন্দ্ৰ, দেৱ।
এই জেঙাটো ভাঙিবলৈ এটা কমিচন বহি
দহ মাহ দহ দিনে টি-এ খাই ৰেপটত কৰিলে চহী।
আগৰ নামবোৰ এক্কেবাৰে খাৰিজ কৰি
নতুন নাম পিন্ধাব লাগিব সকলোকে ধৰি।
পাখৰী, শেঙুননকা, গেঙ্কেলা, মেমেৰী, পেনেৰা, টেটেৰা
খৰেখোৱা, মখনা, চেবেলী, গড়, ভালুক, কম্পোষ্ট
এনে নামবোৰ ৰাখিলে হ'ব সকলো সকলোৰে দোষ্ট।

( লেফাফা : ১৮ )

(৭) কিঃ

কালৰ ওভোতনী বতাহে উৰাই অনা Heiroglyph অৰ এটা পাত
তাকে দুনিয়াই পঢ়িব পৰা নাই ; পঢ়িও বুজিব নাই ;
বুজিও তাক পালিব পৰা নাই। পালিব নোৱৰা বৃদ্রাক্ষৰ মালা
অদীক্ষিতৰ ধাৰণ নিষেধ ।
( আজিৰ দুপৰীয়া ঃ৩৪ )

নিৰহঙ্কাৰ আৰু নিৰলংকাৰভাৱে গভীৰ তাৎপৰ্য্যৰ অতলান্ত প্ৰকাশ শৰ্মাদেৱৰ কবিতাৰ সম্পদশালিতাৰ উৎস যেন লাগে। দেশী-বিদেশী, প্ৰাচীন-অৰ্বাচীন বিভিন্ন প্ৰসঙ্গৰ সঘন উল্লেখনৰ লগতে অননুকৰণীয় কথন-কলাৰে কেতিয়াবা অতি সামান্য উপজীব্য বস্তুকো চিন্তাৰ যাদুকৰী স্পৰ্শত অসাধাৰণ চমকপ্ৰদ কৰি তোলাৰ বিৰল ক্ষমতা যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাৰ স্বভাৱসুলভ বৈশিষ্ট্য। তেওঁৰ কাব্য মণ্ডলৰ পৰিধি তেওঁৰ মানসিক পৰিমণ্ডলৰ সমানেই সুবিস্তৃত, অথচ সুনিয়ন্ত্ৰিত। মূলতঃ প্ৰাচীন ভাৰতীয় সাহিত্য মন্থনৰ পৰা লব্ধ জ্ঞান-চৈতন্যৰ ঐতিহ্যময় বুনিয়াদৰ ওপৰতেই যে তেওঁৰ ভাব-দৰ্শণে বিস্তৃতি লভিছে এই সত্যৰো অবিসম্বাদী স্বাক্ষৰ তেওঁৰ কবিতাবোৰেই। এই উপলব্ধিৰ সামান্য আভাস তলৰ কবিতা পংক্তিবোৰে হয়তো প্ৰতিভাত কৰিব :

(৮) নতুন দিল্লী :

... ... ... .. ... ... ... ... ..
দৃষ্টিমন্ত কালে আছে চাই একেথিৰে।
এখন ব্ৰহ্মাণ্ড এৰি আন এখনত
ভাবিছা নে ৰক্ষা পাবা ? চকুই খেদিছে
পাছে পাছে — নোৰিছে তোমাক, মোক
আৰু সকলোকে — সাৰি যাবা ক'ত ?
সেই চেৰাফৰ হাঁহি, সেই ৰাম্‌—বাম্‌
বজ্ৰসাৰ অস্ত্ৰ হৈ বিচাৰি ফুৰিছে।
(লেফাফা ঃ ১৭)



(৯) পৰ্ণনৰ :

তুমি, আমি সকলোৱেই জুমুধি —
খেৰৰ, পলাশ পাতৰ ।
তেজ নাই, মঙহ নাই, স্নায়ু নাই —
কিহে জানো লৈ ফুৰায় ।
(আজি দুপৰীয়া ঃ ১৭)

ব্যাপক সমাজ-অভিজ্ঞতাৰ তীৰ্যক, অথচ ব্যঙ্গাত্মক স্নেপশ্বট্ সদৃশ একাধিক কবিতা শৰ্মাদেৱৰ সাম্প্ৰতিক কাল-সচেতনতাৰ প্ৰামাণ্য দলিল স্বৰূপ। 'ক'ত সেই স্যামন্তক মণি' (লেফাফা ঃ ২৩) ; 'ছপেন হাৰাৰৰ কুকুৰ' (লেফাফা : ১৯) ; 'তেজীমলা (লেফাফা ঃ ২৩) ; 'বাইদেউ' (লেফাফা ঃ ৩০) ; 'বলিয়া কোন ?' (লেফাফা ঃ ৫২); 'পীৰা' (লেফাফা : ৫৪) ; 'তামোলৰ পিক' (আজি দুপৰীয়া ঃ ৮) আদি কবিতাত কবিৰ এনে চিন্তাৰ সুন্দৰ প্ৰতিফলন ঘটিছে। তলত তেনে কবিতা পংক্তি উদ্ধৃত কৰা হ'ল ঃ

(১০) তামোলৰ পিক ঃ

...... পিকৰ পেইণ্টিং মোৰ চকুৰেদি ভিতৰ সোমাল
... ... ... ... ... ... ...
সকলোতে দেখোঁ পিক্ পিক্ পিক্ ।
... ... ... ... ...
মই এতিয়া দেখোঁ সকলোতে -
জল-স্থল-অন্তৰীক্ষ ।
গা ধুলোঁ, লগুণ সলালোঁ, এশ আঠ বাৰ জপ কৰিলোঁ
কিন্তু ক'তা, পিকৰ ৰং নগ'ল ।
তীৰ্থৰাজ প্ৰভাসত যাবনে ? নে প্ৰলয় পয়োধিৰ জলত ?
(আজি দুপৰীয়া ঃ ৯)

(১১) তেজীমলা :

মোৰ ভোটটো মোৰ মাহী আইকে দিম,
আনক দিব নোৱাৰো ই ধ্ৰুৱ কথা
তেওঁ মোৰ কাৰণে কি কৰা নাই ?

মূৰটো মোৰ খুৰলিত খুন্দিলে পিৰালিৰ কাষত পুতিলে,
পিছত নি পেলাই দিলে ;
তাতে এতিয়া পদুম ফুল হৈ ফুলি আছোঁ
মাহী আইৰ যহতে ।

(লেফাফা : ২৩)

(২) নতুন ৰামায়ণ :

তুমি জানো সন্তৰামি বিশ্বাস কৰিবা ?
ঘৰে ঘৰে ৰাৱণৰ বিজয় বাহিনী
সোণে-কিনা মানুহৰ নতুন কাহিনী
সহস্ৰমূৰীয়া দশানন
কোনে ৰচে নৱ ৰামায়ণ ।

(লেফাফা : ২৪)

স্বসৃষ্ট চিত্ৰকল্পৰ ব্যৱহাৰ যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাৰ অন্য এক উল্লেখনীয় বৈশিষ্ট্য । কিন্তু মন কৰিবলগীয়া, ব্যক্তিগত চিত্ৰকল্পৰ আতিশয্যৰ বাবে তেওঁৰ কবিতা কষ্ট-কল্পিত দুৰ্বোধ্য সাঁথৰলৈ ৰূপান্তৰিত নহয় । সেয়ে সৰ্বসাধাৰণৰ লগত সংযোগ-হীনতাৰ সমস্যা শৰ্মাদেৱৰ কবিতাৰ ক্ষেত্ৰত অবান্তৰ । বিস্তৃত-গভীৰ জ্ঞান উপলব্ধিৰ পাৰাকাষ্ঠা প্ৰকাশৰ দুৰ্বলতা তথা প্ৰচাৰ প্ৰৱণতাজনিত ৰোগ-ব্যাধিৰ পৰাও শৰ্মাদেৱৰ কবিতা মুক্ত । অথচ আত্ম-লঘিমাসুলভ প্ৰকাশ সাবলীলতাৰ মাজত মনকুন্দৰ পৰিশিলিত চিন্তা-কৰ্ষিত আৰু আবেগসিক্ত স্বাভাৱিক প্ৰকাশ শৰ্মাদেৱৰ কবিতাৰ যেন সুনিৰ্দ্ধাৰিত পথ । কবিৰ চিত্ৰকল্প কেইটামানৰ উল্লেখনেৰে কথাষাৰৰ তাৎপৰ্য্য বেছি স্পষ্ট কৰি তুলিব পাৰি । যথা 'ভোগৰ বুৰঞ্জী', 'জনপদ বধূ', 'বগীতামে ঢাকি থোৱা', 'বটেনিকেল স্পেচিমেন', 'কেচিয়াচ দৃষ্টি', 'কোঁহ মেলা অশোকৰ পুলি', 'আঠুৰ তলতে পৰা দগধা মেখেলা', 'পোহৰৰ শেল দিয়া এচপৰা মেঘ', 'যাত্ৰীগৰ্ভ বাছবোৰ', ঊৰ্ণিসূতাৰ ৰবাৰ টেঙা', 'যুৱতী আৰু গৃহিনীৰ মিকচাৰ', 'বুৰঞ্জীৰ টেজেদী গুঠি থকা বিধাত্ৰী'—ইত্যাদি ।

সাম্প্ৰতিক বছৰ কেইটাত অগ্ৰদূত, প্ৰান্তিক আৰু সংফুৰা প্ৰভৃতি কাকত-আলোচনীত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ একাধিক কবিতা প্ৰকাশ পাইছে । সি-বোৰৰ বেছি ভাগতে প্ৰৱাহিত পৰিস্থিতিত কবিৰ মনোজগতৰ তীব্ৰ প্ৰতিক্ৰিয়া স্পন্দিত হৈছে । বিশেষকৈ সংফুৰাত প্ৰকাশিত কবিতাকেইটি অস-মীয়া শিশু-সাহিত্যৰ আপুৰুগীয়া সম্পদ ৰূপে পৰিগণিত হোৱা উচিত । বয়সানুপাতে যজ্ঞেশ্বৰ শৰ্মাৰ অৱস্থান অসমীয়া কাব্যধাৰাৰ অব্যৱহিত উত্তৰ ৰোমাণ্টিক কালছোৱাতে হোৱাৰ সম্ভাৱনা আছিল যদিও যুগোত্তৰণৰ মাজেদি তেওঁ আনকি পৰৱৰ্তী যুদ্ধোত্তৰ যুগটোকো অতিক্ৰম কৰি আহি সাম্প্ৰতিক কালৰ কবি ৰূপেহে প্ৰতিষ্ঠা লাভ কৰিছে । এই ব্যতিক্ৰমৰ মূলতে আছে তেওঁৰ কবিতাৰ চৰিত্ৰগত বৈশিষ্ট্যসমূহ । অৰ্থাৎ বয়সৰ হিচাবত যুগপশ্চাৎ হৈয়ো তেওঁ তেওঁৰ কবিতাক যুগোতীৰ্ণ সাম্প্ৰতিক চৰিত্ৰৰ কৰি তুলিব পাৰিছে । অন্য প্ৰকাৰে ক'বলৈ হ'লে সাম্প্ৰতিক কালৰ কবিতাৰ হৃদয়-স্পন্দন শৰ্মা-দেৱৰ কবিতাত স্পন্দিত হৈছে। সেই ফালৰ পৰা তেওঁক যুগাকাঙ্খা অন্বেষী এগৰাকী সাৰ্থক সাম্প্ৰতিক কবি ৰূপে চিহ্নিত কৰাই সমীচীন হ'ব। একে সূত্ৰতে তেওঁ এগৰাকী প্ৰগতিশীল কবি ৰূপে স্বীকৃত হোৱাত যোগ্য। কিন্তু তেওঁৰ কবিতাত প্ৰাচীন ঐতিহ্যৰ প্ৰতি প্ৰীতি স্বচ্ছ দাপোণৰ উজ্জ্বল প্ৰতি-বিম্বৰ দৰেই প্ৰতিফলিত হৈছে । আনহাতে, অতি আধুনিক কবিতাৰ অনিৰ্দিষ্ট বিস্তৃতিৰ বিপৰীতে শৰ্মাদেৱৰ কবিতা এক সুনিৰ্দ্ধাৰিত কক্ষাশ্ৰিত পৰিক্ৰমা । সেয়ে অতি আধুনিক উত্তাপ থকা সত্ত্বেও তেওঁৰ কবিতা ঐতিহ্যমণ্ডিত পুৰাতন চেত-নাৰো অদূৰ প্ৰতিধ্বনি যেন অনুভূত হয় । বিভিন্ন সূত্ৰ, আদৰ্শ আৰু মতবাদৰ পৰীক্ষাগাৰত জন্ম পোৱা অনুশীলন সৰ্বস্ব প্ৰায়বোৰ সাম্প্ৰতিক কবিতাৰ তুলনাত শৰ্মাদেৱৰ কবিতা মুকলি উদ্যানত আবিষ্কৃত নিউটনৰ সূত্ৰৰ দৰেই স্বাভাৱিক, অথচ ৰোমাঞ্চকৰ । গতিকে যজ্ঞেশ্বৰ শৰ্মাক কোনো বিশেষ যুগ বা গোষ্ঠী নিৰপেক্ষ কবি হিচাপেহে চিহ্নিত কৰিবৰ মন যায় । কবি হিচাপে আচলতে তেওঁ নিজেই এটা গোষ্ঠী (School) ৰূপে পৰিগণিত হোৱা উচিত । ●

# ডং ভট্টাচাৰ্য্য আৰু তেওঁৰ সাহিত্য কৃতি

॥ শ্ৰীঅপৰ্ণা দেৱী : উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক ॥

জ্ঞানপীঠ বঁটা বিজয়ী, বৰ্তমান অসম সাহিত্য সভাৰ সভাপতি, আজীৱন সাহিত্য সাধক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আন্ধাৰ অসম আকাশৰ এটি উজ্জ্বল ভোটাতৰা। যোৱা পাঁচোটা বছৰ যেতিয়া অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ভৱিষ্যত অন্ধকাৰ নিৰাশাৰে আৱৰি আছিল, সেই সময়তে ১৯৭৯ চনত ডঃ ভট্টাচাৰ্য্যৰ জ্ঞানপীঠ বঁটা লাভ অসমৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ। অসমীয়া সাহিত্যিকৰ এই স্বীকৃতিয়ে অসমৰ বাবে কঢ়িয়াই আনিলে সন্মান, আশা আৰু আত্ম-প্ৰত্যয়।

একেধাৰে প্ৰখ্যাত ঔপন্যাসিক, সাংবাদিক, গল্পকাৰ, কবি, গৱেষক, নাট্যকাৰ, প্ৰবন্ধ-লেখক, অসমবাসীৰ গৌৰৱ স্বৰূপ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ ১৯২৩ খৃঃৰ ১৪ অক্টোবৰত চাফ্ৰাই চাহ বাগিছাত জন্ম হৈছিল। তেওঁৰ পিতৃ শশীধৰ ভট্টাচাৰ্য্যৰ উক্ত বাগিছা কৰ্মক্ষেত্ৰ আছিল। শ্ৰীভট্টাচাৰ্য্যদেৱৰ মাতৃ শ্ৰীআইদেউ ভট্টাচাৰ্য্য। শৈশৱৰ সময়ছোৱা তেওঁৰ চাহ বাগিছাৰ বনুৱাৰ লগতেই অতিবাহিত হৈছিল।

চাহ বাগিছাৰ বুকুৰ পৰা ওলাই আহি শ্ৰীভট্টাচাৰ্য্য কাকজাম এম, ই স্কুলত ভৰ্ত্তি হয়। উক্ত স্কুলৰ পৰা বৃত্তি লাভ কৰি এম, ই পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাট চৰকাৰী হাইস্কুলত ভৰ্ত্তি হয়। ১৯৪১ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰাই অসমীয়া, বুৰঞ্জী, ভূগোল, সংস্কৃতত লেটাৰ সহ ষ্টাৰ মাৰ্ক আৰু অসমীয়াত সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হয়। ইয়াৰ পিছত কটন কলেজৰ পৰা আই, এছ-চি আৰু বি, এছ-চি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ১৯৪৬ চনত তেওঁ কলিকতাত আইন পঢ়িবলৈ যায় যদিও সাম্প্ৰাদায়িক সংঘৰ্ষ সংঘটিত হোৱাত শিক্ষা অসম্পূৰ্ণ কৰি উভতি আহে। ১৯৫৩ চনত ভট্টাচাৰ্য্যই প্ৰাইভেটকৈ অসমীয়াত এম, এ ডিগ্ৰী লাভ কৰিছিল।

প্ৰাথমিক স্কুলত পঢ়াৰ দিনৰ পৰাই তেওঁৰ মন সাহিত্যৰ প্ৰতি ঢাল খায়। চাফ্ৰাই চাহ-বাগিছাত প্ৰাথমিক স্কুলত পঢ়া কালছোৱাত লগৰ ল'ৰা-ছোৱালীৰ দ্বাৰা প্ৰকাশিত 'পূৰবী অৰুণ' নামৰ হাতেলিখা আলোচনীখনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য-দেৱৰ প্ৰথম কবিতা 'শঙ্কৰদেৱ' প্ৰকাশ পায়। যোৰহাট চৰকাৰী হাইস্কলৰ মুখপত্ৰ 'জেউতি'ত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ প্ৰথম গল্পটো প্ৰকাশ পায়। 'চেনেহী', 'ভোগদৈ', 'কবিতা মালঞ্চ' আদি হাতে লিখা আলোচনীবিলাকৰ তেওঁ নিয়মীয়া লিখক আছিল। হাইস্কুলত পঢ়ি থকা কালতে তেওঁ চন্দ্ৰধৰ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, ডিম্বেশ্বৰ নেওগ, নীলমণি ফুকন, গণেশ চন্দ্ৰ গগৈ, আনন্দ চন্দ্ৰ বৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, কমলেশ্বৰ চলিহা আদি বৰেণ্য সাহিত্যিকৰ সংস্পৰ্শলৈ আহে। এই বৰেণ্য সাহিত্যিকসকলৰ প্ৰেৰণাৰে অনুপ্ৰেৰিত হৈছিল যোৰ-হাট হাইস্কুলৰ ছাত্ৰসকল। সাহিত্য-চক্ৰ, তৰ্ক-সভা, আলোচনা-চক্ৰ আদি পতাত ছাত্ৰসমাজ সদায় আগ-ৰণুৱা আছিল। কটন কলেজত পঢ়ি থকা অৱস্থাত অনুষ্ঠিত সুকুমাৰ কলা প্ৰতিযোগিতাত শ্ৰীভট্টাচাৰ্য্যই বিশেষ পাৰদৰ্শিকতা দেখুৱাব পাৰিছিল।

শ্ৰীভট্টাচাৰ্য্য ১৯৫৮ চনৰ ৬ জুন তাৰিখে শ্ৰীমতী বিনীতা ভাট্টাচাৰ্য্যৰ লগত বিবাহ পাশত আৱদ্ধ হয়। সেই দিন ধৰি আজি পৰ্য্যন্ত শ্ৰীমতী ভট্টাচাৰ্য্যই অশেষ দুখ-কষ্ট আৰু অভাৱ-অনাটনৰ মাজেদিয়েই স্বামীৰ লগত একাগ্ৰ চিত্তে সাহিত্য সৃষ্টিত প্ৰেৰণা যোগাই আহিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই বিয়াল্লিছৰ গণ-বিপ্লৱতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। সৰুৰে পৰা গভীৰ অধ্যয়নশীল আৰু চিন্তাশীল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য গান্ধী আৰু মাৰ্ক্সৰ দৰ্শনৰ দ্বাৰা বহল পৰিমাণে প্ৰভাৱান্বিত। তেওঁ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত ডঃ ৰামমনোহৰ লোহিয়া, জয়প্ৰকাশ নাৰায়ণ আদিৰ আদৰ্শৰে প্ৰভাৱিত।

তেওঁ নগাবন্ধু ৰিচাং কাইচিংৰ অনুৰোধত নগা পৰ্বতৰ উখবুল হাইস্কুলত দুবছৰৰ কাৰণে শিক্ষকতা কৰিছিল। ১৯৬০ চনত নগাভূমিত লাভ কৰা অভিজ্ঞতাৰে ৰচিত তেওঁৰ প্ৰখ্যাত উপন্যাস 'ইয়াৰু-ইঙ্গম' প্ৰকাশ পায়। ১৯৬১ খৃঃত এই উপন্যাসৰ বাবে ভাৰত চৰকাৰ সাহিত্য একাডেমী বঁটা ( National Academy of letters ) লাভ কৰে।

উখবুলৰ পৰা ঘূৰি অহাৰ পিছত তেওঁ ১৯৫৩ চনৰ পৰা ১৯৬৩ চনলৈ দহ বছৰ একে-ধাৰে মাহেকীয়া আলোচনী 'ৰামধেনু'ৰ সম্পাদকৰ ভাৰ গ্ৰহণ কৰিছিল। ভট্টাচাৰ্য্যৰ সুযোগ্য সম্পা-দনাত 'ৰামধেনু' আলোচনীয়ে 'ৰামধেনু যুগ' নামেৰে আখ্যা লাভ কৰিব পাৰিছিল। 'ৰামধেনু'ৰ পিছত শ্ৰীভট্টাচাৰ্য্যৰ সম্পাদনাত প্ৰকাশ পায় সাদিনীয়া 'নৱযুগ'। ১৯৬৩ চনৰ পৰা ১৯৬৭ চনলৈকে 'নৱ-যুগ' আলোচনীয়ে অসমীয়া সংবাদ জগতৰ এটা নতুন যুগৰ সূচনা কৰিলে। 'নৱযুগ'ৰ প্ৰকাশ বন্ধ হোৱাৰ পিছত ভট্টাচাৰ্য্য পোনপটীয়াভাৱে সংবাদ সেৱাৰ পৰা বিছিন্ন হ'ল যদিও কেবাখনো দৈনিক কাকতৰ যোগেদি তেওঁ নানান ভাৱে সংবাদ সেৱা আগবঢ়াইছিল। 'দৈনিক অসম', 'Assam Tribune', 'ধৰ্মযুগ', 'দিনমান', Indian Literature', 'Man and Devlopment' আদি কাকতৰ লগত লেখক হিচাপে তেওঁ বিশেষভাৱে জড়িত।

শ্ৰীভট্টাচাৰ্য্যৰ বুহদেশ আৰু পোলেণ্ড ভ্ৰমণৰ অভিজ্ঞতাৰে পুষ্ট ভ্ৰমণ কাহিনী 'সীমাই আমনি কৰে'। প্ৰথম উপন্যাস 'ৰাজপথে ৰিঙিয়াই' ১৯৫৫ চনত প্ৰকাশ পাইছিল। 'আই', ইয়াৰু-ইঙ্গম', 'শতঘ্নী 'নষ্ট চন্দ্ৰ', 'মৃত্যুঞ্জয়', 'প্ৰতিপদ', 'বল্লৰী', 'চিনাকী

সৃ'তি', 'কবৰ আৰু ফুল', 'ৰঙামেঘ', 'ডাইনী', 'কালৰ হুমুনিয়াই' তেওঁৰ প্ৰকাশিত আন কেইখন উপন্যাস। তেওঁৰ কেবাখনো উপন্যাস বিভিন্ন আলোচনীৰ পাতত সিচঁৰিত হৈ আছে। 'কলং আজিও বয়', 'সাতসৰী', দুখন চুটিগল্পৰ সংকলন। আলোচনীত সিচঁৰিত হৈ থকা অনেক গল্পই তেওঁক গল্পকাৰ ৰূপেও প্ৰতিষ্ঠিত কৰিছে। 'শ্ৰীঅৰবিন্দ', 'ইশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ' আদি জীৱনীমূলক ৰচনা।

ড° ভট্টাচাৰ্য্যই ডি. ডি. কোসাম্বীৰ বিখ্যাত গ্ৰন্থ 'ভাৰতৰ ইতিহাস,' আৰ্ণেষ্ট হেমিংৱেৰ 'দেৱ দুন্দুভি বাজে কাৰ বাবে' (For whom the Bell Tolls), শৰৎচন্দ্ৰৰ বিখ্যাত উপন্যাস 'পৰিণীতা', ৰবীন্দ্ৰনাথ ঠাকুৰৰ একুৰি এটা চুটি-গল্পৰ অনুবাদ কৰি অসমীয়া পাঠকক উপহাৰ দিছে। ড° ভট্টাচাৰ্য্যই ঔপন্যাসিক ৰূপে যি খ্যাতি অৰ্জন কৰিছে ; কবি হিচাপে সেই খ্যাতি অৰ্জন কৰা নাই যদিও অসমীয়া আধুনিক কবি-সকলৰ ভিতৰত ড° ভট্টাচাৰ্য্যৰ স্থান আগশাৰীত। কবিতা সংকলন প্ৰকাশ পোৱা নাই যদিও বিভিন্ন আলোচনীত তেওঁ ৰচনা কৰা অনেক কবিতা সিচঁৰিত হৈ আছে।

উল্লেখযোগ্য, ভট্টাচাৰ্য্যই ৰচনা কৰা সাহিত্য একাডেমিৰ পুৰস্কাৰপ্ৰাপ্ত ইয়াৰু-ইঙ্গম ইংৰাজী ভাষালৈ, আই মালয়ালম আৰু হিন্দীলৈ, শতঘ্নী মালয়ালম, হিন্দী আৰু মাৰাঠীলৈ অনুদিত হৈছে। মৃত্যুঞ্জয় উপন্যাস হিন্দী, ইংৰাজী, উৰিয়া আৰু মালয়ালম ভাষালৈ অনুদিত হৈছে। 'প্ৰতিপদ'খনো ভাৰতীয় বিভিন্ন ভাষালৈ অনূদিত হৈছে। ইয়াৰ দ্বাৰা ভট্টাচাৰ্যৰ প্ৰতিভা অকল অসমৰ চাৰিসীমাত নহয় ভাৰতৰ বিভিন্ন ভাষাৰ পাঠক-পাঠিকাৰ মাজতো পৰিচিত হৈছে। কিতাপ আকাৰে প্ৰকাশিত নোহোৱা বিভিন্ন আলোচনীত প্ৰকাশিত উপন্যাসৰ ভিতৰত 'পৰিব্ৰাজক' (আমাৰ প্ৰতিনিধি ১৩শ বছৰ, ২য় সংখ্যা-১৯৭২), 'ভাৰতী' (আমাৰ প্ৰতিনিধি ১৯৬৯), 'এটি নিশা' (আমাৰ প্ৰতিনিধি ১৯৭০), 'টৰ আৰু ইভা' (আমাৰ প্ৰতিনিধি ৰঙালী বিহু সংখ্যা ১৯৭৩), 'মুনিচুনিৰ পোহৰ' (আমাৰ প্ৰতিনিধি এপ্ৰিল ১৯৭৬), 'ফুলকোৱ'ৰৰ পথী ঘোঁৰা' (প্ৰকাশ ১৯৭৮) প্ৰধান।

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ এখন জীৱনী প্ৰকাশন পৰিষদে প্ৰকাশ কৰিবলৈ লৈছে। প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'ডেৰশ বছৰৰ অসমীয়া সংস্কৃতি' নামৰ গ্ৰন্থখনো ড° ভট্টাচাৰ্য্যৰ চিন্তাগধুৰ গ্ৰন্থ। অসম সাহিত্য সভাই প্ৰকাশ কৰা 'মপিন উৎসৱ', 'সংবাদ সাহিত্য' আদিও ভট্টাচাৰ্য্যই ৰচনা কৰা গ্ৰন্থ।

ড° ভট্টাচাৰ্য্য এজন সফল নাট্যকাৰো। অনাতাঁৰ কেন্দ্ৰৰ যোগে তেওঁ ৰচনা কৰা অনেক নাটক প্ৰচাৰ হৈ গৈছে। বিশেষকৈ অনাতাঁৰ কেন্দ্ৰ যোগে প্ৰচাৰিত একক অভিনয়ৰ বাবে ৰচিত 'গোমধৰ কোঁৱৰ', 'পিয়লি ফুকন', 'মণিৰাম দেৱান', 'কুশল কোঁৱৰ'ৰ মাজেদি ডঃ ভট্টাচাৰ্য্যৰ গভীৰ দেশাত্মবোধ অৰু গভীৰ উপলব্ধিৰ পৰিচয় পোৱা যায়।

'মৃত্যুঞ্জয়' উপন্যাসখনৰ বাবে ড' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যক ১৯৭৯ চনৰ ভাৰতৰ শ্ৰেষ্ঠ সাহিত্যিক পুৰস্কাৰ 'জ্ঞানপীঠ' বঁটা প্ৰদান কৰা হয়। বৰ্তমানলৈ এই ব'টা লাভ কৰোঁতাসকলৰ



ভিতৰত ড' ভট্টাচাৰ্য্যই একমাত্ৰ অসমীয়া লেখক আৰু কনিষ্ঠতম ব্যক্তি। উল্লেখযোগ্য, ইয়াৰুইঙ্গম উপন্যাসৰ বাবে একাডেমী বঁটা লাভ কৰোঁতা ভট্টাচাৰ্য্যই কনিষ্ঠতম লেখক। ১৯৮০ খৃঃৰ ২৬ এপ্ৰিলত অনুষ্ঠিত কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে পঞ্চ-দশ বঁটাৰ বাবে 'মৃত্যুঞ্জয়' নিৰ্বাচন কৰে। এই ব'টাৰ মূল্য নগদ একলাখ টকা আৰু এটি বাগ্‌দেৱীৰ প্ৰতিমূৰ্ত্তি। প্ৰতিমূৰ্ত্তিটো ১০৩২ খৃঃৰ উজ্জয়িনীৰ ভোজৰজাৰ সৰস্বতী মন্দিৰৰ প্ৰতিমূৰ্ত্তি। মূৰ্ত্তিটো এতিয়া লণ্ডনৰ বৃটিছ মিউজিয়ামত সংৰক্ষিত। সেই সৰস্বতী মূৰ্ত্তিৰে একোটা প্ৰতিকৃতি বঁটা লাভ কৰা সকলক প্ৰতীক স্বৰূপে প্ৰদান কৰা হয়। ১৯৮০ চনৰ ১৫ ডিচেম্বৰত নতুন দিল্লীৰ 'বিজ্ঞান-ভৱন'ত হোৱা এটি বিশেষ অনুষ্ঠানত ড' ভট্টাচাৰ্য্যক উক্ত ব'টা প্ৰদান কৰা হয়।

'মৃত্যুঞ্জয়' উপন্যাসখনত বিয়াল্লিছৰ গণ-আন্দোলনৰ প্ৰতিচ্ছৱি ডাঙি ধৰা হৈছে। নগাঁও জিলাৰ কামপুৰ, ৰহা, বাৰপূজীয়া, চৰাইবাহী, মায়ং অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰা এই উপন্যাসখনত কিছুমান বাস্তৱ চৰিত্ৰ ডাঙি ধৰা হৈছে। মৃত্যুকো জয় কৰিব পৰা জীৱনৰ যি অৰ্থ আৰু গৌৰৱ থাকিব পাৰে তাৰ কাহিনী 'মৃত্যুঞ্জয়'ত বৰ্ণোৱা হৈছে।

ব্যক্তিগত জীৱনত ভট্টাচাৰ্য্য সহজ, সৰল অল্পভাষী আৰু অনাড়ম্বৰ লোক। ভাৰতৰ শ্ৰেষ্ঠ সাহিত্য বঁটা পাওঁতেও তেওঁ আনন্দত উল্লসিত হৈ পৰা নাছিল। প্ৰাপ্য বস্তু বুলি গ্ৰহণ কৰিছিল। জ্ঞানপীঠ বঁটা সম্পৰ্কত তেওঁ নিজৰ মত প্ৰকাশ কৰিছে : 'বঁটা-বিজয় কথা লৈ আমি উচ্ছ্বসিত ধাৰণা ল'ব নালাগে। শতকৰা ৫০ ভাগ উপ-ন্যাসৰ গুণৰ ওপৰত নিৰ্ভৰ কৰে আৰু বাকী ৫০ ভাগ গুণীসকলৰ আলোচনা, মূল্যায়ণ আৰু মতৈক্যৰ ওপৰতহে লেখকৰ ভাগ্য নিৰ্ণয় হয়। বঁটা লোৱাটো সামাজিক ঘটনাহে—লেখকৰ সেৱা ব্যক্তিগত হ'লেও সাহিত্যিক সমালোচনাতে তেওঁ সদায় আত্ম-বিশ্লেষণ কৰিহে আগবাঢ়ি আহিছে। ৰসিক পাঠকৰ অবিহনে সাহিত্যৰ মূল্যাঙ্কন হ'ব নোৱাৰে।"

বিখ্যাত পণ্ডিত ড° প্ৰভাকৰ মাচুৱেই জ্ঞানপীঠ ব'টা বিজয়ী ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ বিষয়ে কৈছে : "Birendra is a keen observer of life of persons, places, happening and motivations behind man's thinking and behaving in a particular manner. He is a student of cultural anthropology and social psychology."

ডঃ ভট্টাচাৰ্য্যক গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "Humour and Satire in Assamese Literature" শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে পি, এইচ, ডি উপাধি প্ৰদান কৰা হয়।

ডং ভট্টাচাৰ্য্যদেৱ অসম সাহিত্য সভাৰ লগত ওতঃপ্ৰোতঃভাৱে জৰিত। ১৯৭৫ খৃঃত তিতাবৰত অনুষ্ঠিত দ্বিচত্বাৰিংশ সম্মিলনত তেওঁ আলোচনা-চক্ৰৰ সভাপতি আছিল। ইয়াৰ পিছত ১৯৮৩ চনত বঙাইগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিবেশনত সভাপতিৰূপে পৌৰোহিত্য কৰিছিল। সোণালী জয়ন্তী অধিবেশন উপলক্ষ্যে সভাপতিৰ আসনৰ পৰা ডঃ ভট্টাচাৰ্য্যই অসমীয়া জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ ন্যায্যতা আৰু

ভাৰতীয় সংবিধানৰ আধাৰত হোৱা আন্দোলনৰ সম্পৰ্কে অতি চিন্তামূলক মন্তব্য প্ৰকাশ কৰিছে। ডঃ ভট্টাচাৰ্য্যৰ অভিভাষণে প্ৰতিজন অসমীয়াক দিছে আত্ম-প্ৰত্যয়। অসমীয়া ভাষা-সাহিত্যৰ শিৰৰ মণি ড° ভট্টাচাৰ্য্যই সভাপতিৰ আসন অলঙ্কৃত কৰি অসম সাহিত্য সভাৰ সৌষ্ঠৱ বঢ়ালে।

ইমানবোৰ সন্মানৰ অলঙ্কাৰেৰে বিভূষিত হৈয়ো তেওঁ কোনো দিন কোনো ক্ষেত্ৰত উদ্বিগ্নতা প্ৰকাশ কৰা নাই। নানান দুখ-কষ্ট অভাৱক মূৰ পাতি লৈও ড° ভট্টাচাৰ্য্য জীৱন যুদ্ধত জয়ী হ'বলৈ সক্ষম হৈছে। ড° ভট্টাচাৰ্য্যৰ ভাষাত: "মনে মনে মই ফাঁচীৰ কাঠ সাজোঁ, মনে মনে মই মোৰ দোষ-বোৰৰ বিচাৰ কৰোঁ। মনে মনেই নিজক ফাঁচী দিওঁ। কাৰ সাধ্য এই সহস্ৰানন মনক ফাঁকি দিয়ে? কেতিয়াবা নিজে নিজেই মই পৃথিবীৰ শ্ৰেষ্ঠতম ঔপন্যাসিক, সমালোচক, পাঠক আৰু বিচাৰকৰ ভাও দিওঁ।"

অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা বৰেণ্য সভাপতি ডঃ ভট্টাচাৰ্য্যই সুচিন্তিত অভিভাষণত অনেক মূল্যৱান মন্তব্য প্ৰকাশ কৰিছিল। 'মৃত্যুঞ্জয়' উপন্যাসৰ পটভূমিৰ লগত সাম্প্ৰতিক পৰিস্থিতি বিজাই তেওঁ মন্তব্য কৰিছিল: "অসমৰ আজি যি অৱস্থা, তাত গোটেই বিশ্বৰ অৱস্থা প্ৰতিফলিত হৈছে। পিণ্ডত যেন ব্ৰহ্মাণ্ড প্ৰকাশ পাইছে। লগতে অনুভৱ কৰিছোঁ 'মৃত্যুঞ্জয়'ত চিত্ৰিত কালৰ লগত বৰ্ত্তমান কালৰ সাদৃশ্য আছে। কেতিয়াবা বুৰঞ্জীৰ পুনৰাভিনয় হৈছে বুলিও ভুল হয়। এফালে প্ৰৱল ৰাষ্ট্ৰীয় হিংসা। উপন্যাসখনত এই হিংসাৰ প্ৰতীয় ইন্সপেক্টৰ শইকীয়া আৰু মেজৰ ফিন্স। এই হিংসাই সন্ত্ৰাসবাদী বা বৈপ্লৱীক হিংসাৰ জন্ম দিছে। এই হিংসাৰ প্ৰতীক কামপুৰীয়া, বেল বগৰোৱা, নিৰ্ভীক, সংস্কাৰ মুক্ত মুক্তি যুঁজাৰু ধনপুৰ। ধনপুৰ প্ৰত্যাহিক কালৰ প্ৰতিনিধি। ৰূপনাৰায়ণ ঐতিহাসিক কালৰ আৰু মহদা পাৰমাৰ্থিক বা মহা-কালৰ। ইন্সপেক্টৰ শইকীয়া আৰু ধনপুৰ কোনো হিংসাৰ বাবে অনুতপ্ত নহয়। কিন্তু ৰূপনাৰায়ণ আৰু মহদা দুয়ো হিংসাৰ সীমাবদ্ধতা দেখা পাইছে। মানুহৰ তেজেৰে কোনো স্থায়ী মন্দিৰ গঢ়িব নোৱাৰি। ধনপুৰৰ দৰে কেৱল 'অন্ধকাৰত অন্ধ' হলেই নহয়, মৰামৰি, কটাকটিয়ে অনা সিদ্ধিয়ে ভাল মানুহ সৃষ্টি কৰাৰ পৰিবেশ গঢ়িবনে নকৰে, তাকো আমি ভবা উচিত। ইতিহাস অথবা মানৱ প্ৰকৃতিয়েই সকলো নহয়, এইবিলাকৰ সীমাবদ্ধতা উপলব্ধি কৰি লেখক আৰু শিল্পীয়ে পন্থাৰ সংস্কাৰ আৰু মুহূৰ্ত্তত অনন্তৰ উপলব্ধিৰ বাবে মানুহক চেতনাৰ বিপ্লৱৰ পথো দৰ্শোৱা উচিত। কোনো ভাল লক্ষ্য বেয়া উপায়েৰে সাধন কৰিব নোৱাৰি, কাৰণ উপায় হ'ল লক্ষ্যৰ ব্যৱহাৰিক ৰূপ।"

ড° ভট্টাচাৰ্য্যৰ এই মন্তব্যখিনিয়ে সমগ্ৰ আন্দোলনটোৰ প্ৰকৃত লক্ষ্য, স্বৰূপ আৰু পৰিণতিৰ স্পষ্ট আভাস দিছে। 'মৃত্যুঞ্জয়'ৰ ধনপুৰ চৰিত্ৰৰ এটি উক্তিৰে ড° ভট্টাচাৰ্য্যই আমাক প্ৰকৃত পথৰ পৰিচয় দিছে: "আমি আমাৰ কাম কৰিব লাগিব। কাম কৰোঁতে যি হয় হওক। দৰকাৰ হ'লে আমি মৃত্যুকো জয় কৰিব লাগিব। ... ... ... কিবা যদি হয় মানুহে গা লৰালেহে হয়। নতুন ঘাটত নকৈ নাও পেলাব লাগিব।" ●

# লোক-সাহিত্য

॥ দীপালী বৰা : স্নাতক ২য় বাৰ্ষিক ॥

বিশ্বৰ বিভিন্ন ভাষাৰ সাহিত্যৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে গদ্য ৰচনাতকৈ কাব্য ৰচনা দুখোজমান আগবঢ়া। কোনো গদ্য ৰচনা লিখিত অৱস্থাত নাথাকিলে পিছৰ যুগলৈ সি চলি আহিব নোৱাৰে। কিন্তু কাব্যৰ লগত স্মৃতি-শক্তিৰ বিশেষ সম্বন্ধ। কাব্যৰ এই স্মৰণীয় গুণৰ বাবেই পুৰুষাণুক্ৰমে অনেক গীত-মাত যুগ-যুগান্তৰ ধৰি একোটা জাতিৰ মাজত জীৱন্ত ৰূপ লৈ জীয়াই আছে।

ভাষাই যেতিয়া বিভিন্ন ভাৱ, অনুভূতি আৰু অৱস্থা প্ৰকাশ কৰিব পৰা শক্তি অৰ্জন কৰে আৰু উচ্চাৰণ কৰা বিভিন্ন ধ্বনি বুজাবলৈ সাঙ্কেতিক চিহ্ন বা হৰফ সৃষ্টি কৰি লিখাৰ পদ্ধতি প্ৰৱৰ্তন কৰে, তেতিয়াৰ পৰাহে সাহিত্যৰ প্ৰকৃত বুৰঞ্জী আৰম্ভ হয় বুলি কব পাৰি; কিন্তু ভাষাই লিখিত ৰূপ পৰিগ্ৰহ কৰাৰ আগতে যে কোনো সাহিত্যৰ উদ্ভৱ হোৱা নাছিল, তেনে কথা ক'ব নোৱাৰি। উদাহৰণ স্বৰূপে আমি যদি পৰ্বতীয়া জাতিবোৰলৈ লক্ষ্য কৰোঁ, তেন্তে দেখিবলৈ পাওঁ যে তেওঁলোকৰ বহুতৰে লিখিত সাহিত্য নাই; কিন্তু মুখে মুখে প্ৰচলিত গীত-মাত আৰু সাধুকথাৰ প্ৰচলন আছিল। সেইদৰে সকলো জাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মৌখিক গীত-মাত, প্ৰৱচন, সাধু-কথা থকাৰ প্ৰমাণ পোৱা যায়। অসমীয়া ভাষাৰ ক্ষেত্ৰতো একেই কথা। সাহিত্যই লিখিত ৰূপ পোৱাৰ পিছতো বৰ্ত্তমানে অনাখৰী জনসমাজে মুখে মুখে গীত-পদ ৰচনা কৰি থকা দেখা গৈছে। এনে ধৰণৰ কালানুক্ৰমে মুখে মুখে প্ৰচলিত হৈ অহা লোকগীতসমূহে বিভিন্ন যুগৰ পৰিবেশৰ প্ৰভাৱত পৰি মোট সলায়, ভাষাই আধুনিক গঢ় লয়, সাজ-সজ্জা নতুন হয়।

অনাখৰী জনসমাজৰ দ্বাৰা সৃষ্ট অসমীয়া সাহিত্যৰ অঙ্গ শোভিত কৰি গৌৰৱোজ্জ্বল স্থানত বহুৱা লোক সাহিত্য কোনো ব্যক্তি বিশেষৰ সম্পদ নহয়, জন-সমাজৰহে সম্পদ। ৰচকৰ কোনো পৰিচয় নথকাত এই মৌখিক সাহিত্যৰ উদ্ভৱ কাল সঠিককৈ নিৰ্ণয় কৰা টান। কিছুমান গীত পৌৰা-ণিক আখ্যান অৱলম্বন কৰি ৰচিত হৈছিল। কিছুমান বা আকৌ ঐতিহাসিক ঘটনা বা ব্যক্তিক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছিল। যিবোৰ গীত

ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত সেইবোৰৰ ৰচনাৰ সময় ঠাৱৰ কৰিবলৈ কঠিন নহয়। বাকী-বোৰৰ সম্পৰ্কেও এই কথা নিঃসন্দেহে কব পাৰি যে সেইবোৰত অতি প্ৰাচীনতাৰ প্ৰমাণ বৰ কম ; অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আদি যুগত অৰ্থাৎ দশম-ত্ৰয়োদশ শতিকাৰ ভিতৰত সেইবোৰ ৰচিত হৈছিল বুলি ক'বলৈ সিমান সহজ নহয়। কোনো কোনো সমালোচকে লোকগীতসমূহক আদি যুগত স্থাপন কৰিছে।

পণ্ডিত প্ৰৱৰ হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ 'অসমীয়া সাহিত্যৰ চানেকি'ত গীতিযুগ বুলি অসমীয়া সাহিত্যৰ প্ৰাচীনতম কালটোক নিৰ্দেশ কৰিছে। এই যুগটো তেখেতে খৃষ্টীয় ৬০০-৮০০ শকৰ ভিতৰত ধৰিছে। দৰাচলতে সপ্তম শতিকাত অসমীয়া ভাষাই প্ৰাকৃত অপভ্ৰংশ স্তৰ অতিক্ৰম কৰি স্বতন্ত্ৰ ৰূপ ধাৰণ কৰা নাছিল। কিন্তু অসমীয়া ভাষাই স্বতন্ত্ৰৰীয়া ৰূপ নাপালেও জনসাধাৰণে প্ৰাক্ অসমীয়া এটা জনভাষা নিশ্চয় কৈছিল। এই ভাষাটোৰ পৰাই উফৰি যোৱা দুই এটা শব্দ দ্বাদশ শতাব্দীৰ পূৰ্বৰ তাম্ৰশাসনবোৰত পাওঁ। গতিকে প্ৰাক্-অসমীয়া জনভাষাত গীত-মাত ৰচিত হোৱা আৰু সেই গীত-মাতৰ কিছু অংশই ৰূপ সলাই পৰৱৰ্তী যুগত অসমীয়া ৰূপে পৰিচিত হোৱা একো অস্বাভাৱিক নহয়। সমালোচকে গীতবোৰক আদি যুগত স্থাপন কৰাৰ প্ৰধান যুক্তি হ'ল যে সকলো ভাষাৰ লিখিত আৰু পৰিমাৰ্জিত সাহিত্য সৃষ্ট হোৱাৰ আগতে জনসমাজে মৌখিক গীত-নৃত্যৰ মাজে-দিয়েই জাতি বিশেষে সামূহিক জীৱনৰ আশা-নিৰাশা, প্ৰেম-প্ৰীতি, আনন্দ-উৎসৱৰ ভাৱ ফুটাই তোলে।

অসমীয়া লোক-সাহিত্যৰ ভিতৰত প্ৰধানকৈ এই কেইবিধ পৰে **(১) লোকগীত (২) ফকৰা-যোজনা আৰু প্ৰৱচন, (৩) সাধুকথা।** নৃতত্ত্ব আৰু সমাজতত্ত্বৰ অধ্যয়নৰ ফালৰ পৰা সাধু-কথাৰ হয়তো যথেষ্ট মূল্য আছে। কিন্তু সাহিত্যৰ বুৰঞ্জীত সাধুকথাবোৰৰ মূল্য বৰ বেছি নাই। সাধুকথাবোৰৰ স্থিৰ ৰূপ এটা নাই, সাধু কওঁতাই নিজৰ অভিৰুচি আৰু সামৰ্থ্য অনুসাৰে তাক বৰ্ণাই যায় ; সাহটো অৰ্থাৎ উপকথাৰ মূল ঘটনাটোহে কিছু প্ৰাচীন। উদাহৰণস্বৰূপে তেজীমলাৰ সাধুটোৰ ভাষা, প্ৰকাশ-ভঙ্গী বিভিন্ন বক্তাৰ মুখত বিভিন্ন হৈ পৰিল, সাধুটোৰ মূল ঘটনাটোহে পৰিবৰ্ত্তন নহয়। অৱশ্যে সাধুবোৰৰ মাজে মাজে থকা সুৰীয়া ছন্দোবদ্ধ পংক্তি দুই চাৰিটাই প্ৰাচীনতাৰ ইঙ্গিত নিদিয়াকৈ নাথাকে। সেই সুৰীয়া দন্দোবদ্ধ পদবোৰৰ অৱশ্যে পৰিবৰ্ত্তন সহজে নঘটে। বিভিন্ন সাধুকথাই সমাজৰ বিভিন্ন স্তৰৰ আভাস দিয়ে। প্ৰেম-প্ৰীতি, পিতৃ-স্নেহ, মাতৃ-স্নেহ, সপত্নী-বিদ্বেষ, অসূয়া-ঈৰ্ষা, জীয়াই থকাৰ স্পৃহা, জনবিশ্বাস, কুসংস্কাৰ আদি আদিম ভাব আৰু অনুভূতিসমূহৰ সৰল আৰু মুকলি প্ৰকাশ সাধুবোৰত দেখা যায়। 'তেজীমলা', 'তুলা আৰু তেজা', 'চিলনী জীয়েক', 'বাৰী পুতেক'ৰ সাধুকে আদি কৰি ভালেমান সাধু-কথাত প্ৰাচীনতাৰ চানেকি পোৱা যায়।

ফকৰা-যোজনা আৰু প্ৰৱচনবোৰত সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত প্ৰচলিত জীৱনচৰ্য্যা আৰু আদৰ্শবাদ, জাতিৰ মনস্তত্ব, আচাৰ-ব্যৱহাৰ আৰু বহুক্ষেত্ৰত সমালোচনাও পোৱা যায়। এই প্ৰৱচন-প্ৰবাদবাক্যবোৰ হৈছে – 'দহৰ জ্ঞান, একৰ বাণী।' চুটি চুটি বাক্যত একোটি সাৰগৰ্ভ সত্য বা অভিজ্ঞতা নিহিত হৈ থাকে। ফকৰাবোৰ সাধাৰণতে গূঢ়াৰ্থক, আপাত বক্তব্যৰ অন্তৰালত একোটা নিগূঢ় অৰ্থ সোমাই থাকে আৰু কিছুমানত ভকতীয়া অৰ্থও থাকে। কেতিয়াবা আকৌ সাধুকথা বা পৌৰাণিক কাহিনীও সোমাই থাকে। ফকৰাবোৰ সাধাৰণতে ছন্দোবদ্ধ আৰু প্ৰহেলিকা বা হেয়ালি ভাবাপন্ন, যেনে— "সাগৰৰ মৌ, পৰ্বতৰ ঢৌ; বাপেকৰ তিৰী নাই, পুতেকৰ সাত বৌ।" এই ফকৰা-যোজনাবোৰৰ প্ৰয়োগে বক্তব্য ৰসাল, অৰ্থঘন আৰু প্ৰভাৱশীল কৰি তোলে আৰু ৰচনা জতুৱা ঠাচেৰে সমৃদ্ধ কৰে। সৰহখিনি ফকৰা-যোজনা, প্ৰবচন ৰচনাৰ সময় নিৰ্ণয় কৰা টান যদিও বুৰঞ্জীৰ ঘটনা উল্লেখ থকা বা বৈষ্ণৱ-নীতি সদাচাৰ সম্পৰ্কীয় বচনসমূহৰ মোটামুটি সময় নিৰ্ণয় কৰিব পৰা যায়। উদাহৰণস্বৰূপে—"নাই ৰঙামাটি, নাই গুৱাহাটী।" 'গড়গঞা কটাৰীৰ ডাবেও কাটে।'—এনে ধৰণৰ প্ৰবচনবোৰ আহোম ৰাজত্বত ৰচিত হোৱা বুলি ক'ব পাৰি। সেইদৰে বৈষ্ণৱ সাহিত্যৰ পৰা বুটলি অনা বচনবোৰ 'পশু নকৰিবা শৰ, মৰাও নানিবা, জীয়াও নানিবা, শূদ্ৰা হাতে নপশিবা ঘৰ'। গুৰু-চৰিত আৰু ভকতীয়া সমাজত অনেক ফকৰা নাৰায়ণদাস ঠাকুৰআতাৰ নামত জড়িত কৰা হৈছে। কিছুমান যোজনাত নাৰীৰ মনস্তত্ব আৰু ব্যৱহাৰ স্পষ্টভাবে জিলিকি আছে—'আৰ ছিগা চুলি, তাৰ ছিগা চুলি, মাৰি যাওঁ নেঘেৰি খোপা।' 'মাজ মূৰত নাই চুলি, গিৰিয়েকে মাতে কেশমতী বুলি।"

যুগ পৰিবৰ্ত্তনৰ লগত প্ৰবাদ-প্ৰবচনাবোৰৰ



উদ্ভৱ আৰু লয় ঘনিষ্ঠভাৱে জড়িত। সমাজৰ প্ৰয়োজনে ইয়াৰ সৃষ্টি কৰে, সমাজৰ পৰিবৰ্ত্তনৰ লগে লগে ই অচল টকাৰ দৰে হৈ পৰে। যিবোৰ সময় গৰাকি আহি তুলনামূলকভাৱে কালনিৰপেক্ষ হয়, সেইবোৰ দীৰ্ঘস্থায়ী হয়।

সাহিত্যিক দৃষ্টি-ভঙ্গিৰে চালে লোকগীত-বোৰ অধিক মূল্যবান। লোকগীতবোৰকে প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি– (১) অনুষ্ঠানমূলক, যেনে ঃ বিহুগীত, আইনাম, বিয়ানাম ইত্যাদি ;

(২) আখ্যানমূলক গীত (Ballad), যেনেঃ— মণিকোঁৱৰৰ গীত, শান্তি বাৰমাহীৰ গীত, বৰফুকনৰ গীত ইত্যাদি ;

(৩) বিবিধ বিষয়ক, যেনেঃ– নিচুকনি গীত, গৰখীয়া গীত, নাও-খেলোৱা গীত, ইত্যাদি। বিষয়-বস্তুৰ পাৰ্থক্য আৰু ৰচনা কালৰ ব্যৱধান থাকিলেও লোকগীতবোৰৰ প্ৰকাশ-ভঙ্গীৰ সাদৃশ্য মন কৰিব-লগীয়া। সৰল ভাষা, ঘৰুৱা চিত্ৰ, ভাৱৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱ লোকগীতসমূহত মন কৰিবলগীয়া। গীতবোৰৰ ছন্দ, ভাৱ আৰু ভাষা শৃঙ্খলিত নহয়, সাৱলীল আৰু উন্মুক্ত। ছন্দ বা সুৰৰ লয় ঠিক ৰাখিবৰ বাবে স্থান বিশেষে মূলভাৱৰ লগত সঙ্গতি থকা বা সম্বন্ধ নথকা একোফাঁকি পদ বা চৰণ ব্যৱহাৰ কৰা প্ৰায়-বোৰ গীততে দেখা যায়। উদাহৰণ স্বৰূপে –

মাছৰ কুমলীয়া শ'ল,
দিন দুপৰত, মাউৰা কোঁৱৰ–
বুঢ়ীমাকৰ ওচৰলৈ গ'ল। (ফুলকোঁৱৰৰ গীত)

**বিহুগীত ঃ** বিহু গীতৰ ভিতৰত হুচৰি গীত বনগীত দুয়োবিধেই অন্তৰ্ভুক্ত। ব'হাগৰ বিহুৰ সময়ত

অসমৰ গাঁৱে-ভূঁয়ে কেৱল ঢোল-পেপা আৰু কিছুমান গীতেৰে গোটেইখন ৰজনজনাই থাকে। এই গীতবোৰকে বিহুনাম বুলি আমি কওঁ। বসন্তৰ আগমনৰ লগে লগে প্ৰকৃতিয়ে নৱ ৰূপ-লাৱণ্য লাভ কৰে। মলয়াৰ মৃদু সমীৰণ, কোকিলৰ মিঠা মাত, কুঞ্জে কুঞ্জে নৱ কিশলয়, বাৰিষাৰ আগমনিসূচক কলীয়া মেঘৰ মাদলৰ ধ্বনিয়ে প্ৰকৃতিৰ ৰাজ্যত এক সপোন ৰাজ্যৰ সৃষ্টি কৰে। কৃষিজীৱী মানুহেও প্ৰকৃতিৰ লগত সঙ্গতি ৰাখি ঋতু উৎসৱ পালন কৰে। বিহুগীতবোৰৰ প্ৰধান সুৰ হ'ল প্ৰণয়। যৌৱনৰ সংগমহীন ক্ষুধা, বিৰহৰ উত্তাপ, প্ৰেমৰ আকুতি আৰু "কমোৱা তুলাৰ দৰে উৰি ফুৰা মন"ৰ সম্যক প্ৰকাশ বিহুগীতবোৰত পোৱা যায়। কিছুমান গীতত ডেকাৰ আৰু কিছুমান গীতত গাভৰুৰ মনৰ ভাব প্ৰকাশ হোৱা দেখা যায়। শ্ৰীলীলা গগৈৰ ভাষাত "প্ৰকৃতিৰ পৰশত, সময়ৰ বুলনিত আনন্দ মুখৰ হৈ উঠা অসমীয়া জাতিটোক প্ৰাণৰ উচ্ছ্বাসৰ স্বীকৃতি দিয়ে বিহুগীতে। আনন্দৰ অনুভূতি প্ৰকাশ পায় দৈহিক চঞ্চলতাৰ মাজেদি। মন বাঁইজাই কৰে, গা নাচি উঠে। সেয়েহে ঢোলৰ ছেৱে ছেৱে এপাক নাচিবলৈ আৰু নচুৱাবলৈ মন যায়।" বিহুৰ এনে মোহনীয়তা, এনে দুৰ্বাৰ আকৰ্ষণৰ বাবেই অসীম আবেগত অসমীয়া ডেকা-গাভৰুৰ অন্তৰ উজাৰি ওলাই আহে :

"এপৰ দুপৰ কৰি ৰাতি পাৰে হ'ব
আমাৰ বিহুত আমনি নাই,
ৰাতিৰ পৰে পৰে ফে'চাই কুৰুলিয়াই
আমাৰ বিহু ভাঙোঁতা নাই"

বনগীতবোৰ যৌৱনৰ উদ্দাম-বাসনাৰ গীতিময় অভিব্যক্তি। অনাহূত যৌৱনৰ আশা-আকাংক্ষাৰ সেউজীয়া পথাৰত মিলনৰ দুৰ্বাৰ বাসনাই সৃষ্টিৰ পাতনি মেলাৰ প্ৰয়াস কৰে। পূৰ্বৰাগ, বিৰহ, আশঙ্কা, প্ৰেম, বিচ্ছেদ আদি তাৰেই আপনা। তাৰেই স্বতঃস্ফূৰ্ত তাৰণাত ডেকা মনে গাই উঠে :

'সেউতি এপাহী মালতী এপাহী
কেতেকীৰ থোৱালি পাহি
তোমাৰে দেহটি পদুমৰ পাহি যেন
মাণিকী মধুৰী হাঁহি।'

বিহুগীতৰ ৰচনা কোনো নিৰ্দিষ্ট সময়ৰ ভিতৰত হৈছে বুলি ক'ব নোৱাৰি। কিছুমান গীত যেন –"স্বৰ্গদেউ ওলালে বাট চ'ৰাৰ মুখলৈ, দুলিয়াই পাতিলে দোলা।" এনে ধৰণৰ ঐতিহাসিক উল্লেখ থকা গীতক আমি আহোম ৰাজত্ব কালত ৰচিত হোৱা বুলি ধৰিব পাৰোঁ, কিন্তু তেনে ঐতিহাসিক প্ৰমাণ থকা গীত সংখ্যাত কম।

**আইনাম :** ধৰ্মভাৱ সকলো ভাৱ অনুভূতিতকৈ গভীৰ। সি যাৰ হিয়া এবাৰ ছুইছে, তাৰ গভীৰতম কোণবোৰ উৰাউল নোহোৱাকৈ থকা নাই। আইনাম, সুবচনীৰ গীত, লখিমী সবাহৰ গীত আদি একে পৰ্য্যায়তে পৰে। পুৰণি অসমীয়া নাৰী সমাজত "আই"ৰ প্ৰভাৱ অসীম। আই জগতৰ ধাত্ৰী, ত্ৰাণকৰ্ত্ৰী আৰু সুমঙ্গলকামী। সেয়েহে গৃহস্থৰ মঙ্গলৰ কাৰণে আই ভাগৱতীক সন্তুষ্ট কৰিবলৈ নৈবেদ্য আগবঢ়াই বিভিন্ন নামত সেৱা জনোৱা হয়। আই মাতৃকে ভৱানী, শীতলা, কালী গোঁসাই, দুৰ্গা, পাৰ্বতী আদি বিভিন্ন নামেৰে অভিহিত কৰা হৈছে। আই-নামবোৰত অসমীয়া নাৰীৰ ভক্তি-প্ৰেমৰ জ্বলন্ত নিদৰ্শন দেখিবলৈ পোৱা যায়। আইনামৰ চানেকি তলত দাঙি ধৰা হ'ল—

(১) "আঁহতৰ গছতে আয়ে পুথি পঢ়ে, গোপিনী কাকূতি কৰে।
গোপিনীৰ কাকূতি দেখি ভগৱতী, নামি আইৰ আসনত বহে।"

ভাষাৰ সৰলতা আৰু সহানুভূতিৰ আন্তৰিকতা এই গীতবোৰৰ বিশেষত্ব। যি অনুষ্ঠানসমূহক ভেটি কৰি এই গীতবোৰ ৰচিত হৈছে সেই অনুষ্ঠানবোৰ প্ৰাচীন হ'লেও মুখে মুখে আহি গীতবোৰৰ ভাষা আধুনিক হৈছে।

**বিয়ানাম :** অসমীয়া বিবাহ উৎসৱত বিভিন্ন সময়ত আয়তীসকলে গোৱা গীতবোৰ অসমীয়া লোক-সাহিত্যৰ মূল্যবান সম্পদ। বিয়ানামসমূহ নাৰী জীৱনৰ শ্ৰেষ্ঠতম কল্পনা শক্তি আৰু অপৰিসীম কাব্য-প্ৰতিভাৰ অতুলনীয় নিদৰ্শন। অতিশয় সহজ-সৰল অথচ সাৱলীল আৰু সুললিত শব্দ সংযোজন, মধুৰ উপমা, ব্যঞ্জনা আদিৰ প্ৰয়োগৰ যোগেদি বিয়ানামত নাৰী সৌন্দৰ্য্যৰ প্ৰৱণত, শিল্পী প্ৰাণ, সুকুমাৰ, সঙ্গীত মুখৰ জীৱনৰ সম্যক পৰিচয় পোৱা যায়। বিয়ানামক সাধাৰণতে দুটা শ্ৰেণীত ভগাব পাৰি। একশ্ৰেণী গহীন আৰু ৰুচিপূৰ্ণ। এই শ্ৰেণীৰ গীতত ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, ঊষা-অনিৰুদ্ধ আদি পৌৰাণিক চৰিত্ৰসমূহৰ বিবাহৰ বৰ্ণনা দি আৰু সেই চৰিত্ৰসমূহ বৰ-কন্যাত আৰোপ কৰি নামতীসকলে বিয়াঘৰত সুৰৰ এটি গহীন পৰিৱেশ সৃষ্টি কৰে। বিয়াৰ বিভিন্ন অনুষ্ঠান অনুসৰি জোৰণৰ নাম, পানীতোলা, অধিবাসৰ, দৈয়নৰ, সজোৱা, কন্যাৰ গুৰিত গোৱা, দৰাৰ গুৰিত গোৱা, সুৱাগুৰি তোলা নাম, দৰা বৰণৰ নাম, হোমত জুই দিয়া, আখৈ দিয়া, দৰা-কন্যাক আশীৰ্বাদ দিয়া নাম, আদি অলেখ মধুৰ আৰু কৰুণ নামেৰে অসমীয়া সমাজ ভৰপূৰ। তলত বিয়ানাম দুটিমান দাঙি ধৰা হ'ল—

পানী তোলা নাম —

"কাষে ঘণ্টা লোৱা ৰাধা এ, মাথাই লোৱা মালা
যমুনালৈ যাব লাগে নকৰিবা হেলা।"

কন্যাক নোৱাবলৈ মতা নাম —

"ওলাই আহা আইদেৱে
দুৱাৰ দলি বাজে
ঘৰতে নোৱাব লাগে নকৰিবা লাজ।"...ইত্যাদি

অৱশ্যে ঠাই বিশেষে নামৰ বৈচিত্ৰ্যও মন কৰিব লগীয়া। নগাঞা সুৰৰ লগত নলবৰীয়া বা বৰপেটীয়া সুৰ নিমিলে। দ্বিতীয় শ্ৰেণীৰ গীতক সাধাৰণতে যোৰা-নাম বোলা হয়। এই গীতৰ সুৰ লঘু আৰু বৰ্ণনাও কৌতুকপূৰ্ণ।

আগতে বিয়া ঘৰত বিয়ানামৰ ভৰপক অৱস্থা দেখা গলেও আজি-কালি বিয়া ঘৰত খুব কমেইহে বিয়ানাম শুনিবলৈ পোৱা যায়।

**আন অনুষ্ঠানমূলক গীত :** ভেকুলী বিয়াৰ গীত, মহখেদা গীত, উপনয়ন, চূড়াকৰণ আদি শাস্ত্ৰীয় অনুষ্ঠানত গোৱা গীত, গোৱালপাৰাৰ কাতি পূজাৰ গীত, বাঁসপূজাৰ গীত আৰু বিবিধ অনুষ্ঠানৰ লগত জড়িত নানা ধৰণৰ গীত-মাত প্ৰচলিত আছে। গীত বিশেষে স্থানীয় লোকাচাৰ আৰু ভাৱৰ প্ৰভাৱ পৰিলেও ধৰ্মীয় অনুষ্ঠানমূলক গীতবোৰৰ ভাৱৰ ঐক্য, প্ৰকাশ-ভঙ্গীৰ অকৃত্ৰিমতা আৰু অনুভৱৰ আন্তৰিকতা সাধাৰণ বিশেষত্ব। বৰষুণ ন'হ'লে ভেকুলীৰ বিয়া

পাতি গোৱা গীত, আঘোণৰ পূৰ্ণিমাত হাতত টাঙোন লৈ গধূলি গৃহস্থৰ ঘৰে ঘৰে গৈ গৰখীয়া ল'ৰাই মহ খেদাবলৈ গোৱা গীত ইত্যাদি। এই সকলোবোৰতে কৃষি প্ৰধান চহা জীৱন আৰু সমাজৰ বিশ্বাস, সংস্কাৰ, ৰং-ৰহইচৰ ভাৱ, আচাৰ ব্যৱহাৰ আৰু ধৰ্মীয় ভাৱ প্ৰতিফলিত হৈছে। লোকগীতৰ ক্ষেত্ৰত গোৱালপাৰাতেই অধিক বৈচিত্ৰ দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ এয়ে যে ইয়াত কেইবাটাও সংস্কৃতিৰ সংযোগ।

**আখ্যানমূলক গীত :** কাহিনী বা আখ্যানমূলক বিষয়-বস্তুৰে ৰচিত গীতক কাহিনীমূলক গীত **(Ballads)** বুলি কোৱা হয়। এই গীতসমূহক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি। (১) বুৰঞ্জীমূলক (২) কিম্বদন্তী বা জনশ্ৰুতিমূলক আৰু (৩) কাল্পনিক।

বুৰঞ্জীমূলক গীতৰ ভিতৰত বৰফুকনৰ গীত, জয়মতী কুঁৱৰীৰ গীত, নাহৰৰ গীত, বাখৰৰ গীত, চিকণ সৰিয়হৰ গীত, হৰদত্ত বীৰদত্তৰ গীত, পদুম কুঁৱৰীৰ গীত, মণিৰাম দেৱানৰ গীত আদি বিখ্যাত। এই গীতবোৰৰ ভিতৰত নাহৰ গীতটোৱেই সৰ্বপ্ৰাচীন। বুৰঞ্জীমূলক গীতবোৰ প্ৰায়েই কৰুণ-ৰসাত্মক। ইতিহাসপ্ৰসিদ্ধ চৰিত্ৰ বিশেষৰ কৰুণ পৰিণতি দেখুৱাই এইবোৰ গীতৰ উদ্দেশ্য। গীতবোৰৰ ভাষা সাৱলীল আৰু বৰ্ণনাবোৰ জীৱন্ত।

বৰফুকনৰ গীতত জাতীয় আক্ৰোশ, ঘৃণা অভিশাপ আদিৰে অজীণ-পাতকী বদন ওৰফে বিণাই বৰফুকনে মান আনি অসমীয়াক অবৰ্ণনীয় উপদ্ৰৱ কৰাৰ লোমহৰ্ষক কাহিনী জীৱন্তভাৱে প্ৰকাশ কৰা হৈছে। "কিয়নো আনিলি মানে ঐ বদন বদন তই, কিয়নো আনিলি মান। সোণৰ অসমতে ফে'টিগোম মেলিলি, কটালি অসমৰ কাণ।"— গীতটিয়ে আজি কিছুদিন আগলৈকে বদন বৰফুকনৰ কু-কীৰ্ত্তিৰ কাহিনীকে সোঁৱৰাই আছিল।

"মণিৰাম দেৱানৰ ব্যক্তিত্ব অসমীয়া জাতীয় জীৱনত সঞ্চাৰিণী দীপ-শিখাৰ দৰে উঠি মাৰ গ'ল আৰু থৈ গ'ল এটি দীঘল হুমুনিয়াহ"—তাৰেই জীৱন্ত আৰু অতি কৰুণ কাহিনী বৰ্ণিত হৈছে মণিৰাম দেৱানৰ গীতত —

"সোণৰ ধোৱা খোৱাত খালি তই মণিৰাম
ৰূপৰ ধোৱা খোৱাত খালি
দেশৰ কাৰণে জীৱনটো তেজিলি
ডিঙিত চিপজৰী ললি।"

জয়মতী গীতৰ কাহিনী আৰু বেদনা দায়ক। জেৰেঙাৰ সতীৰ জীৱন্ত কাহিনী এই গীতবোৰত প্ৰতিভাত হৈছে। ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত, কন্যা বাৰমাহীৰ গীত সম্ভৱতঃ কাল্পনিক। ফুলকোঁৱৰ মণি কোঁৱৰৰ পুত্ৰ ; শঙ্কৰদেৱৰ নাতি। ককাদেউতাকে সজাই দিয়া কাঠৰ পক্ষীৰাজ ঘোঁৰাত উঠি ফুলকোঁৱৰে পিতাকক বিচাৰি ওলাল। "এইখিনিৰ পৰাই কবি কল্পনাৰ ৰূপত ৰহণ চৰিল আৰু ফুলকোঁৱৰে সচাঁকৈয়ে বসন্ত কোঁৱৰ হৈ ইন্দ্ৰজাল তৰিলে। বাৰ বছৰৰ মূৰত অতি অভিনৱ ভাৱে মালিনীৰ ফুলনিলৈ বাসন্তী সৌন্দৰ্য্যৰ ধল অহাত তাই আচৰিত হৈ চাওঁতেই ফুলকোঁৱৰক দেখি বিমোৰত পৰিল। ফুলকোঁৱৰে নিজৰ চিনাকি দিয়াৰ পাছত উপযুক্ত বৰ ভাবি মালিনীয়ে তেওঁক পাম্ভুলা কুঁৱৰীৰ লগত গোপন পৰিচয় কৰালে আৰু ফুলকোঁৱৰে পাম্ভুলালৈ 'ফুলতে গুথিলে, ফুলতে বাৰ্তাৰ দিলে।"

এনে মনোৰম কাহিনীৰে ভৰা এই গীতবোৰ অসমীয়া সাহিত্য ভঁৰালৰ আপুৰুগীয়া সম্পদ।

**বাৰমাহীৰ গীত :** এইবোৰ গীতত বিদেশত থকা পতিৰ বিচ্ছেদৰ বিৰহ বেদনা সন্নিবিষ্ট কৰা হৈছে। মনোৰম কবিত্বময় প্ৰকাশ এই গীতবোৰৰ বিশেষত্ব। এই গীতবোৰে কালিদাসৰ মেঘদূত কাব্যৰ বিৰহীৰ বিৰহ-বিধূৰ ৰূপৰ সকৰুণ বৰ্ণনালৈ মনত পেলায়। বিভিন্ন ধাতুৰ নৈসৰ্গিক পৰিবৰ্ত্তন আৰু শোভাৰ একোটি ফটোগ্ৰাফৰ দৰে চিত্ৰ বাৰমাহী গীতত পোৱা যায়। অসমীয়া 'বাৰমাহী' গীত সৰ্বভাৰতীয় ঐতিহ্যৰ এটি প্ৰান্তিক অভিব্যক্তি।

**নিচুকনি গীত ঃ** শিশুসকলৰ কল্পনাপ্ৰৱণ, অনুসন্ধিৎসু মনৰ উৎকণ্ঠা, কৌতুহল আৰু আমোদ জগাই তুলি, সম্মোহিত কৰি টোপনি নিয়াবৰ কাৰণে ঘাইকৈ নিচুকনি গীতৰ সৃষ্টি।

"'শিয়ালী এ' নাহিবি ৰাতি," "জোনবাই এ, বেজি এটি দিয়া।" "বগলী এ' সৰাহলৈ নগলি কিয়", "ৰ'দালি এ' ৰ'দ দে"— আদি একোটি একোটি মনোৰম নিচুকনি গীত। নিচুকনি গীতবোৰত "ফুল-পাত গছ-গছনি, জোন, তৰা, মেঘ, ৰ'দালি সকলোটিয়েই সজীৱ-সপ্ৰাণ হৈ হালধীয়া চৰাই, বটা চৰাই, কামচৰাই আটাইবোৰে লগলাগি শিশুৰ কাৰণে এক অভিনৱ ৰাজ্যৰ সৃষ্টি কৰে।"

**দেহ বিচাৰৰ গীত ঃ** দেহ বিচাৰ আৰু টোকাৰি গীতবোৰ আধ্যাত্মিক ভাবব্যঞ্জক। দেহত যে তৈধ্য ব্ৰহ্মাণ্ড আছে, ই যে ব্ৰহ্মাণ্ডৰ এটি ক্ষুদ্ৰ সংস্কৰণ এই কথাই দেহবিচাৰ গীতৰ প্ৰতিপাদ্য বিষয়। কেতিয়াবা সংসাৰ নদীত পাৰি দিয়া নাৱৰ লগত, কেতিয়াবা ন খন দুৱাৰযুক্ত নগৰৰ লগত দেহক তুলনা কৰা দেখা যায়। সৰহ ভাগ গীততে মানৱ দেহাৰ ক্ষণস্থায়ীত্ব, কামনা-বাসনা, ধন-দৌলতৰ অসাৰত্ব, আপোন-পৰৰ বিচাৰ কেৱল মায়াৰ বন্ধন আদি ভাৱৰ বাহক হৰি নামেই যে প্ৰাণীৰ ভৱবন্ধনৰ মুক্তিৰ একমাত্ৰ পথ তাকেই শেষত গীত বিলাকত প্ৰতিপন্ন কৰা হৈছে। গীতবোৰত শঙ্কৰদেৱ, মাধৱদেৱ, গোপালদেৱ আদিৰ নাম পোৱা যায় যদিও ই কেৱল বৈষ্ণৱ মতবাদ প্ৰতীয়মান কৰাৰ প্ৰয়াস যেন হে লাগে।

**বিবিধ বিষয়ক গীত ঃ** জুনা, নাও খেলাৰ গীত, মায়ামৰীয়া ৰণুৱাৰ গীত, হাইদাং গীত আদি বিবিধ বিষয়ক গীত। জুনাক কাহিনী গীতৰ ভিতৰত ধৰিব পাৰি। পবুৱাৰ জুনা, কপাহৰ জুনা, নাঙলৰ জুনা আদি কবি-কল্পনাৰ মনোৰম সৃষ্টি। এইবোৰ বহুৱাৰ হাঁহিৰো থুনপাক।

নাও খেলাৰ গীতবোৰত বাৰ মাহীৰ গীতৰ দৰে ডিঙা মেলি বণিজলৈ যোৱা সাউদ, বিৰহ বিধূৰা সাউদৰ পত্নী, গধূলি বেলিকা ভগা নৌকাত ৰাধাক কানায়ে পাৰ কৰা আদিৰ উল্লেখ পোৱা যায়।

অসমীয়া জিকিৰ আৰু জাৰী গীতবোৰ লোক-সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। জিকিৰ গীতবোৰ কিছুমান ধৰ্মমূলক আৰু কিছুমান দেহ বিচাৰৰ গীতৰ শাৰীৰ। 'জিকিৰ' শব্দৰ অৰ্থ হ'ল আল্লাৰ নাম স্মৰণ কৰা। ইচলাম ধৰ্মীয় সদাচাৰ, নীতি আৰু আল্লাৰ নাম গৌৰৱ আৰু মাহাত্ম্য এই গীতৰ মাজেদি প্ৰকাশ পায়। জাৰী গীতবোৰ কাৰাবালাৰ কাহিনী অবলম্বন কৰি ৰচিত।

এই জিকিৰৰ ৰচনাৰ সময় উলিওৱা কঠিন। সাধাৰণ বিশ্বাস জিকিৰসমূহ আজান চাহাবৰ ৰচনা। আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ।

অসমৰ লোক-সাহিত্য অতিশয় চহকী। জাতিৰ ভাৱ-অনুভূতি, আশা-আকাঙ্খা, হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ, জাতীয়-আদৰ্শ আদি লোক-সাহিত্যৰ মাজত নিহিত আছে। আজি কিছুদিনৰে পৰা ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি পাইছে যদিও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যিমানবোৰ বিভিন্ন অনুষ্ঠান, আখ্যান, কিম্বদন্তী বা কল্পনামূলক গীত আছে, সেই সকলোবোৰ সংগ্ৰহ হৈছে বুলি ন-দি ক'ব নোৱাৰি। সকলোবোৰ একেলগে থ'পাই প্ৰকাশ কৰিব পাৰিলে সাহিত্যৰ ভঁৰাল আৰু চহকী হৈ উঠিব।

লোক-সাহিত্যৰ মাজত অসমীয়াৰ জন্ম আৰু তাৰ মাজতেই বিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন। ইয়াৰ প্ৰসাৰে অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিক দুগুণে মহীয়ান কৰি তুলিব। ●

● আলোচনাটিত প্ৰভাৱ পৰা গ্ৰন্থৰাজি : স্বৰ্গীয় হেম চন্দ্ৰ গোস্বামী : অসমীয়া সাহিত্যৰ চানেকি। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষামূলক ইতিবৃত্ত। ডঃ মহেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ ৰূপৰেখা। অধ্যাপক শ্ৰীত্ৰৈলোক্যচন্দ্ৰ মজুমদাৰ : প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা। শ্ৰীধৰ্মসিংহ ডেকা : ৰচনা বিচিত্ৰা।

# শিশু সমাজৰ কল্যাণময়ী মাতৃস্বৰূপা মেডাম্ মেৰিয়া মণ্টেচৰী

॥ প্ৰণয়া ভুঞা : স্নাতক ২য় বাৰ্ষিক ॥

কল্যাণময়ী মেডাম্ মণ্টেচৰীৰ মনীষা আৰু উদ্ভাৱনী শক্তিৰ সহায়েৰে শিক্ষাৰ ভাৱধাৰা আৰু পদ্ধতিয়ে সুন্দৰ কল্যাণময় মূৰ্ত্তিৰে আমাৰ সন্মুখত দেখা দিছেহি। এই গৰাকী মহিলাৰ জীৱন কাহিনী চমুকৈ জানি থোৱাটো সকলোৰে বাবেই প্ৰয়োজনীয়।

প্ৰাকৃতিক সৌন্দৰ্য্যৰ লীলাভূমি, প্ৰাচীন সভ্যতাৰ গৌৰৱেৰে গৌৰৱান্বিত ইটালীদেশৰ আৰ-কোনা নামৰ এখন সৰু গাঁৱত ১৮৭০ চনৰ ১৭ আগষ্টত মেডাম্ মেৰিয়া মণ্টেচৰীয়ে জন্ম গ্ৰহণ কৰে। সৰুৰে পৰা মণ্টেচৰী দেখিবলৈ ধুনীয়া আৰু মৰম-লগা আছিল। যেতিয়া তেওঁক স্কুললৈ পঠিয়াবৰ বয়স হ'ল, তেতিয়া তেওঁক শিক্ষা দিবৰ উদ্দেশ্যেৰে মাক প্ৰাচীন সভ্যতাৰ কেন্দ্ৰস্থল ৰোম নগৰলৈ উঠি আহে আৰু প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিয়েহি। ক্ৰমান্বয়ে তেওঁ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা শেষ কৰি হাইস্কুলত পঢ়িবলৈ মন কৰিলে। কিন্তু সেইসময়ত স্ত্ৰী-শিক্ষা সিমান আগবঢ়া নাছিল, বৰং ল'ৰাৰ লগত একেলগে হাইস্কুলত পঢ়াটো ছোৱালীৰ পক্ষে লাজৰ কথা বুলিহে ভবা হৈছিল। গতিকে প্ৰথমতে দেউতাকৰ পৰা অনুমতি পোৱা নাছিল। অৱশেষত দেউতাকৰ অনিচ্ছা স্বত্বেও মাকৰ পৰা অনুমতি লৈ আৰু নিজ অন্তৰৰ প্ৰেৰণাৰে যথেষ্ট সাহ কৰি হাইস্কুলত নাম লগালেগৈ। সেইসময়ত হাইস্কুলৰ ছাত্ৰী আছিল অকল মাত্ৰ তেৱেঁই। যথাসময়ত প্ৰৱেশিকা পৰীক্ষা পাচ কৰি মণ্টেচৰীয়ে কলেজত পঢ়িবলৈ মন কৰিলে। কিন্তু এইবাৰো দেউতাকৰ পৰা শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ সহাঁৰি নাপালে। মাকৰ অনুমতি সাপেক্ষে কলেজত মণ্টেচৰীয়ে নাম লগালে, কলেজতো তেৱেঁই একমাত্ৰ ছাত্ৰী। ছাত্ৰবোৰৰ লগত অকলে এজনী ছাত্ৰীয়ে পঢ়াতো সেই সময়ৰ সমাজে অকণো ভাল পোৱা নাছিল আৰু সেয়েহে মানুহবোৰে মণ্টেচৰীৰ বিষয়ে নানা কথা উলিয়াবলৈ ধৰিলে। মণ্টেচৰীৰ দেউতাকৰ মনত সেই কথাবোৰে বেয়াকৈ প্ৰভাৱ বিস্তাৰ কৰিলে। ফলত সেয়েহে মণ্টেচৰীৰ লগত মাত-বোল, খোৱা-বোৱা আনকি প্ৰাৰ্থনা আদি কৰাও বন্ধ কৰি দিলে। সুদীৰ্ঘ পাঁচ বছৰ এইদৰে অতিবাহিত হ'ল। কিন্তু তেওঁ নিজ

দেশক ভালপোৱা, নিজৰ সংস্কৃতি ভালপোৱা, নিজ দেশৰ মহাপুৰুষক শ্ৰদ্ধা জনাই গুৰু মনা, বেজবৰুৱাই লিখিলে—

"প্ৰকৃত ধৰম বিচাৰি খোচাৰি
জগত বেহালোঁ দুখে
নিজৰেই দেশৰে পৱিত্ৰ ধৰম
নামঘৰৰ দুৱাৰ মুখে ॥
গুৰু লাগে বুলি
মই শিক্ষিত শিষ্য
জগতে জননী দিলোঁ
জগতৰে গুৰু
শ্ৰীশঙ্কৰ ঘৰতেই
অন্ধলাই নেদেখিলোঁ ।

সেয়া আছিল বেজবৰুৱাৰ বিদ্ৰোহী মনৰ বিৰাট প্ৰত্যাহ্বান । নিজক পাহৰি পৰৰ ধৰ্ম বিচাৰি, ভেমত ওফন্দি নিজ দেশৰ মহান গুৰুক চিনি নোপোৱা অসমীয়ালৈ এক প্ৰত্যাহ্বান—সাৱধান বাণী।

নীচাত্মিকা ভাৱ তেওঁৰ পৰা বহু দূৰত আছিল । সমাজৰ কু-মনোবৃত্তিবোৰ আঁতৰাবৰ বাবে চেষ্টা কৰাটোতেই তেখেতৰ সাহিত্য প্ৰতিভাৰ মূল্য পোৱা যায় । অসমীয়া সমাজৰ দোষবোৰ আঁতৰাব পৰাটোৱেই তেখেতৰ জীৱনৰ লক্ষ্য আছিল । সেই চেষ্টাৰ ফল স্বৰূপে অসমীয়া সাহিত্যৰ প্ৰতিটো দিশতে বেজবৰুৱাৰ অৱদান আছে বুলিব পাৰি । নিজ দেশ, জাতিক বেজবৰুৱাই উচ্চ আসনত ৰাখি গৌৰব অনুভৱ কৰিছিল । এবাৰ এজন বঙালীয়ে অসমীয়া জাতিক কানিয়া, ধোদ বুলি উপহাস কৰাত বেজবৰুৱাই বুজালে যে প্ৰকৃততে বঙালীহে ধোদ, অসমীয়া নহয় । তাৰ প্ৰতীক, বঙালীয়ে কয় "কাঠ ফাটা ৰোদ" । অন্যহাতে অসমীয়াই কয় "টিকা ফটা ৰ'দ" । ৰ'দত অসমীয়াৰ টিকা ফাটে আৰু বঙালীৰ ফাটে কাঠ । অৰ্থাৎ অসমীয়াই ৰ'দতো কাম কৰে । এতেকে অসমীয়া ধোদ হ'ব নোৱাৰে ।

বেজবৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হয় "জোনাকী" কাকতৰ জৰিয়তে । জোনাকী কাকততেই তেখেতৰ পোন প্ৰথম লিখা 'লিতিকাই' নাটকখন প্ৰকাশ পায় । এইখন নাটকৰ সহায়ত তেখেতে সমাজৰ হোজা লোকসকলৰ ওপৰত যে সমাজৰ দোষবোৰ পৰে তাকে আঙুলিয়াই দিছে । সেইদৰে তেখেতৰ "নোমল" নামৰ নাটকৰ মাজেদি সমাজৰ সকলো গণ্য-মান্য লোকৰ আত্মম্ভৰিতাই কেনেকৈ গৰীব শ্ৰেণীৰ ওপৰত নিপীড়ন চলায় তাক দেখুৱাইছে । "পাচনী" নাটকৰ মাজেদি একেখন সমাজতে যে কানীয়া, ভঙুৱা আৰু মদাহীৰ দ'ল থাকিব পাৰে তাক সহজ-সৰলভাৱে প্ৰকাশ কৰিছে। "চিকৰপতি নিকৰপতি"ৰ মাজেদি সমাজত থকা একশ্ৰেণী (ভুৱাপাজী) লোকৰ চৰিত্ৰৰ ওপৰত চোকা মন্তব্য দিছে । ইত্যাদিবোৰৰ পৰা বুজিব পাৰি যে বেজবৰুৱাই সেইসময়ত অসমীয়া সমাজত থকা দুৰ্বলতাবোৰৰ প্ৰতিকাৰ কৰাৰ উদ্দেশ্যেই এনে ধৰণৰ ব্যঙ্গাত্মক নাটক ৰচনা কৰিছিল আৰু সমাজৰ আগত স্পষ্টকৈ দাঙি ধৰিছিল । সেইবাবেই তেখেতে সমাজৰ ঠেক গণ্ডীবোৰৰ ওপৰত ভিত্তি কৰি প্ৰায়বোৰ নাটক ৰচনা কৰিছিল । তাৰ ফল স্বৰূপেই প্ৰকাশ পাইছিল তেখেতৰ দেশৰ প্ৰতি থকা ভালপোৱা ভাৱটো ।



'পদুম-কুঁৱৰী'ৰ মাজত আমি বেজবৰুৱাদেৱ যে এজন ঔপন্যাসিক তাক জানিব পাৰোঁ । ইংৰাজে আমাৰ দেশ লোৱাৰ পাছত তেওঁলোকৰ চাল-চলন, আচাৰ-ব্যৱহাৰ আদিয়ে আমাৰ অসমীয়া সমাজৰ একশ্ৰেণী লোকৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল । লগে লগে সকলো দেশৰ দেশীয় সাহিত্যবোৰৰ ক্ষেত্ৰতো পৰিৱৰ্ত্তন নামি আহিছিল । দেশীয় বহুতো লোকেই সেই পৰিৱৰ্ত্তন সাহিত্যত ঘটাব বিচাৰিছিল ৰোমাণ্টিচিজমৰ মাজেদি । বেজবৰুৱাৰ পদুম-কুঁৱৰীয়েও তাৰেই চেষ্টা কৰিছিল । অৱশ্যে এইটো কথা ঠিক যে ঔপন্যাসিক হিচাবে বেজবৰুৱাৰ মূল্য যদিও কম তথাপিও নৱন্যাস যুগৰ অন্যতম হোতা হিচাবে তেখেতৰ অসমীয়া সমাজত ভাল খ্যাতি আছে । অসমীয়া বৰ্ণনাৰ মাজে মাজে অনেক ভাষাৰ বাক্য প্ৰয়োগ কৰি পাশ্চাত্য ৰীতি-নীতিয়ে অসমীয়া সমাজত কি প্ৰভাৱ বিস্তাৰ কৰে তাক স্পষ্টকৈ দেখুৱাই দিয়ে । ইয়াৰ পৰা বুজিব পাৰি যে তেখেতে আধুনিকতাৰ পোহৰৰ মাজেদি এটা নিস্তেজ জাতিক সতেজ কৰি তুলিব বিচাৰিছিল । সেই কাৰণেই হয়তো জোনাকী যুগৰ কবিতা, সাহিত্য, উপন্যাস আদি সকলোতে পশ্চিমীয়া প্ৰভাৱ পৰিলক্ষিত হয় । সেইবাবেই বেজবৰুৱাই অসমীয়া পুৰণি ৰীতি-নীতিৰ ওপৰত আধুনিকতাৰ প্ৰভাৱ পেলাই অসমীয়া সাহিত্যৰ ভেটি কটকটীয়া কৰিব খোজাত "পদুম-কুঁৱৰী" উপন্যাসেই প্ৰমাণ বুলিব পাৰি ।

বেজবৰুৱাই হাস্যৰসেৰে বহু ৰচনা লিখিছিল । সেয়ে তেওঁ "ৰসৰাজ" । কিন্তু মাথো "ৰসৰাজ" তেওঁ নাছিল । তেওঁৰ ৰস আছিল এক তীব্ৰ বিহ এক তিতা ৰস ! হাঁহিৰে তেওঁ সমাজক ব্যঙ্গ কৰিছিল । ঠেক গণ্ডীৰ মইমতলীয়া অহঙ্কাৰী সমাজক তেওঁ ব্যঙ্গ কৰিছিল । সাধাৰণ কথা এটাকে তেখেতে নিভাঁজ অসমীয়া ৰিহা-মেখেলা পিন্ধাই এজনী পাট গাভৰু কৰি অসমীয়া সমাজৰ আগলৈ উলিয়াই দিছে । তাকে কৰিবলৈ গৈ তেখেতে আশ্ৰয় লৈছে নিভাঁজ অসমীয়া ভাষাক । য'ত যেনেভাৱে যি অৰ্থত প্ৰকাশ কৰিব লাগে ঠিক তেনেদৰেই প্ৰয়োগ কৰিছে এই ভাষা । কাৰণ তেখেতে সেই সময়ৰ দেশৰ অৱস্থা দেখি ভালদৰেই বুজিছিল যে তাৰ সমাধান কৰা সহজ-সাধ্য নহয় । সেইবাবেই তেখেতে এই হাস্যৰসত পৰি এফালে হাঁহিৰ লগীয়া হৈ হাঁহিছে আৰু আনহাতে এটা নৈতিক শিক্ষাও লাভ কৰিছে । বেজবৰুৱাদেৱৰ উদ্দেশ্য আছিল হাস্যৰসৰ মাজেদি নৈতিক শিক্ষা ঘূৰাই অনা । আৰু এই হাস্যৰসৰ সহায়ত বেজবৰুৱা অতি সহজেই সমাজৰ মাজত সোমাই পৰিছিল । উদাহৰণ স্বৰূপে তেখেতে "কৃপাবৰৰ কাকতৰ টোপোলা"ত যেতিয়া অসমীয়া মানুহক গালি পাৰে তেতিয়া সেই গালি আধা ইংৰাজী আধা অসমীয়া মিহলিৰ ফলত ভাষাই অন্যৰূপ লয় । অথচ তাতে ৰহণ লগাই লাথুৰা, ইষ্টুপিড্, দুষ্টপিড্, ননচন্, ব্লাডি, খাৰখোৱা, ফোৰিবেইড আদি অনেক ধৰণৰ গালি দিছে । সেইসময়ত আমাৰ দেশত ইংৰাজে আহি কানি বীজ সিঁচিছিল আৰু অসমীয়া মানুহে তাক ব্যৱহাৰ কৰি পেট ডাঙৰ নোখোজা হৈছিল । সেইবাবে বেজবৰুৱাই সামাজিক প্ৰৱন্ধৰ মাজেদি যমদূতক কানি চিকৰা বাচিছে ।

বেজবৰুৱা কেৱল সাহিত্যিকেই, নহয় তেখেত এজন ভাল কবিতা লিখকো। তেখেত কবি নহয় কাৰণ কবিতা সাধনা কৰা তেখেতৰ জীৱনৰ লক্ষ্য নাছিল। তেওঁ কবিতা লিখিছিল স'চা, কিন্তু কবিতা হওঁক নহওঁক তালৈ তেখেতে চিন্তা কৰা নাছিল। "কদমকলি" তেখেতৰ কবিতা পুথি। তেখেতৰ ৰচিত "মালতী" "প্ৰিয়তমা" কবিতাত কবি মনৰ সুক্ষ্মানুভূতি, কোমলতা, মাৰ্ধুৰ্য্যতা বিৰাজমান। তেখেতৰ কবিতাবোৰ দুটা ধাৰাত ভগাব পাৰি। এটা ভাগত পৰিছে তেখেতৰ খুহুতীয়া আৰু ব্যঙ্গাত্মক কবিতাখিনি আৰু আনটো ভাগ হ'ল বেজবৰুৱাৰ উচ্চভাৱৰ ৰোমাণ্টিক কবিতাসমূহ। বেজবৰুৱাৰ কবিতাত কোনো ধৰা-বন্ধা নিয়ম নাছিল। যেতিয়াই মনত যেনেকৈ খেলাইছিল তাকে লিখি গৈছিল। আনহাতে তেওঁ বৈয়াকৰণিক নীতি নিয়মকো আওকাণ কৰিছে। অথচ বেজবৰুৱাৰ ভাষাই আমাৰ সমাজত প্ৰতিষ্ঠা লাভ নকৰাকৈ থকা নাই।

তেখেতৰ 'ভাগৱত-কথা", "শ্ৰীশঙ্কৰদেৱ-শ্ৰীমাধৱদেৱ" তত্বমূলক ৰচনা আৰু সেই ৰচনাত তেখেতে চিন্তাশীল দাৰ্শনিক মনৰ চিনাকি দিছে। এই-বিলাকৰ উপৰিও তেখেতে "ভাৰত-বুৰঞ্জী"ও ৰচনা কৰে। এইবোৰৰ পৰাই বুজিব পাৰি যে এনে এটা দিশ নাই য'ত নেকি বেজবৰুৱাৰ প্ৰভাৱ পৰা নাই।

প্ৰবাসত থাকোতেই বিদেশীৰ আচাৰ-ব্যৱহাৰ, আও-ভাও দেখি স্বদেশলৈ মনত পৰিছিল আৰু সেই প্ৰেৰণাত অনুপ্ৰাণিত হৈ স্বদেশ-সেৱাত লাগিছিল। বিদেশত থাকোতেই তেখেতে "বাঁহী" কাকত সম্পাদনা কৰে। মুঠতে ক'বলৈ গলে অসমীয়া জাতীয় জীৱনৰ লগত বেজবৰুৱাৰ ৰচনাৱলীৰ যে ওতঃপ্ৰোত সম্বন্ধ আছে, তাক নুই কৰিব নোৱাৰোঁ। সেই বেজবৰুৱাদেৱেই নিজ দেশৰ মঙ্গল কামনাৰ্থে হৃদয়ৰ তপত তেজেৰে লিখি থৈ গৈছে—

"বাজক ডবা, বাজক শঙ্খ, বাজক মৃদঙ্গ খোল
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।"

উপৰোক্ত সকলো আলোচনাৰ পৰাই বুজিব পাৰি যে অসমীয়া সাহিত্যক সজীৱ কৰি তুলি নতুন যুগৰ সন্ধান দিয়া বিষয়ত বেজবৰুৱা-দেৱৰ স্থান অদ্বিতীয়। তেখেতৰ অসমীয়া সাহিত্যৰ ভড়াল টনকিয়াল কৰা পুথিসমূহ হৈছে—

ধেমেলীয়া নাটক –

(১) লিতিকাই (২) নোমল ১৯১৪ চনত।

(৩) পাঁচনী – ১৯১৩ চনত।

(৪) চিকৰপতি-নিকৰপতি --১৯১৩ চনত।

গহীনভাৱৰ নাট্যসমূহ :

(৫) চক্ৰধ্বজ সিংহ—১৯১৫ চনত।

(৬) জয়মতী কুঁৱৰী ১৯১৫ চনত।

(৭) বেলিমাৰ - ১৯১৫ চনত।

উপন্যাস :

(৮) পদুম-কুঁৱৰী ১৯১৫ চনত।

সাধুকথাৰ পুথি :

(৯) জুনুকা – ১৯১৫ চনত।

(১০) বুঢ়ী আইৰ সাধু ১৯১২ চনত।

(১১) ককাদেউতা আৰু নাতিল'ৰা ১৯১২ চনত।

চুটি গল্পসমূহ :

(১২) সুৰভি ১৯০৯ চনত।

(১৩) সাধু কথাৰ কুঁকি - ১৯১৫ চনত।

(১৪) জোনবিৰি—১৯১৩ চনত।



জীৱন চৰিত :

(১৫) দীননাথ বেজবৰুৱা জীৱন চৰিত—১৯১২ চনত

(১৬) শঙ্কৰদেৱ—১৯১২ চনত।

(১৭) শ্ৰীশঙ্কৰদেৱ মাধৱদেৱ— ১৯১৪ চনত।

ৰচনা পুথি :

(১৮) কামত কৃতিত্ব লভিবৰ সংকেত - ১৯০৩ চনত

(১৯) পথৰ —১৯১৪ চনত।

পঢ়াশলীয়া পুথি :

(২০) ভাৰতবৰ্ষৰ বুৰঞ্জী -- ১৯১৫ চনত।

আধ্যাত্মিক তত্ত্বমূলক পুথি :

(২১) ভগবৎ-কথা – ১৯১৫ চনত।

ৰসৰচনা পুথি :

(২২) কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা-১৯০৯চনত

(২৩) ওভোতনী—১৯০৯ চনত।

কবিতা পুথি :

(২৪) কদমকলি — ১৯১৩ চনত।

আলোচনী :

(২৫) বাঁহী ১৯০৯ চনত।

ইয়াৰ উপৰিও "জোনাকী", "উষা", "আবাহন" আদিত একাধিকভাৱে গল্প প্ৰবন্ধ আদিও প্ৰকাশ পাইছিল।

বেজবৰুৱাদেৱৰ সুস্পৃষ্ট চিনাকি পাবলৈ হ'লে আমি তেখেতৰ এই লিখনিৰাজিৰ মাজত সোমাব লাগিব আৰু তাতেই থুলমুলভাৱে তেখেতৰ পৰিচয় বিয়পি আছে। ●

"সাহিত্যত উচ্ছৃঙ্খলতা যেনেকৈ দোষৰ কথা, 'মোক নুছুবি—মোক নুছুবি বাৰো'— তেনেকৈ দোষৰ কথা।"

॥ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা— ॥

# অসমৰ জাতীয় প্ৰতিনিধি
# "আসাম টাইগাৰ" হেম বৰুৱা

॥ ৰীতামণি গোস্বামী ঃ স্নাতক, ২য় বাৰ্ষিক ॥

কাৰ্ল মাৰ্ক্স'ক বোধহয় ভাৰতৰ কোনেও দেখা নাই। তথাপিও তেওঁৰ নৈতিক অনুপ্ৰেৰণাতে "মাৰ্ক্স-বাদী" এটা সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ উদ্ভৱ হ'ল। ভাৰতীয় ৰাজনীতিতেই হওক বা সামাজিক বা আধ্যাত্মিক দিশতেই হওক এনে একোজন লোকৰ অভূতপূৰ্ব নীতি বা আদৰ্শই জনসাধাৰণক সহজে আকৰ্ষিত কৰিছে যাক সহজে পাহৰিব নোৱাৰি। ঠিক সেইদৰেই প্ৰত্যেক জাতি বা প্ৰত্যেক সমাজলৈ এনে একোজন লোকৰ আগমন বিভিন্ন সময়ত দেখিবলৈ পোৱা যায়। অসমীয়া জাতিৰ মাজতো ঠিক সেই দৰেই তেনে এজন পণ্ডিত, কবি, সাহিত্যিক, সুবক্তা, সাংবাদিক, ৰাজনীতিজ্ঞ আৰু সকলোৰে উৰ্দ্ধত সকলো বিপদতে মানুহৰ মাজত দেখা পোৱা, ভাৰতীয় সংসদৰ মজিয়াত নিজ প্ৰতিভাৰে প্ৰতিভাত "আসাম টাইগাৰ" হেমবৰুৱা।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত আমি কেবাজনো হেম বৰুৱাৰ নাম পাইছো। আভিধানিক হেম বৰুৱা, সাহিত্যিক হেম বৰুৱা, ত্যাগবীৰ হেমবৰুৱা, ডঃ হেম-বৰুৱা ইত্যাদি অসমী ভাষা জননীৰ একো একো-ডাল "হেমৰ হাৰ"। কিন্তু তাৰো ওপৰত আৰু এজন হেম বৰুৱাক পাই হেৰুৱালো। অধ্যক্ষ হেম বৰুৱা বা এম পি হেমবৰুৱা। যিজনে একেলগে একেবাহে দুটা বিপৰীতধৰ্মী কাম কৰিবলৈ সক্ষম হৈছিল। ১৯৬৪ চনতে ছপা হোৱা 'আচুফুল'ৰ পাতনিতে নিজে কৈছিল — "ক্ৰমাৎ মোৰ উপলব্ধি হৈ আহিছে ৰাজনীতি আৰু সাহিত্য-চৰ্চা একেলগে দুয়োটা বস্তু চলাবলৈ টান"। অথচ জীৱনৰ শেষ ভাগৰ সুস্থ অৱস্থালৈকে সেই একে উদ্যমেৰে একেবাহে, দুয়োটা অসামঞ্জস্য আৰু অসম্ভৱ বুলি ভবা কামকো কাৰ্য্যতঃ সম্ভৱ কৰি প্ৰতিভা আৰু খ্যাতি অক্ষুন্ন ৰাখিলে।

"হেমবৰুৱা" আচলতে হেমকান্ত শৰ্মা বৰুৱাহে। হেমবৰুৱাৰ জন্ম হয় ১৯১৫ খৃঃ ২২ এপ্ৰিলত উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডৰ বিখ্যাত ভ'ৰালী বৰুৱা বংশত। মাক শিৱসাগৰৰ বিখ্যাত মজিন্দাৰ বৰুৱা বংশৰ জীয়ৰী পদ্মলোচনী দেৱী আৰু দেউতাক বিনন্দীৰাম শৰ্মা বৰুৱা। ১৯৩২ খৃঃত হেমবৰুৱাই তেজপুৰৰ পৰা প্ৰবেশিকা পাছ কৰি গুৱাহাটী কটন মহাবিদ্যালয়ৰ পৰা ১৯৩৪ খৃঃত আই এ পৰীক্ষা আৰু ১৯৩৬ খৃঃত বি,এ, পৰীক্ষাত ইংৰাজীত সন্মান সহকাৰে ২য় বিভাগ পাই উত্তীৰ্ণ হয়। একেলেঠাৰীয়ে ১৯৩৮ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যৰ ২য় বিভাগত এম, এ পাছ কৰে। সেইসময়ত দেউতাক বিনন্দি-ৰাম বৰুৱাদেৱে বহুসময়ত চৰকাৰী চাকৰিৰ বাবে অসমৰ বিভিন্ন ঠাইলৈ বদলি হৈছিল আৰু ফলত হেমবৰুৱাদেৱেও বিভিন্ন স্কুলত শিক্ষা লব লগাত পৰিছিল। প্ৰবেশিকা পৰীক্ষা পাছ কৰি মহা-বিদ্যালয়ত ভৰ্ত্তি হোৱাৰ পৰাহে বৰুৱাদেৱৰ ধ্যান-ধাৰণাই নতুন ৰূপ লবলৈ ধৰে। তেতিয়াৰ পৰাহে নিজকে এজন তাৰ্কীক আৰু সু-বক্তা হিচাপে গঢ়ি তুলিছিল।

"অভাৱেই স্বভাৱ নষ্ট" বোলা এটা প্ৰবাদ আছে। হেমবৰুৱাদেৱৰো ঠিক তেনেকুৱাই হৈছিল। ১৯৩৮ খৃঃত এম, এ পাছ কৰিও চাকৰিৰ সন্ধানত সেই দিনতো ঘৰতে বহি আছিল আৰু তাৰ ফলতেই হেমবৰুৱা এটা নতুন ৰূপত জন্ম হ'ল — সমালোচক, সংগঠক আৰু সাহিত্যিক ৰূপে। "আধুনিক নাট্য-সাহিত্যত "ৰিয়েলিজিম্ আৰু ৰোমান্স" আছিল তেখেতৰ আবাহনত প্ৰথম প্ৰকাশিত প্ৰৱন্ধ।

হেম বৰুৱা অসমীয়া সাহিত্য আকাশৰ এজন বাছকবনীয়া সাহিত্যিক। তেওঁ এজন প্ৰকৃত অসমীয়া, তথাপি ইংৰাজী সাহিত্যতহে ব্যুৎপত্তি লভিছিল বেছি। ইংৰাজীত বক্তৃতা দি বিশ্বৰ বিভিন্ন ঠাইত ভূয়সী প্ৰশংসা লাভ কৰিছিল, ভাৰতক বিশ্বত প্ৰতিনিধিত্ব কৰিছিল, ভাৰতৰ মান-চিত্ৰত অসমক আৰু অসমীয়াক নিজস্ব এখন স্থান দিছিল। বিশ্বৰ বাবে-ৰহনীয়া ভাষা-সাংস্কৃতিক কঢ়িয়াই আনি আমাক বিলাই দিবৰ বাবে বহু যত্নেৰে অসমীয়া সাহিত্যৰ উন্নতি সাধন কৰিছিল। তেখেতে নিজৰ ভাষাতেই প্ৰথমে ইংৰাজীত লিখি পিচত অসমীয়ালৈ অনুবাদ কৰিছিল। সংসদৰ লাইব্ৰেৰীত যেতিয়া যৌন সাহিত্য লেখীয়া কিতাপ ৩৪ খন আছিল আৰু অসমীয়া ভাষাত তেনেকুৱা কিতাপ এখনো নাছিল, বহুতো দেশী-বিদেশী কিতাপ পঢ়ি অসমীয়াতো তেনে কিতাপৰ অভাৱ দূৰ কৰিলে "বহাগতে পাতি যাওঁ বিয়া"ৰে। তেওঁ অসমীয়া সাহিত্য পঁজিলৈ আগবঢ়োৱা অৰিহনাৰ ভিতৰত জীৱনীমূলক, ভ্ৰমণমূলক আৰু সৃষ্টিধৰ্মী বিভিন্ন দিশৰ ২৩খন কিতাপ আৰু ইংৰাজী সাহিত্যতো ৮খন কিতাপ লিখে। এইদৰে তেখেতে অসমীয়া জাতিৰ অভাৱ দূৰ কৰি অসমীয়া ভাষা-সংস্কৃতিৰ বহুল প্ৰচাৰ কৰি সাহিত্যৰ আকাশত এটা উজ্বল তৰা ৰূপে বিৰাজ কৰিলে।

হেম বৰুৱা আছিল এজন কবিও। কবি হিচাপে সমাজত তেখেতে সমাদৰ লাভ কৰা মূলতে আছিল, তেখেতৰ বাকপটুতা, স্পষ্টবাদিতা, সফলযুক্তিৰ ৰসাল কণ্ঠনভঙ্গৰী। তেওঁক আধুনিক সমালোচকে উচ্চ কবিৰ স্থান দিব নোখোজে যদিও 'জাৰৰ দিনৰ সপোন", 'মমতাৰ চিঠি", "আইতা" আদিৰ ৰচনাভঙ্গৰী বিশ্লেষণ কৰিলে সেই যুক্তি নিৰৰ্থক হৈ পৰে। "মন ময়ূৰী" আৰু "বালিচন্দা" দুখন কবিতা পুথিয়েই তেখেতৰ কবি প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন আৰু কবি সাহিত্যিকৰ মাজত এক বলিষ্ঠ পদক্ষেপ।

হেম বৰুৱা আছিল জনতাৰ নেতা, ৰাইজৰ সুখ-দুখৰ লগৰী আৰু জাতীয় আন্দোলনৰ প্ৰতিভু

বিভিন্ন দেশ-বিদেশৰ কলা-সংস্কৃতি আৰু অভিজ্ঞতাৰে পুষ্ট জনতাৰ নেতা। সেয়েহে তেওঁ ৰাজনীতিৰ বিৰোধী দলত থাকিও ভাৰতক প্ৰতিনিধিত্ব কৰিবৰ বাবে প্ৰেৰিত হৈছিল আমেৰিকা, ৰাচিয়া, ইউৰোপ, ইণ্ডোনেছিয়া আদি বিভিন্ন ৰাষ্ট্ৰলৈ। তাৰ পৰাই তেখেতৰ অসমীয়া সাহিত্যলৈ সৃষ্টিসুলভ জ্ঞানগৰ্ভৰ অৱদান "ইজৰাইল", "ৰঙা কৰবী ফুল" "মেকং নৈ দেখিলোঁ", "সাগৰ দেখিছা" এই চাৰিখন অসমীয়াৰ আপুৰুগীয়া ভ্ৰমণমূলক গ্ৰন্থ।

১৯৫৭ চনৰ পৰা ১৯৭১ চনলৈকে এই সুদীৰ্ঘ ১৪ বছৰ কাল ৰাজনীতি কৰিলে। সেয়ে অসমৰ প্ৰতিনিধি হিচাপে সংসদৰ মজিয়াৰ বাহিৰতে অসমৰ জনতাৰ লগত অসমৰ অভাৱ দূৰীকৰণৰ বাবে অসমত উদ্ভৱ হোৱা প্ৰতিটো আন্দোলনত তেখেত জঁপিয়াই পৰিছিল। অসমৰ তেল শোধনাগাৰ, যোগীঘোপাৰ কাগজৰ কল, ব্ৰহ্মপুত্ৰত দলং নিৰ্মাণ ভাষা-সমস্যা আদিৰ উপৰিও দেশৰ প্ৰত্যেক ঠাইৰে মানুহৰ মাজৰে তেওঁ বুলিব পাৰি। অসমত বানপানীত বিধস্ত হোৱা অঞ্চল প্ৰত্যক্ষদৰ্শী আৰু সমাজসেবী-সকলৰ ভিতৰতো হেমবৰুৱা আছিল প্ৰথম। হেম-বৰুৱা এজন ৰাজনীতিজ্ঞ আছিল, কিন্তু তেওঁ যি ৰাজনীতি কৰিছিল সি মাছ দেখি জাল গোঠা বিধৰ বা দল বাগৰা দলাৰ বৰ্গৰিও নাছিল। তেওঁ প্ৰথমতে যদিও কংগ্ৰেছী আছিল দেশ স্বাধীন হোৱাৰ পিছত কেইজনমান বিশিষ্ট লোকৰ সংযোগত নতুন-কৈ ছছিয়েলিষ্ট পাৰ্টি গঠন কৰে আৰু তাকেই শেষলৈকে লাগি থাকে। যিটো শুদ্ধ তাক প্ৰতিপন্ন কৰিহে তেওঁ ক্ষান্ত হৈছিল। সেয়েহে দৰদী বৰুৱা-দেৱে ৰাইজৰ সেৱাত ব্যাঘাত হ'ব বুলি কোনো প্ৰলোভনত ভোল নগৈ স'চাক স'চা বুলি প্ৰতিপন্ন কৰিবলৈ গৈ উপযাচি দিয়া পদবীও গ্ৰহণ নকৰি নিজ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰি গ'ল।

হেমবৰুৱা এজন বাগ্মী পুৰুষ আছিল। তেওঁৰ বাগ্মীতাৰ গুণত আৰু জ্ঞানত সকলো শ্ৰোতাকে মুগ্ধ কৰিছিল। অকল অসমীয়া ভাষাতেই নহয় ইংৰাজী ভাষাতো সমান ব্যুৎপত্তি তেওঁৰ আছিল। ১৪ বছৰ ভাৰতৰ সংসদৰ সদস্য হিচাপে (স্বৰাষ্ট্ৰ আৰু পৰৰাষ্ট্ৰৰ) ৮৫০টা বিষয়ত নিজৰ যুক্তিসঙ্গত মতামত দাঙি ধৰি এক অভিলেখ স্থাপন কৰে। নেহেৰুৰ দিনত বিখ্যাত সংসদী সদস্যসকলৰ সাক্ষাতত মিনিটত এশ পচাঁশিটা ইংৰাজী শব্দ প্ৰয়োগ কৰি দিয়া বক্তৃতাই সকলোকে বিস্মিত কৰিছিল। তেখেতৰ ভাষণ প্ৰসঙ্গত তেতিয়াৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী M.C. Chagla দেৱে মত পোষণ কৰি কৈছিল— "Mr. Hem Borua always attacks me in parliament, but I have a soft corner for him because he is a poet and there is an element of poetry is his attacks"

হেমবৰুৱা আছিল বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক আৰু সদস্য। ১৯৩৮ চনতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এ হৈয়ো দেশ স্বাধীনতা আন্দোলন হোৱালৈকে কতো সংস্থাপন কৰিব নোৱাৰিছিল। অৱশেষত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত অধ্যাপনা কৰে আৰু তেতিয়াৰ পৰাই স্বাধীনতাৰ আন্দোলনত জঁপিয়াই পৰে আৰু কাৰাবুদ্ধ হ'ব লগা হয়। কাৰাবুদ্ধ অৱস্থাতে দেশবৰেণ্য লোকৰ সান্নিধ্য লাভ কৰে আৰু তাতেই বৰুৱা দেৱৰ জীৱনৰ নতুন অধ্যায়ৰ সূচনা হয়। পিছত গুৱাহাটী সন্দিকৈ ছোৱালী কলেজত অধ্যাপনা কৰে আৰু অৱশেষত ৺গোপীনাথ বৰদলৈদেৱৰ যত্নত গুৱাহাটী ভোলানাথ বৰুৱা কলেজৰ অধ্যক্ষ ৰূপে কাম কৰি আৰু নিগাজিকৈ কলেজ স্থাপন কৰি সৌষ্ঠৱ বৃদ্ধি কৰে। ঠিক সেইদৰে অসমত প্ৰথম বিশ্ববিদ্যালয় গুৱাহাটীত প্ৰতিষ্ঠাৰ বাবে যি-সকলে কষ্ট স্বীকাৰ কৰিছিল সেইসকলৰ ভিতৰত হেম বৰুৱা আছিল অন্যতম। হেম বৰুৱা সুদীৰ্ঘ ১৪ বছৰ কাল কেৱল সংসদৰ সদস্যই নাছিল, নতুন দিল্লীৰ কলেজসমূহত মাজে মাজে দেশৰ বিশিষ্ট-লোকৰ বিশেষ কিছু অনুষ্ঠানত বক্তৃতা দিয়াৰ নিয়ম আছিল, বৰুৱাদেৱেও তেনে নিমন্ত্ৰণ ৰক্ষা কৰি "ৰামদাস কলেজ", "চেণ্ট ষ্টিফেনছ কলেজ" "দিল্লী স্কুল অব ইকনমিকছ্" প্ৰভৃতি অনুষ্ঠানত এজন শিক্ষাবিদ্ হিচাপে বহুবাৰ ভাষণ দিছিল। সেইসময়ত "বাৰানসী হিন্দু বিশ্ব বিদ্যালয় কোৰ্ট"ৰ বৰুৱাদেৱো এজন সদস্য আছিল।

কবি যতীন্দ্ৰনাথ দুৱৰাদেৱে—'শূণ্য পৰিচয়ত'

"অনাদৰ অৱহেলা
সকলো গোটাই লই
ৰচোঁ মই জীৱনৰ কুসুম কানন।"

—বুলি গোৱাৰ দৰে হেম বৰুৱাদেৱেও ১৯৭১ চনৰ ফেব্ৰুৱাৰী মাহত সংঘটিত মধ্যকালীন নিৰ্বাচনত পৰাজিত হৈ ভগ্ন মন আৰু হৃদয়েৰে ১৯৫৭ চনৰ পৰা ১৯৭০ চনলৈকে মানুহৰ পৰা পোৱা এই ১৪ বছৰীয়া সুখ-দুখ, হাঁহি-কান্দোনৰ সকলো অভিজ্ঞতাৰে ভাবিছিল এজন সাংবাদিক হৈয়ে কটাব বুলি। সেয়ে ১৯৭১ চনৰ নবেম্বৰ মাহত গুৱাহাটীৰ পৰা



প্ৰকাশিত "আসাম এক্সপেছ" নামৰ কাকতখনি সম্পাদনা কৰিছিল। কিন্তু আশাভঙ্গই তেখেতক তাৰ পৰাও আঁতৰাই আনিলে খুব কম দিনৰ ভিতৰতে। সেয়ে ১৯৭২ চনত ধুবুৰীত অনুষ্ঠিত ঊনচত্বাৰিংশ অধিবেশনৰ সভাপতি হৈয়ো শাৰীৰিক অসুস্থতাৰ বাবে সভাত সভাপতিত্ব কৰাৰ বাহিৰে অন্য বিশেষ ভূমিকা লব পৰা নাছিল। দুখ লাগে, অসমীয়া ভাষা–সাহিত্যলৈ অভাৱনীয় ভাৱে উদ্ভৱ হৈ, বিশ্বৰ দৰবাৰতো গুৰু-গাম্ভীৰ্য্য বক্তব্যৰে চমক খুউৱা হেম বৰুৱাই নীৰৱ-নিচ্ছিন্ন ভাৱে কেৱল সভাপতিৰ ভাষণ পাঠ কৰিব লগা হোৱাৰ বাবে। তাতোকৈ দুখ লাগে— যি হেম বৰুৱাৰ হেমকণ্ঠেৰে বিশ্বত বিস্মিত কৰি কথাৰ কোবত টেবুলত ভুকুৱাই ঘ'ড়ীৰ কাচ ভঙা হেম বৰুৱাই জীৱনৰ বিয়লি বেলাত অস্পষ্ট বাক্-শক্তি আৰু অসাৰ দেহাৰে এই অসাৰ পৃথিৱীত চকুৰ পানীৰেই যেন অব্যক্ত মনোকণ্ঠই গাই যোৱা কথাষাৰত -

"ইয়ে মোৰ কপালত
বিধিৰ নিষ্ঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাইটীয়া বন"

অৱশেষত ১৯৭৭ চনৰ ৯ এপ্ৰিল শনিবাৰে হেম বৰুৱাৰ পঞ্চভৌতিক দেহা ধুমুহাৰ সোঁতত বিলীন হৈ গ'ল। লগে লগে অসমৰ এজন চিৰজাগ্ৰত প্ৰহৰীয়ে হঠাতে পৃথিৱীৰ মায়া-মোহ এৰি মহাধামলৈ প্ৰস্থান কৰিলে। থৈ গ'ল আমালৈ মাথো নিৰ্ভীক মনৰ সুৰলা ভাষাৰ বিশ্ব-বিজয়ী ভাষা আৰু দুৰ্বোধ্য মনৰ এনে কিছুমান যতিহীন প্ৰশ্ন "কোনে আমাক নেতৃত্ব দিব?" ●

# যজ্ঞেশ্বৰ শৰ্মাৰ কবিতা ঃ ব্ৰাত্যৰ ব্ৰত

॥ অধ্যাপক ঃ ইদ্ৰিছ আলি ॥

তাহানি বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষা দিয়াৰে পৰা কলেজৰ পদূলি গৰকালৈকে এই শ্ৰম-বিমুখ এলাহসৰ্বস্ব যন্ত্ৰণাময় কালছোৱাৰ কোনো এটা দিনত ঘৰুৱা কিতাপৰ আলমাৰীৰ দুৰ্ভেদ্য অন্ধকাৰ আৰু দাম্ভিক ধূলিৰ মাজত হঠাৎ আৱিষ্কৃত হৈছিল এখনি জৰাজীৰ্ণ শীৰ্ণকায় পুথি ঃ যতি না ৰায়ণ শৰ্মাৰ দ্বাৰা সংকলিত 'আধুনিক অসমীয়া কবিতা' (ডিচেম্বৰ, ১৯৪৬)। সেইখনৰ সংস্পৰ্শতে আমাৰ অসমীয়া কবিতাৰ প্ৰতি অনুৰক্তিৰ পূৰ্বৰাগৰ জন্ম। পিচত 'শতপত্ৰ' (দ্বিতীয় প্ৰকাশ, ১৯৬০) নামৰ কবিতা সংকলনখন প্ৰথম কবিতাৰ প্ৰেমত পৰা কলেজীয়া ডেকাৰ হাতপুথি হৈ পৰিছিল। অৱশ্যে ড° মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন কবিতা'ৰ (১৯৫৬?) তীব্ৰ প্ৰভাৱৰ অব্যৱহিত প্ৰাক্কালাবধিহে। তেতিয়া পৰ্য্যন্ত 'শতপত্ৰ'ৰ সংগ্ৰাহক তথা সংকলয়িতা যজ্ঞেশ্বৰ শৰ্মা (১৯০৬) মোৰ মানত এগৰাকী বিচক্ষণ কবিতা ৰসিক ব্যক্তিতকৈ বেচি গুৰুত্বপূৰ্ণ নাছিল। কেৱল 'দেৱতাৰ মৰণ' আৰু 'যথাপূৰ্বম' (শতপত্ৰ, ১৯৬০ : ১২০) কবিতা-যুগলৰ ভিত্তিতে মই মোৰ জ্ঞাত অসমীয়া কবিৰ সূচীত যজ্ঞেশ্বৰ শৰ্মাৰ নাম সন্নিবিষ্ট কৰিব পৰা নাছিলোঁ। আনকি 'শতপত্ৰ'ক 'সকলোৰে পৰিচিত লিখক-সকলৰ শ্ৰেষ্ঠ কবিতাৰ' প্ৰয়াস-গ্ৰন্থ বুলি দাবী কৰা সত্ত্বেও। তদানীন্তন অসমীয়া সাহিতৰ বুৰঞ্জীকাৰ তথা সমালোচক দলো যজ্ঞেশ্বৰ শৰ্মা প্ৰসঙ্গত আছিল সম্পূৰ্ণ অন্যমনস্ক।

কিন্তু বৰ্তমান পৰিস্থিতিত যজ্ঞেশ্বৰ শৰ্মাৰ সাহিত্য-কৃতিৰ আলোচনাৰ অবিহনে অসমীয়া কবিতা বা প্ৰবন্ধৰ আলোচনাবোৰ স্বয়ং-সম্পূৰ্ণ বুলি কব পৰা নাযাব। বিগত ডেৰটা দশকৰ সাহিত্য-সৃষ্টিৰ আধাৰতেই নিশ্চয় যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰতি সমসাময়িক সমালোচকসকলৰ লগতে এক বুজন সংখ্যক অসমীয়া পাঠকো এই গৰাকী সাহিত্যিকৰ প্ৰতি আকৃষ্ট হ'বলৈ বাধ্য হৈছে। কিন্তু লেখত প্ৰৱন্ধতকৈ কবিতাৰ সংখ্যাই সৰহ যদিও শৰ্মাদেৱক কবি হিচাপে চিহ্নিত কৰিবলৈ সংকোচ বোধ হয়। ইয়াৰ কাৰণ হৈছে চিন্তাবিদ, পণ্ডিত, গধূৰ বিষয়ৰ প্ৰৱন্ধকাৰ যজ্ঞেশ্বৰ শৰ্মাৰ ব্যক্তিত্বই কবিজনক সততে নিষ্প্ৰভ কৰি পেলায়। তেনে হোৱাটোৱেই স্বাভাৱিক। তেওঁৰ কবিতা কেৱল কবিতা হিচাপে পাঠ কৰিলেও এনে ধাৰণা আৰু বেছি ঘনীভূত হয়। কিয়নো শৰ্মাদেৱৰ কবিতাবোৰ চিন্তাবদ্ধ প্ৰৱন্ধৰে এক সুনিৰ্দ্ধাৰিত ৰূপ মাথোন—যিবোৰত কবিতাৰ আবেগিক স্বতস্ফুটনৰ লক্ষণ দেখা নাযায়। 'আজি দুপৰীয়া' (১৯৮০) কবিতা পুথিৰ 'প্ৰট্ৰ'প্লাজম' শীৰ্ষৰ মুখবন্ধত কবিয়ে স্পষ্ট ভাষাত ব্যক্ত কৰিছে— 'এই সবু প্ৰৱন্ধ-কেইটাৰ সৰহভাগ (essay, loose sally of the mind.") যজ্ঞেশ্বৰ শৰ্মাৰ সৰহ সংখ্যক কবিতাৰ ক্ষেত্ৰতে কথাষাৰ সমানেই প্ৰযোজ্য। সেয়ে প্ৰৱন্ধ পাঠৰ মানসিকতাৰে ওচৰ চাপিব পাৰিলেহে পাঠকে শৰ্মাদেৱৰ কবিতাৰ কালিকা অনুধাবন কৰিব পাৰিব। 'A little nonsense, Now and then/Is relished by wisest man' বা 'ব্যাস মুনিয়েও মাজে সময়ে আফুৰা গল্প শুনি আমোদ পায়' অথবা '.... মনলৈ অহা লাগ-বান্ধ নথকা ছন্ গুৰি নোহোৱা কথা' বুলি ৰচনা কৰিলেও শৰ্মাদেৱে ভবাৰ দৰে 'এই কবিতাবোৰ কবিতাৰ বজাৰত ব্ৰাত্য' নহয়। বৰং পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ, বিদ্বান ৰসিক-জন ৺ডঃ যোগীৰাজ বসু আৰু বুৰঞ্জীৰ মঠিয়া স্বৰ্গীয় বেণুধৰ শৰ্মাৰ দৰেই আন বহুজনেই শৰ্মা-দেৱৰ কবিতাৰ তাৰিফ কৰিবলৈ বাধ্য। তাৰ মূল কাৰণটোৱেই হ'ল – যজ্ঞেশ্বৰ শৰ্মাৰ কবিতা-বোৰ কবিতাই— মূলতঃ কবিতাই। পিচতহে হয়তো সিবোৰ প্ৰৱন্ধ ; হয়তো আপাতঃ দৃষ্টিত ৰহুৱালিও। গদ্য পদ্য কবিতা প্ৰৱন্ধ হাইকো চনেট— এই সাহিত্যিক মাল-মছলাৰ সংমিশ্ৰণত ৰূপ পোৱা তেওঁৰ কবিতাসমূহ গতানু-গতিক কবিতাৰ সূত্ৰ-বহিৰ্ভূত স্বকীয় বৈশিষ্ট্যৰ গুণত মন টানি ধৰা বিধৰ। চিৰাচৰিত কবিতাৰ



সাঁচত ঢালি কবিতা ৰচাৰ কুচ্‌কাৱাজ কৰিবলৈ কবি নাৰাজ। ইচ্ছা ঘোঁৰাৰ লেকাম ঢিলাই তেওঁ নিজৰ কবিতাক সকলো পৰম্পৰাৰ পৰা আঁতৰাই আনি এক অবাধ স্বাধীনতা দিছে। আজিৰ কবিৰ পাণ্ডিত্যাভিমান, চৌখিন ভাবাদৰ্শৰ উচ্চবাচ্য, বিদেশী কবি আৰু কবিতাৰ আঙ্গিক আৰু অন্বেষণৰ প্ৰতি অন্ধ আনুগত্য ; সৰ্বোপৰি দুৰ্বোধ্য সাথৰ-সদৃশ চিত্ৰ-কল্পৰ ফৰ্মূলাসৰ্বস্বতাৰ বিপৰীতে শৰ্মাদেৱৰ কবিতা সদায়েই নিজস্ব গ্ৰামত বন্ধা। ইয়েই হয়তো তেওঁক আজিৰ কবিতাৰ বজাৰত এগৰাকী উৎকৃষ্ট কবি ৰূপে স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত অন্তৰায় হ'ব পাৰে ; কিন্তু সি তেওঁৰ কবিতাক পণ্ডশ্ৰমত পৰ্য্য-বসিত হ'বলৈ এৰি নিদিয়ে। তেওঁৰ কবিতা কিবা যেন দুৰ্ভেদ্য সত্যৰ ধ্যানত a specific form out of formless flux of life. কিন্তু এনেবোৰ মন্তব্যৰ প্ৰতি সঁকিয়নি যজ্ঞেশ্বৰ শৰ্মাই শুনাই থৈছে ঃ 'পাঠকে ইয়াত কিবা গূঢ় অৰ্থ সোমাই আছে বুলি নাভাবিলেই ৰক্ষা'! হায়, তেখেতে জানো ৰক্ষা পালে ?

যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাত সাম্প্ৰতিক কালৰ অসমীয়া কবিতাত বিৰল কেইবাটাও বৈশিষ্ট্য চকুত পৰে। সিবোৰৰ ভিতৰত লিমাৰিক-ধৰ্মী গুণটোৱেই সৰ্বাগ্ৰে উল্লেখনীয়। কোনো ব্যক্তি বা একোটা মুহূৰ্ত্তৰ ক্ষণিক দ্যোতনাক স্ফুলিঙ্গকৃত কৰি তুলিব পৰা চিত্ৰন, প্ৰকাশ-ভঙ্গি যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰায়বোৰ কবিতাৰেই কেন্দ্ৰীয় শক্তি। তলত তাৰেই অননুকৰণীয় উদাহৰণ দুটামান দাঙি ধৰা হ'ল ঃ

(১) লেফাফা :

ফটা লেফাফা নোহোৱা তুমি ফটা কাকতৰ পাচিত থকা
পেলনি যোৱা কাগজৰ টুকুৰা মাত্ৰ ; মোৰ মানত তুমি
অচিন বস্তু ঢাকি থোৱা হিৰণ্ময় পাত্ৰ।
সোমাই আছে তোমাৰ মাজত গ্ৰীক ট্ৰেজেদীৰ কাহিনী
তুমিয়েই বহন কৰা কুৰুক্ষেত্ৰৰ কাহিনী।

(লেফাফা : ১)

(২) গণিচাৰ :

বিলাতৰ বিলৰ পাৰত ভকতীয়া কবিয়ে লিখিলে
'কুলি' নামে বিখ্যাত কবিতা
কুলিৰ মাতত কবিয়ে নোৱাৰে কব
ধৰাখন স্বপ্ন নে দিঠক।
ইংৰাজীৰ অধ্যাপক গণিচাৰে হ'লে আপদীয়া কুলিটোক
কবিলে হলাল।

(লেফাফা : ৩১)

(৩) সংস্কৃতৰ অধ্যাপক :

সংস্কৃতৰ অধ্যাপক দেখিলে খং উঠে, পাণিনিৰ সূত্ৰ যেন লাগে
শুকান ডাবৰি। শকুন্তলা নাটকৰ তৃতীয় অঙ্কত
নায়ক-নায়িকা কোনো নাটকৰ পাতত নেথাকে
গুচি যায় কেণ্টিনত চাহ খাবলৈ।

(লেফাফা : ৩৪)

(৪) টুপীধৰ

... ... ... ... ...

স্কুলৰ লগৰীয়া টুপীধৰ গণকে গণি পঢ়ি চাই দিয়া নাম
গান্ধী টুপী পিন্ধি লোৱা নাম নহয়
মাষ্টৰৰ গালি খোৱা বছৰে বছৰে ফেল কৰি থকা টুপীধৰ
ফুটবল ফিল্ডত কালান্তক, স্কুলৰ বেক

(আজি দুপৰীয়া : ১৩)



যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাৰ অন্য এক বৈশিষ্ট্য হ'ল ব্যক্তিগত প্ৰবন্ধৰ সহজ আবেদনশীলতা। আৱামী-চকীৰ প্ৰবন্ধকাৰৰ মনৰ অনায়াস চিন্তাবৰ্তৰ ব্যঙ্গাত্মক আৰু লঘু-ভাবাত্মক প্ৰকাশ-ধৰ্মিতাৰ গুণত তেওঁৰ কবিতাই এক আত্মীয়তাপূৰ্ণ কথন-ৰীতিলৈ ৰূপান্তৰিত হয় ; যাৰ ফলত কবি পাঠক মাত্ৰৰে অন্তৰঙ্গ বন্ধু হৈ পৰে। কিন্তু মনোযোগী পাঠকজনে এই সত্যও উপলব্ধি নকৰাকৈ নেথাকে যে যজ্ঞেশ্বৰ শৰ্মাৰ ক্ষীপ্ৰ অথবা তীক্ষ্ণ টিপ্পনীসূচক বহুতো কবিতাৰ হৃদপিণ্ডত দূৰাগত অনেক গভীৰ মন্থন আৰু জীৱন-প্ৰীড়াৰ তীব্ৰ যন্ত্ৰনা ধ্বনিত হৈ থাকে।

(৫) দুখন তপোবন :

দুখন তপোবন তাৰে এখন মাটিত লাগি থকা তাত
ৰূপৰ চমক লাগি কণা হয় চকু—ওচৰক দূৰ কৰে দূৰক ওচৰ
তাত দেহাটোকে দেখে মনোহৰ
বতাহৰ পৰলিত গোন্ধ আহে, টোপনিয়ে হেঁচা মাৰি ধৰে,
আনখন স্বৰ্গৰ সীমাত ; তাত চকুলোৱে গা ধুই ভোগে আঠু লয় ;
স্বৰ্গ আৰু পৃথিৱীৰ সীমা ; নাই তাত দেহ গৰিমা
ভোগৰ বুৰঞ্জী হয় শেষ
ৰূপ ৰাণী সন্ন্যাসিনী বেশ।

(লেফাফা : ৩)

(৬) সংহতি :

মাৰকেই বা নামাৰকেই পোন্ধ।
আমাৰ সকলোৰে নামবোৰত আছে ধৰ্মৰ গোন্ধ।
ৰহমান, ৰামেশ্বৰ, বাণী, লক্ষ্মী, ফাতেমা, মহেন্দ্ৰ, শিৱ
জেবুন্নিচা, গোবিন্দ, উষা, পদ্মা, ৰহিম, ইন্দ্ৰ, দেৱ।
এই জেঙাটো ভাঙিবলৈ এটা কমিচন বহি
দহ মাহ দহ দিনে টি-এ খাই ৰেপটত কবিলে চহী।
আগৰ নামবোৰ এক্কেবাৰে খাৰিজ কৰি
নতুন নাম পিন্ধাব লাগিব সকলোকে ধৰি।
পাখৰী, শেঙুননকা, গেন্ধেলা, মেমেৰী, পেনেৰা, টেটেৰা
খৰেখোৱা, মখনা, চেবেলী, গড়, ভালুক, কম্পোষ্ট
এনে নামবোৰ ৰাখিলে হ'ব সকলো সকলোৰে দোষ্ট।

(লেফাফা : ১৮)

(৭) কি :

কালৰ ওভোতনী বতাহে উৰাই অনা Heiroglyph অৰ এটা পাত
তাকে দুনিয়াই পঢ়িব পৰা নাই ; পঢ়িও বুজিব নাই ;
বুজিও তাক পালিব পৰা নাই। পালিব নোৱৰা বৃদ্রাক্ষৰ মালা
অদীক্ষিতৰ ধাৰণ নিষেধ।
( আজিৰ দুপৰীয়া :৩৪ )

নিৰহঙ্কাৰ আৰু নিৰলংকাৰভাৱে গভীৰ তাৎপৰ্য্যৰ অতলান্ত প্ৰকাশ শৰ্মাদেৱৰ কবিতাৰ সম্পদশালিতাৰ উৎস যেন লাগে। দেশী-বিদেশী, প্ৰাচীন-অৰ্বাচীন বিভিন্ন প্ৰসঙ্গৰ সঘন উল্লেখনৰ লগতে অননুকৰণীয় কথন-কলাৰে কেতিয়াবা অতি সামান্য উপজীব্য বস্তুকো চিন্তাৰ যাদুকৰী স্পৰ্শত অসাধাৰণ চমকপ্ৰদ কৰি তোলাৰ বিৰল ক্ষমতা যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাৰ স্বভাৱসুলভ বৈশিষ্ট্য। তেওঁৰ কাব্য মণ্ডলৰ পৰিধি তেওঁৰ মানসিক পৰিমণ্ডলৰ সমানেই সুবিস্তৃত, অথচ সুনিয়ন্ত্ৰিত। মূলতঃ প্ৰাচীন ভাৰতীয় সাহিত্য মন্থনৰ পৰা লব্ধ জ্ঞান-চৈতন্যৰ ঐতিহ্যময় বুনিয়াদৰ ওপৰতেই যে তেওঁৰ ভাব-দৰ্শনে বিস্তৃতি লভিছে এই সত্যৰো অবিসম্বাদী স্বাক্ষৰ তেওঁৰ কবিতাবোৰেই। এই উপলব্ধিৰ সামান্য আভাস তলৰ কবিতা পংক্তিবোৰে হয়তো প্ৰতিভাত কৰিব :

(৮) নতুন দিল্লী :

... ... ... .. ... ... ... ... ..
দৃষ্টিমন্ত কালে আছে চাই একেথিৰে।
এখন ব্ৰহ্মাণ্ড এৰি আন এখনত
ভাবিছা নে ৰক্ষা পাবা ? চকুই খেদিছে
পাছে পাছে — নোৰিছে তোমাক, মোক
আৰু সকলোকে — সাৰি যাবা ক'ত ?
সেই চেৰাফৰ হাঁহি, সেই ৰাম্—বাম্
বজ্ৰসাৰ অস্ত্ৰ হৈ বিচাৰি ফুৰিছে।
(লেফাফা : ১৭)



(৯) পৰ্ণনৰ :

তুমি, আমি সকলোৰেই জুমুধি—
খেৰৰ, পলাশ পাতৰ।
তেজ নাই, মঙহ নাই, স্নায়ু নাই—
কিহে জানো লৈ ফুৰায়।
(আজি দুপৰীয়া : ১৭)

ব্যাপক সমাজ-অভিজ্ঞতাৰ তীৰ্থক, অথচ ব্যঙ্গাত্মক স্লেপষ্টট্ সদৃশ একাধিক কবিতা শৰ্মাদেৱৰ সাম্প্ৰতিক কাল-সচেতনতাৰ প্ৰামাণ্য দলিল স্বৰূপ। 'ক'ত সেই স্যামন্তক মণি' (লেফাফা : ২৩) ; 'ছপেন হাৰাৰৰ কুকুৰ' (লেফাফা : ১৯) ; 'তেজীমলা (লেফাফা : ২৩) ; 'বাইদেউ' (লেফাফা : ৩০) ; 'বলিয়া কোন ?' (লেফাফা : ৫২); 'পীৰা' (লেফাফা : ৫৪) ; 'তামোলৰ পিক' (আজি দুপৰীয়া : ৮) আদি কবিতাত কবিৰ এনে চিন্তাৰ সুন্দৰ প্ৰতিফলন ঘটিছে। তলত তেনে কবিতা পংক্তি উদ্ধৃত কৰা হ'ল :

(১০) তামোলৰ পিক :

...... পিকৰ পেইণ্টিং মোৰ চকুৰেদি ভিতৰ সোমাল
... ... ... ... ... ... ...
সকলোতে দেখোঁ পিক্ পিক্ পিক্।
... ... ... ... ...
মই এতিয়া দেখোঁ সকলোতে —
জল-স্থল-অন্তৰীক্ষ।
গা ধুলোঁ, লগুণ সলালোঁ, এশ আঠ বাৰ জপ কৰিলোঁ
কিন্তু ক'তা, পিকৰ ৰং নগ'ল।
তীৰ্থৰাজ প্ৰভাসত যাবনে ? নে প্ৰলয় পয়োধিৰ জলত ?
(আজি দুপৰীয়া : ৯)

(১১) তেজীমলা :

মোৰ ভোটটো মোৰ মাহী আইকে দিম,
আনক দিব নোৱাৰো ই ধ্ৰুৱ কথা
তেওঁ মোৰ কাৰণে কি কৰা নাই ?

মূৰটো মোৰ খুৰলিত খুন্দিলে পিৰালিৰ কাষত পুতিলে,
পিছত নি পেলাই দিলে ;
তাতে এতিয়া পদুম ফুল হৈ ফুলি আছোঁ
মাহী আইৰ যহতে ।

(লেফাফা : ২৩)

(২) নতুন ৰামায়ণ :

তুমি জানো সন্তৰামি বিশ্বাস কৰিবা ?
ঘৰে ঘৰে ৰাৱণৰ বিজয় বাহিনী
সোণে-কিনা মানুহৰ নতুন কাহিনী
সহস্ৰমূৰীয়া দশানন
কোনে ৰচে নৱ ৰামায়ণ ।

(লেফাফা : ২৪)

স্বসৃষ্ট চিত্ৰকল্পৰ ব্যৱহাৰ যজ্ঞেশ্বৰ শৰ্মাৰ কবিতাৰ অন্য এক উল্লেখনীয় বৈশিষ্ট্য। কিন্তু মন কৰিবলগীয়া, ব্যক্তিগত চিত্ৰকল্পৰ আতিশয্যৰ বাবে তেওঁৰ কবিতা কষ্ট-কল্পিত দুৰ্বোধ্য সাঁথৰলৈ ৰূপান্তৰিত নহয়। সেয়ে সৰ্বসাধাৰণৰ লগত সংযোগ-হীনতাৰ সমস্যা শৰ্মাদেৱৰ কবিতাৰ ক্ষেত্ৰত অবান্তৰ। বিস্তৃত-গভীৰ জ্ঞান উপলব্ধিৰ পাৰাকাষ্ঠা প্ৰকাশৰ দুৰ্বলতা তথা প্ৰচাৰ প্ৰৱণতাজনিত ৰোগ-ব্যাধিৰ পৰাও শৰ্মাদেৱৰ কবিতা মুক্ত। অথচ আত্ম-লঘিমাসুলভ প্ৰকাশ সাবলীলতাৰ মাজত মনকুন্দৰ পৰিশীলিত চিন্তা-কৰ্ষিত আৰু আবেগসিক্ত স্বাভাৱিক প্ৰকাশ শৰ্মাদেৱৰ কবিতাৰ যেন সুনিৰ্দ্ধাৰিত পথ। কবিৰ চিত্ৰকল্প কেইটামানৰ উল্লেখনেৰে কথাষাৰৰ তাৎপৰ্য্য বেছি স্পষ্ট কৰি তুলিব পাৰি। যথা 'ভোগৰ বুৰঞ্জী', 'জনপদ বধূ', 'বগীতামে ঢাকি থোৱা', 'বটেনিকেল স্পেচিমেন', 'কেচিয়াচ দৃষ্টি', 'কোঁহ মেলা অশোকৰ পুলি', 'আঠুৰ তলতে পৰা দগধা মেখেলা', 'পোহৰৰ শেল দিয়া এচপৰা মেঘ', 'যাত্ৰীগৰ্ভ বাছবোৰ', ঊণিসূতাৰ ৰবাৰ টেঙা', 'যুৱতী আৰু গৃহিনীৰ মিকচাৰ', 'বুৰঞ্জীৰ টেজেদী গুঠি থকা বিধাত্ৰী'—ইত্যাদি।

সাম্প্ৰতিক বছৰ কেইটাত অগ্ৰদূত, প্ৰান্তিক আৰু সংফুৰা প্ৰভৃতি কাকত-আলোচনীত যজ্ঞেশ্বৰ শৰ্মাদেৱৰ একাধিক কবিতা প্ৰকাশ পাইছে। সিবোৰৰ বেছি ভাগতে প্ৰৱাহিত পৰিস্থিতিত কবিৰ মনোজগতৰ তীব্ৰ প্ৰতিক্ৰিয়া স্পন্দিত হৈছে। বিশেষকৈ সংফুৰাত প্ৰকাশিত কবিতাকেইটি অসমীয়া শিশু-সাহিত্যৰ আপুৰুগীয়া সম্পদ ৰূপে পৰিগণিত হোৱা উচিত। বয়সানুপাতে যজ্ঞেশ্বৰ শৰ্মাৰ অৱস্থান অসমীয়া কাব্যধাৰাৰ অব্যৱহিত উত্তৰ ৰোমাণ্টিক কালছোৱাতে হোৱাৰ সম্ভাৱনা আছিল যদিও যুগোত্তৰণৰ মাজেদি তেওঁ আনকি পৰবৰ্তী যুদ্ধোত্তৰ যুগটোকো অতিক্ৰম কৰি আহি সাম্প্ৰতিক কালৰ কবি ৰূপেহে প্ৰতিষ্ঠা লাভ কৰিছে। এই ব্যতিক্ৰমৰ মূলতে আছে তেওঁৰ কবিতাৰ চৰিত্ৰগত বৈশিষ্ট্যসমূহ। অৰ্থাৎ বয়সৰ হিচাবত যুগপশ্চাৎ হৈয়ো তেওঁ তেওঁৰ কবিতাক যুগোতীৰ্ণ সাম্প্ৰতিক চৰিত্ৰৰ কৰি তুলিব পাৰিছে। অন্য প্ৰকাৰে ক'বলৈ হ'লে সাম্প্ৰতিক কালৰ কবিতাৰ হৃদয়-স্পন্দন শৰ্মাদেৱৰ কবিতাত স্পন্দিত হৈছে। সেই ফালৰ পৰা তেওঁক যুগাকাঙ্খা অন্বেষী এগৰাকী সাৰ্থক সাম্প্ৰতিক কবি ৰূপে চিহ্নিত কৰাই সমীচীন হ'ব। একে সূত্ৰতে তেওঁ এগৰাকী প্ৰগতিশীল কবি ৰূপে স্বীকৃত হোৱাত যোগ্য। কিন্তু তেওঁৰ কবিতাত প্ৰাচীন ঐতিহ্যৰ প্ৰতি প্ৰীতি স্বচ্ছ দাপোণৰ উজ্জ্বল প্ৰতিবিম্বৰ দৰেই প্ৰতিফলিত হৈছে। আনহাতে, অতি আধুনিক কবিতাৰ অনিৰ্দিষ্ট বিস্তৃতিৰ বিপৰীতে শৰ্মাদেৱৰ কবিতা এক সুনিৰ্দ্ধাৰিত কক্ষাশ্ৰিত পৰিক্ৰমা। সেয়ে অতি আধুনিক উত্তাপ থকা সত্বেও তেওঁৰ কবিতা ঐতিহ্যমণ্ডিত পুৰাতন চেতনাৰো অদূৰ প্ৰতিধ্বনি যেন অনুভূত হয়। বিভিন্ন সূত্ৰ, আদৰ্শ আৰু মতবাদৰ পৰীক্ষাগাৰত জন্ম পোৱা অনুশীলন সৰ্বস্ব প্ৰায়বোৰ সাম্প্ৰতিক কবিতাৰ তুলনাত শৰ্মাদেৱৰ কবিতা মুকলি উদ্যানত আৱিষ্কৃত নিউটনৰ সূত্ৰৰ দৰেই স্বাভাৱিক, অথচ ৰোমাঞ্চকৰ। গতিকে যজ্ঞেশ্বৰ শৰ্মাক কোনো বিশেষ যুগ বা গোষ্ঠী নিৰপেক্ষ কবি হিচাপেহে চিহ্নিত কৰিবৰ মন যায়। কবি হিচাপে আচলতে তেওঁ নিজেই এটা গোষ্ঠী (School) ৰূপে পৰিগণিত হোৱা উচিত। ●

# ড' ভট্টাচাৰ্য্য আৰু তেওঁৰ সাহিত্য কৃতি

॥ **শ্ৰীঅপৰ্ণা দেৱী** : উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক ॥

জ্ঞানপীঠ বঁটা বিজয়ী, বৰ্তমান অসম সাহিত্য সভাৰ সভাপতি, আজীৱন সাহিত্য সাধক ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আন্ধাৰ অসম আকাশৰ এটি উজ্জ্বল ভোটাতৰা। যোৱা পাঁচোটা বছৰ যেতিয়া অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ভৱিষ্যত অন্ধকাৰ নিৰাশাৰে আৱৰি আছিল, সেই সময়তে ১৯৭৯ চনত ডঃ ভট্টাচাৰ্য্যৰ জ্ঞানপীঠ ব'টা লাভ অসমৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ। অসমীয়া সাহিত্যিকৰ এই স্বীকৃতিয়ে অসমৰ বাবে কঢ়িয়াই আনিলে সন্মান, আশা আৰু আত্মপ্ৰত্যয়।

একেধাৰে প্ৰখ্যাত ঔপন্যাসিক, সাংবাদিক, গল্পকাৰ, কবি, গৱেষক, নাট্যকাৰ, প্ৰবন্ধ-লেখক, অসমবাসীৰ গৌৰৱ স্বৰূপ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ ১৯২৪ খৃঃৰ ১৪ অক্টোবৰত চাফ্ৰাই চাহ বাগিছাত জন্ম হৈছিল। তেওঁৰ পিতৃ শশীধৰ ভট্টাচাৰ্য্যৰ উক্ত বাগিছা কৰ্মক্ষেত্ৰ আছিল। শ্ৰীভট্টাচাৰ্য্যদেৱৰ মাতৃ শ্ৰীআইদেউ ভট্টাচাৰ্য্য। শৈশৱৰ সময়ছোৱা তেওঁৰ চাহ বাগিছাৰ বনুৱাৰ লগতেই অতিবাহিত হৈছিল।

চাহ বাগিছাৰ বুকুৰ পৰা ওলাই আহি শ্ৰীভট্টাচাৰ্য্য কাকজান এম, ই স্কুলত ভৰ্ত্তি হয়। উক্ত স্কুলৰ পৰা বৃত্তি লাভ কৰি এম, ই পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাট চৰকাৰী হাইস্কুলত ভৰ্ত্তি হয়। ১৯৪১ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰাই অসমীয়া, বুৰঞ্জী, ভূগোল, সংস্কৃতত লেটাৰ সহ ষ্টাৰ মাৰ্ক আৰু অসমীয়াত সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হয়। ইয়াৰ পিছত কটন কলেজৰ পৰা আই, এছ-চি আৰু বি, এছ-চি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ১৯৪৬ চনত তেওঁ কলিকতাত আইন পঢ়িবলৈ যায় যদিও সাম্প্ৰাদায়িক সংঘৰ্ষ সংঘটিত হোৱাত শিক্ষা অসম্পূৰ্ণ কৰি উভতি আহে। ১৯৫৩ চনত ভট্টাচাৰ্য্যই প্ৰাইভেটকৈ অসমীয়াত এম, এ ডিগ্ৰী লাভ কৰিছিল।

প্ৰাথমিক স্কুলত পঢ়াৰ দিনৰ পৰাই তেওঁৰ মন সাহিত্যৰ প্ৰতি ঢাল খায়। চাফ্ৰাই চাহ-বাগিছাত প্ৰাথমিক স্কুলত পঢ়া কালছোৱাত লগৰ ল'ৰা-ছোৱালীৰ দ্বাৰা প্ৰকাশিত 'পূৰবী অৰুণ' নামৰ হাতেলিখা আলোচনীখনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য-দেৱৰ প্ৰথম কবিতা 'শঙ্কৰদেৱ' প্ৰকাশ পায়। যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ 'জেউতি'ত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ প্ৰথম গল্পটো প্ৰকাশ পায়। 'চেনেহী', 'ভোগদৈ', 'কবিতা মালঞ্চ' আদি হাতে লিখা আলোচনীবিলাকৰ তেওঁ নিয়মীয়া লিখক আছিল। হাইস্কুলত পঢ়ি থকা কালতে তেওঁ চন্দ্ৰধৰ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, ডিম্বেশ্বৰ নেওগ, নীলমণি ফুকন, গণেশ চন্দ্ৰ গগৈ, আনন্দ চন্দ্ৰ বৰুৱা, শৰৎ চন্দ্ৰ গোস্বামী, কমলেশ্বৰ চলিহা আদি বৰেণ্য সাহিত্যিকৰ সংস্পৰ্শলৈ আহে। এই বৰেণ্য সাহিত্যিকসকলৰ প্ৰেৰণাৰে অনুপ্ৰেৰিত হৈছিল যোৰ-হাট হাইস্কুলৰ ছাত্ৰসকল। সাহিত্য-চক্ৰ, তৰ্ক-সভা, আলোচনা-চক্ৰ আদি পতাত ছাত্ৰসমাজ সদায় আগ-বঢ়ুৱা আছিল। কটন কলেজত পঢ়ি থকা অৱস্থাত অনুষ্ঠিত সুকুমাৰ কলা প্ৰতিযোগিতাত শ্ৰীভট্টাচাৰ্য্যই বিশেষ পাৰদৰ্শিকতা দেখুৱাব পাৰিছিল।

শ্ৰীভট্টাচাৰ্য্য ১৯৫৮ চনৰ ৬ জুন তাৰিখে শ্ৰীমতী বিনীতা ভাট্টাচাৰ্য্যৰ লগত বিবাহ পাশত আৱদ্ধ হয়। সেই দিন ধৰি আজি পৰ্য্যন্ত শ্ৰীমতী ভট্টাচাৰ্য্যই অশেষ দুখ-কষ্ট আৰু অভাৱ-অনাটনৰ মাজেদিয়েই স্বামীৰ লগত একাগ্ৰ চিত্তে সাহিত্য সৃষ্টিত প্ৰেৰণা যোগাই আহিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই বিয়াল্লিছৰ গণ-বিপ্লৱতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। সৰুৰে পৰা গভীৰ অধ্যয়নশীল আৰু চিন্তাশীল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য গান্ধী আৰু মাৰ্ক্সৰ দৰ্শনৰ দ্বাৰা বহল পৰিমাণে প্ৰভাৱান্বিত। তেওঁ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত ডঃ ৰামমনোহৰ লোহিয়া, জয়প্ৰকাশ নাৰায়ণ আদিৰ আদৰ্শৰে প্ৰভাৱিত।

তেওঁ নগাবন্ধু ৰিচাং কাইচিংৰ অনুৰোধত নগা পৰ্বতৰ উখৰুল হাইস্কুলত দুবছৰৰ কাৰণে শিক্ষকতা কৰিছিল। ১৯৬০ চনত নগাভূমিত লাভ কৰা অভিজ্ঞতাৰে ৰচিত তেওঁৰ প্ৰখ্যাত উপন্যাস 'ইয়াৰু-ইঙ্গম' প্ৰকাশ পায়। ১৯৬১ খৃঃত এই উপন্যাসৰ বাবে ভাৰত চৰকাৰ সাহিত্য একাডেমী বঁটা ( National Academy of letters ) লাভ কৰে।

উখৰুলৰ পৰা ঘূৰি অহাৰ পিছত তেওঁ ১৯৫৩ চনৰ পৰা ১৯৬৩ চনলৈ দহ বছৰ একে-ধাৰে মাহেকীয়া আলোচনী 'ৰামধেনু'ৰ সম্পাদকৰ ভাৰ গ্ৰহণ কৰিছিল। ভট্টাচাৰ্য্যৰ সুযোগ্য সম্পা-দনাত 'ৰামধেনু' আলোচনীয়ে 'ৰামধেনু যুগ' নামেৰে আখ্যা লাভ কৰিব পাৰিছিল। 'ৰামধেনু'ৰ পিছত শ্ৰীভট্টাচাৰ্য্যৰ সম্পাদনাত প্ৰকাশ পায় সাদিনীয়া 'নৱযুগ'। ১৯৬৩ চনৰ পৰা ১৯৬৭ চনলৈকে 'নৱ-যুগ' আলোচনীয়ে অসমীয়া সংবাদ জগতৰ এটা নতুন যুগৰ সূচনা কৰিলে। 'নৱযুগ'ৰ প্ৰকাশ বন্ধ হোৱাৰ পিছত ভট্টাচাৰ্য্য পোনপটীয়াভাৱে সংবাদ সেৱাৰ পৰা বিছিন্ন হ'ল যদিও কেবাখনো দৈনিক কাকতৰ যোগেদি তেওঁ নানান ভাৱে সংবাদ সেৱা আগবঢ়াইছিল। 'দৈনিক অসম', 'Assam Tribune', 'ধৰ্মযুগ', 'দিনমান', Indian Lite-rature', 'Man and Devlopment' আদি কাকতৰ লগত লেখক হিচাপে তেওঁ বিশেষভাৱে জড়িত।

শ্ৰীভট্টাচাৰ্য্যৰ বুহ্মদেশ আৰু পোলেণ্ড ভ্ৰমণৰ অভিজ্ঞতাৰে পুষ্ট ভ্ৰমণ কাহিনী 'সীমাই আমনি কৰে'। প্ৰথম উপন্যাস 'ৰাজপথে ৰিঙিয়াই' ১৯৫৫ চনত প্ৰকাশ পাইছিল। 'আই', ইয়াৰু-ইঙ্গম', 'শতঘ্নী 'নষ্ট চন্দ্ৰ', 'মৃত্যুঞ্জয়', 'প্ৰতিপদ', 'বল্লৰী', 'চিনাকী

স্মৃতি', 'কবৰ আৰু ফুল', 'ৰঙামেঘ', 'ডাইনী', 'কালৰ হুমুনিয়াই' তেওঁৰ প্ৰকাশিত আন কেইখন উপন্যাস। তেওঁৰ কেবাখনো উপন্যাস বিভিন্ন আলোচনীৰ পাতত সিচঁৰিত হৈ আছে। 'কলং আজিও বয়', 'সাতসৰী', দুখন চুটিগল্পৰ সংকলন। আলোচনীত সিচঁৰিত হৈ থকা অনেক গল্পই তেওঁক গল্পকাৰ ৰূপেও প্ৰতিষ্ঠিত কৰিছে। 'শ্ৰীঅৰবিন্দ', 'ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ' আদি জীৱনীমূলক ৰচনা।

ড° ভট্টাচাৰ্য্যই ডি. ডি. কোসাম্বীৰ বিখ্যাত গ্ৰন্থ 'ভাৰতৰ ইতিহাস,' আৰ্ণেষ্ট হেমিংৱেৰ 'দেৱ দুন্দুভি বাজে কাৰ বাবে' (For whom the Bell Tolls), শৰৎচন্দ্ৰৰ বিখ্যাত উপন্যাস 'পৰিণীতা', ৰবীন্দ্ৰনাথ ঠাকুৰৰ একুৰি এটা চুটি-গল্পৰ অনুবাদ কৰি অসমীয়া পাঠকক উপহাৰ দিছে। ড° ভট্টাচাৰ্য্যই ঔপন্যাসিক ৰূপে যি খ্যাতি অৰ্জন কৰিছে; কবি হিচাপে সেই খ্যাতি অৰ্জন কৰা নাই যদিও অসমীয়া আধুনিক কবি-সকলৰ ভিতৰত ড° ভট্টাচাৰ্য্যৰ স্থান আগশাৰীত। কবিতা সংকলন প্ৰকাশ পোৱা নাই যদিও বিভিন্ন আলোচনীত তেওঁ ৰচনা কৰা অনেক কবিতা সিচঁৰিত হৈ আছে।

উল্লেখযোগ্য, ভট্টাচাৰ্য্যই ৰচনা কৰা সাহিত্য একাডেমিৰ পুৰস্কাৰপ্ৰাপ্ত ইয়াৰু-ইঙ্গম ইংৰাজী ভাষালৈ, আই মালয়ালম আৰু হিন্দীলৈ, শতঘ্নী মালয়ালম, হিন্দী আৰু মাৰাঠীলৈ অনূদিত হৈছে। মৃত্যুঞ্জয় উপন্যাস হিন্দী, ইংৰাজী, উৰিয়া আৰু মালয়ালম ভাষালৈ অনূদিত হৈছে। 'প্ৰতিপদ'খনো ভাৰতীয় বিভিন্ন ভাষালৈ অনূদিত হৈছে। ইয়াৰ দ্বাৰা ভট্টাচাৰ্যৰ প্ৰতিভা অকল অসমৰ চাৰিসীমাত নহয় ভাৰতৰ বিভিন্ন ভাষাৰ পাঠক-পাঠিকাৰ মাজতো পৰিচিত হৈছে। কিতাপ আকাৰে প্ৰকাশিত নোহোৱা বিভিন্ন আলোচনীত প্ৰকাশিত উপন্যাসৰ ভিতৰত 'পৰিব্ৰাজক' (আমাৰ প্ৰতিনিধি ১৩শ বছৰ, ২য় সংখ্যা-১৯৭২), 'ভাৰতী' (আমাৰ প্ৰতিনিধি ১৯৬৯), 'এটি নিশা' (আমাৰ প্ৰতিনিধি ১৯৭৩), 'টৰ আৰু ইভা' (আমাৰ প্ৰতিনিধি ৰঙালী বিহু সংখ্যা ১৯৭৩), 'মুনিচুনিৰ পোহৰ' (আমাৰ প্ৰতিনিধি এপ্ৰিল ১৯৭৬), 'ফুলকোঁৱৰৰ পথী ঘোঁৰা' (প্ৰকাশ ১৯৭৮) প্ৰধান।

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ এখন জীৱনী প্ৰকাশন পৰিষদে প্ৰকাশ কৰিবলৈ লৈছে। প্ৰকা-শন পৰিষদে প্ৰকাশ কৰা 'ডেৰশ বছৰৰ অসমীয়া সংস্কৃতি' নামৰ গ্ৰন্থখনো ড° ভট্টাচাৰ্য্যৰ চিন্তাগধুৰ গ্ৰন্থ। অসম সাহিত্য সভাই প্ৰকাশ কৰা 'মপিন উৎসৱ', 'সংবাদ সাহিত্য' আদিও ভট্টাচাৰ্য্যই ৰচনা কৰা গ্ৰন্থ।

ড° ভট্টাচাৰ্য্য এজন সফল নাট্যকাৰো। অনাতাঁৰ কেন্দ্ৰৰ যোগে তেওঁ ৰচনা কৰা অনেক নাটক প্ৰচাৰ হৈ গৈছে। বিশেষকৈ অনাতাঁৰ কেন্দ্ৰ যোগে প্ৰচাৰিত একক অভিনয়ৰ বাবে ৰচিত 'গোমধৰ কোঁৱৰ', 'পিয়লি ফুকন', 'মণিৰাম দেৱান', 'কুশল কোঁৱৰ'ৰ মাজেদি ডঃ ভট্টাচাৰ্য্যৰ গভীৰ দেশাত্মবোধ অৰু গভীৰ উপলব্ধিৰ পৰিচয় পোৱা যায়।

'মৃত্যুঞ্জয়' উপন্যাসখনৰ বাবে ড' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যক ১৯৭৯ চনৰ ভাৰতৰ শ্ৰেষ্ঠ সাহিত্যিক পুৰস্কাৰ 'জ্ঞানপীঠ' বঁটা প্ৰদান কৰা হয়। বৰ্তমানলৈ এই বঁটা লাভ কৰোঁতাসকলৰ



ভিতৰত ড' ভট্টাচাৰ্য্যই একমাত্ৰ অসমীয়া লেখক আৰু কনিষ্ঠতম ব্যক্তি। উল্লেখযোগ্য, ইয়াৰুইঙ্গম উপন্যাসৰ বাবে একাডেমী বঁটা লাভ কৰোঁতা ভট্টাচাৰ্য্যই কনিষ্ঠতম লেখক। ১৯৮০ খৃঃৰ ২৬ এপ্ৰিলত অনুষ্ঠিত কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে পঞ্চ-দশ বঁটাৰ বাবে 'মৃত্যুঞ্জয়' নিৰ্বাচন কৰে। এই বঁটাৰ মূল্য নগদ একলাখ টকা আৰু এটি বাগ্‌দেৱীৰ প্ৰতিমূৰ্ত্তি। প্ৰতিমূৰ্ত্তিটো ১০৩২ খৃঃৰ উজ্জয়িনীৰ ভোজৰজাৰ সৰস্বতী মন্দিৰৰ প্ৰতিমূৰ্ত্তি। মূৰ্ত্তিটো এতিয়া লণ্ডনৰ বৃটিছ মিউজিয়ামত সংৰক্ষিত। সেই সৰস্বতী মূৰ্ত্তিৰে একোটা প্ৰতিকৃতি বঁটা লাভ কৰা সকলক প্ৰতীক স্বৰূপে প্ৰদান কৰা হয়। ১৯৮০ চনৰ ১৫ ডিচেম্বৰত নতুন দিল্লীৰ 'বিজ্ঞান-ভৱন'ত হোৱা এটি বিশেষ অনুষ্ঠানত ড' ভট্টাচাৰ্য্যক উক্ত বঁটা প্ৰদান কৰা হয়।

'মৃত্যুঞ্জয়' উপন্যাসখনত বিয়াল্লিছৰ গণ-আন্দোলনৰ প্ৰতিচ্ছবি ডাঙি ধৰা হৈছে। নগাঁও জিলাৰ কামপুৰ, ৰহা, বাৰপূজীয়া, চৰাইবাহী, মায়ং অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰা এই উপন্যাসখনত কিছুমান বাস্তৱ চৰিত্ৰ ডাঙি ধৰা হৈছে। মৃত্যুকো জয় কৰিব পৰা জীৱনৰ যি অৰ্থ আৰু গৌৰৱ থাকিব পাৰে তাৰ কাহিনী 'মৃত্যুঞ্জয়'ত বৰ্ণোৱা হৈছে।

ব্যক্তিগত জীৱনত ভট্টাচাৰ্য্য সহজ, সৰল অল্পভাষী আৰু অনাড়ম্বৰ লোক। ভাৰতৰ শ্ৰেষ্ঠ সাহিত্য বঁটা পাওঁতেও তেওঁ আনন্দত উল্লসিত হৈ পৰা নাছিল। প্ৰাপ্য বস্তু বুলি গ্ৰহণ কৰিছিল। জ্ঞানপীঠ বঁটা সম্পৰ্কত তেওঁ নিজৰ মত প্ৰকাশ কৰিছে: 'বঁটা-বিজয় কথা লৈ আমি উচ্ছ্বসিত ধাৰণা ল'ব নালাগে। শতকৰা ৫০ ভাগ উপ-ন্যাসৰ গুণৰ ওপৰত নিৰ্ভৰ কৰে আৰু বাকী ৫০ ভাগ গুণীসকলৰ আলোচনা, মূল্যায়ন আৰু মতৈক্যৰ ওপৰতহে লেখকৰ ভাগ্য নিৰ্ণয় হয়। বঁটা লোৱাটো সামাজিক ঘটনাহে—লেখকৰ সেৱা ব্যক্তিগত হ'লেও সাহিত্যিক সমালোচনাতে তেওঁ সদায় আত্ম-বিশ্লেষণ কৰিহে আগবাঢ়ি আহিছে। ৰসিক পাঠকৰ অবিহনে সাহিত্যৰ মূল্যাঙ্কন হ'ব নোৱাৰে।"

বিখ্যাত পণ্ডিত ড° প্ৰভাকৰ মাচুৱেই জ্ঞানপীঠ বঁটা বিজয়ী ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ বিষয়ে কৈছে: "Birendra is a keen observer of life of persons, places, happening and motivations behind man's thinking and behaving in a particular manner. He is a student of cultural anthropology and social psychology."

ডঃ ভট্টাচাৰ্য্যক গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "Humour and Satire in Assamese Literature" শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে পি, এইচ, ডি উপাধি প্ৰদান কৰা হয়।

ডঃ ভট্টাচাৰ্য্যদেৱ অসম সাহিত্য সভাৰ লগত ওতঃপ্ৰোতঃভাৱে জৰিত। ১৯৭৫ খৃঃত তিতাবৰত অনুষ্ঠিত দ্বিচত্বাৰিংশ সন্মিলনত তেওঁ আলোচনা-চক্ৰৰ সভাপতি আছিল। ইয়াৰ পিছত ১৯৮৩ চনত বঙাইগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিবেশনত সভাপতিৰূপে পৌৰোহিত্য কৰিছিল। সোণালী জয়ন্তী অধিবেশন উপলক্ষ্যে সভাপতিৰ আসনৰ পৰা ডঃ ভট্টাচাৰ্য্যই অসমীয়া জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ ন্যায্যতা আৰু

ভাৰতীয় সংবিধানৰ আধাৰত হোৱা আন্দোলনৰ সম্পৰ্কে অতি চিন্তামূলক মন্তব্য প্ৰকাশ কৰিছে। ডঃ ভট্টাচাৰ্য্যৰ অভিভাষণে প্ৰতিজন অসমীয়াক দিছে আত্ম-প্ৰত্যয়। অসমীয়া ভাষা-সাহিত্যৰ শিৰৰ মণি ড° ভট্টাচাৰ্য্যই সভাপতিৰ আসন অলঙ্কৃত কৰি অসম সাহিত্য সভাৰ সৌষ্ঠৱ বঢ়ালে।

ইমানবোৰ সন্মানৰ অলঙ্কাৰেৰে বিভূষিত হৈয়ো তেওঁ কোনো দিন কোনো ক্ষেত্ৰত উদ্বিগ্নতা প্ৰকাশ কৰা নাই। নানান দুখ-কষ্ট অভাৱক মূৰ পাতি লৈও ড° ভট্টাচাৰ্য্য জীৱন যুদ্ধত জয়ী হ'বলৈ সক্ষম হৈছে। ড° ভট্টাচাৰ্য্যৰ ভাষাত: "মনে মনে মই ফাঁচীৰ কাঠ সাজোঁ, মনে মনে মই মোৰ দোষ-বোৰৰ বিচাৰ কৰোঁ। মনে মনেই নিজক ফাঁচী দিওঁ। কাৰ সাধ্য এই সহস্ৰানন মনক ফাঁকি দিয়ে? কেতিয়াবা নিজে নিজেই মই পৃথিবীৰ শ্ৰেষ্ঠতম ঔপন্যাসিক, সমালোচক, পাঠক আৰু বিচাৰকৰ ভাও দিওঁ।"

অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা বৰেণ্য সভাপতি ডঃ ভট্টাচাৰ্য্যই সুচিন্তিত অভিভাষণত অনেক মূল্যৱান মন্তব্য প্ৰকাশ কৰিছিল। 'মৃত্যুঞ্জয়' উপন্যাসৰ পটভূমিৰ লগত সাম্প্ৰতিক পৰিস্থিতি বিজাই তেওঁ মন্তব্য কৰিছিল: "অসমৰ আজি যি অৱস্থা, তাত গোটেই বিশ্বৰ অৱস্থা প্ৰতিফলিত হৈছে। পিণ্ডত যেন ব্ৰহ্মাণ্ড প্ৰকাশ পাইছে। লগতে অনুভৱ কৰিছোঁ 'মৃত্যুঞ্জয়'ত চিত্ৰিত কালৰ লগত বৰ্ত্তমান কালৰ সাদৃশ্য আছে। কেতিয়াবা বুৰঞ্জীৰ পুনৰাভিনয় হৈছে বুলিও ভুল হয়। এফালে প্ৰৱল ৰাষ্ট্ৰীয় হিংসা। উপন্যাসখনত এই হিংসাৰ প্ৰতীয় ইন্সপেক্টৰ শইকীয়া আৰু মেজৰ ফিন্স। এই হিংসাই সন্ত্ৰাসবাদী বা বৈপ্লৱীক হিংসাৰ জন্ম দিছে। এই হিংসাৰ প্ৰতীক কামপুৰীয়া, ৰেল বগৰোৱা, নিৰ্ভীক, সংস্কাৰ মুক্ত মুক্তি যুঁজাৰু ধনপুৰ। ধনপুৰ প্ৰত্যাহিক কালৰ প্ৰতিনিধি। ৰূপনাৰায়ণ ঐতিহাসিক কালৰ আৰু মহদা পাৰমাৰ্থিক বা মহাকালৰ। ইন্সপেক্টৰ শইকীয়া আৰু ধনপুৰ কোনো হিংসাৰ বাবে অনুতপ্ত নহয়। কিন্তু ৰূপনাৰায়ণ আৰু মহদা দুয়ো হিংসাৰ সীমাবদ্ধতা দেখা পাইছে। মানুহৰ তেজেৰে কোনো স্থায়ী মন্দিৰ গঢ়িব নোৱাৰি। ধনপুৰৰ দৰে কেৱল 'অন্ধকাৰত অন্ধ' হলেই নহয়, মৰামৰি, কটাকটিয়ে অনা সিদ্ধিয়ে ভাল মানুহ সৃষ্টি কৰাৰ পৰিৱেশ গঢ়িবনে নকৰে, তাকো আমি ভবা উচিত। ইতিহাস অথবা মানৱ প্ৰকৃতিয়েই সকলো নহয়, এইবিলাকৰ সীমাবদ্ধতা উপলব্ধি কৰি লেখক আৰু শিল্পীয়ে পন্থাৰ সংস্কাৰ আৰু মুহূৰ্ত্তত অনন্তৰ উপলব্ধিৰ বাবে মানুহক চেতনাৰ বিপ্লৱৰ পথো দৰ্শোৱা উচিত। কোনো ভাল লক্ষ্য বেয়া উপায়েৰে সাধন কৰিব নোৱাৰি, কাৰণ উপায় হ'ল লক্ষ্যৰ ব্যৱহাৰিক ৰূপ।"

ড° ভট্টাচাৰ্য্যৰ এই মন্তব্যখিনিয়ে সমগ্ৰ আন্দোলনটোৰ প্ৰকৃত লক্ষ্য, স্বৰূপ আৰু পৰিণতিৰ স্পষ্ট আভাস দিছে। 'মৃত্যুঞ্জয়'ৰ ধনপুৰ চৰিত্ৰৰ এটি উক্তিৰে ড° ভট্টাচাৰ্য্যই আমাক প্ৰকৃত পথৰ পৰিচয় দিছে: "আমি আমাৰ কাম কৰিব লাগিব। কাম কৰোঁতে যি হয় হওক। দৰকাৰ হ'লে আমি মৃত্যুকো জয় কৰিব লাগিব। ... ... ... কিবা যদি হয় মানুহে গা লৰালেহে হয়। নতুন ঘাটত নকৈ নাও পেলাব লাগিব।"

# লোক-সাহিত্য

॥ দীপালী বৰা : স্নাতক ২য় বাৰ্ষিক ॥

বিশ্বৰ বিভিন্ন ভাষাৰ সাহিত্যৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে গদ্য ৰচনাতকৈ কাব্য ৰচনা দুখোজমান আগবঢ়া। কোনো গদ্য ৰচনা লিখিত অৱস্থাত নাথাকিলে পিছৰ যুগলৈ সি চলি আহিব নোৱাৰে। কিন্তু কাব্যৰ লগত স্মৃতি-শক্তিৰ বিশেষ সম্বন্ধ। কাব্যৰ এই স্মৰণীয় গুণৰ বাবেই পুৰুষাণুক্ৰমে অনেক গীত-মাত যুগ-যুগান্তৰ ধৰি একোটা জাতিৰ মাজত জীৱন্ত ৰূপ লৈ জীয়াই আছে।

ভাষাই যেতিয়া বিভিন্ন ভাৱ, অনুভূতি আৰু অৱস্থা প্ৰকাশ কৰিব পৰা শক্তি অৰ্জন কৰে আৰু উচ্চাৰণ কৰা বিভিন্ন ধ্বনি বুজাবলৈ সাঙ্কেতিক চিহ্ন বা হৰফ সৃষ্টি কৰি লিখাৰ পদ্ধতি প্ৰৱৰ্তন কৰে, তেতিয়াৰ পৰাহে সাহিত্যৰ প্ৰকৃত বুৰঞ্জী আৰম্ভ হয় বুলি কব পাৰি; কিন্তু ভাষাই লিখিত ৰূপ পৰিগ্ৰহ কৰাৰ আগতে যে কোনো সাহিত্যৰ উদ্ভৱ হোৱা নাছিল, তেনে কথা ক'ব নোৱাৰি। উদাহৰণ স্বৰূপে আমি যদি পৰ্বতীয়া জাতিবোৰলৈ লক্ষ্য কৰোঁ, তেন্তে দেখিবলৈ পাওঁ যে তেওঁলোকৰ বহুতৰে লিখিত সাহিত্য নাই; কিন্তু মুখে মুখে প্ৰচলিত গীত-মাত আৰু সাধুকথাৰ প্ৰচলন আছিল। সেইদৰে সকলো জাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মৌখিক গীত-মাত, প্ৰৱচন, সাধু-কথা থকাৰ প্ৰমাণ পোৱা যায়। অসমীয়া ভাষাৰ ক্ষেত্ৰতো একেই কথা। সাহিত্যই লিখিত ৰূপ পোৱাৰ পিছতো বৰ্ত্তমানে অনাখৰী জনসমাজে মুখে মুখে গীত-পদ ৰচনা কৰি থকা দেখা গৈছে। এনে ধৰণৰ কালানুক্ৰমে মুখে মুখে প্ৰচলিত হৈ অহা লোকগীতসমূহে বিভিন্ন যুগৰ পৰিবেশৰ প্ৰভাৱত পৰি মোট সলায়, ভাষাই আধুনিক গঢ় লয়, সাজ-সজ্জা নতুন হয়।

অনাখৰী জনসমাজৰ দ্বাৰা সৃষ্ট অসমীয়া সাহিত্যৰ অঙ্গ শোভিত কৰি গৌৰৱোজ্জ্বল স্থানত বহুৱা লোক সাহিত্য কোনো ব্যক্তি বিশেষৰ সম্পদ নহয়, জন-সমাজৰহে সম্পদ। ৰচকৰ কোনো পৰিচয় নথকাত এই মৌখিক সাহিত্যৰ উদ্ভৱ কাল সঠিককৈ নিৰ্ণয় কৰা টান। কিছুমান গীত পৌৰাণিক আখ্যান অৱলম্বন কৰি ৰচিত হৈছিল। কিছুমান বা আকৌ ঐতিহাসিক ঘটনা বা ব্যক্তিক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছিল। যিবোৰ গীত

ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত সেইবোৰৰ ৰচনাৰ সময় ঠাৱৰ কৰিবলৈ কঠিন নহয়। বাকীবোৰৰ সম্পৰ্কেও এই কথা নিঃসন্দেহে কব পাৰি যে সেইবোৰত অতি প্ৰাচীনতাৰ প্ৰমাণ বৰ কম; অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আদি যুগত অৰ্থাৎ দশম-ত্ৰয়োদশ শতিকাৰ ভিতৰত সেইবোৰ ৰচিত হৈছিল বুলি ক'বলৈ সিমান সহজ নহয়। কোনো কোনো সমালোচকে লোকগীতসমূহক আদি যুগত স্থাপন কৰিছে।

পণ্ডিত প্ৰবৰ হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ 'অসমীয়া সাহিত্যৰ চানেকি'ত গীতিযুগ বুলি অসমীয়া সাহিত্যৰ প্ৰাচীনতম কালটোক নিৰ্দেশ কৰিছে। এই যুগটো তেখেতে খৃষ্টীয় ৬০০-৮০০ শকৰ ভিতৰত ধৰিছে। দৰাচলতে সপ্তম শতিকাত অসমীয়া ভাষাই প্ৰাকৃত অপভ্ৰংশ স্তৰ অতিক্ৰম কৰি স্বতন্ত্ৰ ৰূপ ধাৰণ কৰা নাছিল। কিন্তু অসমীয়া ভাষাই স্বতন্ত্ৰৰীয়া ৰূপ নাপালেও জনসাধাৰণে প্ৰাক্ অসমীয়া এটা জনভাষা নিশ্চয় কৈছিল। এই ভাষাটোৰ পৰাই উফৰি যোৱা দুই এটা শব্দ দ্বাদশ শতাব্দীৰ পূৰ্বৰ তাম্ৰশাসনবোৰত পাওঁ। গতিকে প্ৰাক্-অসমীয়া জনভাষাত গীত-মাত ৰচিত হোৱা আৰু সেই গীত-মাতৰ কিছু অংশই ৰূপ সলাই পৰবৰ্তী যুগত অসমীয়া ৰূপে পৰিচিত হোৱা একো অস্বাভাৱিক নহয়। সমালোচকে গীতবোৰক আদি যুগত স্থাপন কৰাৰ প্ৰধান যুক্তি হ'ল যে সকলো ভাষাৰ লিখিত আৰু পৰিমাৰ্জিত সাহিত্য সৃষ্টি হোৱাৰ আগতে জনসমাজে মৌখিক গীত-নৃত্যৰ মাজেদিয়েই জাতি বিশেষে সামূহিক জীৱনৰ আশা-নিৰাশা, প্ৰেম-প্ৰীতি, আনন্দ-উৎসৱৰ ভাৱ ফুটাই তোলে।

অসমীয়া লোক-সাহিত্যৰ ভিতৰত প্ৰধানকৈ এই কেইবিধ পৰে (১) লোকগীত (২) **ফকৰা-যোজনা আৰু প্ৰৱচন, (৩) সাধুকথা।** নৃতত্ত্ব আৰু সমাজতত্ত্বৰ অধ্যয়নৰ ফালৰ পৰা সাধুকথাৰ হয়তো যথেষ্ট মূল্য আছে। কিন্তু সাহিত্যৰ বুৰঞ্জীত সাধুকথাবোৰৰ মূল্য বৰ বেছি নাই। সাধুকথাবোৰৰ স্থিৰ ৰূপ এটা নাই, সাধু কওঁতাই নিজৰ অভিৰুচি আৰু সামৰ্থ্য অনুসাৰে তাক বৰ্ণাই যায়; সাহটো অৰ্থাৎ উপকথাৰ মূল ঘটনাটোহে কিছু প্ৰাচীন। উদাহৰণস্বৰূপে তেজীমলাৰ সাধুটোৰ ভাষা, প্ৰকাশ-ভঙ্গী বিভিন্ন বক্তাৰ মুখত বিভিন্ন হৈ পৰিল, সাধুটোৰ মূল ঘটনাটোহে পৰিবৰ্ত্তন নহয়। অৱশ্যে সাধুবোৰৰ মাজে মাজে থকা সুৰীয়া ছন্দোবদ্ধ পংক্তি দুই চাৰিটাই প্ৰাচীনতাৰ ইঙ্গিত নিদিয়াকৈ নাথাকে। সেই সুৰীয়া দন্দোবদ্ধ পদবোৰৰ অৱশ্যে পৰিবৰ্ত্তন সহজে নঘটে। বিভিন্ন সাধুকথাই সমাজৰ বিভিন্ন স্তৰৰ আভাস দিয়ে। প্ৰেম-প্ৰীতি, পিতৃ-স্নেহ, মাতৃ-স্নেহ, সপত্নী-বিদ্বেষ, অসূয়া-ঈৰ্ষা, জীয়াই থকাৰ স্পৃহা, জনবিশ্বাস, কুসংস্কাৰ আদি আদিম ভাব আৰু অনুভূতিসমূহৰ সৰল আৰু মুকলি প্ৰকাশ সাধুবোৰত দেখা যায়। 'তেজীমলা', 'তুলা আৰু তেজা', 'চিলনী জীয়েক', 'বাৰী পুতেক'ৰ সাধুকে আদি কৰি ভালেমান সাধুকথাত প্ৰাচীনতাৰ চানেকি পোৱা যায়।

ফকৰা-যোজনা আৰু প্ৰৱচনবোৰত সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত প্ৰচলিত জীৱনচৰ্য্যা আৰু আদৰ্শবাদ, জাতিৰ মনস্তত্ব, আচাৰ-ব্যৱহাৰ আৰু বহুক্ষেত্ৰত সমালোচনাও পোৱা যায়। এই প্ৰৱচন-প্ৰবাদবাক্যবোৰ হৈছে – 'দহৰ জ্ঞান, একৰ বাণী।' চুটি চুটি বাক্যত একোটি সাৰগৰ্ভ সত্য বা অভিজ্ঞতা নিহিত হৈ থাকে। ফকৰাবোৰ সাধাৰণতে গূঢ়াৰ্থক, আপাত বক্তব্যৰ অন্তৰালত একোটা নিগূঢ় অৰ্থ সোমাই থাকে আৰু কিছুমানত ভকতীয়া অৰ্থও থাকে। কেতিয়াবা আকৌ সাধুকথা বা পৌৰাণিক কাহিনীও সোমাই থাকে। ফকৰাবোৰ সাধাৰণতে ছন্দোবদ্ধ আৰু প্ৰহেলিকা বা হেয়ালি ভাবাপন্ন, যেনে— "সাগৰৰ মৌ, পৰ্বতৰ ঢৌ; বাপেকৰ তিৰী নাই, পুতেকৰ সাত বৌ।" এই ফকৰা-যোজনাবোৰৰ প্ৰয়োগে বক্তব্য ৰসাল, অৰ্থঘন আৰু প্ৰভাৱশীল কৰি তোলে আৰু ৰচনা জতুৱা ঠাচেৰে সমৃদ্ধ কৰে। সৰহখিনি ফকৰা-যোজনা, প্ৰবচন ৰচনাৰ সময় নিৰ্ণয় কৰা টান যদিও বুৰঞ্জীৰ ঘটনা উল্লেখ থকা বা বৈষ্ণৱ-নীতি সদাচাৰ সম্পৰ্কীয় বচনসমূহৰ মোটামুটি সময় নিৰ্ণয় কৰিব পৰা যায়। উদাহৰণস্বৰূপে—"নাই ৰঙামাটি, নাই গুৱাহাটী।" 'গড়গঞা কটাৰীৰ ডাবেও কাটে।'—এনে ধৰণৰ প্ৰবচনবোৰ আহোম ৰাজত্বত ৰচিত হোৱা বুলি ক'ব পাৰি। সেইদৰে বৈষ্ণৱ সাহিত্যৰ পৰা বুটলি অনা বচনবোৰ 'পশু নকৰিবা শৰ, মৰাও নানিবা, জীয়াও নানিবা, শূদ্ৰা হাতে নপশিবা ঘৰ'। গুৰু-চৰিত আৰু ভকতীয়া সমাজত অনেক ফকৰা নাৰায়ণদাস ঠাকুৰআতাৰ নামত জড়িত কৰা হৈছে। কিছুমান যোজনাত নাৰীৰ মনস্তত্ব আৰু ব্যৱহাৰ স্পষ্টভাবে জিলিকি আছে—'আৰ ছিগা চুলি, তাৰ ছিগা চুলি, মাৰি যাওঁ নেঘেৰি খোপা।' 'মাজ মূৰত নাই চুলি, গিৰিয়েকে মাতে কেশমতী বুলি।"

যুগ পৰিবৰ্ত্তনৰ লগত প্ৰবাদ-প্ৰবচনাবোৰৰ উদ্ভৱ আৰু লয় ঘনিষ্ঠভাৱে জড়িত। সমাজৰ প্ৰয়োজনে ইয়াৰ সৃষ্টি কৰে, সমাজৰ পৰিবৰ্ত্তনৰ লগে লগে ই অচল টকাৰ দৰে হৈ পৰে। যিবোৰ সময় গৰাকি আহি তুলনামূলকভাৱে কালনিৰপেক্ষ হয়, সেইবোৰ দীৰ্ঘস্থায়ী হয়।

সাহিত্যিক দৃষ্টি-ভঙ্গিৰে চালে লোকগীতবোৰ অধিক মূল্যবান। লোকগীতবোৰকে প্ৰধানকৈ তিনিটা শ্ৰেণীত ভগাব পাৰি– (১) অনুষ্ঠানমূলক, যেনে: বিহুগীত, আইনাম, বিয়ানাম ইত্যাদি;

(২) আখ্যানমূলক গীত (Ballad), যেনেঃ— মণিকোঁৱৰৰ গীত, শান্তি বাৰমাহীৰ গীত, বৰফুকনৰ গীত ইত্যাদি;

(৩) বিবিধ বিষয়ক, যেনেঃ— নিচুকনি গীত, গৰখীয়া গীত, নাও-খেলোৱা গীত, ইত্যাদি। বিষয়-বস্তুৰ পাৰ্থক্য আৰু ৰচনা কালৰ ব্যৱধান থাকিলেও লোকগীতবোৰৰ প্ৰকাশ-ভঙ্গীৰ সাদৃশ্য মন কৰিবলগীয়া। সৰল ভাষা, ঘৰুৱা চিত্ৰ, ভাৱৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস আৰু অলৌকিকতাৰ প্ৰভাৱ লোকগীতসমূহত মন কৰিবলগীয়া। গীতবোৰৰ ছন্দ, ভাৱ আৰু ভাষা শৃঙ্খলিত নহয়, সাৱলীল আৰু উন্মুক্ত। ছন্দ বা সুৰৰ লয় ঠিক ৰাখিবৰ বাবে স্থান বিশেষে মূলভাৱৰ লগত সঙ্গতি থকা বা সম্বন্ধ নথকা একোফাঁকি পদ বা চৰণ ব্যৱহাৰ কৰা প্ৰায়বোৰ গীততে দেখা যায়। উদাহৰণ স্বৰূপে –

মাছৰ কুমলীয়া শ'ল,
দিন দুপৰত, মাউৰা কোঁৱৰ–
বুঢ়ীমাকৰ ওচৰলৈ গ'ল। (ফুলকোঁৱৰৰ গীত)

**বিহুগীত :** বিহু গীতৰ ভিতৰত হুচৰি গীত বনগীত দুয়োবিধেই অন্তৰ্ভুক্ত। ব'হাগৰ বিহুৰ সময়ত

অসমৰ গাঁৱে-ভূৱে কেৱল ঢোল-পেপা আৰু কিছুমান গীতেৰে গোটেইখন ৰজনজনাই থাকে। এই গীতবোৰকে বিহুনাম বুলি আমি কওঁ। বসন্তৰ আগমনৰ লগে লগে প্ৰকৃতিয়ে নৱ ৰূপ-লাৱণ্য লাভ কৰে। মলয়াৰ মৃদু সমীৰণ, কোকিলৰ মিঠা মাত, কুঞ্জে কুঞ্জে নৱ কিশলয়, বাৰিষাৰ আগমনিসূচক কলীয়া মেঘৰ মাদলৰ ধ্বনিয়ে প্ৰকৃতিৰ ৰাজ্যত এক সপোন ৰাজ্যৰ সৃষ্টি কৰে। কৃষিজীৱী মানুহেও প্ৰকৃতিৰ লগত সঙ্গতি ৰাখি ঋতু উৎসৱ পালন কৰে। বিহুগীতবোৰৰ প্ৰধান সুৰ হ'ল প্ৰণয়। যৌৱনৰ সংগমহীন ক্ষুধা, বিৰহৰ উত্তাপ, প্ৰেমৰ আকুতি আৰু "কমোৱা তুলাৰ দৰে উৰি ফুৰা মন"ৰ সম্যক প্ৰকাশ বিহুগীতবোৰত পোৱা যায়। কিছুমান গীতত ডেকাৰ আৰু কিছুমান গীতত গাভৰুৰ মনৰ ভাব প্ৰকাশ হোৱা দেখা যায়। শ্ৰীলীলা গগৈৰ ভাষাত "প্ৰকৃতিৰ পৰশত, সময়ৰ বুলনিত আনন্দ মুখৰ হৈ উঠা অসমীয়া জাতিটোক প্ৰাণৰ উচ্ছ্বাসৰ স্বীকৃতি দিয়ে বিহুগীতে। আনন্দৰ অনুভূতি প্ৰকাশ পায় দৈহিক চঞ্চলতাৰ মাজেদি। মন বাঁইজাঁই কৰে, গা নাচি উঠে। সেয়েহে ঢোলৰ ছেৱে ছেৱে এপাক নাচিবলৈ আৰু নচুৱাবলৈ মন যায়।" বিহুৰ এনে মোহনীয়তা, এনে দুৰ্বাৰ আকৰ্ষণৰ বাবেই অসীম আবেগত অসমীয়া ডেকা-গাভৰুৰ অন্তৰ উজাৰি ওলাই আহে :

"এপৰ দুপৰ কৰি ৰাতি পাৰে হ'ব
আমাৰ বিহুত আমনি নাই,
ৰাতিৰ পৰে পৰে ফে'চাই কুৰুলিয়াই
আমাৰ বিহু ভাঙোঁতা নাই"

বনগীতবোৰ যৌৱনৰ উদ্দাম-বাসনাৰ গীতিময় অভিব্যক্তি। অনাহূত যৌৱনৰ আশা-আকাংখাৰ সেউজীয়া পথাৰত মিলনৰ দুৰ্বাৰ বাসনাই সৃষ্টিৰ পাৰ্তনি মেলাৰ প্ৰয়াস কৰে। পূৰ্বৰাগ, বিৰহ, আশঙ্কা, প্ৰেম, বিচ্ছেদ আদি তাৰেই আম্পনা। তাৰেই স্বতঃস্ফুৰ্ত তাৰণাত ডেকা মনে গাই উঠে :

'সেউতি এপাহী মালতী এপাহী
কেতেকীৰ থোৰালি পাহি
তোমাৰে দেহটি পদুমৰ পাহি যেন
মাণিকী মধুৰী হাঁহি।'

বিহুগীতৰ ৰচনা কোনো নিৰ্দিষ্ট সময়ৰ ভিতৰত হৈছে বুলি ক'ব নোৱাৰি। কিছুমান গীত যেন -"স্বৰ্গদেউ ওলালে বাট চ'ৰাৰ মুখলৈ, দুলিয়াই পাতিলে দোলা।" এনে ধৰণৰ ঐতিহাসিক উল্লেখ থকা গীতক আমি আহোম ৰাজত্ব কালত ৰচিত হোৱা বুলি ধৰিব পাৰোঁ, কিন্তু তেনে ঐতিহাসিক প্ৰমাণ থকা গীত সংখ্যাত কম।

**আইনাম :** ধৰ্মভাৱ সকলো ভাৱ অনুভূতিতকৈ গভীৰ। সি যাৰ হিয়া এবাৰ চুইছে, তাৰ গভীৰতম কোণবোৰ উৰাউল নোহোৱাকৈ থকা নাই। আইনাম, সুবচনীৰ গীত, লখিমী সবাহৰ গীত আদি একে পৰ্য্যায়তে পৰে। পুৰণি অসমীয়া নাৰী সমাজত "আই"ৰ প্ৰভাৱ অসীম। আই জগতৰ ধাৰিত্ৰী, ত্ৰাণকৰ্ত্ৰী আৰু সুমঙ্গলকামী। সেয়েহে গৃহস্থৰ মঙ্গলৰ কাৰণে আই ভাগৱতীক সন্তুষ্ট কৰিবলৈ নৈবেদ্য আগবঢ়াই বিভিন্ন নামত সেৱা জনোৱা হয়। আই মাতৃকে ভৱানী, শীতলা, কালী গোঁসাই, দুৰ্গা, পাৰ্বতী আদি বিভিন্ন নামেৰে অভিহিত কৰা হৈছে। আই-নামবোৰত অসমীয়া নাৰীৰ ভক্তি-প্ৰেমৰ জলন্ত নিদৰ্শন দেখিবলৈ পোৱা যায়। আইনামৰ চানেকি তলত দাঙি ধৰা হ'ল—

(১) "আঁহতৰ গছতে আয়ে পুথি পঢ়ে, গোপিনী কাকূতি কৰে।
গোপিনীৰ কাকূতি দেখি ভগৱতী, নামি আইৰ আসনত বহে।"

ভাষাৰ সৰলতা আৰু সহানুভূতিৰ আন্তৰিকতা এই গীতবোৰৰ বিশেষত্ব। যি অনুষ্ঠানসমূহক ভেটি কৰি এই গীতবোৰ ৰচিত হৈছে সেই অনুষ্ঠানবোৰ প্ৰাচীন হ'লেও মুখে মুখে আহি গীতবোৰৰ ভাষা আধুনিক হৈছে।

**বিয়ানাম :** অসমীয়া বিবাহ উৎসৱত বিভিন্ন সময়ত আয়তীসকলে গোৱা গীতবোৰ অসমীয়া লোক-সাহিত্যৰ মূল্যবান সম্পদ। বিয়ানামসমূহ নাৰী জীৱনৰ শ্ৰেষ্ঠতম কল্পনা শক্তি আৰু অপৰিসীম কাব্য-প্ৰতিভাৰ অতুলনীয় নিদৰ্শন। অতিশয় সহজ-সৰল অথচ সাৱলীল আৰু সুললিত শব্দ সংযোজন, মধুৰ উপমা, ব্যঞ্জনা আদিৰ প্ৰয়োগৰ যোগেদি বিয়ানামত নাৰী সৌন্দৰ্য্যৰ প্ৰৱণত, শিল্পী প্ৰাণ, সুকুমাৰ, সঙ্গীত মুখৰ জীৱনৰ সম্যক পৰিচয় পোৱা যায়। বিয়ানামক সাধাৰণতে দুটা শ্ৰেণীত ভগাব পাৰি। একশ্ৰেণী গহীন আৰু ৰুচিপূৰ্ণ। এই শ্ৰেণীৰ গীতত ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, উষা-অনিৰুদ্ধ আদি পৌৰাণিক চৰিত্ৰসমূহৰ বিবাহৰ বৰ্ণনা দি আৰু সেই চৰিত্ৰসমূহ বৰ-কন্যাত আৰোপ কৰি নামতীসকলে বিয়াঘৰত সুৰৰ এটি গহীন পৰিবেশ সৃষ্টি কৰে। বিয়াৰ বিভিন্ন অনুষ্ঠান অনুসৰি জোৰণৰ নাম, পানীতোলা, অধিবাসৰ, দৈয়নৰ, সজোৱা, কন্যাৰ গুৰিত গোৱা, দৰাৰ গুৰিত গোৱা, সুৱাগুৰি তোলা নাম, দৰা বৰণৰ নাম, হোমত জুই দিয়া, আখৈ দিয়া, দৰা-কন্যাক আশীৰ্বাদ দিয়া নাম, আদি অলেখ মধুৰ আৰু কৰুণ নামেৰে অসমীয়া সমাজ ভৰপূৰ। তলত বিয়ানাম দুটিমান দাঙি ধৰা হ'ল--

পানী তোলা নাম—
"কাষে ঘটা লোৱা ৰাধা এ, মাথাই লোৱা মালা
যমুনালৈ যাব লাগে নকৰিবা হেলা।"

কন্যাক নোৱাবলৈ মতা নাম—
"ওলাই আহা আইদেৱে
দুৱাৰ দলি বাজে
ঘৰতে নোৱাব লাগে নকৰিবা লাজ।"...ইত্যাদি

অৱশ্যে ঠাই বিশেষে নামৰ বৈচিত্ৰ্যও মন কৰিব লগীয়া। নগাঞা সুৰৰ লগত নলবৰীয়া বা বৰপেটীয়া সুৰ নিমিলে। দ্বিতীয় শ্ৰেণীৰ গীতক সাধাৰণতে যোৰা-নাম বোলা হয়। এই গীতৰ সুৰ লঘু আৰু বৰ্ণনাও কৌতুকপূৰ্ণ।

আগতে বিয়া ঘৰত বিয়ানামৰ ভৰপক অৱস্থা দেখা গলেও আজি-কালি বিয়া ঘৰত খুব কমেইহে বিয়ানাম শুনিবলৈ পোৱা যায়।

**আন অনুষ্ঠানমূলক গীত :** ভেকুলী বিয়াৰ গীত, মহখেদা গীত, উপনয়ন, চূড়াকৰণ আদি শাস্ত্ৰীয় অনুষ্ঠানত গোৱা গীত, গোৱালপাৰাৰ কাতি পূজাৰ গীত, বাঁসপূজাৰ গীত আৰু বিবিধ অনুষ্ঠানৰ লগত জড়িত নানা ধৰণৰ গীত-মাত প্ৰচলিত আছে। গীত বিশেষে স্থানীয় লোকাচাৰ আৰু ভাৱৰ প্ৰভাৱ পৰিলেও ধৰ্মীয় অনুষ্ঠানমূলক গীতবোৰৰ ভাবৰ ঐক্য, প্ৰকাশ-ভঙ্গীৰ অকৃত্ৰিমতা আৰু অনুভৱৰ আন্তৰিকতা সাধাৰণ বিশেষত্ব। বৰষুণ ন'হলে ভেকুলীৰ বিয়া

পাতি গোৱা গীত, আঘোণৰ পূৰ্ণিমাত হাতত টাঙোন লৈ গধূলি গৃহস্থৰ ঘৰে ঘৰে গৈ গৰখীয়া ল'ৰাই মহ খেদাবলৈ গোৱা গীত ইত্যাদি। এই সকলোবোৰতে কৃষি প্ৰধান চহা জীৱন আৰু সমাজৰ বিশ্বাস, সংস্কাৰ, ৰং-ৰহইচৰ ভাৱ, আচাৰ ব্যৱহাৰ আৰু ধৰ্মীয় ভাৱ প্ৰতিফলিত হৈছে। লোকগীতৰ ক্ষেত্ৰত গোৱালপাৰাতেই অধিক বৈচিত্ৰ দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ এয়ে যে ইয়াত কেইবাটাও সংস্কৃতিৰ সংযোগ।

**আখ্যানমূলক গীত :** কাহিনী বা আখ্যানমূলক বিষয়-বস্তুৰে ৰচিত গীতক কাহিনীমূলক গীত (Ballads) বুলি কোৱা হয়। এই গীতসমূহক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি। (১) বুৰঞ্জীমূলক (২) কিম্বদন্তী বা জনশ্ৰুতিমূলক আৰু (৩) কাল্পনিক।

বুৰঞ্জীমূলক গীতৰ ভিতৰত বৰফুকনৰ গীত, জয়মতী কুঁৱৰীৰ গীত, নাহৰৰ গীত, বাখৰৰ গীত, চিকণ সৰিয়হৰ গীত, হৰদত্ত বীৰদত্তৰ গীত, পদুম কুঁৱৰীৰ গীত, মণিৰাম দেৱানৰ গীত আদি বিখ্যাত। এই গীতবোৰৰ ভিতৰত নাহৰ গীতটোৱেই সৰ্বপ্ৰাচীন। বুৰঞ্জীমূলক গীতবোৰ প্ৰায়েই কৰুণ-ৰসাত্মক। ইতিহাস-প্ৰসিদ্ধ চৰিত্ৰ বিশেষৰ কৰুণ পৰিণতি দেখুৱাই এইবোৰ গীতৰ উদ্দেশ্য। গীতবোৰৰ ভাষা সাৱলীল আৰু বৰ্ণনাবোৰ জীৱন্ত।

বৰফুকনৰ গীতত জাতীয় আক্ৰোশ, ঘৃণা অভিশাপ আদিৰে অজীণ-পাতকী বদন ওৰফে বিণাই বৰফুকনে মান আনি অসমীয়াক অবৰ্ণনীয় উপদ্ৰৱ কৰাৰ লোমহৰ্ষক কাহিনী জীৱন্তভাৱে প্ৰকাশ কৰা হৈছে। "কিয়নো আনিলি মানে ঐ বদন বদন তই, কিয়নো আনিলি মান। সোণৰ অসমতে ফেঁটিগোম মেলিলি, কটালি অসমৰ কাণ।"— গীতটিয়ে আজি কিছুদিন আগলৈকে বদন বৰফুকনৰ কু-কীৰ্ত্তিৰ কাহিনীকে সোঁৱৰাই আছিল।

"মণিৰাম দেৱানৰ ব্যক্তিত্ব অসমীয়া জাতীয় জীৱনত সঞ্চাৰিণী দীপ-শিখাৰ দৰে উঠি মাৰ গ'ল আৰু থৈ গ'ল এটি দীঘল হুমুনিয়াহ"—তাৰেই জীৱন্ত আৰু অতি কৰুণ কাহিনী বৰ্ণিত হৈছে মণিৰাম দেৱানৰ গীতত —

"সোণৰ ধোৱা খোৱাত খালি তই মণিৰাম
ৰূপৰ ধোৱা খোৱাত খালি
দেশৰ কাৰণে জীৱনটো তেজিলি
ডিঙিত চিপজৰী ললি।"

জয়মতী গীতৰ কাহিনী আৰু বেদনা দায়ক। জেৰেঙাৰ সতীৰ জীৱন্ত কাহিনী এই গীতবোৰত প্ৰতিভাত হৈছে। ফুলকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত, কন্যা বাৰমাহীৰ গীত সম্ভৱতঃ কাল্পনিক। ফুলকোঁৱৰ মণি কোঁৱৰৰ পুত্ৰ ; শঙ্কলদেৱৰ নাতি। ককাদেউতাকে সজাই দিয়া কাঠৰ পক্ষীৰাজ ঘোঁৰাত উঠি ফুলকোঁৱৰে পিতাকক বিচাৰি ওলাল। "এইখিনিৰ পৰাই কবি কল্পনাৰ ৰূপত ৰহণ চৰিল আৰু ফুলকোঁৱৰে সচাঁকৈয়ে বসন্ত কোঁৱৰ হৈ ইন্দ্ৰজাল তৰিলে। বাৰ বছৰৰ মূৰত অতি অভিনৱ ভাৱে মালিনীৰ ফুলনিলৈ বাসন্তী সৌন্দৰ্য্যৰ ধল অহাত তাই আচৰিত হৈ চাওঁতেই ফুলকোঁৱৰক দেখি বিমোৰত পৰিল। ফুলকোঁৱৰে নিজৰ চিনাকি দিয়াৰ পাছত উপযুক্ত বৰ ভাবি মালিনীয়ে তেওঁক পাম্বুলা কুঁৱৰীৰ লগত গোপন পৰিচয় কৰালে আৰু ফুলকোঁৱৰে পাম্বুলালৈ 'ফুলতে গুথিলে, ফুলতে বাৰ্তাৰ দিলে।"

এনে মনোৰম কাহিনীৰে ভৰা এই গীতবোৰ অসমীয়া সাহিত্য ভ'ৰালৰ আপুৰুগীয়া সম্পদ।

**বাৰমাহীৰ গীত :** এইবোৰ গীতত বিদেশত থকা পতিৰ বিচ্ছেদৰ বিৰহ বেদনা সন্নিবিষ্ট কৰা হৈছে। মনোৰম কবিত্বময় প্ৰকাশ এই গীতবোৰৰ বিশেষত্ব। এই গীতবোৰে কালিদাসৰ মেঘদূত কাব্যৰ বিৰহীৰ বিৰহ-বিধুৰ ৰূপৰ সকৰুণ বৰ্ণনালৈ মনত পেলায়। বিভিন্ন ধাতুৰ নৈসৰ্গিক পৰিবৰ্ত্তন আৰু শোভাৰ একোটি ফটোগ্ৰাফৰ দৰে চিত্ৰ বাৰমাহী গীতত পোৱা যায়। অসমীয়া 'বাৰমাহী' গীত সৰ্বভাৰতীয় ঐতিহ্যৰ এটি প্ৰান্তিক অভিব্যক্তি।

**নিচুকনি গীত ঃ** শিশুসকলৰ কল্পনাপ্ৰৱণ, অনুসন্ধিৎসু মনৰ উৎকণ্ঠা, কৌতুহল আৰু আমোদ জগাই তুলি, সন্মোহিত কৰি টোপনি নিয়াবৰ কাৰণে ঘাইকৈ নিচুকনি গীতৰ সৃষ্টি।

"শিয়ালী এ' নাহিবি ৰাতি," "জোনবাই এ, বেজি এটি দিয়া।" "বগলী এ' সৰাহলৈ নগলি কিয়", "ৰ'দালি এ' ৰ'দ দে"— আদি একোটি একোটি মনোৰম নিচুকনি গীত। নিচুকনি গীতবোৰত "ফুল-পাত গছ-গছনি, জোন, তৰা, মেঘ, ৰ'দালি সকলোটিয়েই সজীৱ-সপ্ৰাণ হৈ হালধীয়া চৰাই, বটা চৰাই, কামচৰাই আটাইবোৰে লগলাগি শিশুৰ কাৰণে এক অভিনৱ ৰাজ্যৰ সৃষ্টি কৰে।"

**দেহ বিচাৰৰ গীত ঃ** দেহ বিচাৰ আৰু টোকাৰি গীতবোৰ আধ্যাত্মিক ভাৱব্যঞ্জক। দেহত যে তৈধ্য ব্ৰহ্মাণ্ড আছে, ই যে ব্ৰহ্মাণ্ডৰ এটি ক্ষুদ্ৰ সংস্কৰণ এই কথাই দেহবিচাৰ গীতৰ প্ৰতিপাদ্য বিষয়। কেতিয়াবা সংসাৰ নদীত পাৰি দিয়া নাৱৰ লগত, কেতিয়াবা ন খন দুৱাৰযুক্ত নগৰৰ লগত দেহক তুলনা কৰা দেখা যায়। সৰহ ভাগ গীততে মানৱ দেহাৰ ক্ষণস্থায়ীত্ব, কামনা-বাসনা, ধন-দৌলতৰ অসাৰত্ব, আপোন-পৰৰ বিচাৰ কেৱল মায়াৰ বন্ধন আদি ভাৱৰ বাহক হৰি নামেই যে প্ৰাণীৰ ভৱ-বন্ধনৰ মুক্তিৰ একমাত্ৰ পথ তাকেই শেষত গীত বিলাকত প্ৰতিপন্ন কৰা হৈছে। গীতবোৰত শঙ্কৰদেৱ, মাধৱদেৱ, গোপালদেৱ আদিৰ নাম পোৱা যায় যদিও ই কেৱল বৈষ্ণৱ মতবাদ প্ৰতীয়মান কৰাৰ প্ৰয়াস যেন হে লাগে।

**বিবিধ বিষয়ক গীত ঃ** জুনা, নাও খেলাৰ গীত, মায়ামৰীয়া ৰণুৱাৰ গীত, হাইদাং গীত আদি বিবিধ বিষয়ক গীত। জুনাক কাহিনী গীতৰ ভিতৰত ধৰিব পাৰি। পবুৱাৰ জুনা, কপাহৰ জুনা, নাঙলৰ জুনা আদি কবি-কল্পনাৰ মনোৰম সৃষ্টি। এইবোৰ বহুৱাৰ হাঁহিৰো থুনপাক।

নাও খেলাৰ গীতবোৰত বাৰ মাহীৰ গীতৰ দৰে ডিঙা মেলি বণিজলৈ যোৱা সাউদ, বিৰহ বিধুৰা সাউদৰ পত্নী, গধূলি বেলিকা ভগা নৌকাত ৰাধাক কানায়ে পাৰ কৰা আদিৰ উল্লেখ পোৱা যায়।

অসমীয়া জিকিৰ আৰু জাৰী গীতবোৰ লোক-সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। জিকিৰ গীতবোৰ কিছুমান ধৰ্মমূলক আৰু কিছুমান দেহ বিচাৰৰ গীতৰ শাৰীৰ। 'জিকিৰ' শব্দৰ অৰ্থ হ'ল আল্লাৰ নাম স্মৰণ কৰা। ইচলাম ধৰ্মীয় সদাচাৰ, নীতি আৰু আল্লাৰ নাম গৌৰৱ আৰু মাহাত্ম্য এই গীতৰ মাজেদি প্ৰকাশ পায়। জাৰী গীতবোৰ কাৰবালাৰ কাহিনী অৱলম্বন কৰি ৰচিত।

এই জিকিৰৰ ৰচনাৰ সময় উলিওৱা কঠিন। সাধাৰণ বিশ্বাস জিকিৰসমূহ আজান চাহাবৰ ৰচনা। আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ।

অসমৰ লোক-সাহিত্য অতিশয় চহকী। জাতিৰ ভাৱ-অনুভূতি, আশা-আকাংখা, হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ, জাতীয়-আদৰ্শ আদি লোক-সাহিত্যৰ মাজত নিহিত আছে। আজি কিছুদিনৰে পৰা ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ বৃদ্ধি পাইছে যদিও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যিমানবোৰ বিভিন্ন অনুষ্ঠান, আখ্যান, কিম্বদন্তী বা কল্পনামূলক গীত আছে, সেই সকলোবোৰ সংগ্ৰহ হৈছে বুলি ন-দি ক'ব নোৱাৰি। সকলোবোৰ একেলগে থ্ পাই প্ৰকাশ কৰিব পাৰিলে সাহিত্যৰ ভঁৰাল আৰু চহকী হৈ উঠিব।

লোক-সাহিত্যৰ মাজত অসমীয়াৰ জন্ম আৰু তাৰ মাজতেই বিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন। ইয়াৰ প্ৰসাৰে অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিক দুগুণে মহীয়ান কৰি তুলিব। ●

● আলোচনাটিত প্ৰভাৱ পৰা গ্ৰন্থৰাজি : স্বৰ্গীয় হেম চন্দ্ৰ গোস্বামী : অসমীয়া সাহিত্যৰ চানেকি। ড° সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া সাহিত্যৰ সমীক্ষামূলক ইতিবৃত্ত। ড° মহেশ্বৰ নেওগ : অসমীয়া সাহিত্যৰ ৰূপৰেখা। অধ্যাপক শ্ৰীতিলকচন্দ্ৰ মজুমদাৰ : প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা। শ্ৰীধৰ্মসিংহ ডেকা : ৰচনা বিচিত্ৰা।

# শিশু সমাজৰ কল্যাণময়ী মাতৃস্বৰূপা মেডাম্ মেৰিয়া মণ্টেচৰী

॥ প্ৰণয়া ভূঞা : স্নাতক ২য় বাৰ্ষিক ॥

কল্যাণময়ী মেডাম্ মণ্টেচৰীৰ মনীষা আৰু উদ্ভাৱনী শক্তিৰ সহায়েৰে শিক্ষাৰ ভাৱধাৰা আৰু পদ্ধতিয়ে সুন্দৰ কল্যাণময় মূৰ্ত্তিৰে আমাৰ সন্মুখত দেখা দিছেহি। এই গৰাকী মহিলাৰ জীৱন কাহিনী চমুকৈ জানি থোৱাটো সকলোৰে বাবেই প্ৰয়োজনীয়।

প্ৰাকৃতিক সৌন্দৰ্য্যৰ লীলাভূমি, প্ৰাচীন সভ্যতাৰ গৌৰৱেৰে গৌৰৱান্বিত ইটালীদেশৰ আৰ-কোনা নামৰ এখন সৰু গাঁৱত ১৮৭০ চনৰ ১৭ আগষ্টত মেডাম্ মেৰিয়া মণ্টেচৰীয়ে জন্ম গ্ৰহণ কৰে। সৰুৰে পৰা মণ্টেচৰী দেখিবলৈ ধুনীয়া আৰু মৰম-লগা আছিল। যেতিয়া তেওঁক স্কুললৈ পঠিয়াবৰ বয়স হ'ল, তেতিয়া তেওঁক শিক্ষা দিবৰ উদ্দেশ্যেৰে মাক প্ৰাচীন সভ্যতাৰ কেন্দ্ৰস্থল ৰোম নগৰলৈ উঠি আহে আৰু প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিয়েহি। ক্ৰমান্বয়ে তেওঁ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা শেষ কৰি হাইস্কুলত পঢ়িবলৈ মন কৰিলে। কিন্তু সেইসময়ত স্ত্ৰী-শিক্ষা সিমান আগবঢ়া নাছিল, বৰং ল'ৰাৰ লগত একেলগে হাইস্কুলত পঢ়াটো ছোৱালীৰ পক্ষে লাজৰ কথা বুলিহে ভবা হৈছিল। গতিকে প্ৰথমতে দেউতাকৰ পৰা অনুমতি পোৱা নাছিল। অৱশেষত দেউতাকৰ অনিচ্ছা স্বত্বেও মাকৰ পৰা অনুমতি লৈ আৰু নিজ অন্তৰৰ প্ৰেৰণাৰে যথেষ্ট সাহ কৰি হাইস্কুলত নাম লগালেগৈ। সেইসময়ত হাইস্কুলৰ ছাত্ৰী আছিল অকল মাত্ৰ তেৱেঁই। যথাসময়ত প্ৰবেশিকা পৰীক্ষা পাচ কৰি মণ্টেচৰীয়ে কলেজত পঢ়িবলৈ মন কৰিলে। কিন্তু এইবাৰো দেউতাকৰ পৰা শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ সহাঁৰি নাপালে। মাকৰ অনুমতি সাপেক্ষে কলেজত মণ্টেচৰীয়ে নাম লগালে, কলেজতো তেৱেঁই একমাত্ৰ ছাত্ৰী। ছাত্ৰবোৰৰ লগত অকলে এজনী ছাত্ৰীয়ে পঢ়াতো সেই সময়ৰ সমাজে অকণো ভাল পোৱা নাছিল আৰু সেয়েহে মানুহবোৰে মণ্টেচৰীৰ বিষয়ে নানা কথা উলিয়াবলৈ ধৰিলে। মণ্টেচৰীৰ দেউতাকৰ মনত সেই কথাবোৰে বেয়াকৈ প্ৰভাৱ বিস্তাৰ কৰিলে। ফলত সেয়েহে মণ্টেচৰীৰ লগত মাত-বোল, খোৱা-বোৱা আনকি প্ৰাৰ্থনা আদি কৰাও বন্ধ কৰি দিলে। সুদীৰ্ঘ পাঁচ বছৰ এইদৰে অতিবাহিত হ'ল। কিন্তু তেওঁ নিজ

সংকল্প বাদ নিদি কলেজত শিক্ষা লাভ কৰাত দৃঢ়-প্ৰতিজ্ঞ হ'ল। চাওঁতে চাওঁতেই মেৰিয়াৰ কলেজীয়া জীৱন গৌৰৱোজ্জ্বল হৈ উঠিল। তেখেতে অতি সুখ্যাতিৰে বি, এ, পাচ কৰিলে। মেৰিয়া মণ্টেচৰীয়েই আছিল ইটালী দেশৰ প্ৰথম গ্ৰেজুৱেট মহিলা।

কিন্তু এই গৌৰৱময় কৃতকাৰ্য্যতাই মণ্টেচৰীৰ জ্ঞান-তৃষ্ণা আৰু বঢ়াইহে দিলে। তাৰ পিচত তেখেতে মেডিকেল কলেজত নাম লগালে আৰু যথা সময়ত ডাক্তৰী পৰীক্ষাতো সৰ্বোচ্চ স্থান অধিকাৰ কৰি অতি সুখ্যাতিৰে পাচ কৰিলে। আৰু সেইসময়ৰ নিয়ম অনুযায়ী বিশ্ববিদ্যালয়ৰ পৰীক্ষাত প্ৰথম হোৱাৰ গৌৰৱ লাভ কৰাৰ সমাবৰ্ত্তন ভাষণ দিবলৈ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেখেতক নিমন্ত্ৰণ কৰিলে। সেই সময়ত কোনো মহিলাৰ পক্ষে এনে সন্মান অভাৱনীয় আছিল।

মণ্টেচৰীৰ মাকে সন্তানৰ এনে গৌৰৱত আনন্দত আত্মহাৰা হৈছিল, কিন্তু দেউতাকৰ বিৰোধ মনোভাৱৰ কোনো পৰিবৰ্ত্তন নহ'ল। নিৰ্দ্ধাৰিত দিনত মেদাম্ মণ্টেচৰীয়ে সমাবৰ্ত্তন ভাষণ দিলে। বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গণ লোকে লোকাৰণ্য, চাৰিওফালে আনন্দৰ ধ্বনি হ'বলৈ ধৰিলে, কাৰণ এনে ঠাইত এনে জনসমাগমৰ ভিতৰত এজনী ছোৱালীয়ে সমাবৰ্ত্তন ভাষণ দিয়াটো এক অভাৱনীয় ঘটনা। মণ্টেচৰীৰ পিতাকে বহুদূৰৰ পৰা এই অভাৱনীয় দৃশ্য দেখি আছিল, ইমানদিনে তেখেতে হৃদয়ত লৈ থকা ক্ৰোধ আৰু বিতৃষ্ণাৰ ভাৱ মুহূৰ্ত্ততে দূৰ হল। আনন্দত আত্মহাৰা হৈ তেখেতে নিজৰ ভুল স্বীকাৰ কৰি নিজৰ ছোৱালীক মৰম কৰি আশীৰ্বাদ দিলে। পিতা-পুত্ৰী দুয়ো ধন্য হ'ল।

শিক্ষা সমাপ্ত কৰি তেখেতে ৰোম বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মানসিক ৰোগীৰ চিকিৎসা-কেন্দ্ৰত সহকাৰী চিকিৎসক নিযুক্তি হয়। কেৱল নিজৰ পাণ্ডিত্যৰ দ্বাৰাই নহয়, প্ৰাণৰ সকলো দয়া-মমতা দি আৰু ঈশ্বৰৰ ওপৰত গভীৰ বিশ্বাসৰ দ্বাৰা অনুপ্ৰাণিত হৈ ধনী-দুখীয়া নিৰ্বিশেষে সকলো ৰোগীক সমদৃষ্টিৰে চিকিৎসা আৰু সেৱা কৰি, নিৰাশ্ৰয় ৰোগীক আশ্ৰয় দি চিকিৎসা ক্ষেত্ৰত এক মহান আদৰ্শ দাঙি ধৰিলে। কিন্তু তেখেতৰ এই মহান আদৰ্শক তেখেতৰ সহকৰ্মীবোৰে প্ৰথমতে সমৰ্থন কৰিব পৰা নাছিল। তথাপি মণ্টেচৰীয়ে আপোন আদৰ্শত অচল-অটল থাকি কৰ্ত্তব্য কৰি যাবলৈ ধৰিলে। লাহে লাহে কেৱল ৰোগীসকলৰে নহয়, চিকিৎসক সমাজতো তেখেতে শ্ৰদ্ধা-প্ৰীতি অৰ্জন কৰিলে।

সেই সময়ৰ চিকিৎসকসকলে বিশ্বাস কৰিছিল যে স্বাভাৱিক শাৰীৰিক আৰু মানসিক শক্তিৰ বিকাশ নোহোৱা ল'ৰা-ছোৱালীৰ চিকিৎসা মাত্ৰ থাইৰইড্ অস্থিৰ ওপৰতহে। গভীৰ অৰ্ন্তদৃষ্টিৰ সহায়েৰে শিশুৰ বুদ্ধি-শক্তিৰ অভাৱ আৰু তাৰ শাৰীৰিক অথবা মানসিক অসম্পূৰ্ণতাৰ মাজত কিবা এটা সম্বন্ধ থকা বুলি মণ্টেচৰীয়ে বুজিলে আৰু শাৰীৰিক অসম্পূৰ্ণতা দূৰ কৰি বুদ্ধি-শক্তিৰ অভাৱ দূৰ কৰিবৰ উপায় আবিষ্কাৰ কৰিলে আৰু সেই উপায় তেখেতে তেখেতৰ শিক্ষা-পদ্ধতিত গ্ৰহণ কৰি স্বাভাৱিক শক্তি বিশিষ্ট লৰা-ছোৱালীৰ শিক্ষাতো প্ৰয়োগ কৰিলে। তেখেতে ১৮৯৮ চনত টিউৰিণত বহা শিক্ষা সন্মিলনৰ পিচত ৰোমৰ শিশু শিক্ষা-বিজ্ঞান প্ৰতিষ্ঠান, ফ্ৰান্সত চেগুইনে চিকিৎসক শিক্ষক) প্ৰতিষ্ঠা কৰা স্কুল আৰু লণ্ডনৰ শিক্ষা-প্ৰতিষ্ঠানবোৰ পৰ্য্যবেক্ষণ কৰি উপলব্ধি কৰিব পাৰিছিল যে শিশু হৃদয়ৰ সুপ্ত মানৱটিক জগাই তোলাই শিক্ষাৰ কৰ্ত্তব্য হোৱা উচিত। "শিক্ষাই শিক্ষক আৰু ছাত্ৰৰ মাজত এক আত্মিক সম্বন্ধ গঢ়ি তোলে। ছাত্ৰৰ প্ৰতি মৰম আৰু শ্ৰদ্ধাৰ ভাব ৰখা শিক্ষকৰ কৰ্ত্তব্য" পেষ্টালজীৰ এই অভিমত তেওঁ সম্পুৰ্ণৰূপে অনুমোদন কৰি শিক্ষাৰ উপযুক্ত পৰিবেশ সৃষ্টিৰ উপায় উদ্ভাৱন কৰিলে।

এইদৰে তেখেতৰ শিক্ষাৰ প্ৰতি আগ্ৰহ বাঢ়ি আহিবলৈ ধৰিলে আৰু উপলব্ধি কৰিলে যে দুৰৱস্থাত অভিভূত হৈ থকা শিশুসকলৰ মানসিক জাগৰণ লক্ষ্য কৰা কেনে মনোমুগ্ধকৰ। আধ্যাত্মিক শিক্ষাৰ অভাৱত ম্ৰিয়মান আত্মাৰ মুক্তি লক্ষ্য কৰা কিমান আনন্দদায়ক! তেখেতে বুজিছিল যে, ল'ৰা ছোৱালীবোৰে যেন মৃত্যুৰ অন্ধকাৰৰ পৰা মুক্তি লাভ কৰি জীৱন-ৰূপী অমৃতৰ সন্ধান পাইছে। তেখেতে চিকিৎসকৰ দৰে ল'ৰা-ছোৱালীবোৰৰ লগত নাথাকি প্ৰকৃত শিক্ষয়িত্ৰীৰ দৰে ৰাতিপুৱাৰ পৰা গধূলিলৈকে কাম কৰি দুবছৰ কাল কটালে। তাৰ পিচত ৰোম বিশ্ববিদ্যালয়ত দৰ্শন শাস্ত্ৰ পঢ়িবলৈ ধৰিলে। ফৰাচী ভাষাত লিখা চেগুইনৰ কিতাপ মণ্টেচৰীয়ে ইটালীয় ভাষালৈ অনুবাদ কৰিলে। সেই একে সময়তেই শিশু বিজ্ঞান সম্বন্ধে গৱেষণাও চলাইছিল। ইয়াৰ ফলস্বৰূপে ৰোম বিশ্ববিদ্যালয়ত শিশু-শিক্ষা-বিজ্ঞান সম্পৰ্কীয় নৃতত্ত্ব পঢ়ুৱাবলৈ তেখেতক নিযুক্ত কৰা হয়। ইয়াৰ পিছতেই তেখেতে হস্পিতালৰ শিশু-ৱাৰ্ডৰ তত্ত্বাবধায়িকা হিচাবে নিযুক্ত হয়। অলপ দিন এই



পদত অধিষ্ঠিত হৈ থকাৰ পিছত মেডাম্ মণ্টেচৰী ৰোমৰ কৰ্পৰেশনৰ সদস্য আৰু স্বাস্থ্য-বিষয়ক উপদেষ্টা পদত নিযুক্ত হয়। কৰ্পৰেশনৰ সদস্য হিচাবে তেখেতে ৰাস্তা-ঘাট প্ৰভৃতিৰ আৰু চহৰৰ অনুন্নতৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে যথাসাধ্য চেষ্টা কৰিছিল।

১৯০৬ চনৰ শেষভাগত ৰোমৰ গৃহ পৰিকল্পনাৰ ডিৰেক্টৰে মণ্টেচৰীক চেন লৰেঞ্জ নামেৰে এখন অতি অনুন্নত ঠাইত ৩০,০০০ (ত্ৰিশ হাজাৰ) শিশুৰ উপস্থিতিত এখন স্কুল খুলিবলৈ আহ্বান কৰিছিল। ইয়াৰ পিচত তেখেতে "Casa dei Bambine" নাম দি মাত্ৰ ৫০ টা শিশুৰে এটা শিশু-ভৱন প্ৰতিষ্ঠান কৰিলে। প্ৰথমতে শিশুবোৰৰ অৱস্থা আছিল অতি দুখ লগা। মানুহ-ৰূপী অৰণ্যৰ মাজত যেন সিহঁত বিপন্ন প্ৰাণী বিশেষ। মানুহে জন্ম গ্ৰহণ কৰি আন্ধাৰৰ পৰা পোহৰলৈ আহে, কিন্তু সিহঁতে যেন পোহৰৰ পৰা আন্ধাৰলৈ গৈছে। সেয়ে আকৌ সিহঁতক পোহৰ জগতলৈ আনিবলৈ ১৯০৭ চনৰ জানুৱাৰীত শিশু-ভৱনটো মুকলি কৰিলে। শিশুসকলক সাধাৰণ শিশু বুলি নাভাবি দেৱদূত বুলি ভাবিব ধৰি শিশু শিক্ষাৰ এক মহান আদৰ্শ জগতৰ আগত দাঙি ধৰিলে।

তেখেত শিশু সমাজৰ কল্যাণময়ী মাতৃস্বৰূপা। তেখেতৰ বিজ্ঞানী মনে শিশুৰ অন্তৰস্থিত অনন্ত সম্ভাৱনাৰ সন্ধান পাইছিল আৰু উপলব্ধি কৰিছিল যে, সুস্থ পাৰিপাৰ্শ্বিক অৱস্থাৰ সহায়েৰে সেই শক্তিক বিকশিত কৰি তুলিব পৰা যায়। সেই কাৰণে সেই শক্তিক বিকশিত কৰি তুলিবলৈ মণ্টেচৰীয়ে শিক্ষা-পদ্ধতি আবিষ্কাৰ কৰি জগতৰ অশেষ কল্যাণ সাধন কৰিলে। তেখেতৰ "মণ্টেচৰী-

শিশু-শিক্ষাদান পদ্ধতি” নামৰ কিতাপখনে গোটেই পৃথিৱীৰ শিক্ষাবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। পৃথিৱীৰ প্ৰায়বোৰ ভাষালৈকে এই কিতাপখন অনুবাদ কৰা হৈছে। ঔপন্যাসিকসকলে কয় যে এই প্ৰণালীৰ মাজেৰে কাল্পনিক বিষয়-বস্তুতকৈ শিশু সম্বন্ধে আৰু সুন্দৰ এক বিষয়-বস্তুৰ সন্ধান পালে।

১৯৩৯ চনৰ নবেম্বৰ মাহত মেডাম্ মণ্টেচৰী ভাৰতবৰ্ষলৈ আহি আড়িয়াৰ নামৰ ঠাইত আৰুণ্ডেল ট্ৰেইনিং চেণ্টাৰ প্ৰতিষ্ঠা কৰে। ২য় মহাযুদ্ধৰ দুৰ্দ্দিনৰ সময়তো তেখেতে শিক্ষা-পদ্ধতি প্ৰচাৰ কৰিছিল। আড়িয়াৰৰ সেই শিক্ষক-শিক্ষণ কেন্দ্ৰ মেডাম্ মণ্টেচৰীৰ পুণ্যস্মৃতিৰে আজিও পূৰ্ণ হৈ আছে।

ইংৰাজীত এষাৰ কথা আছে “Incrutable are the ways of the lord” অৰ্থাৎ ভগৱানৰ লীলা আমাৰ সামান্য বুদ্ধিৰ অগোচৰ। তেওঁ কাক যে কি কাম কৰিবৰ বাবে এই পৃথিৱীলৈ পঠিয়াব সেই কথা বুজিবৰ সাধ্য আমাৰ নাই। মেডাম্ মণ্টেচৰীক ঈশ্বৰে পঠিয়াইছিল পৃথিৱীৰ বুকুত মুকুলিত হোৱা জীৱনবোৰক প্ৰস্ফুটিত কৰি নানা গুণেৰে ধন্য কৰি তুলিবৰ বাবে। যি পুণ্য-ব্ৰতৰ কাৰণে এই মৰংশীল জগতত তেখেতৰ আহিৰ আবিৰ্ভাৱ হৈছিল, পৰিপূৰ্ণভাৱে সেই ব্ৰত পালন কৰি জগতৰ আগত শিশুৰূপী দেৱতাৰ সেৱাৰ এক মহান আদৰ্শ ৰাখি ৮১ বছৰ বয়সত হলেওত নৰদেহ ত্যাগ কৰে। আজি আৰু তেখেত আমাৰ মাজত নাই ; কিন্তু তেখেতৰ আদৰ্শই মানৱ জাতিক আজিও অনুপ্ৰাণিত কৰি কল্যাণৰ পথ দেখুৱাইছে আৰু চিৰকাললৈ আমাৰ কল্যাণৰ পথ-প্ৰদৰ্শক হৈ থাকিব।

আজি আমাৰ জন্মভূমি স্বাধীন। পৰাধীনতাৰ পৰা বন্ধনমুক্ত হৈ আমি এক মহাভাৰতৰ আহি গঢ়ি তুলিবলৈ আগবাঢ়ি আহিব লাগিব। এই মহা-ভাৰতৰ মহামানৱৰ সাগৰ তীৰত এতিয়া মিলনৰ এটা মহালগ্ন। এই মহালগ্নত শিশুৰ কল্যাণময়ী মাতৃস্বৰূপা মেডাম্ মণ্টেচৰীৰ প্ৰতি আমি অনন্ত শ্ৰদ্ধা জনাই তেখেতৰ শিক্ষা-পদ্ধতিৰ ৰূপ অপূৰ্ব উপ-হাৰটিক সদেৰেৰে গ্ৰহণ কৰিবৰ বাবে সাজু হ'ব লাগিব। ●

( ... The inner drama in baby's is a drama of love অন্তৰ্জগতখন হ'ল শিশুৰ প্ৰেমমধুৰ নাটক। )

( সহায় লৈ লিখা )

# সম্প্ৰীতি আৰু ঐক্যৰ প্ৰতীক

# তেজদান আৰ্চনি

॥ শ্ৰীজিনু বৰা : স্নাতক ২য় বাৰ্ষিক ॥

আজি তিনি বছৰৰ আগতে অনাড়ম্বৰ ভাবে নগাঁও মহাবিদ্যালয়ৰ প্ৰাঙ্গণত তেজদান আৰ্চনি তদাৰক-সমিতিৰ অঙ্কুৰ প্ৰস্ফুটিত হৈছিল। উক্ত সমিতি-য়েই আজি অসমৰ সুধী-সমাজৰ মাজত সুদৃঢ়ভাৱে প্ৰতিষ্ঠিত হৈছে। অসমৰ জনসাধাৰণৰ মনৰ পৰা তেজদানৰ প্ৰতি থকা অমূলক ভয় ভাব দুৰ কৰাই, জনসাধাৰণক ( তেজদান আদিৰ দৰে বিভিন্ন দেশত ) মানৱ সেৱাত ব্ৰতী কৰি তোলাই এই আঁচনিৰ মুখ্য উদ্দেশ্য। এই আৰ্চনিৰ উদ্দেশ্য আৰু প্ৰচাৰত অনু-প্ৰাণিত হৈ কেৱল আৰ্চনিৰ নগাঁও গোটৰ সৌজন্যতেই বৰ্ত্তমানলৈকে ২০০ বা অধিক লোকে তেজদান কৰি বিপদগ্ৰস্তক সহায় আগবঢ়াইছে। এই আৰ্চনিৰ প্ৰচাৰ অভিযানত ইতিমধ্যে ভালে সংখ্যক লোকে তেজদানৰ প্ৰতি থকা ভয় ভাব দূৰ কৰিবলৈ সক্ষম হৈছে বুলি কব পৰা যায়।

সম্প্ৰীতি আৰু ঐক্য সুদৃঢ় নহ'লে এটা জাতি বৰ্ত্তমানৰ দৰে যুগত তিষ্ঠি থকাতো একেবাৰে অসম্ভৱ। সেয়েহে একতাৰ ডোলেৰে বান্ধ খাই এটা শক্তিশালী জাতি গঢ়ি তুলিবলৈ সকলোৱে চেষ্টা চলোৱা উচিত। সকলো একমুঠ হৈ থাকিবলৈ আমি প্ৰথমে ইজনে সিজনৰ অভাৱ-অভিযোগ-সমূহ অনুভৱ কৰিব পাৰিব লাগিব। আনৰ দুখ অনুভৱ কৰি তাক হাতে-কামে লাগি নিবাময়ৰ চেষ্টা কৰিব লাগে আৰু আনৰ দুখত দুখী, আনৰ সুখত সুখী হ'ব পাৰিলেহে ইজনে সিজনৰ ওচৰ চাপিব পাৰিব। এই মহান উদ্দেশ্য আগত ৰাখি তেজদান আৰ্চনিৰ জন্মদাতাসকলে তেজদান আৰ্চনিৰ জন্ম দিছে। আৰ্চনিৰ কৰ্মকৰ্ত্তাসকলৰ মতে “তেজ এনে এবিধ বস্তু যাক বজাৰত আন বস্তু ক্ৰয় কৰিব পৰাৰ দৰে ক্ৰয় কৰিব নোৱাৰি। সেয়েহে অতীজৰে পৰা মানুহৰ বাবে প্ৰয়োজন হোৱা তেজসমূহ ইজনে সিজনৰ দেহৰ পৰা সলনা-সলনি কৰি বিপদত ৰক্ষা পৰি আহিছে।” তেজ দিলে শৰীৰৰ কোনো ক্ষতি সাধন নহয়—অথচ নিজৰ ঘৰৰে এজনক তেজ দিবৰ বাবে শংকা বোধ কৰে। কোনো এজন মানুহক দুৰ্ঘটনাত পতিত হৈ হওক বা আন কিবা কাৰণতে হওক যদি তেজৰ প্ৰয়োজন হয়, তেন্তে ব্যক্তিজনক তেজ দি সহায় কৰাৰ দৰে আন প্ৰকাৰে সহায় কৰা

বা উপদেশতকৈ বেছি কামত আহিব। এজন মানুহক তেজ দি জীৱন ৰক্ষা কৰা মানে এটা পৰিয়ালক ৰক্ষা কৰা আৰু তেজ দিয়া মানুহজনৰ লগত এটা ঘৰুৱা সম্পৰ্ক গঢ়ি তোলা। ইয়াৰ দ্বাৰা দুটা পৰিয়ালৰ মাজত আত্মীয়তা গঢ়ি তোলাত সহায় কৰে। যিহেতু মানুহৰ দেহত থকা তেজৰ পৰা ৩০০ বা ৪০০ চি, চি, তেজদান কৰিলে শৰীৰৰ কোনো ক্ষতি সাধন নহয় আৰু এই দানৰ জৰিয়তে এজন মৃত্যুমুখী লগতে এটা পৰিয়ালক ৰক্ষা কৰা তথা সম্প্ৰীতি সুদৃঢ় কৰিব পৰা যায়, সেয়েহে আমাৰ উঠি অহা চামে দুখীয়া বিপদগ্ৰস্ত অথবা নিজৰ আত্মীয়জনক তেজদান কৰিবৰ বাবে আগবাঢ়ি আহিবলৈ সাজু থাকিব লাগে। সমাজৰ শিক্ষিত ব্যক্তিসকলে তেজদানৰ সম্পৰ্কত সকলো বিষয় বোধগম্য হোৱাৰ পিছত তেজদান কৰিবৰ বাবে বা মানৱ সেৱাৰ বিভিন্ন দিশত আগবাঢ়ি নাহিলে আমাৰ মাজত থকা সমস্যাসমূহ সমাধান কেতিয়াও আশা কৰিব নোৱাৰি।

মানৱ সেৱাৰ উদ্দেশ্যৰে গঠিত এই তেজদান আঁচনিয়ে ইতিমধ্যে বিভিন্ন দিশত দুখীয়া জনসাধাৰণক সাহায্য আগবঢ়াবৰ বাবে সমৰ্থ হৈছে। দুখীয়াজনক তেজদান কৰাৰ উপৰিও এই আঁচনিয়ে ইতিমধ্যে বিভিন্ন ভিতৰুৱা অঞ্চলত অভিজ্ঞ চিকিৎসকৰ দ্বাৰা চিকিৎসা সেৱা আগবঢ়াই আহিছে। ইয়াৰ দ্বাৰা ভালে সংখ্যক লোক উপকৃত হৈছে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰিও, এই আঁচনিৰ আন এটি শাখা পাঠ্যপুথি বিতৰণ বিভাগেও ইতিমধ্যে প্ৰায় সংখ্যক দুখীয়া ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় পাঠ্যপুথি আদি যোগান ধৰিবলৈ সমৰ্থ হৈছে বুলি জানিব পৰা গৈছে।

এই আঁচনিখনিয়ে অসমৰ জনসাধাৰণৰ মাজত সম্প্ৰীতিৰ এনাজৰীডাল অধিক সুদৃঢ় কৰিব পাৰিব বুলি আমাৰ দৃঢ়বিশ্বাস। কিয়নো এই আঁচনিৰ লক্ষ্য হৈছে ইজনে সিজনৰ কথা চিন্তা কৰি প্ৰত্যেকৰে সমস্যাৰ প্ৰতি প্ৰত্যেকক আগ্ৰহশীল কৰি তোলা। বিপদত সহাঁৰি জনাই বিপদগ্ৰস্তজনক বিপদমুক্ত কৰিব বিচৰা মানেই সকলোৱে সম্প্ৰীতি তথা মৰমৰ এনাজৰীৰে বান্ধ খোৱা। সেয়েহে ছাত্ৰ-ছাত্ৰী বা সকলো সমাজ সচেতন ব্যক্তিয়ে এই মহৎ আঁচনিখনি সফল কৰি তুলিবৰ বাবে যত্নপৰ হোৱাটো উচিত বুলি আমি ভাবোঁ। আমাৰ ধাৰণা এই আঁচনিখনি সম্পূৰ্ণ ৰূপে কৃতকাৰ্য্য হোৱা মানে অসমৰ হাজাৰ হাজাৰ দুখীয়া আৰু বিপদগ্ৰস্ত লোক উপকৃত হোৱা। এনে বিভিন্ন সম্প্ৰদায়ৰে গঠিত বৃহৎ অসমীয়া জাতিটো একতাৰ ডোলেৰে বান্ধ খাই এক শক্তিশালী জাতি হিচাপে পৰিগণিত হোৱাত আঁচনিখনিয়ে বৃহৎ বৰঙণি আগবঢ়াব পাৰিব বুলি আমাৰ দৰে সমাজৰ প্ৰতিজনে সচেতন ব্যক্তিৰে ভবাৰ স্থল আছে। ●

# অগ্নিবীণা

শ্ৰীমতী গায়ত্ৰী বৰুৱা ঃ স্নাতক ২য় বাৰ্ষিক

মই জ্বলন্ত
মই অনন্ত
সুৰ মোৰ অগ্নিতান
জ্বলে, জ্বলায়
ৰক্ত বহ্নিমান।

বয় ধুমুহা
প্ৰচণ্ড গতিৰে
জ্বলে-অগ্নিবীণাৰ
তীক্ষ্ণ সুৰেৰে।

আকাশত সৌ
ৰক্ত উল্কা গতিৰে
লক্ষ্য ভেদ কৰিব
গ্ৰহ-নক্ষত্ৰ সৃষ্টিৰে।

পঞ্চতন্ত্ৰ তন্ত্ৰীৰে
বীণা বাজে
লহৰে লহৰে
সাগৰত জোঁৱাৰ
আনে অগণন।
পুলকিত মন
জাগ্ৰত শিহৰণ ॥

বীণাৰ সুৰেৰে
উদ্ভাসিত কলেৱৰ
কুসুমিত ৰক্তপুষ্প
নৱ-নবীন পল্লৱৰ।

অগ্নিবীণাৰ মাথোঁ
এটি সুৰ
স্মৃতিত জাগে
চিৰ সুমধুৰ ॥ ●

# সিহঁতে সপোন দেখে

শ্ৰীইৰা ভট্টাচাৰ্য্য
স্নাতক ২য় বাৰ্ষিক

সিহঁতে সপোন দেখে
বিজয়ৰ সপোন,
তেজৰ নৈয়ে
প্লাবিত কৰা
ৰক্তাক্ত অসমৰ
বিজয়ৰ সপোন ।
পৰিবৰ্ত্তনৰ
দুৰ্বাৰ পছোৱাই
আজি
সিহঁতৰ বুকুত
বোৱাই দিছে
উপলব্ধিৰ
স্ৰোতাস্বিনী নৈ ।
অজস্ৰ বন্দুকৰ শব্দই
শিকাইছে সিহঁতক
কিদৰে কৰিব লাগে
অস্তিত্ব ৰক্ষাৰ
সংগ্ৰাম ;
ৰাজপথত ।
এজাক মানুহ
সিহঁতৰ দৃষ্টিত
বিদ্ধ খাই ৰয়
মধ্যাহ্নৰ
পৃৰ্ঠ ৰ'দালি ।
শূণ্য হাত ;
তথাপিও সিহঁতে
সপোন দেখে
হয়তো
অনাগত দিনৰ
প্ৰভাতী সূৰ্যই
সিহঁতলৈ
কাঢ়িয়াই আনিব
নতুনৰ প্ৰতিশ্ৰুতি ...

# এজাক ৰ'দৰ আগমনত

শ্ৰীউৎপলা শইকীয়া
স্নাতক ২য় বাৰ্ষিক ॥

মামৰে ধৰা ছাবি পাতেৰে
দুৱাৰৰ তলাটো খুলি মই আগবাঢ়িছোঁ—
নাকত এটা অকটা গোন্ধ,
কাৰোবাৰ কেঁচা ঘাম
আৰু মলঙি যোৱা দিনৰ স্বাক্ষৰ
প্ৰতিটো অণুত
প্ৰতিটো পৰমাণুত ।

* * *

হাজাৰজনৰ মৌন কোলাহল
ইথাৰত মিহলি হৈছে--
তাৰ মাজতো
মোক আমনি কৰিছে,
মাথোন সেই একেটি অমিয়া সুৰে ।

* * *

কোনোবাই মোক কণ্ঠৰুদ্ধ কৰিব বিচাৰিছে
মই ককৰকাৰলৈ ধৰিছোঁ,
ছাবিপাত কোনোবাই কাঢ়ি নিলে,
মই চক্ খাই উঠিলোঁ
কোনোবাই দুৱাৰত তলাটো লগাই দিলে ।

* * *

এটা অট্টহাস্য
বহুদূৰলৈ প্ৰতিধ্বনিত হৈ গৈছে
সেই অমিয়া সুৰেৰে সৈতে যেন মিলি গৈছোঁ,
কেঁচা ঘামৰ গোন্ধটো
এইবাৰ ধুনীয়া সুবাস হৈ
যেন কাৰোবাক আদৰণি জনাব ।

* * *

বন্ধ দুৱাৰখনৰ ফাঁকেৰে
কেনেবাকৈ এছাটি পোহৰ সোমাই আহিছে
মলঙি যোৱা দিনবোৰ পোহৰত জলমলাই উঠিছে ।

* * *

মোৰ হাতৰ মুঠিটো বেছি কঠিন হৈছে,
মামৰে ধৰা তলাটো মই ভাঙি পেলাইছোঁ
এতিয়াৰে পৰা দুৱাৰখন সদায় খোলা থাকিব ।

* * *

তাচ্ছিল্যৰ হাঁহিটো ক'ৰবাত লীন হৈ গ'ল
কোঠাটোৰ ভিতৰত এজাক ৰ'দে জলমলাই উঠিছে ।

# পোৰা মঙহৰ গোন্ধলৈ

শ্ৰীকবিতাৰাণী দাস
প্ৰাক্-বিশ্ববিদ্যালয় ২য় বাৰ্ষিক

নিচুকনি গীত শুনি টোপনি নাযাবা
চিকেন্ চুপ'লৈও আশা নকৰিবা
মিছা সান্ত্বনাৰে, যুক্তিৰে
তোমাৰ কাপুৰুষালিক লাই নিদিবা
এবাৰ জুইত হাত ভৰাই দিয়া
আৰু পোৰা মঙহৰ গোন্ধ লৈ
শিলনিত খোজকাঢ়া ।। ●

# সেই দিনটো

শ্ৰীদীপিকা শইকীয়া
স্নাতক ২য় বাৰ্ষিক

কেতিয়াবা মই
ভাটৌ চৰাইৰ ডেউকাত বহি
এৰি অহা এটা দিনলৈ ঘূৰিব চাওঁ ঃ
সন্ধিয়াৰ ৰঙীণ পেৰিছ নহয়
মোৰ গাওঁখন দেখা পাওঁ —
সোনজনী আইজনীহঁতৰ মাতৃৰূপ
মোৰ বাবে আৰু বেছি বাস্তৱ হৈ পৰে ।
নিশাৰ কঁপলীৰ বালি চাপৰিত
খৰালীৰ শৰালী হাঁহজাক কেনিবা উৰা মাৰে । ●

# কণ্ঠত কণ্ঠ মিলাই

শ্ৰীঅনুৰূপা শৰ্মা
স্নাতক ২য় বাৰ্ষিক

( ১ )

কণ্ঠত কণ্ঠ মিলাই
আসন্ন প্ৰভাতৰ গীত গাই ;
বজ্ৰ কঠিন দুহাতত
বহ্নি শিক্ষা উজ্জলাই আগবাঢ়ে
এটা নিৰন্ধ্ৰ ৰাতিৰ
সিহঁত জাগ্ৰত প্ৰহৰী ।

( ২ )

সিহঁতৰ আকাংক্ষা
এক ৰক্তিম প্ৰভাতৰ
প্ৰতীক্ষা সিহঁতৰ
সেই ৰক্তিম সূৰ্য্যৰ । ●

# মোৰ কবিতাৰ এতিয়া বয়স কিমান ?

মণিকুন্তলা ভট্টাচাৰ্য্য
প্ৰাক্-বিশ্ববিদ্যালয় : ২য় বাৰ্ষিক

(১)

কবৰীৰ খহি পৰা
গোলাপৰ এটি পাহি
মোৰ কবিতাৰ স্খলিত ছন্দ ।

(২)

গাবুৰ গিলিপত
ভিৰ পাতি ৰোৱা নিশাৰ এক স্বপ্ন ।
আৰু মোৰ চকুত 'আচিনাই' ;
এতিয়া কি সতে মই টোপনি যাওঁ !

(৩)

তোমাৰ এটি মধুৰ হাঁহি
দিনটোৰ বাবে
মোৰ কৰ্ম-প্ৰেৰণা ।

(৪)

পলে পলে মই
শ্মশান যাত্ৰীৰ হৰিনাম শুনোঁ……
কিন্তু প্ৰতিটো দিনতেই
মোৰ দুচকুত হেজাৰ বৰ্দ্ধিষ্ণু স্বপ্ন ।

(৫)

মোৰ কাহানিবাই মৃত্যু হ'ল,
যিদিনা মই পৃথিৱীলৈ আহিছিলোঁ ।
এতিয়া মই আকাশীলতা
কবিতাৰ আলমত । ●

# শা
# শা শ্ব ত
# ত

শ্ৰীদীপা ৰাজখোৱা
স্নাতক ২য় বাৰ্ষিক ॥

নিশাৰ আন্ধাৰ ভেদি ভাঁহি আছে
এটি নৱজাত শিশুৰ ক্ৰন্দন
নাম হেনো হৈছে তাৰ, সূৰ্য্য ।
কোনোৱাই চিঞৰি কৈ যায়
নিশাৰ অন্ধকাৰত অহা প্ৰতিজ্ঞাবদ্ধ
ইয়ে নতুন সূৰ্য্য শিশু ।
তাৰ জন্ম :
বিপ্লৱৰ জুইৰ মাজত ;
নতুন সমাজৰ ভাৰথন কান্ধ পাতি লবলৈ বুলি ।
তাৰ জন্ম-লগ্নতে সি প্ৰতিজ্ঞাবদ্ধ
তুমি তাৰ জন্ম দেখি হাঁহিছা ?
কিন্তু ইতিহাসৰ প্ৰতি পাতত তাৰ জীৱন ।
মাথোঁ বাট চোৱা, নবাৰুণত জিলিকা
জন্ম-লগ্নতে সি আঁকিছে সূৰ্য্যোদয়ৰ ছবি ।
তাৰ দেহৰ ৰক্ত বীজৰ কণিকা সিঁচি
পূব আকাশত জ্বলিব সি ।
নাহাঁহিবা তুমি তাৰ জন্মক
কাৰণ : জন্ম যে বিপ্লৱৰ জুইৰ মাজত
সি জ্বলিছে নুমাব নোৱাৰাকৈ
মাথোঁ বাট চোৱা —
নবাৰুণত বিপ্লৱৰ অঙ্কুৰে
গাইছে জয়গান নব-প্ৰভাতৰ
নতুন সমাজৰ । ●

## কাজিৰঙা

কাজিৰঙা তোমাক নমস্কাৰ ।
সৃষ্টিৰ অপৰূপা তুমি –
নাই য'ত হিংসা-খিয়াল ;
আছে মাথোঁ –
কিন্তু জন্তুৰ মাজত—
এক প্ৰশান্ত মিলা-প্ৰীতি প্ৰেমৰ … … … ।

কাজিৰঙা তোমাক নমস্কাৰ ।
প্ৰকৃতিৰ অনুপম দৃষ্টিৰে গৰ্বিতা হৈ
তুমি হোৱা নাই ভয়াবহ ;
নিশ্চয় জন-অৰণ্যতকৈ
তুমি সাতগুণে শ্ৰেষ্ঠা কাজিৰঙা ।

কিন্তু
প্ৰকৃতিৰ ৰম্যভূমি
তোমাৰ কোমল বুকুখনি
নিষ্ঠুৰ চিকাৰীৰ গুলীৰ আঘাতত
কিয় আজি ক্ষত-বিক্ষত ?
কাজিৰঙা, কবানে এবাৰ
আৰু কিমানদিন লিখি যাবা
তোমাৰ নিৰ্য্যাতিত জীৱনৰ
ৰক্তাক্ত ইতিহাস ? ●

শ্ৰীমালা মহন্ত
স্নাতক ২য় বাৰ্ষিক

## ন হ ন্য তে

অধ্যাপিকা হিমাদ্ৰি দেৱী

[শ্ৰীমতী মৈত্ৰেয়ী দেৱীৰ "নহন্যতে" উপন্যাসৰ ভিত্তিত]

বুদ্ধিৰ আলোক হেনো সীমিত,
প্ৰেমৰ আলোক সুদূৰ প্ৰসাৰি ।

তুমি জানো মোৰ এই অতন্ত্ৰ প্ৰেমত
শৰীৰ শৰীৰ গোন্ধ পাইছা ?
নৈয়ে যিদৰে সাগৰলৈ গতি কৰে,
চগাই যিদৰে জুই-শিখাত জাপ মাৰে,
ধাবমান কালৰ লগত খোজ মিলাই
ময়ো সেইদৰে গতি কৰিছোঁ
তোমাৰ ফালে ।

সেই কালজয়ী অবিনাশী প্ৰেমে
মোক অমৃত-কুম্ভৰ সন্ধান দিছে,
মোৰ হৃদয়-পাত্ৰ অমৃতেৰে উপচি পৰিছে ।
চোৱা, মই 'অমৃতা' ।

মোৰ প্ৰেমত হৃদয়-দহন নাই,
ডেউকা ভগা পখিৰ চটফটনিও নাই,
আছে মাথোঁ প্ৰাপ্তিৰ প্ৰশান্তি ।

প্ৰেমৰ ফল্গুত অৱগাহন কৰি
মই যেন যাত্ৰা কৰিছোঁ
কোনো এক আনন্দ-লোকলৈ । ●

# ভাবীকালৰ অভিমন্যু

**শ্ৰীদীপা বৰা**
প্ৰাক্-বিশ্ববিদ্যালয় : ২য় বাৰ্ষিক

বুঢ়ী আইৰ সাধু শুনি
অকণিহঁত শুই পৰাৰ দৰে
তোমালোক নুশুবা।
কাৰণ অকণিহঁতে বুজি নাপায়
কিন্‌কিনিয়া বৰষুণত সাত যখিনীৰ
ভুৱা সাধুৰে আইতাই
সিহঁতক কিমান ঠগিলে॥
বুঢ়ী আইতা! তোমাৰ নাতিক আৰু
পৰীৰ দেশৰ সাধুকথাৰে
নিচুকনি গীতেৰে নুভুলাবা।

সিহঁতক এতিয়া এনে সাধু কোৱা
যি সাধু শুনিলে:
ভঙ্গ হয় মহানিদ্ৰা
দূৰ হয় কণ্ঠৰ তৃষ্ণা
দূৰ হয় পেটৰ ক্ষুধা
জাগ্ৰত হয় হাজাৰ মহাত্মা।
মাতৃসকল! তোমালোক জাগি থাকা
অভিমন্যুৱে হেনো মাতৃৰ গৰ্ভতে শুনিছিল
পিতৃ অৰ্জুনৰ পৰা
চক্ৰবেহুৰ প্ৰবেশ তথ্য।
সুভদ্ৰাৰ দৰে টোপনি নাযাবা
নহ'লে সুপ্ত হৈ ৰ'ব তোমালোকৰ
গৰ্ভজাতকৰ চক্ৰবেহুৰ নিৰ্গম তথ্য॥
সেয়েহে সন্তানৰ জননী!
তোমালোক জাগি থাকা
চক্ৰবেহুৰ আগম নিৰ্গম
সম্পূৰ্ণ তথ্য ভেদ নকৰালৈকে;
তোমাৰ গৰ্ভস্থ সন্তানটিকো শুনোৱা
সেই তথ্যৰ গোপন ৰহস্য;
আৰু ভূমিষ্ঠ হোৱাৰ দিনাই নাম থোৱা
সেই নৱজাতকৰ
নৱকালৰ অভিমন্যু॥ ●

[ ১৯৮৪ চনত 'নগাঁও জিলাৰ সাহিত্য পৰিষদ'ৰ দ্বাৰা আয়োজিত কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত ]

# জীৱন

**শ্ৰীনীতা শৰ্ম্মা**
প্ৰাক্তন ছাত্ৰী

সদ্য প্ৰস্ফুটিত
গোলাপ পাহিলৈ
চোৱা।
কাষলৈ গলেই
আবেগৰ বন্যা
নামিব।
চিঙিব খুজিলেই
কাঁইটে বিন্ধিব।
চোৱা
সৌন্দৰ্য্যৰ অন্তৰালত
কি যে প্ৰহসন।
এয়েই জীৱন ... ... । ●

## এটি ফটোগ্ৰাফ ... বাস্তৱৰ

শ্ৰীঅঞ্জনা গোস্বামী : স্নাতক ২য় বাৰ্ষিক

আলিবাটত গৰম আলকতৰা ঢলা
বৃদ্ধ শ্ৰমিকজনৰ কাগিহাড়ৰ গৰালত আউঁজি থকা
ভাগৰুৱা হৃদপিণ্ডৰ
ধপধপনি শুনিবলৈ
শুনি –
অনুভৱ কৰিবলৈ
মই আগবাঢ়োঁ ।
বোলাবৰ কৰ্কশ শিলভঙা শব্দত
মোৰ ইচ্ছা পূৰণ নহ'ল + + +
এতিয়া পাণ্ডুৰ বৰণ লোৱা
চকুৰ দৃষ্টিয়েই মোক দেখুৱাই দিলে
তেওঁৰ বুকুৰ মাজৰ
আশাৰ ভগ্নাৱশেষত
বেদনাৰ অন্ধকাৰত প্ৰতিপালিত
আত্মাই মৌন আৰ্তনাদেৰে
সাৰে থাকি শুই আছে ।
কেৱল জীয়াই থকাৰ বাসনাৰে + + +

## ৰঙাজৰা

ৰীণা কুমাৰী দেৱী
স্নাতক ২য় বাৰ্ষিক

এই জোপা গছৰ তলত
এদিন ঠিক এইখিনিতে
কলঙৰ পানী যুৰ'লিত
এই ঠাইখিনিতে
এদিন আবৃত্তি কৰিছিলোঁ
ভৱিষ্যতৰ কবিতা ।
ৰূপালী কলঙৰ পানী জিৰ্ জিৰ্
ৰাধাচূড়া এজাৰৰ ফুল
এতিয়াও ফুলা নাই ।
দিগ্ দি চাই আছোঁ পূৱলৈ
সৌ জোপা ৰঙাজৰাৰ পাহিত
লিখা এটা স্বপ্ন নে দিঠক ।
সেমেকা মাটিৰ গোন্ধত
কজলা দুখৰ নিশাহত
এতিয়াও ভৰি পৰে মোৰ চকু
মই বাৰু সেইটো স্বপ্নই
দেখিছিলোঁ নে
দিঠকতে আঁকিছিলোঁ
তাৰ ৰ'দালি ৰং । ●

# অপেক্ষা


শ্ৰীবিবি বৰা
প্ৰাক্-বিশ্ববিদ্যালয় ২য় বাৰ্ষিক


মোৰ সমুখত শত জোৱানৰ পদচিহ্ন
শৰীৰত শ্বহীদৰ কেঁচা মঙহ
আৰু তেজত ?

তেজত একুৰা প্ৰচণ্ড জুই,
যি জুইৰ উত্তাপত
ধ্বংস হয় শত কৰ্ণ, শত দুৰ্য্যোধন
আৰু শত শকুনিৰ ।
আই, তুমি আৰু নাকান্দিবা !
নব-প্ৰভাতলৈ আৰু
বেছি পৰ নাই । ●

# গীত


ৰাগিনী ভট্টাচাৰ্য্য
স্নাতক ২য় বাৰ্ষিক


( ১ )

কোনোবা দিনৰ
দূৰ-দূৰণিৰ
সপোন আজি সুৰ'ৰিছোঁ ।
মিছাতে ব্যাকুল
অবুজন মন
নীৰৱে চকুলো টুকিছোঁ ॥
+ৰচিলোঁ কত যে
বেদনাৰ গান
ভালপোৱাৰে দিলোঁ প্ৰতিদান
আশা নিৰাশাৰ
ছবি আঁকি আঁকি
মাথোন ভাগৰি পৰিছোঁ ॥
+নুশুনোঁ আজি
তোমাৰ গান
গুচি গ'লা মাথো
কৰি অভিমান ।
সুৰেৰে মাথোন
তোমাৰ কাৰণে
গীত ৰচিছোঁ ॥ ●


শ্ৰীঅলকা বৰঠাকুৰ
স্নাতক ২য় বাৰ্ষিক


( ২ )

হাঁহি হাঁহি খেলিছিলোঁ
তুমি আৰু মই
হাঁহি ভৰা মাদকতা
কিয় আজি নাই ।
মন দাপোণত তুমি মাথোঁ
আছিলা জিলিকি
সেই কথা তোমাৰ মনত
পৰেনে ৰিণিকি ?
সেই ভাবি চোৱাৰ
সময় কিয় নাই ॥
আশাৰ কুসুম কলি
মৰহি যে গ'ল
মনৰ এখন ছবি যে মোৰ
আধা অংকা হ'ল ।
প্ৰীতিৰ নদী প্ৰেমৰ হোৱাৰ
তুমি দেখা নাই ॥ ●

# মাটিৰ মানুহ

কবিতাৰাণী দাস ঃ প্ৰাক্-বিশ্ববিদ্যালয় ২য় বাৰ্ষিক

খবতকীয়া অথচ গম্ভীৰ খোজেৰে গৈ থকা মানুহজনৰ ফালে নীৰেণে একেথিৰে চাই ৰ'ল। তাৰ দৃষ্টি মানুহজনৰ পিছ ফালে মূৰৰ পৰা ভৰিলৈকে চিকাৰী কুকুৰৰ দৰে বগাবলৈ ধৰিলে। সি মানুহজনক যেন পুনৰ নতুনকৈ আবিষ্কাৰ কৰিছে। এই চুটি চাপৰ গাঠলু দেহৰ মানুহজনক নীৰেণৰ বৰ ভাল লাগে। মানুহজনৰ ভকতীয়া চুলিখিনি তালে তালে নাচি যোৱা দৃশ্যটো ইমান মনোৰম ! ঠিক সেইদৰে মানুহজনৰ কথাৰ সৰলতা আৰু নিভাঁজ আচৰণ বৰ মুগ্ধকৰ। এই সৰলতাই তাক মানুহজনৰ প্ৰতি দৃষ্টি পেলাবলৈ বাধ্য কৰিছিল।

নীৰেণহঁতৰ ঘৰৰ পৰা অলপ দূৰত মানুহজনৰ ঘৰ। গাওঁ একেখনেই যদিও বহুদিনলৈ মানুহজনক নীৰেণে চিনি পোৱা নাছিল। কেতিয়াবা সি মানুহজনক দেখিছিল যদিও বৰ গুৰুত্ব দিয়া নাছিল। কিন্তু সি মানুহজনক গুৰুত্ব দিছিল আৰু চিনি পাইছিল এটা আকস্মিক মুহূৰ্তত। সেইদিনটো আছিল জুলাই মাহৰ কোনোবা এটি দিন। নীৰেণহঁতৰ স্কুলৰ ল'ৰাবোৰে বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সাহায্যৰ বাবে ৰাইজৰ পৰা দান-বৰঙনি সংগ্ৰহ কৰি ফুৰিছিল। এইদৰে ঘূৰি ফুৰোঁতে সিহঁতে সেই মানুহজনক লগ পাই ক্ষতিগ্ৰস্তৰ বাবে সাহায্য দিব পাৰিবনে কি সুধিছিল। তৎক্ষণাৎ তেওঁ উৎফুল্লিত হৈ ককাঁলৰ মলিয়ন গামোচাৰ খোচনিৰ পৰা টকা পাঁচটা নীৰেণহঁতৰ ফালে আগবঢ়াই দিছিল। নীৰেণহঁতৰ দলটোৱে ভাবিছিল এই দুখীয়া মানুহজনে নিশ্চয় সিহঁতক পাঁচ টকা দান কৰা নাই। তেওঁ হয়তো খুচুৰা পইচাৰ অভাৱত নোটখন দিছে। সেয়ে নীৰেণে সুধিলে ঃ আপোনাৰ পৰা আমি কিমান ৰাখিম ?

মানুহজনে অলপ হাঁহি বলে ঃ আজি দিনটোৰ হাজিৰা বোপাই পাঁচটি টকাকে পাইছিলোঁ, ৰাতিৰ সাজ ইয়াৰে চলিব হয়, পিছে বোপাই বানত উটি যোৱা সকলৰ কথা ভাবি বেয়া লাগিল। সেয়ে আটাইকেইটা টকাকে দিছোঁ।

মানুহজনৰ উদাৰ অন্তৰখন দেখি নীৰেণ স্তম্ভিত হৈ গ'ল। এই সামান্য মানুহজনৰ উদাৰতাই তাক মানুহজনৰ প্ৰতি আকৰ্ষিত কৰিলে। দিন হাজিৰা কৰি খোৱা মানুহজনে এসাজ লঘোণ দি পীড়িতলৈ উৎফুল্লিত মনেৰে দান কৰিছে।

অথচ অলপ আগতে পাই অহা চলিহা ডাঙৰীয়াই মাত্র এটি টকাকে দিবলৈ থেৰো-গেঁৰো কৰিছিল। চলিহাৰ কি নাই আৰু এই মানুহজনৰ আছে কি? নীৰেণে পলমকৈ হ'লেও বুজিছিল মানৱানন্দ চলিহাৰ দৰে মানুহৰ মাটি, গাড়ী, টকা থাকিলেও এটা মহান বস্তু নাই। সেয়া মানৱ প্ৰেম। অথচ এই মানুহজনৰ মানৱ প্ৰেম অন্তৰ উপচি আছে। সেইদিনাৰ পৰা নীৰেণে মানুহজনক শ্ৰদ্ধাৰে চাইছিল। মানুহজনক বুজিবলৈ কাষ চপাৰ চেষ্টা কৰিছিল। ক্ৰমে ক্ৰমে সি তেওঁৰ একেবাৰে কাষ চাপিছিল। বন্ধুৰ দৰে কথা পাতিছিল। নীৰেণক মানুহজনে তেওঁৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ কথা পাতিছিল।

সেইদিনা নৈৰ পাৰৰ বুঢ়া কৰৈজোপাৰ তলত বহি মানুহজনে কৈ গৈছিল তেওঁৰ অতীতৰ কথাবোৰ। মানুহজনৰ জন্ম হৈছিল সেই গাঁৱৰে এঘৰ সম্ভ্ৰান্ত মানুহৰ ঘৰত। দেউতাক আছিল গাঁৱৰ এজন মুখিয়াল মানুহ। যাক গাওঁখনত সকলোৱে বৰ-বায়ন বুলিয়ে জানিছিল। কংগ্ৰেছৰ দ্বিতীয়বাৰৰ আইন অমান্য আন্দোলনৰ কালছোৱাত মানুহজনৰ হেনো জন্ম হৈছিল। গাঁৱৰ মুখিয়াল দেউতাকে এই আইন অমান্য আন্দোলন সফল কৰাৰ হ'কে গাঁৱৰ আন আন ডেকাবোৰক লৈ আন্দোলনত জাপিয়াই পৰিছিল। মাতৃভূমিৰ স্বাধীনতাৰ বাবে আন্দোলন কৰাৰ অপৰাধত মানুহজনৰ দেউতাকে ছমাহ জেল খাটিছিল। দেউতাক জেলত থকা অৱস্থাতে তেওঁৰ জন্ম হৈছিল। বিপ্লৱী দেউতাকে নৱজাতকৰ নাম ৰাখিলে "মোহন"। তেওঁৰ আশা মহাত্মা গান্ধী ওৰফে মোহন দাস কৰমচাঁদৰ দৰে তেওঁৰ পুত্ৰ এদিন মহান হৈ উঠিব।

কণমানি মোহনে কাঁচি জোনৰ দৰে হাঁহিবলৈ লৈছিল। ইতিমধ্যে জেলত থকা অৱস্থাতে বৰ-বায়ন উপযুক্ত খাদ্য আৰু পৰিবেশৰ অভাৱত যক্ষ্মাৰোগত আক্ৰান্ত হৈ পৰে। বৰ-বায়নৰ স্বাস্থ্য দিনে দিনে পৰি অহাত জেল কৰ্তৃপক্ষই তেখেতক মুক্তি দিব খুজিলে এটা চৰ্তত। "ভৱিষ্যতে বৰ-বায়নে ইংৰাজৰ বিৰুদ্ধে কোনো ধৰণৰ বিদ্ৰোহ কৰিব নোৱাৰিব।" চৰ্ত শুনি ঘোৰ দেশপ্ৰেমিক বৰ-বায়ন জ্বলি-পকি উঠিল। তেওঁ এই চৰ্ত আৰু মুক্তিৰ বিৰোধিতা কৰি ইংৰাজলৈ লিখিলে: "বৰ-বায়নৰ দৈহিক স্বাস্থ্যৰহে অৱনতি ঘটিছে, মানসিক শক্তিৰ অৱনতি ঘটা নাই, বৰং উন্নতিহে হৈছে। বৰ-বায়নৰ মানসিক মৃত্যু ঘটিলেহে চাহাবৰ চৰ্ত কাৰ্য্যকৰী হ'ব।" বৰ-বায়নৰ উত্তৰ পাই ইংৰাজ চাহাব খঙত অস্থিৰ হৈ উঠিল। বৰ-বায়নৰ ওপৰত অবিৰাম অত্যাচাৰ চলিল আৰু অৱশেষত মুমূৰ্ষক্ষণত বৰ-বায়নে মুক্তি লভিলে। ঘৰলৈ আহি তেওঁ মৃত্যুৰ কাৰণেই অপেক্ষা কৰিছিল। কাৰণ তেওঁ জানিছিল চিকিৎসাই তেওঁক বচাব নোৱাৰে। কিন্তু প্ৰিয়তমা পত্নী আৰু শুভাকাংখীসকলে বৰ-বায়নৰ বিৰোধিতা সত্বেও চিকিৎসা চলালে। চিকিৎসা কৰোঁতে তেওঁৰ গৰু, মাটি একাদিক্ৰমে মহাজনৰ হাতলৈ গ'ল। বৰ-বায়নৰ স্বাস্থ্যৰ কিছু উন্নতিও হৈছিল। কিন্তু পিছ মুহূৰ্ত্ততে পত্নী-পুত্ৰক অকলশৰীয়া কৰি, শুভাকাংখীসকলক কন্দুৱাই বৰ-বায়নে মৃত্যুক আঁকোৱালি ললে।

স্বামীৰ অবৰ্ত্তমানত বগীতৰাই অন্ধকাৰ দেখিলে। মাটি-সম্পত্তি হেৰুৱাই তেওঁ পথৰ ভিক্ষাৰিণীৰ দৰে হৈ পৰিল। মোহনক বুকুত বান্ধি, লোকৰ ঘৰত বাহীবন কৰি, ধান বানি, কাপোৰ বৈ কোনোমতে বৰ্ত্তি থাকিল।

ইতিমধ্যে দ্বিতীয় মহাযুদ্ধৰ ঘন ক'লা ডাৱৰে অসমৰ আকাশতো ভুমুকি মাৰিলেহি। এই যুদ্ধ চলি থকা অৱস্থাত হোৱা খাদ্য-বস্ত্ৰৰ নাটনি, মুদ্ৰাস্ফীতি আদিয়ে অসমতো ভয়াবহভাৱে দেখা দিছিল। অনেক লোকে খাদ্য সংকটত ভুগিছিল। এনে অৱস্থাত বগীতৰাই খাদ্য মুঠি যোগাৰ কৰাই টান হৈ পৰিল। কেতিয়াবা কিবা পালেও মোহনৰ মুখত দি নিজে সাজৰ পাছত সাজ লঘোনে আছিল। এদিন তেওঁ ভোকত অস্থিৰ হৈ বনকচু সিজাই খাইছিল। সেয়াই কাল হ'ল। অখাদ্য ভক্ষণ কৰি মোহনৰ স্নেহময়ী মাতৃয়ে অকালতে মৃত্যুক আঁকোৱালি ললে।

আঠ-ন বছৰীয়া শিশু মোহনক মহাজনৰ ঘৰলৈ লৈ যোৱা হ'ল। তাত এই শিশুটোৱে গৰু-ম'হ চৰোৱাৰ ভাৰ বহন কৰিলে। লাহে লাহে মোহনে শৈশৱৰ দেওনা পাৰ হৈ কৈশোৰৰ দুৱাৰদলিত ভৰি দিলে। জীৱনৰ এক অন্যান্য স্তৰত ভৰি দি মোহনে নিজৰ বিষয়ে ভাবিবলৈ শিকিলে। ম'হৰ পিঠিত উঠি বনগীত গাই থকা মোহন হঠাৎ থমকি ৰৈ যায় যেতিয়া তাৰ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ কথাই মনত বেখাপাত কৰে। সি জানো সমগ্ৰ জীৱন এইদৰে মহাজনৰ নিকিনা গোলাম হৈ থাকিব? ম'হৰ পিঠিত উঠি, গৰুৰ ঘাঁহ কাটিয়েই দিন কটাবনে? সি বাৰু কেতিয়াকৈ স্বাধীন মনেৰে কাম কৰিব পাৰিব? তাৰ মৰমৰ দেশখন বিদেশী চাহাবৰ পদতলৰ পৰা কেতিয়া মুক্ত হ'ব? দেশৰ কথা ভাবিলেই তাৰ বুকুখন বিষাই যায়। তাৰ দেউতাকে দেশৰ সেৱা কৰিয়েই মৰি গ'ল। অথচ সি এতিয়া দেশদ্ৰোহী মহাজনৰ সেৱা কৰি জীয়াই থাকিব লগীয়া হৈছে। তাৰ মনটো নিজৰ প্ৰতিয়েই ঘৃণাত কোঁচ খাই যায়। তাৰো মন যায় ভলণ্টিয়াৰবোৰৰ দৰে আকাশ-বতাহ কঁপাই চিঞৰিবলৈ — "কৰেংগী য়ে মৰেংগী···"।

মনৰ প্ৰচণ্ড সংঘৰ্ষক বাধা দিব নোৱাৰি এদিন সি মনে মনে এটা শোভাযাত্ৰাত থিয় হৈ চিঞৰিছিল —"কৰেংগী য়ে মৰেংগী।" শোভাযাত্ৰাৰ অন্তত ঘৰলৈ আহি মহাজনৰ পৰা লাভ কৰিছিল বেতৰ নিৰ্মম প্ৰহাৰ। সেইদিনাই মোহনে মহাজনৰ ঘৰৰ পৰা নীৰৱে বিদায় লৈ গাঁৱৰ ভলণ্টিয়াৰৰ দলত যোগ দিলেহি বিপ্লৱী মোহন ডেকাৰূপে। ৪২'ৰ বিপ্লৱৰ অগ্নিত জাপিয়াই মোহনে এক অপূৰ্ব আনন্দ অনুভৱ কৰিলে। এৰা, সংগ্ৰামী জীৱনৰ মাদকতা একমাত্ৰ সংগ্ৰামীয়েইহে উপলব্ধি কৰিব পাৰে।

মোহনৰ দৰে লক্ষ্য লক্ষ্যজনৰ চেষ্টাত দেশ স্বাধীন হ'ল। সিহঁতৰ চকুত ৰঙীণ আশা জিলিকি উঠিল। স্বাধীন দেশত সিহঁতে উপযুক্ত নিৰাপত্তা পাবই। কিন্তু মোহনৰচোন একেৱেই নহ'ল। দেউতাকৰ পুৰণি ভেটিত প'জা এটি বান্ধি মোহন মোহন হৈয়েই ৰ'ল। বিপ্লৱৰ অন্যতম হোতা স্বৰূপে মোহনে মুক্তি-যুজাঁৰুৰ পেঞ্চন এটা লাভ কৰিলে। দেশপ্ৰেমৰ ৰক্ত শিৰাই শিৰাই প্ৰৱাহিত হোৱা মোহনে এই পেঞ্চনৰ টকাক প্ৰত্যাখান কৰি কৈছিল - "মই মোৰ আইক সেৱা কৰাৰ বিনিময়ত টকা ল'ব নোৱাৰোঁ, মইতো দেশপ্ৰেমৰ দোকানী নহয়।" অনেকে অনেক বুজাইও

মোহনক তেওঁৰ মতৰ পৰা লৰাব নোৱাৰিলে। লোকৰ মাটিত আধিয়াৰ খেতি কৰি জীৱিকা উলিয়াবলৈ ধৰিলে।

যৌৱনৰ চোতালত খোজ পেলায়েই মোহনে গাঁৱৰে পাকৈত শিপিনী লয়নীক বিয়া কৰালে। এবছৰৰ পাছত সিহঁতৰ দুজনীয়া সংসাৰখনলৈ ভাৰতী আহিল। মোহনৰ সৰু সংসাৰখন ৰং-ৰূপেৰে ভৰি পৰিল। কিন্তু নিয়তিয়ে এই ৰং এই হাঁহি সহ্য কৰিব নোৱাৰিলে, ভাৰতীৰ দুবছৰ বয়সতে লয়নীয়ে এই সংসাৰ ত্যাগ কৰিলে। মোহনে কণমানি-জনীক বুকুত বান্ধি কোনোমতে জীয়াই থাকিল। চন্দ্ৰকলাৰ দৰে বাঢ়ি অহা ভাৰতীক ষোল্ল বছৰ বয়সতে সবল, সুঠাম ডেকা মন্মথলৈ বিয়া দি মোহন মুক্ত হ'ল।

তেওঁ এতিয়া লোকৰ ঘৰত দিন-হাজিৰা কৰি জীৱিকা আৰ্জিবলৈ ধৰিলে। কিন্তু আদহীয়া মোহনক নিষ্ঠুৰ জীৱন সংগ্ৰামেও আত্মকেন্দ্ৰিক কৰিব পৰা নাই। সমাজৰ কামত মোহন আজিও '৪২ ৰ মোহন ডেকাজন হৈয়েই আছে। গাঁৱৰ সকলোবোৰ অনুষ্ঠানতে মোহনৰ সহায় অপৰিহাৰ্য্য। নিজৰ ক্ষতি কৰি হ'লেও এইজন সমাজকৰ্মীয়ে হাঁহিমুখে সকলো কৰি যায়। এইবোৰ কামে মোহনক কাহানিও আমুৱাই নাযায়। সদা কৰ্ম-ব্যস্ত মোহন ডেকা যেন জীৱনৰ কোনো এটা ক্ষণতেই থমকি নৰ'ব।

নীৰেণৰ চকুত মোহন জিলিকি উঠিছে তাহানিৰ বিপ্লৱী মোহন হৈ। অসমৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত মোহনে নীৰেণহঁতক কিমান যে সহায় কৰিছে। মোহন এতিয়াও '৪২ ৰ মোহন হৈয়েই আছে। উত্তৰ কামৰূপত হোৱা সামৰিক বাহিনীৰ অত্যাচাৰৰ কথা শুনি তেওঁ নীৰেণৰ আগত ক্ষোভ তথা ঘৃণাৰে কৈছিল: 'স্বাধীনতাৰ বাবেই দেউতাই যুঁজি যুঁজি প্ৰাণ দিলে, আমি বাটৰ ভিক্ষাৰী হ'লো, এতিয়া আমাৰ ত্যাগৰ মূল্য ক'ত? আমাৰ ভাইয়ে আমাৰ পুত্ৰক হত্যা কৰিছে, কন্যাক লাঞ্ছিতা কৰিছে। আমাৰ নৈতিকতাবোধ ইমান তললৈ গ'ল কিয়? ভাৰতৰ সু-নাম কেইজনমান বিবেকহীনৰ কাৰণেই ৰসাতললৈ যাবনে? নীৰেণ বোপা, তহঁতে মন ভাঙি নিদিবি। তহঁতৰ জয় এদিন হ'বই।' কৈয়েই তেওঁ তলমূৰ কৰিলে। নীৰেণে লক্ষ্য কৰিলে মোহনে গামোচাৰ আঁচলেৰে চকুলো মচিছিল। মানুহজনৰ প্ৰতি তাৰ শ্ৰদ্ধাত মূৰ দোঁ খাই গ'ল।

এতিয়া সেইজন মোহনেই খবৰ দিছেহি নীৰেণহঁতৰ ঘৰে ঘৰে সিহঁতৰ ওচৰৰ গাঁওখনৰ যাচিনৰ চি, আৰ পি ৰ হাতত মৃত্যুৰ খবৰ। মোহনে নীৰেণক ক'লে: নীৰেণ বোপা, যাচিন শ্বহীদ হ'ল। স্ব-জাতিৰ স্বাৰ্থৰ হকে, মাতৃৰ সন্মানাৰ্থে যুঁজি যাচিন শ্বহীদ হ'ল। তাৰ বাপেকে যাৰ স্বাধীনতাৰ বাবে দেহ-প্ৰাণ সঁপি দিছিল সেই স্বাধীন দেশৰ ভাইয়ে ভাইৰ তেজেৰে হাত কলংকিত কৰিলে। তুমি সোনকালে আহা। যাচিনক সন্মান জনাওঁ গৈ আহা।

কৈয়েই তেওঁ সেই চিনাকি খোজেৰে পৰম ব্যস্ততাৰে গৈ আছে। তেওঁ মূৰটো সন্মুখলৈ তুলি নিয়া নাই। তলমূৰকৈ নীৰেণৰ চিনাকি মোহন ডেকা গৈ আছে তাৰেই সহপাঠী শ্বহীদ বন্ধুৰ চৰণত প্ৰণিপাত জনাবলৈ। ●

# এজনী ছবি ছোৱালীৰ

**কুমাৰী দীপামণি বৰা**
প্ৰাক্তন ছাত্ৰী

ৰাতিপুৱাৰে পৰা নমাইৰ মনটো অবৰ্ণনীয় আনন্দৰে ভৰি পৰিছিল। কিমান দিনৰ অপেক্ষাৰ মূৰত আজি দিনটো আহিছে। নমাইৰ মন উগুল-থুগুল। সময়ে সময়ে ৩৫ বছৰীয়া নমাইৰ মন উৰি গৈ স্থিৰ হৈ ৰৈছিল সেউজীয়া ধাননিৰ আলিয়ে আলিয়ে ঘূৰি ফুৰা এজনী ৬-৭ বছৰীয়া ছোৱালীৰ মাজত। যি ছোৱালীজনীৰ অন্তৰত আছিল মৰম, দুচকুত অলেখ আশা। আজিৰ নমাইৰ মাজত শৈশৱৰ নমাইজনীৰ কোনো মিল নাই। লোদোৰ-পোদেৰ হাত-ভৰি, ধুনীয়া মুখৰ নমাইজনী এতিয়া জীৱন সংগ্ৰামত যুঁজি যুঁজি পঙ্গু হৈ পৰিছে। অন্তৰখন শিলৰ দৰে কঠিন আৰু দুচকুত জ্বলন্ত স্ফুলিঙ্গই বিৰাজ কৰিছে— যেন বাহিৰ হৈ ভুৱা শিক্ষিত সমাজখনক ছাটি ধৰি পলকতে ছাৰখাৰ কৰি পেলাব। শেষ ৰাতিতে তাইৰ টোপনি ভাগিছিল আৰু তেতিয়াই অতীতৰ স্মৃতিবোৰে মনৰ মাজত ঘূৰি ফুৰিছিল। অতীতে টানি আনে বৰ্ত্তমানক। বৰ্ত্তমানক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বৰ্ত্তমানৰ প্ৰয়োজনতেই নমাইহঁত সোমাই পৰিছে 'হোম-গাৰ্ডত'। ইয়াত কোনোৱে দিছে ঘৃণা, কোনোৱে তাচ্ছিল্য, কোনোৱে সহানুভূতি আৰু কোনোৱে বিদ্ৰূপ। তথাপি নমায়ে স্বাগতম্ জনাইছিল এই জীৱনক। কোনোদিনে বিচৰা নাছিল মানুহৰ অনুগ্ৰহ।

* * *

জুৰীজান গাওঁ। প্ৰকৃতিয়ে যিদৰে সকলো সৌন্দৰ্য্যৰে এই গাঁৱক অপৰূপা কৰি তুলিছিল, সেইদৰে প্ৰকৃতিৰ অত্যাচৰত গাওঁবাসী জুৰুলাও হৈছিল। এই গাঁৱতে এখন অভাৱগ্ৰস্ত ঘৰত নমাইৰ জন্ম হৈছিল। ভোকত থাকিব নোৱাৰি যেতিয়া সিহঁতে চিঞৰিছিল, সিহঁতৰ প্ৰতিটো চিঞৰেই ৰোগীয়া বাপেকক অস্ত্ৰৰ দৰে আঘাত কৰিছিল। ই যেন তৰোৱালৰ আঘাততকৈয়ো বেছি ভয়াবহ, ধ্বংসাত্মক। নমাইৰ ১৮ বছৰ বয়সতে জীৱনলৈ নামি আহিল এক দুৰ্য্যোগ। এফালে জীৱন, আনফালে সন্মান। মৃত্যুৱেই জীৱনৰ পৰিণাম। ইয়াৰ হাত সাৰিবৰ কাৰো উপায় নাই। দেউতাকৰ মৃত্যুৰ লগে লগে বিধবা মাকৰ মুখত এমুঠি অন্ন, অভাৱে মোহাৰি পেলোৱা দুজনীকৈ ভনীয়েকৰ ফটা কাপোৰ ঢাকিব নোৱাৰা উদণ্ড যৌৱনক সহাঁৰি দিবলৈ নমাই সোমাই পৰিল এই চাকৰিত। নানা দেশৰ নানাবিধ বস্তু যেতিয়া কোনো মহামেলাত সুন্দৰৰূপে সজ্জিত হয় তেতিয়া উত্তম বস্তুবোৰ দেখি দুখীয়াৰ চিত্ত লোভেৰে বিমুগ্ধ হয়। সেইদৰে মায়াদেৱীৰ অদ্ভুত মহামেলা সংসাৰ-ক্ষেত্ৰত লোভ আৰু অভাৱেৰে অভিভূত এই নমাইহঁতৰ জীৱবোৰ মিলিত হয়। জীৱন, সংসাৰ আৰু সমাজ কিমান নিষ্ঠুৰ আৰু জটিল নমায়ে বুজি পালে। এখন অভাৱগ্ৰস্ত ঘৰত অকণমান হাঁহি বিলাবলৈ চেষ্টা কৰাৰ লগে লগে জুৰীজান গাঁৱৰ সমাজখন সিহঁতৰ ঘৰৰ পৰা আঁতৰি গ'ল বহু-

দূৰলৈ। সিহঁতৰ জীৱন আৰু সমাজৰ মাজত গঠিত হ'ল এখন প্ৰাচীৰ। এই প্ৰাচীৰ অৱহেলা, ঘৃণা, তাচ্ছিল্য আৰু লাঞ্ছনাৰ। প্ৰেম, দয়া, ভ্ৰাতৃত্ব আদি গুণেই হ'ল মানৱতা। শিক্ষাই এই মানৱতাক উজ্জ্বল কৰে। কিন্তু নমাইহঁতৰ মাজত সমাজে যি প্ৰাচীৰ আৰু অন্ধকাৰৰ সৃষ্টি কৰিছিল তাক শিক্ষাই দূৰ কৰিব নোৱাৰে। যিখন দেশৰ এক প্ৰান্তত এখন সমাজৰ লোকে চন্দ্ৰত আৰোহণ কৰিছে, টেষ্টটিউবত মানৱ শিশুৰ জন্ম দিছে, বিজ্ঞানৰ ন-ন আৱিষ্কাৰে উজ্জ্বল কৰিছে; সেইখন দেশৰে অন্য এক প্ৰান্তত এচাম বহুজন লোকে সমাজত বৈষম্যৰ সৃষ্টি কৰিছে। নমাই হোমগাৰ্ডত সোমোৱাৰ লগে লগে সমালোচনাৰ পাত্ৰী হ'ল। মানুহৰ চাৱনিত লুকাই আছিল কৌতূহ'ল। কিন্তু কোনেও নমাইহঁতৰ মনৰ বহুজ লোৱা নাছিল। এষাৰি সহানুভূতিৰ মাত দিয়া নাছিল। ডাঠ কাপোৰৰ খাকী বঙৰ মাজত সোমাই থকা নমাইহঁতৰ নিস্তেজ মনটোৱে মাথো বৃথা আস্ফালন কৰিছিল। মানুহৰ অৱহেলাক চকুৰ পানীয়ে সান্ত্বনা দিছিল। নিজৰ যন্ত্ৰণাক মিচিকি হাঁহিৰে লুকুৱাই সিহঁতে কৰি গৈছিল নিজ কৰ্ত্তব্য। কাৰণ জীৱন-লিপ্সা সিহঁতৰ অতি তীব্ৰ। সমাজ আৰু মানুহৰ মাজৰ পৰা ধৰ্ম আৰু ব্যক্তিত্ব নাইকিয়া হৈ গৈছে। মানুহৰ ইচ্ছাই একমাত্ৰ ধৰ্ম। নমাইহঁতৰ দৰে কতজনী গাভৰু কলিতেই মৰহি গৈছে তাৰ জানো লেখ-জোখ সমাজৰ আছে? সিহঁতৰ জন্ম আছে— পৰিচয় নাই, দুখ আছে—চকুলো নাই, হাঁহি আছে—তৃপ্তি নাই, জীৱন আছে— আধাৰ নাই। যুক্তিৰে সকলো কথা চালি-জাৰি চোৱা মানুহ পৃথিৱীত দিনে দিনে কেতিয়া বাঢ়িব? এই বৈষম্য, অনাদৰৰ ভাব দেখি সিহঁতৰ অন্তৰ আত্মাই যে চিঞৰি উঠিছে: "এই প্ৰেমহীন সমাজৰ নিষ্ঠুৰ পদপেষণ আমি আৰু কিমান সহিম?"

* *

চাকৰিৰ পৰা মুক্ত হৈ নমাই আজি যাবলৈ ওলাইছে নিজ ঘৰলৈ। গাঁৱতে উপজি, গাঁৱতে ডাঙৰ-দীঘল হোৱা বুলিয়েই নমাইৰ মনটোৱে গাঁৱলৈ উভটি যাবলৈ বৰকৈ বিচাৰিছিল। আঁহতৰ তলত লগৰীয়া সতে বিহু মৰাৰ দৃশ্য, ধান কটা, তাত বোৱা আদি দৃশ্যই বহুত দিনলৈ নমাইক আন মনা কৰি কৰি তুলিছিল। কিন্তু মানুহে যিহকে বিচাৰে তাকেই পোৱা হ'লে মানুহৰ মাজত কোনো সংগ্ৰামে নহ'লহেঁতেন। মাকৰ মৃত্যু আৰু ভনীয়েক দুজনীৰ বিয়াৰ পাছত সুদীৰ্ঘ ১২ বছৰ অতিক্ৰম কৰি নমাই যাবলৈ ওলাইছে নিজ ঘৰ নিজ গাওঁ জুৰীজানলৈ অনাদৰ আৰু অৱহেলাৰ জীৱনটো এৰি দি। জুৰীজান গাঁৱত এতিয়াও বৈ আছে কলং নৈখন। সেউজীয়া ধাননিৰ মনোমোহা ৰূপ এতিয়াও আছে। নমাইহঁতৰ ভগা পজাঁটো আৰু এৰাবাৰীত পৰিণত হোৱা বাৰীখনো আছে। নাই মাথো নমাইৰ শৈশৱ আৰু যৌৱন। ১৮ বছৰতে যিদৰে উকা কপাল লৈ নমাই গুচি আহিছিল, আজিও উকা কপাল লৈ নমাই গুচি যাব। কিন্তু নাযায় নমাইৰ গাঢ় নীল বৰণৰ মণিৰ দৰে উজ্জ্বল চকু দুটা, ক'লা আৰু কেকোৰা চুলিটাৰি, সুস্থ আৰু সবল মনটো, জাঁজীবিহীন জীৱনটো। শেষ শেষ ৰাতিতে সাৰ পাই নমায়ে ভাবিছে তাই ঘৰলৈ উভতি যাব সচাঁ, কিন্তু সমাজে জানো তাইক গ্ৰহণ কৰিব—মৰম আৰু সহানুভূতিৰ এষাৰি মাত দিব? তথাপি নমাই যাব এই অবিচাৰৰ জাগৰণ আনিবলৈ, শত শত তাইৰ দৰে দুৰ্ভগীয়া নমাইৰ জীৱন পোহৰাবলৈ। জনমভূমিৰ ধূলি আৰু বালিতেই নমায়ে বিচাৰিব হেৰাই যোৱা শৈশৱৰ সোণালী দিনবোৰৰ স্মৃতি। জনমভূমিৰ মাটিৰ মোহে তাইক উতলা কৰি পেলাইছে। জনমভূমিৰ এই মোহক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ●



দুখীয়াৰ ভগা-পজা একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম,
মৰিলে পুনৰ আহি দুখীয়াৰ দেশত মোৰ
লওঁ যেন পুনৰ জনম ।।

— নলিনীবালা দেৱী

# অপূৰ্ণ বাসনা

— অলকা বৰঠাকুৰ
স্নাতক ২য় বাৰ্ষিক

প্ৰবীণ বৰুৱা নগাঁও চহৰৰে লোক। এজন আদৰ্শ শিক্ষকৰ গাত যিথিনি গুণ থাকিব লাগে সেই আটাইবোৰেই তেওঁৰ গাত পৰিস্ফুট। বাক্-পটুটা, পৰিষ্কাৰ পৰিচ্ছন্নতা, নৈতিকতা, আচৰণৰ প্ৰকাশ ভঙ্গী, ৰসিকতা ইত্যাদি সকলোতে তেওঁ আদৰ্শ-স্থানীয়। সেয়েহে চহৰৰ জনা-শুনা বেছি ভাগ ব্যক্তিয়েই নিজৰ ল'ৰা-ছোৱালীক প্ৰবীণ বৰুৱাৰ স্কুলত দিবলৈ পালে কৃতাৰ্থ মানিছিল। অৱসৰ লোৱাৰ পিছতো তেওঁ সমাজৰ সভা-সমিতি আদিতো সক্ৰিয় ভাৱেই জড়িত আছিল। জনসাধাৰণৰ মাজত তেওঁ যিদৰে সন্মানীয় ব্যক্তি বুলি পৰিগণিত আছিল, তেনে দৰে সৰল স্বভাৱা, স্নেহশীল, কোমলমনৰ অধিকাৰিণী তেওঁৰ পত্নীয়েও সমানে সন্মান পাইছিল। সামাজিক কৰ্ম আদিত যিদৰে তেওঁলোকৰ ক'তো কোনো খুটি-নাটি নাছিল, সেইদৰে সংসাৰী জীৱনতো কোনো ধৰণে ক'তো ঘন্দ্বংশে ধৰা নাছিল। চাৰিটি সন্তানৰ সৈতে অতি সহজ আৰু নিয়াৰি ভাৱেই সকলো কাম পাৰ হৈ গৈছিল।

•••……দুই পুত্ৰ দ্বীপণ আৰু নিপণ বৰ্তমান দুয়ো চৰকাৰী কৰ্মচাৰী। বৰপুত্ৰ দ্বীপণ উকীল আৰু নিপণ ইঞ্জিনিয়াৰ। ৰিতা আৰু ৰিমা দুয়ো বিবাহিতা। ৰিতাই স্নাতক ডিগ্ৰী লোৱাৰ পিছত তেওঁক গুৱাহাটীৰ এজন ডাক্তৰৰ লগত বিয়া দিয়ে। অৰ্থনীতিত এম, এ ৰিমাই অধ্যাপনা কৰাৰ পিছত সহকৰ্মী অধ্যাপক এজনকে জীৱন সঙ্গীৰূপে বাচি লয়। ৰিমাই এই বিয়াত ডাক্তৰ পত্নী বায়েক ৰিতাৰ বাহিৰে ঘৰখনত বাকী সকলোৰে পূৰ্ণ সমৰ্থন। ৰিতাৰ অসন্তুষ্টিৰ কাৰণ আছিল ভনীয়েক ৰিমা এখন কলেজৰ এগৰাকী অধ্যাপিকা। তেনেস্থলত তেনে এগৰাকী শিক্ষিতা ছোৱালীয়ে বহুত ভাল ল'ৰাই পালেহেঁতেন। তদুপৰি বায়েকে দেখুৱাই দিয়া মেজিষ্ট্ৰেটজনৰ লগত বিয়া নহহাটোও তেওঁৰ এক প্ৰধান অসন্তুষ্টি। ভনীয়েক ৰিমাৰ সহকৰ্মী অধ্যাপক প্ৰণৱ চলিহাৰ লগত বিয়া ঠিক হোৱা শুনি বায়েক অগ্নিশৰ্মা হৈ পৰিছিল। সেয়ে এই বিয়াৰ তীব্ৰ বিৰোধিতা কৰি বহুতো অপমানজনক কথাৰে ভনী-য়েকলৈ এখন চিঠি লিখিলে আৰু লগতে তেওঁ যে সেই বিয়াত উপস্থিত নাথাকিব তাকো জনালে। ৰিমাই অভিমানী আৰু অহংকাৰী বায়েকৰ চিঠি পাই অতি দুখ পালে। তথাপি তেওঁ প্ৰণৱ চলিহাক এৰি সঙ্গীৰ দত্তক কেতিয়াও নিজৰ কৰিব নোৱাৰে। ডাঙৰ চাকৰি কৰিলেই মানুহৰ নৈতিক মান উন্নত নহয়। দত্তৰ ডাঙৰ চাকৰি আৰু শকত দৰমহা থাকিব পাৰে, কিন্তু নৈতিক চৰিত্ৰৰ যাৰ এবাৰ অধোগতিত নামে তাক জানো পুনৰ ঘূৰাই আনিব পৰা যাব !

বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত তেওঁ দত্তক প্ৰায় দেখে বিভিন্ন পৰিবেশত, বিভিন্ন কৰ্মত। গতিকে ৰিমাৰ দত্তৰ স্বভাৱৰ বিষয়ে অবিদিত নহয়। সেয়ে বায়েকে তেওঁৰ লগত বিয়াৰ প্ৰস্তাৱ তোলাত তেওঁ বাৰে বাৰে দত্তৰ চৰিত্ৰৰ কথা সোঁৱৰাই দিছিল। কিন্তু বায়েকৰ মতে ডাঙৰ মানুহৰ চৰিত্ৰ ডাঙৰ কথা নহয়। অৱশেষত বাকীসকলৰ অভিমতত প্ৰণৱ চলিহাকে ঠিক কৰা হ'ল। কিন্তু তাত বায়েকৰ উপস্থিতি নাই।



বিয়াৰ প্ৰায় এবছৰৰ পিছত চলিহা আৰু ৰিমা দুয়ো ভিনিহিয়েক ডাঃ কৈলাশ ফুকনৰ ঘৰ ওলালগৈ। কিন্তু গেটত হাত দিয়েই ঘৰৰ ভিতৰত বিভিন্ন ধৰণৰ বাক্-বিতণ্ডাৰ কথা তেওঁলোকৰ কাণত পৰিল। ক্ৰমান্বয়ে ওচৰ পোৱাত সেই চিঞৰ বেছি স্পষ্ট হৈ পৰিল। সেই তৰ্ক-বিতৰ্কৰ মাজত ভিনী-হিয়েক ডাঃ ফুকনে বায়েকক ঘৰৰ পৰা ওলাই যাবলৈ কোৱা শুনি ৰিমা যেন বজ্ৰপাত পৰা মানুহৰ দৰে হৈ পৰিল। বায়েকৰ আজি এই অৱস্থা কিয় ? ইমান টকা-পইচা থকাৰ পিছতো বাইদেউৰ আজি দুখ এৰাই নোৰ্কি ? চলিহাক বাহিৰতে থৈ ৰিমা তেওঁলোকৰ ওচৰলৈকে গ'ল। ভনীয়েকক তেনে মুহূৰ্তত দেখি বায়েক যেন অলপ লজ্জিত হৈ পৰিল। কাৰণ ফুকনৰ হাতত তেতিয়া মদৰ গিলাচ আৰু আৰু বায়েকৰ কপালত তেজৰ দাগ আৰু চকুত চকুৰ পানী। সেয়ে তেওঁ ভনীকেক কিবা কবলৈ মুখ মেলোতেই ফুকনে ইতস্ততঃভাৱে ৰিমাক বহিবলৈ দি ঘৈণীয়েকক কিবা ইঙ্গিত দিয়াৰ নিচিনা কৰিলে। বায়েক অপমানত ভিতৰ সোমাল। ফুকনেও ৰিমাক সেই মুহূৰ্ত্তে বায়েকৰ নানা ধৰণৰ কীৰ্ত্তি-কলাপৰ কথা কবলৈ ধৰিলে। "মোৰ বিনা অনুমতিত আৰু অনুপস্থিতত সঞ্জীৱ দত্তৰ নিচিনা এজন মানুহৰ মোৰ ঘৰত সঘনে প্ৰৱেশৰ কাৰণ কেনে ধৰণৰ ? নৈতিকতাহীন এনে এজন পুৰুষৰ লগত তেওঁৰ এনে কি সম্বন্ধ থাকিব পাৰে যাৰ দ্বাৰা তেওঁ নহ'লে কোনো কাম সিদ্ধি নহয়। ভনীয়েকক বিয়া দি তাৰ দ্বাৰা তেওঁৰ মনোকামনা চৰিতাৰ্থ কৰাই যদি তেওঁৰ উদ্দেশ্য আছিল, গতিকে আজিৰ পৰা তাকেই হওঁক।

মোৰ পৰা হৰ্ষমনে বিদায় লওক, তাতেই মোৰ পৰম শান্তি। ধনেৰে চৰিত্ৰ কিনিবলৈ যোৱা এনে এগৰাকী তিৰোতা মোৰ পত্নী কেতিয়াও হ'ব নোৱাৰে। ... ... ”

ৰিমাই ভিনীহিয়েকৰ মুখত বায়েকৰ এনে ধৰণৰ কথা শুনি অতি লজ্জিত আৰু আচৰিত হ'ল। কাৰণ চলিহা তেওঁলোকৰ ঘৰত সেইদিনা প্ৰথম দিনাৰ বাবে সোমাইছে আৰু তেনেক্ষেত্ৰত প্ৰথম দিনাই বায়েকৰ গুণ-গৰিমাৰ কথাবিলাক তেওঁৰ কাণত পৰিব লগা হোৱাত তেওঁ অতিশয় লজ্জিত হ'ল।

সেইদিনা ৰাতিটো কোনোমতে পাৰ কৰি ৰাতিপুৱাই ৰিমা আৰু চলিহা দুয়ো ঘৰলৈ উভটিল আৰু মাক-দেউতাকৰ আগত ভিনীহিয়েকে কোৱা বায়েকৰ সকলো কৰ্মৰ বৃত্তান্ত ডাঙি ধৰিলে।

ৰিমাৰ কথা শুনি প্ৰথম দিনৰ বাবে দেউতাক প্ৰবীণ বৰুৱাৰ মন কলীয়া ডাৱৰে আবৰি ধৰিলে। কিন্তু তাতোকৈ বেছি মৰ্মাহত হ'ল যেতিয়া বৰজীয়েক ৰীতা চিৰদিনৰ বাবে আহি তেওঁৰ ঘৰত উপস্থিত হ'লহি। ৰিতাৰ মুখৰ অসংখ্যাত কথা আৰু বিকৃত ৰূপে বৰুৱাৰ সদাহাস্যমান মুখত কোটিল ৰূপ প্ৰকট কৰি তুলিলে। তেতিয়াৰ পৰাই ক্ৰমান্বয়ে সু-শৃংখলিত বৰুৱাৰ সংসাৰলৈ নামি আহিল অমাৱশ্যাৰ ঘোৰ অন্ধকাৰ। অনাগত জীৱনটোৰ প্ৰতিটো পদক্ষেপতে বিশৃংখলতাই চাৰিওফালৰ পৰা আবৰিবলৈ ধৰিলে। পুতেক-বোৱাৰীয়েক, নাতি-নাতিনীৰে পূৰ্ণ সংসাৰখনত তেওঁ হ'বলৈ ধৰিলে এটা মাথো সমালোচনাৰ পাত্ৰ। তেওঁ হ'বলৈ ধৰিলে ঘৰখনত মাথো এক অৱহেলিত আৰু অনাদৃত পদাৰ্থ মাত্ৰ। ইয়েই কৰি পেলালে তেওঁক আসন্ন মৃত্যুৰ ক্ষণ গণি থকা এক জড় পদাৰ্থ। এই সমাজত তেওঁৰ আৰু প্ৰাপ্য একো নোহোৱা হ'ল। যিখন সমাজত এসময়ত তেওঁ আছিল অতি ভব্যগব্য তেনে এখন সমাজৰে তেওঁ হৈ পৰিল এতিয়া অতি নিকৃষ্টতম। জীৱনৰ প্ৰতিটো মুহূৰ্ত্তই হৈ পৰিল তেওঁৰ বাবে জোঁৱাৰেৰে ভৰা বিশাল সাগৰ। যিদিনাই তেওঁ এই বিশাল সাগৰৰ মাজৰ পৰা পাৰ পালে, সেইদিনাই তেওঁৰ জীৱন ৰজনীও নাইকিয়া হৈ পৰিল। ●

# ধুমুহা

প্ৰৱক্তা শ্ৰীভুপেন তালুকদাৰ

দেৱলাই দোৰাদোৰিকৈ জোনালী আৰু দেয়েনক ভাত কেইটা বাঢ়ি দি ক'লে—“জলকীয়া আজি এটিও নাই, নিমখদিয়ে খোৱা। ভাত কেইটাও ভালদৰে নিসিজিল। নবাবে ভাত ৰান্ধিব কেইটাও পাৰিবনে ? বাইদেৱে বকিব। তইঁতে ভাত খাই কামলৈ যাবি। মোৰ অহাত দেৰি হ'ব পাৰে।” জপনাৰ পৰা মোনাখন লৈ দেৱলাই বেগাবেগিকৈ ৰাস্তাত খোজ ললে। খোজ পেলাইয়ে দেৱলাৰ অমলাদেৱীৰ (মৌজাদাৰণী বাইদেউ) প্ৰতিচ্ছবি মনলৈ আহিল। “এনেয়ে বাইদেউ খঙত টিঙিৰি তুলা হৈ থাকে, তাতে আকৌ বাইদেউৰ কথামতে সোনকালে কামলৈ যাব নোৱাৰিলোঁ। বাইদেৱে বন্দবস্তিৰ মোক আজি সোনকালে যাব কৈছিল। সময়তে প্ৰতি দেওবাৰে ঘৰ মচা, কাপোৰ ধোৱা আদি কাম কৰিম বুলি প্ৰতিশ্ৰুতি দিছিলোঁ। যোৱা দেওবাৰেতো কামলৈয়ে যাব নোৱাৰিলোঁ। বন্দবস্তিৰ দুদিন পিছতে মোৰ জ্বৰ হ'ব লাগেনে ? আৰু আজি ! বাইদেৱে যদি মোক কৈ দিয়ে তই মোৰ ঘৰত কাম কৰিব নেলাগে। ত্ৰিছ টকা মাহত এনেয়ে দিব নোৱাৰোঁ নহয়। তেতিয়াতো মোৰ পানীত হাঁহ নচৰা অৱস্থা হ'ব।” গাৱঁৰে জোনাৰামে কিবা কিবি কৰি দেৱলাক অমলাদেৱীৰ ঘৰত কামৰ বন্দবস্তি কৰি দিছিল। পাঁচ বছৰমান আগৰে পৰা বাংলাদেশী তিৰোতা এগৰাকীয়ে অমলাদেৱীৰ সকলো ঘৰুৱা কাম কৰি আছিল। কিন্তু কেইদিনমানৰ আগতে সেই তিৰোতা গৰাকী হঠাৎ অদৃশ্য হোৱা হেতুকে জোনাৰামে দেৱলাক কামত সুমুৱাই দিয়ে।

দেৱলাৰ কামত ফাঁকি দিয়া অভ্যাস মুঠেই নাই। আজি বাৰ বছৰে তাই পগলা কুকুৰৰ দৰে ঘূৰি ঘূৰি কাম কৰিয়েই মূৰৰ চুলি পকালে। জোনালীয়ে কাম কৰিব পৰা হোৱাত অৱশ্যে তাই কিছু সকাহ পাইছে। সৰ্বেশ্বৰ দোকানীয়ে দুবছৰমান আগৰে পৰা জোনালীক তাৰ ঘৰলৈ কাম কৰা ছোৱালী হিচাবে লৈ গৈছে। আজি পুৱা সৰ্বেশ্বৰে দেৱলাক মাতি পঠোৱা হেতুকে তাৰ পৰা ঘূৰি অহাত পলম হ'ল। দেৱলাৰ সৰ্বেশ্বৰৰ ওপৰত বৰ খং উঠিল : “সৰ্বেশ্বৰ দোকানীয়ে মোক খালে। সি যদি আজি মোক নামাতিলেহেঁতেন তেতিয়া মই সময়মতে

আহিব পাৰিলোহেঁতেন। সৰ্বেশ্বৰ দোকানীয়ে জোনালীক চাকৰি দিম দিম বুলি আজি এবছৰ পাৰ কৰি দিলে। জোনালীৰ যদি চাকৰি হৈ গ'লহেঁতেন তেতিয়াতো মই এনেকৈ লোকৰ ঘৰে ঘৰে কাম বিচাৰি যাব নালাগিলহেঁতেন। কিমাননো আৰু সৰ্বেশ্বৰৰ ঘৰলৈ তাঁত-বাটি কৰিম। চাকৰি দিয়াৰ সলনি ছোৱালীজনীক আচল চাকৰণীহে কৰিলে। ঘৰৰ সকলো কামটো কৰেই আনকি সৰ্বেশ্বৰৰ গা-মূৰ পিটিকিও দিব লাগে।

আকাশ-পাতাল ভাবি-গুণি কেতিয়া অমলা দেৱীৰ পদূলি মুখ পালে দেৱলাই ততকে ধৰিব নোৱাৰিলে। হঠাৎ যেন অমলা দেৱীৰ কৰ্কশ মাতটোৱে দেৱলাৰ বুকুত টঙ্কৈ মাৰিলে। তেতিয়াহে দেৱলাই গম পালে বাইদেউৰ ঘৰ দেখোন পালোঁ। পদূলি মুখৰ পৰাই অমলা-দেৱীৰ ভোঁভোৱনি দেৱলাৰ কাণত পৰিল। "আজি তাই আহক, দিম এপালি। যোৱা দেওবাৰে হ'ল তাইৰ জ্বৰ, আজি তাই মৰিলনেকি? সৰ্বেশ্বৰ দোকানীৰ ঘৰত হ'লে মাক-জীয়েকে কাম কৰি খুব স্ফুৰ্ত্তি পায়। সৰ্বেশ্বৰ দোকানীৰ মিঠা আলিঙ্গনৰ সোৱাদ পাহৰিব পাৰিবনে? আজি এসপ্তাহে মোৰ ঘৰত কাম কৰা হোৱা নাই, তাইক যে কত কি লাগে। কালি খুজি গৈছে কৰ্দ্দৈ টেঙা। কৰ্দ্দৈ জোপা দেখি তাইৰ জিভাৰ লকলকনি উঠিছে। খুৱাম আজি তাইক ভাল কৰ্দ্দৈ টেঙা।" এজাক যেন ধুমুহা দেৱলাৰ বুকু ভেদ কৰি গ'ল। দেৱলাই ভয় ভয়কৈ চোতালৰ এটি কোণত থিয় হ'ল। "বাইদেউ! আজিৰ কাৰণে মোক মাফ্ কৰক বাইদেউ।" অমলা দেৱীয়ে খং, ঠাট্টা আৰু হাঁহিৰ সুৰত ক'লে–, "সৰ্বেশ্বৰ দোকানীৰ ঘৰতে দিনটো আৰামত কটালি বোধহয়। আজি নাহি ৰাতিটো তাত কটালে আৰু বেচি আৰাম পালিহেঁতেন। তোৰ ছোৱালীজনীকটো তাক গটাই দিয়াৰে নিচিনা। তহঁ'ত দুয়োজনীয়ে ঘৰ এৰি সৰ্বেশ্বৰৰ ঘৰতে বাহৰ নেপাত কেলেই।" দেৱলাৰ অন্তৰ যেন হঠাৎ মধ্যাহ্ন সূৰ্য্যৰ প্ৰচণ্ড উত্তাপে দেই-পুৰি নিয়াৰ নিচিনা লাগিল। বাই-দেৱে কিয় তেনেকৈ ক'লে! যাওক, সেইবিলাক কথা দেৱলাৰ দৰে মানুহে ভাবিলে শোভা নাপায়। যাৰ ধন নাই তাৰ মান থাকিব ক'ত! দেৱলাই ঘৰৰ পৰা সাজ-বাচনবোৰ উলিয়াই কলৰ পাৰলৈ নিয়াত লাগিল। এসোপা কাপোৰ কলৰ পাৰৰ পকাত দলি মাৰি থৈ হিংস্ৰজন্তুৰ চাৱনিৰে অমলা-দেৱীয়ে ক'লে–"এইখিনি কাপোৰ ধুবি আৰু চাবি কাপোৰ যেন চাফা হয়। সৰ্বেশ্বৰ দোকানীৰ লগত যদি কিবা সকাম আছে ৰাতি পৰেও কৰিবি।" সাউতকৰে অমলা দেৱী কলৰ পাৰৰ পৰা গুচি আহিল। অমলা দেৱীয়ে কোৱা সকলো কাম সুকলমে কৰি গধূলি পৰত দেৱলা ঘৰ-মুৱা হ'ল। অমলা দেৱীৰ কথাবিলাকে দেৱলাৰ অন্তৰত কমাৰশালত কমাৰে হাতুৰীৰে লো পিটাৰ নিচিনা শব্দ কৰিব ধৰিলে। কথাই কথাই কিয় জানো বাইদেৱে মোক আৰু জোনালীক সৰ্বেশ্বৰৰ লগত সাঙুৰিব খোজে! সৰ্বেশ্বৰে যদি আমাক সহায় নকৰিলেহেঁতেন, আমাৰতো জীয়াই থকাই অসম্ভৱ হ'লহেঁতেন। তথাপি কিয় জানো এই অঞ্চলৰ মানুহে সৰ্বেশ্বৰৰ নামেই শুনিব নোখোজে। জোনালীয়েতো মোক আজিলৈকে সৰ্বেশ্বৰৰ বিষয়ে



বেয়াকৈ কোৱা নাই। বৰং মৰম কৰা বুলিহে কয়। আনকি মোকোতো সৰ্বেশ্বৰে কোনো দিনে বেয়াকৈ কোৱা নাই। কোনো কথাতেইটো সৰ্বেশ্বৰে মোৰ ওপৰত বাইদেউৰ দৰে খং কৰা নাই। জোনালীৰ ওপৰত কেতিয়াবা বাবু সৰ্বেশ্বৰে খংকৰে নেকি? তাইক আজি সুধি চাব লাগিব। আজি কেইদিনমানৰ পৰা অৱশ্যে জোনালীৰ পৰি-বৰ্ত্তন মোৰ পৰিলক্ষিত হৈছে। আগৰ সেই ৰাং-ঢালী ছোৱালীজনীয়েতো আজি কালি মুঠেই কথা বতৰা নকয়। মোৰ যেনেকৈ বাইদেৱে মুখ বন্ধ কৰিছে, তাইকো সৰ্বেশ্বৰে গালি-শপনি পাৰি তেনে কৰিলে নেকি? আকাশ-পাতাল ভাবি-গুণি দেৱলাই ঘৰৰ ওচৰৰ তিনি আলিটো পালে। তিনি আলিৰ কাষৰ বিমলাই হাঁহি হাঁহি ঘৰৰ পৰা ওলাই আহি দেৱলাৰ ওচৰত থিয় হ'ল। যেন এটা শুভ খবৰ বহু পৰৰ পৰা দিবলৈ উদিগ্ন হৈ আছে। বিমলাই কলে: "তই বৰ ভাগ্যৱতী, তইঁতো ওলাই গৈছ ঘৰটোও গিৰিস্‌কৈ পৰিছে। যদি ওলাই নগৈ কিছু সময় ঘৰতে সোমাই থাক, তইঁত সোপাইতো মৰ।" হঠাৎ যেন দেৱলাৰ চিন্তাৰ ঢৌৱে এটি পাৰত খুন্দা মাৰিলে। দেৱলাই যেন কথাটো ভালদৰে বুজিব পৰা নাই। এখোজ-দুখোজকৈ ঘৰলৈ আগুৱাই আহিল। পদূলিৰ পৰা ঘৰটোলৈ চকুহাল নিক্ষেপ কৰিলে। দেৱলাৰ ভৰি দুখন বোকাত পোত খোৱা যেন অনুমান হ'ল। মুখৰ মাত স্তব্ধ হৈ গ'ল। দুচকুৰ পৰা লোতক বাগৰি আহিল। অজানিতে এটি দীঘল হুমুনিয়াহ ওলাই আহি বায়ুমণ্ডলত চক্ৰবাত সৃষ্টি কৰিলে। "ঘৰটো বোধহয় ধুমুহা জাকতে ভাঙিল! পৃথিবীৰ বুকুত পানী নপৰোতে মোৰ ঘৰৰ বুকুত পানী পৰিলেও মোৰোতো এটি ঘৰ আছিল! কণা ধুমুহাজাকে মোৰ ঘৰটোহে পালেনে? "এটি এটিকৈ ঘৰ-টোৰ ইতিহাসে অন্তৰৰ মাজত ৰেখাপাত কৰিলে। ঘৰটো দেৱেনৰ জন্মৰ সময়তে বান্ধিছিল। কাশী গাওঁবুঢ়াই বাঁহ আৰু খেৰখিনি নিদিলে ঘৰ বান্ধিবই নোৱাৰিলেহেঁতেন। বেচেৰা দীনবন্ধুৱে ঘৰটো বন্ধাত বহুত সহায় কৰিছিল। আজিতো আৰু কাশী গাওঁবুঢ়া, দীনবন্ধু নাই। বাৰ বছৰ এই ঘৰটোতে কটালে। কিন্তু আজি! গাভৰু ছোৱালীজনীক লৈ বাঁহনিৰ তলতো থাকিব নোৱাৰিব। পাখি ভঙা পখীৰ দৰে কিছু সময় অপলক নয়নেৰে দেৱলাই ঘৰটোলৈ চালে। তাৰ পিচত পদূলিৰ পৰা পোনে পোনে সৰ্বেশ্বৰ দোকানীৰ ঘৰলৈ খোজ ল'লে। দেৱলাই মনতে ভাবিলে– কেইদিন মানৰ কাৰণে সৰ্বেশ্বৰৰ ঢেকী-ঘৰতে থাকিব লাগিব। আকাশৰ পৰা উল্কা নামি অহা গতিৰে দেৱলাৰ ভৰিও সৰ্বেশ্বৰৰ ঘৰ অভিমুখে গতি কৰিলে। দেৱলাৰ চকুত পৰিল সৰ্বেশ্বৰ দোকানীৰ ঘৰৰ সন্মুখত মানুহৰ জুম। দেৱলাই ভাবিলে ধুমুহাজাকে বোধহয় সৰ্বেশ্বৰ দোকানীৰো ঘৰ ভাঙিলে। কিন্তু! সৰ্বেশ্বৰ দোকানীৰ ঘৰটো ধুমুহাই ভাঙিব পৰা ঘৰ নাই। "মানুহৰ জুমটোৱে মোলৈ ইমানকৈ লক্ষ্য কৰিছে কিয়? সেয়া দেখোন পুলিচো। নিশ্চয় ধুমুহাই বহুত কিবা ক্ষতি কৰিলে।" দুজন মানুহ আগুৱাই আহি দেৱলাক ক'লে– "তাক দেৱলা বাঈ শুনাই নেৰিবি, তাৰ ওপৰত কেচ্ ফাইল কৰ।" দেৱলাৰ মনে যেন কথাৰ গুৰি

ঢুকি পোৱা নাই। একেচাতে দেৱলাই সৰ্বেশ্বৰৰ দোকান ঘৰত প্ৰৱেশ কৰিলে। দোকান ঘৰৰ ভিতৰত থকা এজন মানুহে দেৱলাক কলে— "তোৰ ছোৱালী ইয়াত নাই, এই মাত্ৰ পুলিচে হাস্পতাললৈ পোষ্টমৰটেম্ কৰিবলৈ লৈ গ'ল।" পোষ্টমৰটেম্ শব্দটোৰ অৰ্থ বুজি নাপালেও, হাস্পতাল শব্দটো শুনিয়ে দেৱলাই হুৱা-দুৱা লগালে। "মোৰ ছোৱালীজনীক ধুমুহা জাকে খালে নেকি ঔ" বুলি হাস্প্তাল অভিমুখে দৌৰ ললে। কেনেকৈ যে তিনিমাইল বাট অতিক্ৰম কৰিলে দেৱলাই গমকে ধৰিব নোৱাৰিলে। হাস্পতাল পাই দেৱলাই ইটো ৱাৰ্ডৰ পৰা সিটো ৱাৰ্ডলৈ গৈ জোনালীক বিচৰাত লাগিল। হঠাৎ দেৱলাৰ দৃষ্টি গোচৰ হ'ল— কেইজনমান ডাক্তৰে বগা কাপোৰেৰে ঢাকি ৰখা মানুহ এজনক চাই থকা। একে দৌৰে ডাক্তৰৰ বৃমৰ মাজলৈ গৈ দেৱলাই চিঞৰি ক'লে – "এইজনী মোৰ ছোৱালী অ ·· ···। কি হৈছে অ' "— বুলি মৃত জোনালীৰ দেহৰ ওপৰত জপিয়াই পৰিল। ডাক্তৰ এজনে দেৱলাক জোনালীৰ গাৰ পৰা এৰুৱাই আনি ক'লে "তোমাৰ ছোৱালী মাতৃ হ'বলৈ ওলাইছিল, সেয়েহে বোধহয় আত্মহত্যা কৰিলে।" ধুমুহা যেন পুনৰ আৰম্ভ হ'ল। চাৰিওফালে কেৱল কাল ধুমুহাৰ গগণ ফলা চিঞৰ · ···। ধুমুহা !! ধুমুহা !! ধুমুহা !!! ●

সৰস ৰচনা ঃ

# মোৰ আত্ম পৰিচয়

শ্ৰীপ্ৰতিমা হাজৰিকা ঃ প্ৰাক্-বিশ্ববিদ্যালয় ২য় বাৰ্ষিক

মোৰ নামটো কি আপোনালোকে জানেনে। আপোনালোকে জানে নাজানে মই নাজানো ? নামটো নাজানিলেও আপোনালোক আটায়ে মোক ব্যৱহাৰ কৰে। মই নহ'লে কিছুমানৰ দিনতে আন্ধাৰ। এখন্তেক সময়ো মোক এৰি থাকিব নোৱাৰে। য'তে ত'তে আপোনালোকৰ আগত আগ স্থান লাভ কৰোঁ মই। বিয়া-সবাহ সকলোতে মোৰ ব্যৱহাৰ হয়। মুঠতে মই নহ'লে আপোনালোক নচলে বুলি কলেও ভুল বা বঢ়াই কোৱা নহব'নেকি ? মোক লৈ আপোনালোকৰ কিছুমানে বেপাৰ-বাণিজ্য কৰে। দুখীয়া, গৰীব-সকলে টকা-পইচা গোটাব নোৱাৰিলে বা কম হ'লে বেপাৰৰ বস্তু হিচাবে মোকে নিৰ্বাচন কৰে। এতিয়া ভাবি চাওকচোন মই কিমান সৰবৰহী। এতিয়া আপোনালোকে কওকচোন বাবু মোক চিনি পালেনে ? বা মোৰ নামটো জানিলেনে ? নাজানিলে আপোনালোক ৰৰ অজলা দিয়ক। বুলিবা আপোনালোক আচৰিত হৈছে নহয়নে ? আচৰিত এইটো আকৌ ওলালহি ক'ৰপৰা। আচৰিত হ'বই। হোৱাৰ কথাই নহয়।

মোৰ জন্ম বৃতান্ত শুনিলে আপোনালোক আৰু আচৰিত হ'ব। থাওক দিয়ক। জন্ম কথাটো নকওঁ, কাৰণ জন্ম কথাটো ক'লে নামটোও ক'ব লাগিব। নামটো জানিলে আপোনালোকে মোৰ পিছৰ কথা নুশুনিব। সেইবোৰ পিছত ক'ম। আগে মোৰ গুণবোৰ শুনকচোন। আলহী-অতিথি, পূজা-পাৰ্বনণ সকলোতে মোৰ ব্যৱহাৰ হয়। মোক আপোনালোকে ব্যৱহাৰ কৰা মানে মোৰ ধ্বংস। মই বেয়া নাপাওঁ। কাৰণ মোৰ কৰ্ত্তব্যই সেইটো। মোৰ পুলি-পৰ'খাবোৰ জন্ম লবচোন, তেতিয়া মই বৰ ভাল পাম। আপোনালোকৰ মাজৰ বুঢ়ালোক-সকলে মোক লৈ ৰং কৰে। মোক পালে তেওঁ-লোকক একোকে নালাগে। মোক আপোনা-লোকে পাঁচটা ৰূপত পায়। তাৰে তিনিটা মোৰ বয়স অনুযায়ী হয় আৰু দুটা ৰূপ আপোনালোকে বনাই লয়। আপোনালোকে বাবু নিজকে আনৰ ইচ্ছামতে সজাবলৈ দিয়েনে ? কেতিয়াও নিদিয়ে। মই কিন্তু দিওঁ। আপোনালোকে বনোৱা মোৰ এটা ৰূপ দেখিলে মোৰ বৰ হাঁহি উঠে। মোৰ এই ৰূপ আপোনালোকে কি ভাল পায় মই

নাজানো। কিছুমানে আকৌ মোৰ এই ৰূপত বৰ ঘিণ কৰে। হাতেৰেই নুচুৱে। কিনো কব! ঘিণ কৰিবই দিয়কচোন, কাৰণ তেতিয়া গাত যিহে বগা বগা দীঘল বগাই ফুৰে, মোৰেই ঘিণ লাগে। ঘিণ কৰা সকলেও মোক ব্যৱহাৰ নকৰাকৈ নাথাকে।

আপোনালোকে বনোৱা আন এটা ৰূপৰ কথা কওঁ শুনকচোন। সকলোৱে মোৰ এই ৰূপ কৰিব নাজানে। নাজানিলে মো বৰণ ক'লা হৈ পৰে আৰু জানিলে বগা ধুনীয়া হওঁ। জনাসকল মোৰ বৰ ভাল লাগে। তেতিয়া ভদ্ৰ সমাজত মোৰ ব্যৱহাৰ বৰ বেছি হয়। মোৰ লগত আৰু ন ন বস্তু লগ লগাই দি অতিমাত্ৰা ব্যৱহাৰৰ উপযোগী আৰু দামী কৰি তোলে। বুঢ়াসকলে মোক তেতিয়া বেয়া পায়। সেইটোৰ পৰাহে বেয়া লাগে। তথাপিও ভাল লাগে। কাৰণ ডেকা-গাভৰুৰ হাতৰ মৰমৰ পৰশ পাই তেওঁলোকৰ হাতে ঘূৰি ফুৰিব পাৰোঁ। আপোনালোকৰ দৰে মোৰো সতেজ মন এটা আছে দিয়কচোন। আপোনালোকৰ মোৰ কথা শুনি আমনি লাগিছে নহয়। বেয়া নাপাব, বেছি নকওঁ। মই নিজে বয়স অনুসৰি হোৱা ৰূপটোৰ কথা কওঁ শুনকচোন। মই নিজে মোৰ বয়স অনুসৰি হোৱা এই ৰূপটোক ভাল লাগে। মোৰ এইখিনি সময়ত মানুহ তথা আপোনালোক আৰু এবিধ প্ৰাণীৰ মাজত হোৱা খৰিয়ালখন চাই বৰ ভাল লাগে। নীলিম আকাশৰ দূৰ-দিগন্তত উদ্ভাসিত হোৱা ৰামধেনু চাই নীৰৱ দৰ্শক হোৱাৰ দৰে আপোনালোক দুয়োবিধ প্ৰাণীৰ মাজত হোৱা কাজিয়াখন মোৰ সৰু কালছোৱা। যাক আপোনালোকে শিশুকাল বোলে। কাৰণ তেতিয়া মইও বালক আৰু মোক লৈ ব্যস্ত হোৱা প্ৰাণীবোৰো বালক। অৰ্থাৎ আপোনালোকৰ মৰমৰ সন্তানসকল সিহঁতে মোক লৈ ক'ত যে ৰং আৰু খেল-ধেমালি কৰে তাৰ সীমা সংখ্যা নাই। আপোনালোকৰ কেনেকুৱা লাগে মই নাজানো, মোৰ হ'লে এই সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ লগত থাকি বৰ ভাল লাগে। আৰু এটা কথা নকওঁ বুলি ভাবিছিলোঁ, কওঁ দিয়ক। বেয়া নাপাব। আপোনালোকৰ মাজত কাৰবাৰ কিবা কাৰণত দণ্ড-হাই লাগিলে মিত-মাত কৰিবৰ হ'লে কোনোৱে মোক ব্যৱহাৰ কৰে। এজনে যদি আনজনে দিয়া সেই মোক হাঁহি মুখে ব্যৱহাৰ কৰে, তেনেহলে আনজনে ভাবে যে কাৰ্য্য সিদ্ধি। তেতিয়া মোৰ বৰ ভাল লাগে। কিন্তু যেতিয়া অগ্ৰাহ্য কৰে তেতিয়া আৰু মোৰ অৱস্থা তথৈবচ। "উৰহৰ খং ভগাচাৰীত" তোলাৰ দৰে মোৰ গতি হয়। খঙৰ কোবত দলি মাৰি পঠিয়াব, বাগৰি বাগৰি গৈ অৱশেষত তাতে মোৰ চিৰ-চেনেহী মাতৃৰ গৰ্ভত নিজে নিজে বিলীন হওঁ।

বহুত ক'লো, কিন্তু মোৰ জনম বৃত্তান্ত কোৱা নাই। গতিকে মোৰ মনটো কেনেবা কৰি আছে। কওঁ শুনক। মই এই পৃথিবীৰ বস্তু নহয়। মোৰ আদি বাসস্থান আছিল দেৱতাসকলৰ লগত। তেখেতসকলে মোক বৰ আদৰ কৰিছিল। পিছে সৃষ্টি-কৰ্ত্তা ব্ৰহ্মাৰ পুত্ৰ, পালন কৰোঁতা পৰমেশ্বৰৰ ভক্ত নাৰদ মুনিয়ে আলোচনা কৰি ক'লে যে—পৃথিবীৰ নৰৰ মাজতো মোৰ বিতৰণ হ'ব লাগে। পুত্ৰকৰ কথা শুনি পিতাকে তেৰাৰ হাততে মোক পৃথিবীলৈ প্ৰেৰণ কৰিলে। ঈশ্বৰ ভক্ত নাৰদে ভগৱানৰ নাম জপ কৰি তেওঁৰ বাহন ঢেকীত উঠি-বলৈ আহি মোক লবলৈ নিৰাপদ ঠাই এটুকুৰাৰ অভাৱ অনুভৱ কৰিলে। কাৰণ য'তে ত'তে ললে বাটতে কৰবাত পৰিও যাব পাৰোঁ। অৱশেষত উপায়ন্তৰ হৈ মোক লবলৈ ঠাই বিচাৰি পালে কাষলতিৰ তলত। মোৰ ফালে গতি লাগিলে বুলিয়েই মই ভাবিছিলোঁ। উশাহ লব নোৱাৰি মোৰ গাৰ ছাল গেলি-পচি গোন্ধ ওলাইছিল। আমাৰ সেই মাখি ককাই পকাৰ সুবিধা হোৱা হ'লেতো আছিলেই আৰু। উশাহ বন্ধ কৰি কিমান সময় থাকিম। ইপিনে মুনিদেৱৰ গাৰ নিমখীয়া লোণৰ গোন্ধ আছেই। যি কি নহওক উশাহ লব নোৱাৰি মোৰ নাৰী-তৰু সকলো ওলাই আহিল। মোৰ মনৰ আশা মনতে গ'ল বুলি ধৰিলোঁ। ভাবিলোঁ পৃথিবীৰ গোন্ধ এই জনমত নাপাম আৰু। পিছে যেতিয়া নাৰদে নিৰ্দিষ্ট ঠাই পাই মোক উলিয়াই বৰ সন্তোষেৰে হাঁহি ক'লে "গজালি"। মই শুনি আচৰিত হ'লো, কাৰণ মোৰ নাম বুলি ভাবিলোঁ। তাৰ পিছত মোৰ গাৰ গোন্ধত থাকিব নোৱাৰি কলে "গুৰোৱা"। এইবাৰ আৰু আচৰিত হলোঁ। যি কি নহওঁক মুনিবৰে শেষত মোক চিৰ-চেনেহী বসুমতী আইক অৰ্পণ কৰি তেওঁক বুকুত তুলি দি মোৰ দায়িত্বভাৰ দিলে। সাদৰি আইয়ে মোক মদাৰৰ দৰে অনাদৰ নকৰি গোলাপৰ দৰে সাৱটি ললে। অলপ দিনৰ পিছত মোৰ নাৰীবোৰৰ পৰাই মোৰ এগৰাকী সন্তান জন্ম হলে আই মাতৃৰ বুকুতে। মোৰ সন্তানটো শকত-আৱত নহ'ল। খিন মানে একেবাৰে লৰা বিধৰ হ'ল। সদৌ শেষত হ'ল কি আমাৰ জাতটোৰ সেইটো ৰূপেই হ'ল। সেইজনীৰ পৰাই বংশ



বিস্তাৰ হৈ গোটেই পৃথিবীতে আপোনালোকৰ মাজত বিস্তাৰিত হ'লোঁ। আপোনালোকে গুণীৰ গুণ বুজি মোৰ নাম থলে "অমোল"। বুঢ়ালোকে মোক গুৱা বুলিয়েই কয়। মোৰ সৰু অৱস্থাক কয়—কেও তামোল কিছুমানে আকৌ কেঞা তামোল বুলিও কয়। ডেকা অৰ্থাৎ পৈণত অৱস্থাত কয় "পকা" বা বুঢ়া তামোল। আপোনালোকে বনোৱা মোৰ ৰূপ এটাক কয় "চুফাৰি"। এই নামটো বৰ ভাল লাগে নহয়!

মোৰ ব্যৱহাৰ: আপোনালোকে খোৱা, বিয়া-সবাহ, বেপাৰ-বাণিজ্যত ব্যৱহাৰ কৰাৰ উপৰিও বিহু-গীতকে আদি কৰি সকলোতে মোক ব্যৱহাৰ কৰিছে। এবিধাৰ আধা অৰ্থাৎ এফাল পাণত মোক চাৰি-চিটা কৰি এচিটা নুৰিয়াই শৃঙ্গৰাটোৰ আকৃতিৰ কৰিলে তাক থুৰিয়া তামোল বোলে। সবাহত প্ৰচুৰ আগত তেনেদৰে মোক নিবেদন কৰে। তাকে বিহুগীতত আপোনালোকে কি সুন্দৰকৈ ব্যৱহাৰ কৰিছে শুনকচোন—

বিহুটি আহিলে ৰমকে জমকে
দেহা কৰে ৰাই জাই।
থুৰিয়া তামোলখন দিবলৈ নাপালোঁ
আইয়ে মোক আহিলে চাই॥

সচাঁয়ে আপোনালোকৰ মৰম নোপোৱা হ'লে মোৰ অৱস্থা কি হ'লহেঁতেন মই ক'ব নোৱাৰোঁ। সেয়েহে ভাবিলোঁ মোক ইমান সুন্দৰ মৰম কৰে যেতিয়া মোৰ কাহিনী অকনমাণকে কওঁ। "মই মহামতি মহামূৰ্খ আতি"— গতিকে বহুতো ভুল-ভ্ৰান্তি হ'ব পাৰে। ভুল হ'লে ক্ষমা কৰিব।

## একাংক নাট ঃ

# যুগৰ সমাধি

অপৰূপা সিন্‌হা, স্নাতক ২য় বাৰ্ষিক

**চৰিত্ৰসমূহ :**

১। এজন আধুনিক যুৱক পল্লৱ।
২। পল্লৱৰ বান্ধবী কঙ্কনা।
৩। পল্লৱৰ বান্ধবী তৃষ্ণা ।
৪। পল্লৱৰ বিবেক (এজন যুৱক)
৫। জগতৰ বাস্তৱ (এগৰাকী আধুনিক যুৱতী)
৬। জগতৰ বাস্তৱ (এজন আধুনিক যুৱক)
৭। জগতৰ প্ৰকৃত সত্য নতুন (এগৰাকী যুৱতী)
৮। এজন খ্ৰীষ্টান পুৰোহিত ।

দৃশ্য:-

( বাটৰ কাষত থকা এখন খ্ৰীষ্টিয়ান কবৰ-খানা । দুই এডাল ক্ৰুচ কাঠ দেখা যায়। এডাল ক্ৰুচ কাঠত মম এডাল জ্বলি থাকে। মঞ্চৰ আঁৰ-কাপোৰ আঁতৰাৰ লগে লগে মঞ্চ আৰু থিয়েতাৰ হল সম্পূৰ্ণ আন্ধাৰ হয় ) ।

শ্ৰদ্ধেয় ৰাইজ আৰু যুৱছাত্ৰ বন্ধুসকল,

অহা কালিলৈ ১৫ এপ্ৰিল দেওবাৰে বিয়লি ৩ বজাত স্থানীয় জনতা ভৱনত ৰাজ্যিক তথা জনসংযোগাৰক্ষী বিভাগৰ সৌজন্যত এখন বিৰাট ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে । উক্ত সভাত পৃথিবীৰ আলোড়ন সৃষ্টিকাৰী–মহাকাশচাৰী, চন্দ্ৰৰ বুকুত প্ৰথম খোজ দিয়া মানৱ, আমেৰিকাৰ নীল-আমষ্ট্ৰং উপস্থিত থাকি চন্দ্ৰৰ বুকুত পোৱা অভি-জ্ঞতাৰ সম্বন্ধে ভাষণ দিব । লগতে ভাৰতৰ ডাক্তৰ সন্থাৰ সভাপতি এলবাৰ্ট থমাছে পৃথিবীৰ শেহতীয়া বিস্ময় পৰীক্ষা নলীত মানৱ এই সম্বন্ধে ভাষণ দিব। উক্ত সভাত সকলো ৰাইজ, আৰু ছাত্ৰ–ছাত্ৰী-সকলক দলেদলে যোগদান দিবলৈ অধুৰোধ জনালোঁ।

ধন্যবাদ —

(উপৰোক্ত কথাৰ মাজতে এজন পুৰোহিতৰ মণ্ডত প্ৰবেশ আৰু আঠুকাঢ়ি একাষে প্ৰাৰ্থনা কৰে। ধন্যবাদ বুলি কোৱাৰ লগে লগে পল্লৱৰ প্ৰৱেশ)।

পল্লৱ : পৰীক্ষা-নলীত মানব। (এনেতে মঞ্চত পোহৰ হয়, লগে লগে পুৰোহিতজন থিয় হয়) সচাঁকৈয়ে বিজ্ঞানৰ বিৰাট জয় লাভ (পুৰোহিতজনলৈ চাই) Hallow তুমি কোন? এই কবৰ স্থানৰ কাষত—

পুৰোহিত : মোৰ পৰিচয় বিচাৰিছা।

পল্লৱ : এৰা, এই অন্ধকাৰে আৱৰা কবৰ স্থানত তুমি কি কৰিছা?

পুৰোহিত : বিচাৰিলে অন্ধকাৰৰ মাজতো পোহৰ পোৱা যায়। আৰু সেই পোহৰ দিয়া জনৰ লগত মই অলপ কথা পাতিলোঁ।

পল্লৱ : কিন্তু ইয়াততো তোমাৰ বাহিৰে কোনো নাই।

পুৰোহিত : আছে বোপা। মোৰ বাহিৰে আন এজনো আছে। যিজন তোমাৰ মোৰ আমাৰ আটাইৰে লগত সদায় থাকে। সেইজন আমাৰ ঈশ্বৰ, প্ৰভু, ভগৱান।

পল্লৱ : (অলপ ঠাট্টাৰে) অ, আপুনি তাৰ মানে পুৰোহিত। এই কবৰ স্থানত প্ৰাৰ্থনা কৰিছে কিন্তু ··· ·· (হাঁহে)।

পুৰোহিত : কি হ'ল বোপা। হাঁহিলা দেখোন। তেৱেঁইতো আমাৰ সকলো। এই জগতখনৰ সৃষ্টিকৰ্ত্তা।

পল্লৱ : কোন? ভগৱান, খোদা নে God (ঠাট্টাৰে)

পুৰোহিত : তেওঁলোক এজনেই বোপা। তেওঁৰ ইচ্ছাতেই এই পৃথিৱীত সকলো হয়।

(এনেতে নেপথ্যত শুনা যায় : পৰীক্ষা-নলীত মানৱ এই সম্বন্ধে ভাষণ দিব। উক্ত সভাত ৰাইজ আৰু ছাত্ৰ-ছাত্ৰী দলে দলে যোগদান দিবলৈ অনুৰোধ জনালোঁ)।

পল্লব : সেয়া ঈশ্বৰ। পৰীক্ষা-নলীত মানৱ বিজ্ঞানৰ এক অপূৰ্ব সৃষ্টি। ভগৱান, খোদা, God সকলো মিছা। সত্য কেৱল এই জগতৰ বাস্তৱ। সত্য এই জগত।

পুৰোহিত : কিন্তু সেয়াও একমাত্ৰ প্ৰভুৰ ইচ্ছা।

পল্লব : (খঙেৰে) মিছা কথা। এই কথা মই কেতিয়াও মানি লব নোৱাৰোঁ। মানুহ দেৱতা, চন্দ্ৰৰ বুকুত মানুহে খোজ কাঢ়িছে, মানুহৰ হৃদপিণ্ড মানুহে সলনি কৰিছে। পৰীক্ষা-নলীত শিশুৰ জন্ম হৈছে। এইয়া কি ঈশ্বৰৰ কথা : এয়া একমাত্ৰ মানুহৰ ইচ্ছা। বিনিময়ত খৰছ হৈছে কিছু টকা। মানুহৰ এই ইচ্ছাৰ কোনো ভগৱান নাই।

পুৰোহিত : এটা কথা বোপা। সচাঁকৈয়ে এইয়া মানুহৰ আচৰিত কথা, কিন্তু এই সকলো কাৰ্য্য কৰিবলৈ মানুহে জ্ঞান পালে কাৰ পৰা? এই জ্ঞান হৈছে ভগৱানৰ দান।

পল্লৱ : এৰা ডাঙৰীয়া। মানুহৰ কথা অৱশ্যে মিছা নহয়। কিন্তু সেই সত্য আজিৰ নহয়। সেই দান আজিৰ নহয়। সেয়া এটা যুগৰ ইতিহাস। তেতিয়া মানুহে ঈশ্বৰ ঈশ্বৰ বুলি পাগল আছিল, আৰু আজি মানুহে বাস্তৱক লৈ পাগল হৈছে। এয়া বিজ্ঞানৰ যুগ। এই যুগত কোনো ভগৱান থাকিব নোৱাৰে।



পুৰোহিত : ভগৱান নথকাকৈ এই জগত চলিব নোৱাৰে বোপা। এই জগত তেওঁৰেই সৃষ্টি। আজিৰ বিজ্ঞান একমাত্ৰ ঈশ্বৰৰ দান।

পল্লৱ : (খঙেৰে) নহয় ডাঙৰীয়া। এই পৃথিৱীত কোনো ভগৱান নাই। আজিৰ ভগৱান একমাত্ৰ টকা, ধন-সম্পদ। এই জগতত শিক্ষাই ধৰ্ম, টকাই মানুহ আৰু মানুহেই ঈশ্বৰ। (এনেতে মঞ্চ আন্ধাৰ হয় আৰু বিবেকৰ প্ৰবেশ)

বিবেক : (Catch কৰি) সচাঁ কথা। সচাঁ কথা টকাই মানুহ, মানুহেই ঈশ্বৰ। তুমি ঠিক কৈছা কৈ যোৱা। মই তোমাৰ বিবেক, এই বিবেকৰ ওপৰত কোনো নাই।

পল্লৱ : নিশ্চয় মোৰ বিবেকেই ভগবান।

পুৰোহিত : চিন্তা কৰা বোপা। তোমাৰ সকলো মই বুজি পাইছোঁ। কিন্তু ·· ···

বিবেক : (Catch কৰি) বিবেকৰ ওপৰত কোনো কিন্তু হ'ব নোৱাৰে। মোৰ বাবেময়েই সকলো। একমাত্ৰ বিবেক।

পল্লৱ : চিন্তা কৰাৰ কোনো কথা নাই, মোৰ বাবে ময়েই সকলো।

পুৰোহিত : বোপা, তোমাৰ বিবেকক তুমি জয় কৰা। বিবেকক জয় কৰিব পাৰিলে তুমি শান্তি পাবা। বিবেকক দমন কৰা। ঈশ্বৰ তোমাৰ সহায় হ'ব।

বিবেক : মিছা কথা, মই মানৱৰ বন্ধু। তুমিয়েই একমাত্ৰ সত্য। তুমি আগবাঢ়ি যোৱা।

পল্লৱ : নাই, নাই বিবেক মোৰ শত্ৰু হ'ব নোৱাৰে। বিবেক মোৰ সহায়। মোৰ বন্ধু।

পুৰোহিত : তোমাৰ বন্ধু একমাত্ৰ ভগৱান। তেওঁ তোমাক চলাব। তোমাৰ সহায় হ'ব।

বিবেক : নাই, নাই তোমাৰ বন্ধু বিবেক। বিবেকেই তোমাক চলাব, তোমাৰ সহায় হ'ব।

পল্লৱ : এৰা মই চলিম মোৰ বিবেকৰ ওচৰত। বিবেক কেতিয়াও মোৰ শত্ৰু হ'ব নোৱাৰে।

পুৰোহিত : বোপা, নিজ বিবেকক জয় কৰিব পৰাজনেই প্ৰকৃত মানুহ। পাৰিবা, তুমিও নিশ্চয় পাৰিবা। প্ৰভুৱে তোমাক সহায় কৰিব। হে প্ৰভু, তোমাৰ এই দাসক তুমি চলাই নিয়া, তুমি তেওঁক শক্তি দিয়া। বিবেকক জয় কৰিবলৈ তুমি তেওঁৰ লগত থাকা। পাৰিবা বোপা তুমি নিশ্চয় পাৰিবা। মাত্ৰ চেষ্টা কৰা। মই আহো পুনৰায় তোমাক লগ পাম। (পুৰোহিতজনৰ প্ৰস্থান)

বিবেক : নাই নাই বিবেকৰ ওপৰত কোনো নাই। বিবেক তোমাৰ বন্ধু, তোমাৰ সহায়।

পল্লৱ : এয়া, এয়া কি হৈছে। মই, মোৰ বিবেক। শান্তি আনন্দ প্ৰকৃত মানব। বিবেক মোৰ বন্ধু, মোৰ শত্ৰু।

বিবেক : বিবেক বন্ধু! তোমাৰ বন্ধু! প্ৰতিজনৰ বন্ধু; একমাত্ৰ সহায়।

পল্লৱ : বিবেক মোৰ শত্ৰু। নাই নাই মোৰ শত্ৰু— একমাত্ৰ শত্ৰু।

বিবেক : বিবেক বন্ধু। তোমাৰ বন্ধু। চোৱা তোমাৰ কি নাই মান-সন্মান, ধন-সম্পত্তি, শিক্ষা-দীক্ষা সকলো আছে। তুমি পাৰিবা। এই পৃথিৱীত তোমাৰ বাহিৰে কোনো নাই। তোমাৰ বিবেক সদায় তোমাৰ বন্ধু হৈ আছে। তুমি চব পাৰিবা।

পল্লৱ : Oh No, মিছা কথা। নোৱাৰো, নোৱাৰো মোৰ পতন হ'ব। মই ভুল কৰিছোঁ। মই ক'ত আছো ?

বিবেক : মিছা কথা। পাৰিবা পল্লৱ। এই পৃথিৱীত কোনো ভগৱান নাই। তোমাৰ বাবে তুমিয়েই সকলো। তোমাৰ সকলো আছে। মই তোমাৰ বিবেক। মই তোমাক শান্তি দিম।

পল্লৱ : নাই। নাই। হ'ব নোৱাৰে। মোৰ পতন অনিবাৰ্য্য। মই কি কৰিছোঁ, ঈশ্বৰতকৈ ওপৰ কোনো হ'ব নোৱাৰে।

বিবেক : তোমাৰ বাবে একমাত্ৰ তুমি। মানুহেই ঈশ্বৰ। তুমিয়েই সকলো। বিবেকৰ পতন হ'ব নোৱাৰে।

পল্লৱ : (চিঞৰি) Oh No That is never, never. কেতিয়াও হ'ব নোৱাৰে। আঁতৰি যোৱা। বিবেক মোৰ সহায় নহয়। তাক ধ্বংস কৰা। মাৰা— সকলোৱে মাৰা। বিবেকক দমন কৰা। প্ৰভু মোক সহায় কৰা।

বিবেক : মই মৰিলোঁ। বচোৱা, বচোৱা, মোক বচোৱা. মোক ক্ষমা কৰা। মোক সহায় কৰা। বিবেকক এৰি নিদিবা। মোক এৰি নিদিবা। আহ। আহ ॥

( বিবেকৰ প্ৰস্থান, মঞ্চ পোহৰ হয় )

পল্লৱ : এয়া যে এক নতুন দিনৰ নতুন পোহৰ। কি সুন্দৰ। ইয়াতকৈ সুন্দৰ কি হ'ব পাৰে। কেৱল শান্তি। কোনো ভয় নাই, চিন্তা নাই। আছে এক অনন্ত সুখ। সেই সুখত আজি মই আত্মহাৰা। আজি মোতকৈ সুখী এই জগতত যেন আন কোনো নাই। কেৱল শান্তি— শান্তি আৰু শান্তি।

( এনেতে মঞ্চ আন্ধাৰ হয় আৰু বাস্তৱৰ প্ৰতীক যুৱক-যুৱতীৰ মঞ্চৰ দুয়ো কাষৰ পৰা প্ৰৱেশ। )

বাস্তৱ (যুৱক) : কোন তুমি ?

বাস্তৱ (যুৱতী) : কি নাম তোমাৰ ?

বাস্তৱ (যুৱক) : তুমি ইয়াত কিয় ?

বাস্তৱ (যুৱতী) : নিশ্চয় প্ৰিয়জনৰ সমাধিৰ কাষলৈ আহিছা।

বাস্তৱ (যুৱক) : কোনো লাভ নাই।

পল্লৱ : নাই নাই। মই প্ৰিয়জনৰ সমাধিৰ কাষলৈ অহা নাই। মই আহিছোঁ শান্তিৰ কাষলৈ। মোৰও চৰত শান্তি আছে। মোৰ নাম পল্লৱ। এই জগতৰ এজন বিজয়ী সৈনিক। লোভ, মোহ, কাম, ক্ৰোধেৰে ভৰপূৰ এই জগতৰ এখন বিস্তৃত যুদ্ধত জয়ী হোৱা শান্তিৰ এক জীৱন্ত বন্দী।

বাস্তৱ(যুৱক) : কিন্তু তুমি ইয়াত কিয় ? এইটো কবৰ স্থান। য'ত মাত্ৰ ভূত-প্ৰেতৰ বাস, য'ত আত্মাৰ কৰুণ ইতিহাস, য'ত আন্ধাৰৰ কোলাহল— তুমি।

বাস্তৱ (যুৱতী) : এয়া তুমি ক'ত আছা। ইয়াত তোমাৰ পদে পদে বিপদৰ আশংকা। কোনো শান্তি ইয়াত নাই। ইয়াত তোমাৰ স্থান নহয়। তুমি বাস্তৱৰ লগত মিলি যোৱা। আমি যে বাস্তৱ।

পল্লৱ : এৰা। কিন্তু মোৰ স্থান যে ইয়াত।



বাস্তৱ (যুৱক) : নহয় তোমাৰ ভুল হৈছে। চোৱা গোটেই জগতে তোমাক মাতিছে। তোমাৰ বাবে আজি প্ৰকৃতিও বিহ্বল। আহা তুমি। তোমাৰ পৰশত জ্বলি উঠিব ধৰাৰ বুকু। আহা, আহা তুমি। আমাৰ লগত। আমি পৃথিৱীৰ বাস্তৱ।

পল্লৱ : কিন্তু তোমালোক কোন ? তোমালোকৰ পৰিচয় ?

বাস্তৱ (যুৱক) : এৰা আমাৰ পৰিচয়, গোটেই জগতে আমাক চিনি পায়। আমি বাস্তৱ।

বাস্তৱ (যুৱতী) : আমাৰ পৰিচয়। গোটেই জগত চলি আছে আমাৰ ওপৰত— আমি বাস্তৱ।

( এনেতে নেপথ্যত শুনা যায় ৰূপালীমৰ ৰূপালী পৰ্দাত চলিব ধৰিছে "সত্যম শিৱম সুন্দৰম।" নিতৌ দিনৰ ২ বজাত, সন্ধ্যা ৬ বজাত আৰু নিশা ৯ বজাত। মধুৰ নৃত্য-গীতেৰে ভৰপূৰ এখনি সম্পূৰ্ণ ৰঙীন হিন্দী চিত্ৰ 'সত্যম শিৱম সুন্দৰম।' ( মা আজি দেখোন ঘৰত চাউলেই নাই, কিহেৰে ভাত বনাবা ) (ৰীভা তোমাক মই ভাল পাওঁ, খুব ভাল পাওঁ, তুমি মোৰ। ৰীভা তুমি একমাত্ৰ মোৰ ) (চোৰ, মই চুৰ কৰা নাই, মই চোৰ নহওঁ)। অসমৰ ভ্ৰাম্যমান নাট্যজগতৰ শীৰ্ষস্থানীয় দল কহিনুৰ থিয়েটাৰৰ আজি ২য় নিশা। এই বছৰৰ সৰ্বশ্ৰেষ্ঠ সামাজিক নাট।" পৃথিৱী টকাৰ গোলাম।" লগতে এখনি মনোমোহা নৃত্য-নাটিকা (ৰহদৈ লিগিৰী!, ৰহদৈ লিগিৰী)।

বাস্তৱ (যুৱক) : সেয়া আছিল আমাৰ পৰিচয়।

বাস্তৱ (যুৱতী) : আমি বাস্তৱ। এই জগতৰ বাস্তৱ- আজিৰ বাস্তৱ— ।

পল্লৱ : নাই, নাই মই নোৱাৰিম। এই বিচিত্ৰ জগতত মই বাস্তৱৰ লগত এজন পৰাজিত সৈনিক।

বাস্তৱ (যুৱক) : কিন্তু চেষ্টাৰ অসাধ্য একো নাই বন্ধু। পৃথিৱীৰ মানৱ চেষ্টাৰ বলত আজি চন্দ্ৰৰ বুকুত। সভ্যতাৰ শিৰত আজিৰ জগত জিলিকি আছে। তুমি পুৰুষ, তুমি নিশ্চয় পাৰিবা। ধন্য তুমি।

বাস্তৱ (যুৱতী) : সেই সভ্যতাৰ বুকুত তুমি খোজ মিলাই আগবাঢ়ি আহা।

পল্লৱ : ক্ষমা কৰা। সেই সময় মোৰ জীৱনত এতিয়া নাই। এখন বিশাল মৰুভূমিৰ অন্তত মই এখন সুন্দৰ মৰুদ্যান পাইছোঁ। সেই মৰুদ্যানৰ সৌন্দৰ্য্যই মোৰ জীৱনলৈ নতুন আকুলতা আনি দিছে। এই জগতৰ বাস্তৱ আজি মোৰ পৰা বহু দূৰত।

বাস্তৱ (যুৱক) : কিন্তু চেষ্টাৰ অসাধ্য একো নাই। ইচ্ছাৰে মানুহে সকলো কৰিব পাৰে।

বাস্তৱ (যুৱতী) : আহা পল্লৱ আগবাঢ়ি আহা। বাস্তৱৰ লগত মিলি যোৱা।

( এনেতে বাস্তৱৰ প্ৰস্থান। নেপথ্যত শুনা যায় প্ৰিয় উপস্থিত যুৱক-যুৱতীবৃন্দ আৰু সমবেত ৰাইজ, এইখিনিতে আমি আমাৰ খ্ৰীষ্টিয় উদ্যোগ সমিতিৰ উদ্দেশ্য সম্পৰ্কে জনাওঁ যে, আমাৰ প্ৰতিজন যুৱক-যুৱতীৰ আৰ্থিক দিশ প্ৰভুৰ আশীৰ্বাদেৰে বলবান কৰা। নিজ নিজ দৈনন্দিন জীৱনৰ পথত প্ৰভুক প্ৰকাশ কৰা আৰু প্ৰভুৰ পোহৰ নোপোৱা সকলৰ মাজত সেই পোহৰ

বিলাই দিয়া। নিজ চেষ্টাৰে প্ৰকৃত সত্যক প্ৰকাশ কৰি প্ৰভুৰ ৰাজ্য বৃদ্ধিৰ বাবে সজাগ কৰ্মীৰূপে কাৰ্য্য কৰা। সেয়েহে ধৰ্মগীতত আমি পাইছোঁ -

( আগবাঢ়া খ্ৰীষ্টিয়ানলোক, ৰণত যোৱা দল···

এনেতে মঞ্চ পোহৰ হয় আৰু কৰ্কনাৰ প্ৰৱেশ )

কৰ্কনা : পল্লৱদা তুমি ইয়াত আছা। মই তোমাক লগ পাবলৈ আহিছোঁ।

পল্লব : ক'ৰ পৰা আহিলা কঙ্কনা ? তোমাৰ খবৰ কেনে ?

কৰ্কনা : একপ্ৰকাৰ ভালেই পল্লবদা। ঘৰৰ পৰাই আহিলোঁ। পিছে তোমাৰ কেনে ? দুদিন মান দেখোন দেখাই নাই।

পল্লৱ : মোৰনো কেনে হ'ব। এক প্ৰকাৰ ভালেই। পিছে কিবা কামত আহিলা নেকি ?

কৰ্কনা : এৰা পল্লৱদা। আমাৰ এই অঞ্চলটোৰ সকলো যুৱক-যুৱতীয়ে মিলি এটা অনুষ্ঠান গঢ়িছোঁ যাতে আমাৰ জীৱন সফল হয়। লগতে সমাজখনৰ উন্নতিৰ বাবেও আশাকৰো পল্লৱদা, তুমি আমাৰ লগত যোগ দিবা। সেই বাবেই মই আহিছোঁ।

পল্লৱ : বৰ ভাল কথা কঙ্কনা। কিন্তু এটা কথা। সেই অনুষ্ঠানটিক তোমালোকে জানো সজাগ কৰি ৰাখিব পাৰিবা। পাৰিবা জানো মুক্তিৰ বন্ধন ভাঙি সত্যক প্ৰকাশ কৰিবলৈ।

কঙ্কনা : (দৃঢ়ভাৱে) নিশ্চয় পল্লৱদা। চেষ্টাৰ অসাধ্য একো নাই। মাত্ৰ লাগিব ত্যাগ— লগতে সহযোগিতা।

পল্লৱ : এৰা কঙ্কনা। তুমি ঠিক কৈছা। সহযোগিতাই এটি অনুষ্ঠানক মহৎ কৰি তোলে। তোমালোকৰ এই প্ৰচেষ্টাত মই বৰ বং পাইছোঁ। নতুনেৰে ৰূপ দিবলৈ ধৰা নৱ-প্ৰভাতত মই সুখী হৈছোঁ। মোৰ চকুৰ আগত আজি সেই নতুন আশাই নতুন সপোন ৰচনা কৰিছে। তোমালোক যেন সচাঁকৈয়ে কৃতকাৰ্য্য হোৱা।

এনেতে নেপথ্যত শুনা যায়— "শ্ৰদ্ধেয় ৰাইজ আৰু যুৱক-যুৱতীবৃন্দ এটি বিশেষ ঘোষণা। অহা কালিলৈ সন্ধ্যা ৭বজাত নবীন ৰৰদলৈ হলত স্থানীয় যুৱক-যুৱতীসকলৰ সৌজন্যত নবদিগন্ত অনুষ্ঠানৰ শুভ উদ্বোধনী আয়োজন কৰা হৈছে। উক্ত নবদিগন্ত অনুষ্ঠানৰ উদ্দেশ্য আৰু কাৰ্য্য পন্থা সম্বন্ধে উক্ত সভাত বিশদভাৱে আলোচনা কৰা হ'ব। গতিকে এই সভাত সমূহ আশাবাদী ৰাইজ আৰু যুৱক-যুৱতীৰ উপস্থিতি আমি নতুন পুৰুষে কামনা কৰিলোঁ। শেষত ৰাইজৰ অলপ মৰম, সহায়-সহযোগ ও উপদেশ পাবলৈ সকলোকে নিমন্ত্ৰণ জনালোঁ। ধন্যবাদ।"

কঙ্কনা : সেয়া পল্লৱদা। শুনিলা তুমি আমাৰ আশা।

পল্লৱ : ধন্য কঙ্কনা। ধন্য নতুন পুৰুষ। কি সুন্দৰ তোমালোকৰ আশা। এয়া যেন ঠিক যুৱতী পুৱাৰ নতুন কিৰণ। আত্মহাৰা আত্মাৰ এক সুস্থিৰ ৰূপ। সচাঁকৈয়ে কঙ্কনা ; তোমালোক যেন কৃতকাৰ্য্য হোৱা।

কঙ্কনা : কিন্তু পল্লৱদা, তোমাৰ সহযোগে আমি



বিচাৰোঁ। তুমিও আমাৰ অঙ্গ জানা পল্লৱদা। সহযোগিতাই আমাৰ প্ৰধান শক্তি।

পল্লৱ : এৰা তুমি ঠিক কৈছা কঙ্কনা। সহযোগিতা মানৱ জীৱনৰ এক বৃহৎ সম্পদ। তোমাৰ কোনো তুলনা নাই।

( এনেতে তৃষ্ণাৰ প্ৰৱেশ )

তৃষ্ণা : (আচৰিত হৈ) অ' কঙ্কনা তুমি তুমি পল্লব-দাক লগ পালা, কিন্তু তোমালোক এই ঠাইত কিয় ?

পল্লৱ : কিয় তৃষ্ণা ? এই ঠাইত থকা জানো আচৰিত। এবাৰ চোৱাচোন কেনে সুন্দৰ ঠাই।

তৃষ্ণা : অৱশ্যে হয়। এই বাটেদি যাওতে এই কবৰ-খানাখন দেখা পালে মনটো বৰ ভাল লাগে।

কঙ্কনা : তুমি ঠিক কৈছা তৃষ্ণা। সচাঁকৈয়ে খুব ভাল লাগে।

পল্লৱ : এইখনেই আটাইতকৈ শান্তিৰ ঠাই। গতি-কেই এই ঠাইখন মোৰ বৰ ভাল লাগিছে।

তৃষ্ণা : কিন্তু পল্লবদা, আজি তোমাৰ কথাবোৰ কিবা বেলেগ লাগিছে। তুমি যেন আজি ঠিক আগৰ পল্লৱদা নোহোৱা।

পল্লৱ : সেয়া বহুত কথা, তৃষ্ণা আজি মই শান্তি পাইছোঁ। এই শান্তি মোৰ খুব ভাল লাগিছে।

কঙ্কনা : কিন্তু তোমাৰতো অশান্তি নাছিল পল্লৱদা ?

পল্লৱ : এৰা কঙ্কনা। তুমি নাজানা। আজি মোৰ জীৱনৰ এটা ডাঙৰ দিন। এই দিনটোত তোমালোকক লগ পাই মোৰ বৰ ভাল লাগিছে। মই সুখী হৈছোঁ।

(এনেতে মঞ্চত আন্ধাৰ হয়। লগে লগে নতুনৰ প্ৰৱেশ )

নতুন : ( Catch কৰি ) ময়ো সুখী হৈছোঁ—এয়া সম্পূৰ্ণ নতুন। এক বেলেগ ৰূপ।

পল্লৱ : কোন তুমি ? ক'ৰ পৰা আহিছা ?

নতুন : মই কোন, ক'ৰ পৰা আহিছো। এৰা মোৰ পৰিচয় নতুন।

(এনেতে নেপথ্যত ধৰ্মনীতিৰ ৩৪৮ নং শুনা যায় )

নতুন : পল্লৱ! সভ্যতাৰ আৰ্ত্তনাদত হেৰাই যোৱা নতুন ৰূপ। তোমাৰ জীৱনৰ কাৰ্য্যক্ষেত্ৰ আৰু বহল হওক।

তৃষ্ণা : কিন্তু এইবোৰ কি কথা। আমি যে একো বুজিব পৰা নাই।

নতুন : এৰা, তুমি ঠিক কৈছা। আদৰ্শৰ কৰ্ম-ক্ষেত্ৰলৈ মন কৰা। পল্লৱৰ এই মহান আদৰ্শই জগতৰ বুকু উজ্জ্বল কৰি তোলক। ধন্য হওঁক।

পল্লৱ : ক্ষমা কৰা। এয়া যে মোৰ প্ৰায়শ্চিত্ত। তাৰ বাহিৰে এই পৃথিৱীত চাৰিওফালে কেৱল অন্ধকাৰৰ আৱৰ্ত্তন। সেই অন্ধকাৰে সভ্যতাৰ পোহৰ কলুষিত কৰি তুলিছে।

নতুন : কিন্তু সেই অন্ধকাৰ তোমাৰ জীৱনত আৰু নাই। এয়া এক নতুনত্ব একমাত্ৰ তোমাৰ। মোৰ নাম নতুন— মই কেৱল নতুন, তাকে তোমাৰ পৰা পালোঁ, ধন্য তুমি।

(এটি গীত শুনা যায়)

দোহাৰ : নতুন যুগৰ নতুন কথা নতুন মানৱ দল,
নতুন সমাজ গঢ়িবলৈ বান্ধো আমি বল ;

(১) পুৰণি পৃথিৱী আজি অতি পুৰণি হ'ল,
মানুহৰ অন্তৰতো হিংসা গোজ পুতি ৰ'ল
সমাজৰো বান্ধোন আজি চিঙো চিঙো হ'ল,

(মঞ্চ পোহৰ হয়)

তৃষ্ণা : এইবোৰ কি হৈছে পল্লৱদা। আমি একো বুজিব পৰা নাই।

কঙ্কনা : এৰা পল্লৱদা। কি পোহৰ, কি নতুন।

পল্লৱ : এয়া মোৰ জীৱনৰ এক ৰহস্যময় ইতিহাস। ঠিক যেন ডাষ্টবিনত পেলাই দিয়া জাবৰৰ এক নতুন ৰূপ।

তৃষ্ণা : এয়া তুমি কি কৈছা পল্লৱদা।

কঙ্কনা : এৰা পল্লৱদা, কিহৰ ৰহস্য সেয়া।

পল্লৱ : তোমালোকেতো জানা কঙ্কনা, তৃষ্ণা। তোমালোকেতো নজনা নহয় মোৰ দেউতা এজন বহু ধন-সম্পত্তিৰ অধিকাৰী লোক। ঘৰৰ একমাত্ৰ সন্তান মই। আনহাতে বিশ্ব-বিদ্যালয়ৰ ডিগ্ৰীও মই পালোঁ। মই কাকো ভয় নকৰোঁ। তাৰ উপৰি ধৰ্মৰ প্ৰতি মোৰ আস্থা নাই। মোৰ বাবে এই পৃথিৱীত কোনো ভগৱান নাই। ভগৱান আজিৰ বিজ্ঞান, আজিৰ বাস্তৱ। মোৰ জীৱনৰ এই ইতিহাস তোমালোকে ভালদৰে জানা। কিন্তু সেই ইতিহাসৰ আজি যৱনিকা পৰিল। এই কবৰখানাৰ এজন পুৰোহিতৰ সান্নিধ্যত মোৰ জীৱনলৈ আজি এক নতুন ৰহস্য আহিল। সেই ৰহস্যৰ মাজত মোৰ জীৱনৰ এটি ৰহল অধ্যায়ৰ পতন ঘটিল। তাৰেই প্ৰতীক মোৰ এই কবৰটি। এয়া মোৰ সমাধি।

তৃষ্ণা : তুমি কি কৈছা পল্লৱদা। আমি বুজিব পৰা নাই।

কঙ্কনা : এৰা পল্লৱদা। তুমিতো জীয়াই আছা। তোমাৰ সমাধি কেনেকৈ হ'ব পাৰে। এই-কি কৈছা ?

পল্লৱ : এৰা মই জীয়াই আছোঁ। তাৰ লগে লগে মই জীয়াই ৰাখিব বিচাৰোঁ তোমালোকক। জীয়াই ৰাখিব বিচাৰিছোঁ অক্টোপাছৰ মেৰপাকত সোমাই পৰা জগতখনক।

তৃষ্ণা : মোৰ কি হৈছে পল্লৱদা। এইবোৰ কি কৈ আছা ?

পল্লৱ : এয়া নতুনত্ব তৃষ্ণা। সচাঁকৈয়ে মোৰ কথাবোৰ বুজি পাবলৈ তোমালোকৰ টান হৈছে।

কঙ্কনা : বুজাই কোৱা পল্লৱদা। আমি নিশ্চয় বুজি পাম

তৃষ্ণা : কোৱা পল্লৱদা, বুজাই কোৱা।

পল্লৱ : Only God can do everything শুনিবা তোমালোকে।

তৃষ্ণা : নিশ্চয় শুনিম পল্লৱ দা।

পল্লৱ : চোৱা কঙ্কনা। এইখন চহৰৰ কবৰ স্থান। কাষেদি গৈছে আমি থিয় হৈ থকা আলি-বাটতো। এইদৰে থকা চহৰখনৰ আলিবাটৰ গাত ভেজা দি গঢ়ি উঠিছে আজিৰ বাস্তৱ। লগে লগে আজি বাটবোৰৰ বুকুত জন্ম হৈছে শত শত কাহিনী। আৰু তাৰ মাজতেই ৰূপ লৈছে মোৰ জীৱনৰ ৰহস্যময় কাহিনী। সকলো কেৱল বাস্তৱৰ ৰূপ। লোভ, মোহ, গৰ্ব, অহঙ্কাৰ। এয়া মোৰ জীৱনৰে কেইটামান দিশ। এই জগতৰ বাস্তৱৰ লগত হাত মিলাব নোৱাৰি আৰম্ভ হৈছে মোৰ জীৱনৰ কাহিনী। এক সচাঁ কাহিনী।

তৃষ্ণা : কি কাহিনী পল্লৱদা।



কঙ্কনা : সঁচাকৈয়ে পল্লৱদা। আজি তোমাৰ কথা-বোৰৰ মাজত যেন কিবা সোমাই আছে। আছে।

পল্লৱ : এৰা কঙ্কনা। মোৰ জীৱনত থকা এই পৃথিৱীৰ ধন, মান, শিক্ষা, অহঙ্কাৰ এই-বোৰ সকলো মিছা। তাৰ ব্যৱহাৰ নাজানিলে সেয়া একেবাৰে মূল্যহীন। এজন পল্লৱ আছিল। শিক্ষিত, ধনী আৰু অহঙ্কাৰৰ মিলনত বাস্তৱৰ চুড়ান্ত প্ৰতীক। কিন্তু সেই পল্লৱৰ মৃত্যু ঘটিল।

কঙ্কনা : কিহৰ মৃত্যু পল্লৱদা।

পল্লৱ : আত্মাৰ এক বৃষ্টিত যুৱক পল্লৱৰ বিবেকৰ পতন ঘটিল। সেই বিবেকৰ গৰ্ব-অহঙ্কাৰ সকলো আজি এই কবৰত (এটা কবৰ দেখুৱাই)। পুৰণি আঁতৰি গ'ল, পল্লৱে জীৱনত শান্তি পালে। জানা তৃষ্ণা নতুন হ'ব লাগিব তুমি, নতুন হ'ব লাগিব কঙ্কনা, নতুন হ'ব লাগিব বাস্তৱ, নতুন হ'ব আমাৰ সমাজ।

তৃষ্ণা : কিন্তু এয়া জানো সম্ভৱ হ'ব পল্লৱদা।

পল্লৱ : নিশ্চয় সম্ভৱ হ'ব। চোৱা, এইটো এজন পল্লৱৰ সমাধি। কিন্তু তাত মৃতদেহ নাই। মৃতদেহ আজি তোমালোকৰ লগত, কাৰণ তোমালোক বাস্তৱ। সেই বাস্তৱক পৰাজিত কৰি আজি এজন পল্লৱে নিজ বিবেকক দমন কৰিলে। তোমালোকৰ প্ৰাণ আছে। তোমালোক জীয়াই আছা। কিন্তু বহু শিক্ষা, বহু সন্মান, বহু গৰ্ব-অহঙ্কাৰে সেই প্ৰাণক ঠেলি দিছে মৃত্যুৰ গৰাহত। চাওঁ তৃষ্ণা, তোমাৰ বেগটি মোক দিয়া।

(তৃষ্ণাই নিজৰ ভেনিটি বেগটো পল্লৱক দিয়ে)

পল্লৱ : এইয়া পাইছো, ঠিক পাইছো, কি জানা, তোমাৰ মৃতদেহ। এইয়া চোৱা। (বেগৰ পৰা এখন আয়না দেখুৱাই) তোমাৰ মৃতদেহ, কঙ্কনাৰ মৃতদেহ, মোৰ মৃতদেহ, ৰাইজৰ মৃতদেহ, সমাজৰ মৃতদেহ। আহা কঙ্কনা, আহা তৃষ্ণা, এই মৃতদেহক কবৰ দিয়া, নিজ বিবেকক দমন কৰা। নতুন হোৱা। নিজ জীৱনৰ লোভ, মোহ, কাম, ক্ৰোধ, গৰ্ব-অহংকাৰ সকলো ত্যাগ কৰা। সেই সকলোকে কবৰ দিয়া। তেতিয়া তৃষ্ণা নতুন হ'ব, কঙ্কনা নতুন হ'ব আৰু সমাজ নতুন হ'ব। আৰু এয়া হ'ব এক যুগৰ সমাধি। ●

—পট পৰে—

# মুকুতামালা

"অসমীয়া ! তুমি সজাগ হোৱা । সজাগ হৈ চোৱা, জীৱিত জগত-সভাত তুমি প্ৰকৃততে জীয়া নে মৰা ? তুমি ধীৰ-স্থিৰ চিত্তে বিশ্লেষণ কৰি স্থিৰ কৰা জীয়া অৱস্থাটোৱেবা কি ? তাৰ পাছত তুমি নিশ্চিত হৈ মীমাংসা কৰি লোৱা,—তুমি জীয়া অবস্থাটোতেই আকাশলঙ্ঘী হিমাচলৰ দৰে থিয় হৈ থাকিবলৈ ইচ্ছা কৰা, নে মৰা অৱস্থাতেই নিচুক মাৰি সভ্য মানৱ সমাজৰ চকুৰ আঁৰত নাম-গোন্ধহীন হৈ বহি থাকিবলৈ মন কৰা । তেতিয়া তোমাৰ মনৰ অৱস্থা লৈ এই বিশাল মানৱ জাতিৰ মন-সভাত মূল্য নিৰ্দ্ধাৰিত হৈ তোমাৰ ঠাই ঠিক হ'ব । তেতিয়া তুমি নি:সন্দেহে বুজি পাবা জগতত তোমাৰ ঠাই ক'ত ।

জগত সভাত জিলিকি উঠাতো বহু দূৰৰ কথা, তুমিনো আজি তোমাৰ নিজ দেশতে জীয়াও নহয়, মৰাও নহয় এনে কিবা আধা-আধি অৱস্থা এটাত পৰি আছা, সেইটোৰ তুমি গম পোৱা নাই কিয় ? যদি গম পাইও তোমাৰ কৰ্ম-শক্তিৰ চৰিত্ৰ গঠনৰ প্ৰয়োজনীয় চেতনা গাত চাগি উঠা নাই, তেনেহলে তুমি ঘোৰ নিষ্কৰ্মা, মহা ধোদ, আৰু যদি গম পোৱা নাই বুলি কোৱা, তেনেহলে তুমি এডোথৰ চেতনাহীন মাংস-পিণ্ড, বিধাতাৰ অপূৰ্ব্ব সৃষ্টি— আৰু যদি গম পাইও এই অৱস্থাটোকেই তুমি তোমাৰ উন্নত অৱস্থা বুলি ভাবি লৈছা তেনেহলে মানৱ-সভ্যতা সম্বন্ধে তোমাৰ আদৰ্শটো একেবাৰে ঠেক ।"

[স্বৰ্গীয় **অম্বিকাগিৰি ৰায়চৌধুৰী** ● —"ডেকা অসম"— ১ম বছৰ, ১ম সংখ্যা, ১৮৫৭ শক, ১৯৩৫ চন ।"]

ঃ প্ৰকৃত শিক্ষিত কাক কয় ? নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে যিমানখিনি চিন্তা কৰাৰ প্ৰয়োজন,—যিজনে স্বেচ্ছাই তাতোকৈ বেছি চিন্তা কৰে তেওঁকেই প্ৰকৃত শিক্ষিত মানুহ বুলি ক'ব পাৰি । এই মাপ-কাঠিৰে জুখিবলৈ গ'লে প্ৰকৃত শিক্ষিত মানুহৰ সংখ্যা নগণ্য ।

**—এমাৰ্চন ●**

ঃ ভৱিষ্যত সেইসকলৰেই, যিসকলে কষ্ট ভোগ কৰা মানৱ জাতিৰ হকে বেছি কৰিব ।

**— লুই পেষ্টিউৰ ●**

ঃ কথা কমাই দিয়া, কাম আপুনি হ'ব । পিছুৱাই থাকা, সন্মুখৰ আসন তোমাকেই দিব । আগুৱাই নাযাবা, গতিয়াই দিয়াৰ সম্ভাৱনা । **— লাউৎজে ●**

সংগ্ৰহ **ঃ দীপা বৰা**, প্ৰাক্ বিশ্ব-বিদ্যালয় ২য় বাৰ্ষিক ।



১। "কম বেছি পৰিমাণে আমি সকলোৱে স্বপ্ন-বিলাসী । অথচ যিকোনো আঘাত বা শোক পালেই মিহাকৈয়ে আমি বৰ বেছি বাস্তৱ হ'বলৈ যাওঁ । আৰু তেতিয়াই আৰম্ভ হয় সংঘাতৰ ।" **—মেকনিছ ●**

"যদি তোমাৰ অন্তঃকৰণে সঁহাৰি নিদিয়ে, তেন্তে তোমাৰ মস্তিষ্কই তোমাক কেতিয়াও বিশ্বাস কৰিব নোৱাৰে ।" **— উইলিয়াম জেমচ ●**

২। "ঈশ্বৰক বিচাৰি মন্দিৰলৈ যাব নালাগে । গিৰি-গুহালৈকো যোৱাৰ প্ৰয়োজন নাই । ঈশ্বৰ প্ৰতিজন ব্যক্তিৰ কাষতেই আছে । বিচাৰি ল'ব জানিলেই হ'ল ।"

**—তুলসী দাস ●**

"শিক্ষাৰ উদ্দেশ্য হ'ল মানুহক মানুহ ৰূপে গঢ়ি তোলা । মানুহৰ এই পৰিচয় প্ৰকাশত শিক্ষাৰ অৱদান তুলনাবিহীন ।"

**—ৰাজা ৰামমোহন ৰায় ●**

৩। "মানুহৰ জীৱনত কিছুমান সংকটপূৰ্ণ সময় আছে । তথাপি আমি এই ভাবি সান্ত্বনা লভিব পাৰোঁ যে সংগ্ৰাম যিমানেই কঠিন হ'ব, জয় লাভো সিমানেই গৌৰৱময় ।"

**—টমাছ পেইন ●**

৪। "সুখী জীৱন যাপনৰ মুলমন্ত্ৰ হ'ল আনন্দিত হৈ থকা ।"

**—এপি কুৰাছ ●**

৫। "স্বাধীনতা হ'ল সাহসৰ ওপৰত প্ৰতিষ্ঠিত এটি প্ৰতীক ।"

**—চাৰ্ল পেগি ●**

"সংসাৰৰ সুখ আশা কৰি নৰে আপোন পাহৰি লৰিছে হায়,
কাৰোবাৰ ভাগ্যত ফলিছে সপোন কাৰোবা ভাগ্যত একোৱে নাই ।

**—যতীন্দ্ৰ নাথ দুৱৰা**

৬। "কেৱল ধ্বংস কৰা আৰু আনৰ খ্যাতি ধূলিত লুণ্ঠিত কৰি দিয়াতেই সমালোচকৰ নৈপুণ্য ফুটি উঠেনে ? তাৰ কাৰণে অতি তৰল উপলব্ধি শক্তি আৰু অতি সামান্য বিদ্যাই যথেষ্ট ।" **—এডমাছ বাৰ্ক ●**

সংগ্ৰহ ঃ **মালা মহন্ত**, স্নাতক ২য় বৰ্ষ ।

(১) "আমি যি জানো, সি অতি সামান্য। আমি যি নাজানো তাৰ সীমা নাই। এতেকে নিজক জ্ঞানী বুলি ভবা অনুচিত।" —পাপকেচ ●

(২) "জীৱনৰ প্ৰতি মুহূৰ্ত্তৰে একোটা মহৎ উদ্দেশ্য আছে। এই চৰম উদ্দেশ্য সাধনৰ অৰ্থে কৰা কঠোৰ প্ৰচেষ্টাত জীৱনৰ অৰ্থও লুকাই আছে।"

– মেক্সিম গৰ্কী ●

(৩) "আজিৰ কাম কালিলৈ কৰিম বুলি পেলাই নথবা, কাৰণ — কালিলৈ তোমাৰ কি হ'ব তুমি নেজানা।" হজৰত মহম্মদ ●

(৪) "মই বিশ্বাস কৰোঁ কামত, কঠিন কামত, দীঘলীয়া সময় ধৰি কৰা কামত, অতিপাত পৰিশ্ৰমেও মানুহক ক্ষয় নকৰে, ক্ষয় কৰে— আলস্য আৰু উদ্বিগ্নতাই।"

–চাৰ্লচ হিউজ ●

(৫) "তুমি জীৱনটোক ভাল পোৱানে ? যদি ভাল পোৱা তেন্তে সময়ৰ অপচয় নকৰিবা ; কিয়নো তোমাৰ জীৱনটো সময়ৰেই গঠিত।"

–বেঞ্জামিন ফ্ৰেঙ্কলিন ●

**শায়েৰী :**

(১)
"কোই চমঝে তো এক বাত কহু
ইস্ক তৌভিক হেই, গুনাহ নহী।"
কোনোবাই বুজিব পাৰে যদি কথা এটা কওঁ,
ভালপোৱা ভগৱানৰ কৰুণাহে, কোনো পাপ নহয়।

(২)
"মৌত কা ভী ইলাজ হো শায়দ
জিন্দেগী কা কোঈ ইলাজ নাঁহী।"
মৃত্যুৰো বোধহয় চিকিৎসা আছে,
কিন্তু জীৱন ৰোগৰ চিকিৎসা নাই।

(৩)
কিসিনে মোল না পুছা দিলে সি কস্তাকা
কোঈ খৰিদ কে টুটা পেয়ালা, কিয়া কৰ্‌তা।"
মোৰ ভগ্ন হৃদয়ৰ মূল্য কাৰো বাবে আৱশ্যক নহ'ল,
ভঙা পিয়লা জানো কোনোবাই কিনিবলৈ যাব ?

সংগ্ৰহ : **মনিকা দাস**, স্নাতক ২য় বাৰ্ষিক।

# জানোনে ?

ক) কোন আছিল ?

১) ৰেডিঅ' এ্যাকটিভিটিৰ আবিষ্কাৰক
২) টাইম ম্যাগাজিনৰ প্ৰধান সম্পাদক
৩) মডাৰ্ণ টাইম্‌চৰ নায়িকা
৪) ইডেন গাৰডেনৰ প্ৰতিষ্ঠাতা
৫) ৰয়েল ছছাইটিত নিৰ্বাচিত প্ৰথম ভাৰতীয়

উঃ ১) ডঃ বেকুয়েৰেল, ২) হেনৰি আনাটীল গ্ৰুনওৱালড, ৩) পউলেট গোডাৰ্ড, ৪) লৰ্ড অকল্যাণ্ড, ৫) শ্ৰীনিবাস ৰামানুজম্।

খ) অৰ্থ কি ?

৬) ইংৰাজী FICC, ৭) ইংৰাজী HMT, ৮) ইংৰাজী VPP, ৯) অকাল তখত।

উঃ ৬) Federation of Indian Chambers of Commerce and Industries, ৭) Hindusthan Machine Tools. ৮) Value of Payable Post. ৯) অমৰ সিংহাসন।

গ) নাম কি ?

১০) মাৰ্কিন প্ৰতিৰক্ষা দপ্তৰৰ প্ৰধান কেন্দ্ৰস্থলৰ নাম ?
১১) হিৰোচিমাত যি আণৱিক বোমা পেলোৱা হৈছিল তাৰ কোড নাম ?

উঃ ১০) পেনটাগন, ১১) লিটলবয়।

ঘ) Land of Lilies কোন দেশক বুজায় ?

উঃ কানাডা।

সংগ্ৰহ : **কুমাৰী দীপ্তি বিশ্বাস।**

# TREND OF POPULATION GROWTH IN NAGAON TOWN : (1901- 1971)

J. Chakravartty
Deptt. of Pol.Science

The study of the population growth from 1901 to 1971 in the Nagaon Town [ Municipal Area ] is an interesting one. But at the very outset we must admit that our study on the subject is mainly based on the Census figures of various decades and also concede that our study in this field is not complete and final.

In 1901 the Nagaon Town was peopled by 4430 persons. The area of the Town was about 5·26 $Km^2$. Table-I will give a picture of the trend of population growth in Nagaon Town from 1901 to 1971,

TABLE—1

| Years | Total Population | Decadal of total ation | Variation popula- | Decadal Variation in percentage ** | Density per square Km. ** |
|---|---|---|---|---|---|
| 1901 | 4,430 | — | | — | — |
| 1911 | 5,433 | + 1003 | | + 22·64 | 1033 |
| 1921 | 6,885 | + 1452 | | + 26·78 | 1309 |
| 1931 | 10,413 | + 3528 | | + 51·24 | 1340 |
| 1941 | 12,972 | + 2559 | | + 24·58 | N-A |
| 1951 | 28,257 | + 15,285 | | + 117·83 | N-A |
| 1961 | 38,600 | + 10,343 | | + 36·62 | 637o |
| 1971 | 56,537 | + 17'937 | | + 46·46 | 9o9o |

Source :— Census Reports of different decades

** :— Worked out

N—A :— Not available,

In 1911 the population of Nagaon Town went up to 5433, a total increase of 1oo3 persons the rate of increase being 22,64 percent. In 1921 this increased to 6885. The 1921 census witnessed a total upswing of 1452 persons and in term of percentage it was 26.73. In 1931 the population of the Town rose to 10,413, an increase of 3528 persons, the rate of increase being 51.24 percent. The 1941 census witnessed a rise of the population of the Town to 12,972. the total increase and the rate of increase being 2559 and 24.57 percent respectively. All these increases during the last few decades were due to different causes : firstly, due to natural increase and secondly due to in migration of people as Traders, Officers, Doctors, Teachers, Students etc. from rural areas within the district and from outside the district. and also from outside the province. The 1951 census reveals the increase of population to 28,257, a 117·83 percent rise This is something very conspicuous and is probably due to, apart from the aforeshown reasons, the in migration of Hindu displaced persons from East Bengal, later from East Pakistan ( now Bangladesh ) as a consequence of communal riots there and the subsequent partition of the country. In 1961 the pepulation increased to 38 6ooo a total increase of 10,343 persons, the percentage of increase being 36·62. During this decade also there had been in migration, but this time the pace was slow. In 1971 the population of Nagaon Town rose up to 56,537. It is an increase of 17,937 persons, the rate of increase being 46·46 percent. This growth also cannot be a natural one. We can assign the cause for this growth to in-mirgation of people from various directions.

Now, we see that the population in the Town which was only 4430 in 1901, went up to 56,537 in 1971 the rate of increase being 1176·23 percent. This rate is much higher than that of India which is only 322·ol percent but lesser than that of Assam ( urban population ) which is 1572·71 percent during the same period. An average annual increase is 16·8 percent which is abnormally high. It clearly indicates that there has been too much of in-migration to this Town during these last seventy years. But it is not possible to find out the exact figures of different types of in-migrants with such scanty information available on hand. If, again, we divide the span of seventy years into two parts viz. 1901 to 1950 and 1951 to 1970. the variations become like the following : – In between 1901 to 1950 the population in the Town increased by 537·72 percent and between 1951 to 1971 it increased by 100·08 percent. Whereas the decade between 1941 and 1951 alone showed an increase by 117·83 percent.



In regard to density we find that it was 1033 per square kilometre in 1911 and it gradually went on increasing till it became 9090 per square kilometre in 1971. So the density between 1911 and 1971 increased by 780·62 percent and during the same period the population increased by 940·62 percent. It means that the rate of increase of population was greater than the rate of increase of density in the Town. The reason for the slow growth of density might be due to expansion of the area of the Town.

Another point to be noted here is that in case of sex ratio the number of female per 1ooo male is much lower in Nogaon Town in comparison to Nagaon district as a whole. The figures below will make the position clear.

**NAGAON DISTRICT : NAGAON TOWN**

| | No. of female per 1ooo male | No. of female per 1ooo male |
|---|---|---|
| 19o1 | 964 (964) | — |
| 1911 | — | 728 |
| 1951 | 861 | 7o2 |
| 1961 | 875 | 657 |
| 1971 | 899 | 7o6 |

In total number the position is like this – in 1971 out of total population of 56,537 of Nagaon Town, 33.148 were males and 23,389 were females. This indicates that there are large number of temporary male in imigrants who came to this Town as mannual laboures i. e. rickshaw puller, thela puller, koolies etc. who come alone leaving their wives and daughters at their places of origin. The existence of such type of temporary persons might lead to the drainage of huge sums of money annually out of this Town.

Let us now make a comparative study of the growth of population in the Town religion-wise. But before doing so we must admit that our study in this aspect will not be exhaustive because of want of adequate informations. Table-2 will give a picture of religion wise population distribution in the Town area during the period under study.

TABLE – 2

**Total number of population and proportion to total population and total variations of Hindu, Muslim and Christian population between 1911 and 1961.**

( 1 )

| YEAR | Total population | Variation in percentage. | HINDU Total Population. | Proportion to total population in percentage. | Veriation in percenta |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| 1911 | 5433 | — | 3605 | 66·35 | -- |
| 1921 | 6885 | — | 4495 | 65·28 | — |
| 1931 | 10413 | — | 7122 | 68·40 | .. |
| 1941 | 12972 | — | N. A. | — | — |
| 1951 | 28257 | — | N. A. | — | — |
| 1961 | 38600 | — | 26955 | 69·83 | — |
| 1911-61 | — | 610·47 | — | — | 647·71 |

( 2 )

| YEAR | MUSLIM Total population | Proportion to total population in percentage | Variation in percentage. | CHRISTIAN Total population | Proportion to total population in percentage. | Variation in percentage. |
|---|---|---|---|---|---|---|
| 1 | 7 | 8 | 9 | 10 | 11 | 12 |
| 1911 | 1143 | 26 55 | — | 179 | 3·31 | — |
| 1921 | 1995 | 28 97 | — | 263 | — | — |
| 1931 | 2877 | 27·62 | — | 321 | — | — |
| 1941 | N. A. | — | — | N. A. | — | — |
| 1951 | N. A. | — | — | N A. | — | — |
| 1961 | 10615 | 27·5 | — | 504 | 1·3 | — |
| 1911-61 | | — | 635·62 | — | — | 181·35 |

Source :– Census Reports' of the, decades coneerned.

● :– Figures worked out.



In 1911 the proportion of Hindus to the total population was 66 33 percent and it became 69·83 percent in 1961. Hindu population increased by 647·71 percent between 1911 and '61 and against 610·47 percent increase of the total population during the same period. On the other hand, Muslim population increased by 635·62 percent during the same period. The rate of increase of Muslim population during this period of fifty years was lower than that of the Hindus' Moreover the proportion of Muslim population to total population in 1911 was 26·55 percent But in 1961 it increased to 27·5 percent, the difference of proportion is of only 0·95 percent. But in case of Hindu population this difference is of 3·48 percent. In contrast to all these the Christion population insreased by 181·56 percent during the same period i. e. between 1911-and-61 much below the rate of increase of total population. Moreover, the proportion of Christian population to total population was 3·31 percent in 1911 which decreased to 1·3 percent in 1961. This variation is noteworthy. This comparative study indicates that the in-migration of Hindu population to the Town has been more than those of Muslim population, not to speak of Christians.

Further, we find that in 1961 the proportion of the population of the Town to total population of the district was 3·18 percent, whereas the proportion of Hindu population of the Town to the total Hindu population of the district was 3·84 percent. On the other hand, the proportion of the Muslim population of the Town to total Muslim population of the district was 2 12 percent. This is a clear indication that Muslims of the district are not much interested in settling in the Town of Nagaon.

Further, it is found that the density between 1911 and 1971 increased in the district of Nagaon by 877·42 percent, whereas the density of the Town of Nagaon, during the same period, increased by 780·62 percent.

All these above studies are clear indications that the urban facilities of Nagaon Town could not allure the Muslim migrants from East Bengal (new Bangladesh) much and bring them to her bosom in large numbers. But if the agriculturist Muslims get education and shift over to trade and other walks of life, the picture will become a quite different one and we think, that day is not too far off. ●

# MIGRATION

Tankeswar Bora
Lecturer, N. G. C.

In this short essay, an attempt has been made to portray the major reasons which prompt large scale international migration. racial, social and political diversity, as well as obivious difference between rich and poor, all lead to distrust and conflict between human groups. Such conflicts arise because the groups are all found in close proximity. Most countries have a mixture of races, cultures, religions and languages among their people. Originally small groups of people must have lived separately, with only slight contact with other groups, but from the earliest times migration or population movement has been a characteristic reaction of population expansion and to difficult condition so that to-day people are mixed and mingled all over the world.

Now question–why do people migrate? People migrate for many reasons, including economic and political ones, but underlying these is the desire for change and the challenge of life in a new environment. Only this can really account for the vast population movements, often under extremely difficult conditions, which have been taking place throughout history. It is often the idea of a new life or the search for a 'Promised land,' more than any concrete gain, which sets people on the move. Leaving such reasons aside however there are other clear-cut motives for migration.

Cultivators who cannot make a living in their own country because there is a shortage of land or because their land is too poor, migrate to countries where land is available. This was the motive for many migrations in the past such as that of the Norseman or Vikings who spread out from their mountainous homeland in Scandinavia or that of the Magyar



Pastoralists who moved westwards and settled on the better land of Hungary. It was also the chief motive behind most nineteenth century migrations. The U.S.A. Australia and South Africa were settled by Europeans who were either landless peasants in search of farms or farmers who wanted larger areas of land instead of small plots.

People may move to avoid politcal persecution or may move simply because they are dissatisfied with the form of Government in their own Country. Thus there has been a steady flow of refugees from Communist Countries since the war, in Europe and Asia. West Germany, South Korea, Suth Vietnam and Hong-Kong have received many of thes migrants. Wars cause great numbers of people to migrate. Refugees may flee before an advancing army to avoid –subjection to a new regime, to avoid the battle or because their homes and farms have been destroyed.

Where adherents of a particular religion are persecuted or where sects are not tolerated, people may move to escape repression to places where they may safely practise their religion. The movement of Jews to Israel and the huge transfers of population between India and Pakistan at the time of partition in 1948 are modern examples.

Unemployed town dewellers may migrate to other towns within their own or to urban centres overseas in order to obtain work. Workers may also move to countries where they can earn higher wages, so that for instance West Indians may move to Britain or British doctors, nurses or scientists may move to U. S. A. where working conditions are better and salaries higher.

Most migrants hepe to improve their income and living standards but some hope to "get rich quick" Mineral strikes particularly of gold, have drawn people from all over the world. South Africa gained population partly because of its gold mines. Many of the citics that grow up in new mineral regions are subject to rapid out migration where the iron ore has been exhausted, and there are many 'ghost' towns in western U. S. A. which bear witness to this.

While most types of migration are undertaken voluntarily by people who want to improve their living conditions, some major population movements are effected by force, not for the benefit of the migrants but for the benefit of others. Certain groups may be thought undesirable.

racial religious or political groups may therefore be farced to leave or criminals may be deported. This was much more common in the past, and "transparted" prisoners form the basis of the colony in Australia. Similarly, prisoners in Russia were often sent to Siberia.

This kind of movement however is less important than the forcible movement of slaves. Slave trading had been practised in many areas for centuries, but that took place in the seventeenth and eignteenth centuries to provide workers for the plantations of the U. S. A., Latin America and the West Indies was on a very large scale. Negores captured in west Africa were shipped across the Atlantic in such numbers that they now from a sizeable proportion of the population of most American Countries.

If we consider the history of migration another one important theme emerges. This is the role of transport in determining the scale and distance of movement. The most significant factor in European migration in the nineteenth century was the improvement of transport. Old sailing ships had taken several weeks to cross the Atlantic and several months to reach Australia, for example, but the introduction of steamships made the voyage shoter and less dangerous as well as reducing the cost of travel, so that many more people were able to migrate.

Although European migration dominated the late nineteenth and early twentieth centuries, the improvement in transportation techniques also affected other people, mainly Asians. But these movements were only possible because of earlier European Colonization. Thus, much chinese migration to South-East Asia was made possible by the need for labour on the newly established plantations. Chinese and Japanese people also went to Hawaii and to Latin America but in smaller numbers than to South-East Asia. Indians also went to work on sugar plantation in Fiji, in Mauritius and in the West Indies. Indians too went to East-Africa where they engaged mainly in trade. All these movements however have been relatively small and emigration from the still heavily overpopulated China, India and Japan has virtually ceased.

From the above analysis we can come into conclusion that the major reasons which prompt large-scal international migration are availability of land, availability of work, political freedom, religious toleration, hope of wealth and development of transport. ●

# History And Its Necessity

Sri Pradip Kumar Duwara
Lecturer, Dept of History

A man without the study of his past cannot take precautions against similar situations in future History can quite justifiably be considered a systematic narration of the experiences of the past. Time immemorial, the human race has been passing through trials and ordeals which are almost identical in nature and, that is why, most people think that history repeats itself. The study of history benefits us in various ways. It makes us wiser ; it keeps us informed about the world around us ; and it help us predict the future correctly.

When the history of a nation is composed, all past records of the nation are generally kept in view. So far as the past records concerned, history is the subject studying which we can clear our future ways, setting all the obstacles aside. Besides, history helps us immensely in the reorganization or remoulding of our society. If we read Indian History, we come to realise that every time India has fallen victim to some external aggression, the prime cause is the disunity among the rulers of the land. The Hindu kings were defeated time and again by external forces because they could not join hands with one another even in the most crucial moments of external aggression. Here we get a space to disclose our opinion that the Muslim rule in India would never have come into existence, if the Hindu kings got united agaist them. Similarly, when the Muslims came to India and got to establish their supremacy, they could not keep the nation integrated, as a result of which the Britishers conquered India.

We also learn from Indian History that no Government that proposes to

establish a particular religion as the religion of the land can succeed here. Those kings who tired to impose their respective religions on the people of India failed to do so, India is a country where people belonging to different faiths have been living for centuries. So, only a secular Government can work properly here.

By our study of the Russian and French histories we come to understand that no cruel and oppressive king can rule of live safely for a long time. Louis, the king of France, and the Czars in Russia were cruel and pursued anti-people policies. They exploited common people and tried to suppress their wrath by force. Consequently, there were French and Russian Revolutions. The patience of the people is exhaustible. At one stage or other, it must explode against such type of tyrannous Government.

Similarly, the history of England demonstrates how the kings should bow before the public opinion. There had been a conflict between the Parliament and the King for a very long time. The Parliament was becoming more and more powerful, though the King tried his best to remain dominating. Any king who opposes public opinion invites trouble for himself. So, English History imparts the moral lesson that the ruler must bow before the people. History makes a man wiser. It tells us not only about the rise and fall of kings and kingdoms, but also about the evolutions and demolitions of various social systems. History gives us a peep into the past and hints about the future. It is a book of moral lessons that can guide us up along the unknown paths of the future.

If we do not use history properly we cannot have any moral lesson. While we revive the past through history we should keep our mind open......... open to all impressions. If we do not absorb the currents of history in our thinking process we fail to increase our fore-sight and wisdom, History is not a lifeless document of events, It helps us to penetrate into human relationships. ●

# A Geographical Information.

Collected by
Prof: F. Rahman

| | | | |
|---|---|---|---|
| Largest Archipelago | ... | ... | Indonesia, Comprises about 3,000 islands. |
| Largest Tree | ... | ... | Califonia Red wood. base 100 ft. |
| Highest Lake | ... | ... | Titicaca ( Bolivia ) 12,507 ft. |
| Highest Waterfall | ... | ... | Angel ( Venezuela ) |
| Largest Peninsula | ... | ... | Arabia ( Asia ) |
| Highest Country | ... | ... | Tibet ( 16000 ft. average altitude. ) |
| Longest Mountain-System | — | — | Andes ( S. America ) |
| Largest inland Lake | — | — | Caspian Sea ( Europe ) |
| Largest inland Sea | — | — | Mediterranean Sea. |
| Largest Gorge | — | — | Grand Canyon ( N. America ) |
| Largest Reef | — | — | Great Barrier Reef (Australia) |
| Largest Atoll | — | — | Kwajalem ( Central Pacific ) |
| Windy City | — | — | Chicago ( U. S. A. ) |
| Bread Basket of Europe | — | — | Ukraine. |
| Hermit Kindom | — | — | Korea. |
| Land of Morning Calm | — | — | Korea. |
| Land of Cakes | — | — | Scotland ( U. K. ) |
| Sugar bowl of the world | — | — | Cuba. |
| City of Golden gate | — | — | San-Francisco |
| Land of Maple | — | — | Canada ( N. America ) |
| Garden of India | — | — | Bangalore. |
| City of Sunrise | — | — | Darjeeling. |
| Granite City | — | — | Aberdeen. |
| Cockpit of Europe | — | — | Belgium. |
| Land of thousand Lake | — | — | Finland. |

● ● ●

## ॥ প্ৰতিবেদনসমূহ ॥

### সাধাৰণ সম্পাদিকা ঃ

অসমৰ স্ত্ৰী-শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত নগাঁও জিলা তথা মধ্য অসমৰ একমাত্ৰ স্ত্ৰী উচ্চ শিক্ষানুষ্ঠান নগাঁও বালিকা মহাবিদ্যালয় । এই মহাবিদ্যালয়ৰ ছাত্ৰী-একতা সভাৰ ১৯৮৩-৮৪ চনৰ সাধাৰণ নিৰ্বাচনত মোক সাধাৰণ সম্পাদিকা হিচাবে নিৰ্বাচিত কৰি ছাত্ৰীসকলৰ সেৱাৰ লগতে সমাজ সেৱাৰ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । এই গুৰু দায়িত্ব পালনত মোৰ সীমিত জ্ঞান-বুদ্ধিৰে মই কিমান দূৰ সফল হ'লোঁ সেয়া ছাত্ৰী বান্ধৱী-সকলৰ বিচাৰ্য্য । অৱশ্যে এই দায়িত্ব মই আন্ত-ৰিকতা আৰু দৃঢ়তাৰে পালন কৰিছোঁ বুলি ভাবোঁ ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আন বছৰৰ দৰে এইবাৰো ২০ ডিচেম্বৰৰ পৰা চাৰিদিনীয়া কাৰ্য্য-সূচীৰে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহ পালন কৰা হয় । এই বছৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত বিভিন্ন ক্ৰীড়া, সঙ্গীত, সাংস্কৃতিক প্ৰতিযোগিতা অনু-ষ্ঠিত হয় । সেই সময়ৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ডঃ ৰত্নকান্ত বৰুৱাদেৱৰ সভাপতিত্বত বঁটা বিতৰণী সভা অনুষ্ঠিত হয় । উক্ত সভাত ডঃ নিৰ্মল-প্ৰভা বৰদলৈ আৰু অধ্যক্ষ শ্ৰীপ্ৰমোদ ভট্টাচাৰ্য্যই মুখ্য আৰু বিশিষ্ট অতিথি হিচাবে যোগদান কৰে । বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে নগাঁও জিলাৰ উপায়ুক্ত শ্ৰীবাবু ৰাজীৱে । মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱ আৰু শ্ৰীশ্ৰীমাধদেৱৰ তিৰোভাৱ তিথি, সৰস্বতী পূজা অনুষ্ঠুপীয়াকৈ পালন কৰা হয় । মহাবিদ্যা-লয় প্ৰতিষ্ঠা দিৱস ১২ চেপ্তেম্বৰত এইবাৰো মহা-সমাৰোহেৰে পালন কৰা হয় । উক্ত দিনটোতে আনুষ্ঠানিক ভাৱে নতুন ভৱনৰ দ্বাৰ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মাননীয় শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাদেৱে । এইবাৰো ২২ নবেম্বৰৰ দিনা "নবাগতা আদৰণি সভা" সমাৰোহেৰে পালন কৰা হয় ।

মোৰ কাৰ্য্যকালতে কলেজ ভৱন নিৰ্মাণৰ অৰ্থে পতা লটাৰী খেল অনুষ্ঠিত হয় । আগৰ অধ্যক্ষ মাননীয় ডঃ ৰত্নকান্ত বৰুৱাদেৱৰ বদলিৰ পিচতে স্থায়ী অধ্যক্ষ ৰূপে যোগদান কৰা অধ্যক্ষ শ্ৰীযুত বিমল বৰাদেৱক আদৰণি জনোৱা হয় । দুখৰ কথা আগৰ অধ্যক্ষ ডঃ ৰত্নকান্ত বৰুৱাদেৱ হঠাৎ গুচি যোৱাৰ বাবে তেখেতক বিদায় জনোৱাৰ সুযোগ নহ'ল ।

**আমাৰ অভাৱ-অভিযোগ ঃ**

১৯৬২ চনতে প্ৰতিষ্ঠিত নগাঁও বালিকা মহাবিদ্যালয়ে আজি ২২ বছৰত ভৰি দিলেহি, তথাপি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ অভাৱসমূহ পূৰণ নহ'ল, এইটো বৰ পৰিতাপৰ কথা।

নগাঁও বালিকা মহাবিদ্যালয়খনি নগাঁও চহৰৰ মাজ-মজিয়াত অৱস্থিত। মহাবিদ্যালয়খনিলৈ বিভিন্ন অঞ্চলৰ পৰা শিক্ষা লাভৰ কাৰণে বহু সংখ্যক ছাত্ৰী আহে। কিন্তু আসনৰ পৰিমাণ কম হোৱা হেতু বহু ছাত্ৰী হতাশ হৈ ঘূৰি যাব লগা হয়। এইটো উল্লেখনীয় যে পাঠ গ্ৰহণৰ বাবে ব্যৱহৃত কোঠাবোৰৰ অৱস্থা বৰ শোচনীয়। পুথিভঁড়ালৰ নামত ব্যৱহৃত কোঠাটি তেনেই সৰু—যিটো কোঠাত বহি একেলগে বহু ছাত্ৰীয়ে কিতাপ পঢ়াৰ ন্যূনতম সুবিধাকণো নাই। বয়সৰ হিচাবত ২২ বছৰ গৰকা নগাঁও বালিকা মহাবিদ্যালয়ৰ অজস্ৰ সমস্যাৰ ভিতৰত এটা মূল সমস্যা হ'ল এটা আহল-বহল ছাত্ৰী জিৰণী কোঠা। এই অভাৱ দীৰ্ঘ দিনৰ পৰা ছাত্ৰীসকলে অনুভৱ কৰি আহিছে। কিন্তু আজিলৈকে এই অভাৱ পূৰণ কৰা নহ'ল। ফলত ছাত্ৰীসকল বিশৃংখল হৈ থাকিব লগা হয়। নগাঁও বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী-নিবাস দুটা। R.C.C. আৰু শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰীবাস। এই ছাত্ৰী-নিবাসত বিজুলী বিচনী নথকাত গৰমৰ দিনত ছাত্ৰীসকলৰ অৱস্থা শোচনীয় হয়। ছাত্ৰী সাক্ষাৎ কৰিবৰ বাবে এটা আচুতীয়া কোঠাৰ অভাৱ। শ্বহীদ ভোগেশ্বৰী ফুকননী ছাত্ৰী-নিবাসৰ চৌহদত পকী-বেৰ নোহোৱাত ছাত্ৰীসকল ৰাতি ভয়ত শংকাগ্ৰস্ত হয়। ফলত পঢ়া-শুনা কৰাত যথেষ্ট অসুবিধা হয়।

উপৰোক্ত অভাৱসমূহ কলেজ কৰ্তৃপক্ষই আন্তৰিকতাৰে উপলব্ধি কৰি অনতিপলমে সমাধান কৰিব বুলি এই প্ৰতিবেদনৰ জৰিয়তে দৃষ্টি গোচৰ কৰিলোঁ।

অতি দুখৰ কথা যে নতুন ভৱন নিৰ্মাণ-কল্পে লোৱা আঁচনি অনুযায়ী মহাবিদ্যালয়ৰ এটি নতুন ভৱন ইতিমধ্যে উন্মোচন কৰা হৈছে। আনটি ভৱনৰো কাম পূৰ্ণগতিৰে চলি আছে। ইতিমধ্যে নতুন স্থায়ী অধ্যক্ষদেৱে কলেজ কেণ্টিনৰ লগতে এটি স্থায়ী কাৰ্য্যালয়ৰ কাম আৰম্ভ কৰিছে। অনতিপলমে এই কাম হৈ উঠিব বুলি আমি তেখেতৰ ওচৰত আশা ৰাখিছোঁ। এই সম্পৰ্কত তেখেতে লোৱা তৎপৰতাৰ বাবে মোৰ শ্ৰদ্ধা নিবেদিলোঁ, লগতে আশা ৰাখিছোঁ ছাত্ৰীসকলে অনুভৱ কৰা অভাৱসমূহ তেখেতৰ যত্নত পূৰণ হ'ব।

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া দেশ-মাতৃৰ শ্বহীদসকলৰ পূণ্য স্মৃতিত সজা শ্বহীদ স্তম্ভৰ কাম আমাৰ কাৰ্য্যকালতেই সম্পূৰ্ণ কৰা হয়। কিন্তু অতি দুখেৰে জনাওঁ যে এই বেদীৰ উন্মোচন বহুত অসুবিধাৰ হেতু আমাৰ কাৰ্য্যকালত পাতিব পৰা নহ'ল।

উল্লেখযোগ্য যে মাননীয় অধ্যক্ষ শ্ৰীবিমল বৰাদেৱক উপদেষ্টা হিচাবে লৈ নগাঁও বালিকা মহাবিদ্যালয়ত বিনামূলীয়া তেজদান আঁচনি নাম-কৰণেৰে এটি গোট আমাৰ মহাবিদ্যালয়ত খোলা হয়। এই গোটৰ পুঁজিৰ বাবে ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ পৰা কুপনৰ ব্যৱস্থা কৰি কিছু ধন সংগ্ৰহ কৰি জমা থোৱা হয়। নগাঁৱৰ হালোৱাগাওঁবাসী শ্বহীদ লক্ষীকান্ত বৰাদেৱৰ পৰিয়াল-বৰ্গলৈ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ তৰফৰ পৰা কিছু আৰ্থিক সাহায্য আগবঢ়োৱা হয়। মৰিগাঁৱৰ বান-বিধ্বস্ত ৰাইজক সহায় কৰিবলৈ যোৱা নগাঁও মহা-বিদ্যালয় বিনামূলীয়া তেজদান আঁচনিৰ সৌজন্যত যোৱা এটি গোটৰ হাতত আমাৰ মহাবিদ্যালয়ৰ পৰা কিছু আৰ্থিক সাহায্য দিয়া হয়।

মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকা হিচাবে কাৰ্য্যকালত এটা দুখ লগা কথা মোৰ দৃষ্টি গোচৰ হৈছিল, কাৰ্য্যনিৰ্বাহকৰ গুৰুত্বপূৰ্ণ কিছুমান দায়িত্ব গা পাতি লৈ কিছু সংখ্যক সদস্যাই নিজ কৰ্ত্তব্য পালনৰ পৰা গা এৰা দি আঁতৰি থাকে। এই গা এৰা মনোভাবেৰে যে সমস্ত কাৰ্য্যনিৰ্বাহকক বিপদত পেলায় সেই কথা তেওঁলোকে মনত ৰখা উচিত।

ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিষ্ঠা কৰা "কণ্ঠত কণ্ঠ মিলাই" নামৰ প্ৰাচীৰ পত্ৰিকা'ৰ কাৰ্য্য চলি আছে। দুখেৰে প্ৰকাশ কৰোঁ যে এই ক্ষেত্ৰত ছাত্ৰীসকলৰ পৰা উল্লেখযোগ্য সহাঁৰি পোৱা নাই। আশা কৰোঁ সমূহ ছাত্ৰীয়ে সাহিত্য চৰ্চাৰ গুৰুত্ব উপলব্ধি কৰি প্ৰাচীৰ পত্ৰিকাখন সৰ্বাঙ্গ-সুন্দৰ কৰি তুলিব।

সাধাৰণ সম্পাদিকাৰ দায়িত্ব ভাৰ লৈ বহুত কিবা কিবি কৰাৰ সপোন দেখিছিলোঁ যদিও সকলোবোৰ কৰিব নোৱাৰিলোঁ। আশা কৰোঁ পৰৱৰ্তী ছাত্ৰী-একতা সভাই অপূৰণীয় কামবোৰ পূৰণ কৰাৰ ক্ষেত্ৰত অধিক আগ্ৰহান্বিত হ'ব।

**অশ্ৰু-সিক্ত শ্ৰদ্ধাঞ্জলি ঃ**

অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া মোৰ জ্ঞাত-অজ্ঞাত শ্বহীদসকললৈ অশ্ৰু-সিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

**কৃতজ্ঞতা ঃ**

মোৰ কাৰ্য্যকালত সজ উপদেশ, সজ পৰামৰ্শেৰে কৰ্তব্য পালনৰ প্ৰতিটো দিশতে মোক উৎসাহ যোগোৱা মাননীয় শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মোক বিভিন্ন কামত বিশেষ সহায় আগ বঢ়োৱাৰ বাবে জিনু বৰা, মঞ্জু বৰা, মীৰা বৰা আদি সহৃদয় বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। বিভিন্ন সমস্যা, অসুবিধা জৰ্জৰিত এই মহাবিদ্যালয়খনি সৰ্বাঙ্গ-সুন্দৰ কৰাৰ আঁচনি লৈ বাস্তৱ ৰূপায়নৰ চেষ্টা কৰাৰ বাবে মহাবিদ্যালয়ৰ নতুন অধ্যক্ষ মাননীয় শ্ৰীবিমল বৰাদেৱৰ ওচৰত মোৰ প্ৰতিবেদনৰ জৰিয়তে পুনৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত, মোৰ কাৰ্য্যকালত মোৰ অনিচ্ছাকৃত ভুল-ত্ৰুটীবোৰৰ বাবে ক্ষমা প্ৰাৰ্থনা জনাই নগাঁও বালিকা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু উত্তৰোত্তৰ কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

নগাঁও বালিক মহাবিদ্যালয় দীৰ্ঘায়ু হওক,
সৰ্বাঙ্গ সুন্দৰ হওঁক ॥
জয়তু নগাঁও বালিকা মহাবিদ্যালয়।
জয় আই অসম ॥

**শ্ৰীঅনুৰূপা শৰ্মা**
সাধাৰণ সম্পাদিকা,
ছাত্ৰী একতা সভা,
নগাঁও বালিকা মহাবিদ্যালয়,
১৯৮৩-৮৪ চন।

## সহকাৰী সাধাৰণ সম্পাদিকা ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত আজিলৈকে যিসকল বীৰ শ্বহীদে প্ৰাণ আহুতি দিলে সেইসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

নগাঁও ছোৱালী কলেজৰ ১৯৮৩-৮৪ চনৰ সহকাৰী সাধাৰণ সম্পাদিকা পদত মোক ছাত্ৰীসকলে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী-শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সেৱা আগবঢ়াবলৈ সুবিধা দিয়া বাবে সমূহ ছাত্ৰীলৈ মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্যকালতেই মহাবিদ্যালয়খনৰ বিভিন্ন অভাৱ-অভিযোগৰ কথা ভাবি সেইবোৰ সমাধান কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিছিলোঁ। তেনেবোৰ গুৰুত্বপূৰ্ণ কাম কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ যদিও ছাত্ৰী আৰু বিভাগীয় তত্ত্বাৱধায়কসকলৰ সহযোগত অসুবিধা কিছু উপশম ঘটিছিল। আমাৰ কামৰ প্ৰায়বোৰ খতিয়ান সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদনত উল্লেখ কৰাত মই সেইসমূহৰ আলোচনাৰ পৰা বিৰত থাকিলোঁ। কিন্তু সকলো সময়তে মই সাধাৰণ সম্পাদিকাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি বিভিন্ন সহায়-সহযোগ আগবঢ়োৱাত কেতিয়াও ত্ৰুটী কৰা নাছিলোঁ।

আমাৰ মহাবিদ্যালয়খনৰ এটা আহল-বহল পুথিভঁৰালৰ প্ৰয়োজনীয়তা কোনো ছাত্ৰীয়ে নুই কৰিব নোৱাৰে। কিয়নো বৰ্ত্তমানে ছাত্ৰীসকলৰ তুলনাত সেই পুথি'ৰালৰ মানদণ্ড একেবাৰে নগণ্য। সেয়েহে মই মোৰ প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষক অনতিপলমে এটা আহল-বহল পুথিভ'ৰাল নিৰ্মাণ কৰি ছাত্ৰীসকলৰ পঢ়া-শুনাৰ উপযুক্ত পৰিবেশ গঢ়ি দি কলেজখনৰ সুনাম অনাত সহায় কৰিবলৈ টানি অনুৰোধ জনালোঁ।

সদৌ শেষত, মোৰ কাৰ্য্যকালত সৎ উপদেশ, দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱাৰ কাৰণে শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ধন্যবাদেৰে—

**ৰীণা বৰা,**
সহকাৰী সাধাৰণ, সম্পাদিকা।

## সাংস্কৃতিক সম্পাদিকা ঃ

যিসকল ছাত্ৰী বান্ধৱীৰ অনুপ্ৰেৰণাত মই ১৯৮৩-৮৪ চনৰ ছাত্ৰী একতা সভাৰ সাংস্কৃতিক সম্পাদিকা ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰিলোঁ, প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰি মোৰ দায়িত্ব পালন কৰাত পাৰ্য্যমানে চেষ্টা কৰিছিলোঁ যদিও তাৰ মাজতে অজ্ঞাতভাৱে কৰা দোষ-ত্ৰুটিবোৰৰ বাবে মই ক্ষমাৰ প্ৰাৰ্থী।

প্ৰতি বছৰে পালন কৰি অহাৰ দৰেই আমি গতানুগতিকতাৰে সৰস্বতী পূজা, শঙ্কৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি আদি সুকলমে পালন কৰোঁ।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰীসকলে বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰি মোক যথেষ্ট অনুপ্ৰেৰণা যোগালে। কলেজ সপ্তাহত এখন প্ৰদৰ্শনী পতা হৈছিল। এই প্ৰদৰ্শনীখন পতাত শিল্পী প্ৰণৱ বৰুৱা, কিৰণশঙ্কৰ ৰয়, মৰ্জ্জিনা বেগমৰ পৰা পোৱা সহায়-সহযোগৰ কথা মই পাহৰিব নোৱাৰিম। মহাবিদ্যালয় সপ্তাহৰ সঙ্গীত-সন্ধিয়াখন 'ভাৰতীয় ছোৱালী আৰু বোৱাৰীৰ সাজপাৰ"ৰ প্ৰতিযোগিতাই অতি আকৰ্ষণীয় কৰি তুলিছিল। এই সকলো কাম সুন্দৰকৈ পালন কৰাত বিশেষকৈ মই শ্ৰীমহেন্দ্ৰ শইকীয়া চাৰৰ সহায় পাইছিলোঁ, সেয়ে মই চাৰৰ ওচৰত কৃতজ্ঞ।

এই সকলোবিলাকৰ উপৰিও মোৰ কাৰ্য্যকালত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্-বিশ্ববিদ্যালয় দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী শ্ৰীমণিকুন্তলা ভট্টাচাৰ্য্যই বাহিৰৰ বিভিন্ন অনুষ্ঠানে পতা প্ৰতিযোগিতাত গল্প, কবিতা, ৰচনা আদিত পুৰস্কৃত হৈ মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনে। তেওঁলৈ সমূহৰ হৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

মোৰ কাৰ্য্যকালত যিসকল অধ্যাপক-অধ্যাপিকাই আৰু ছাত্ৰী-বান্ধৱীয়ে সহায়-সহযোগ আগবঢ়াইছিল, সেইসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে।

**শ্ৰীত্ৰিবেণী বৰা,**
॥ সাংস্কৃতিক সম্পাদিকা ॥

## ক্ৰীড়া-সম্পাদিকা ঃ

নগাঁও বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাবে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ এনে এটা গুৰুত্বপূৰ্ণ বিভাগত কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰীক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বৰ্ত্তমান যুগত খেল-ধেমালি শিক্ষাৰ এক অপৰিহাৰ্য্য অঙ্গ হৈ পৰিছে। এটা সুস্থ সবল শৰীৰ গঢ়ি তুলিবলৈ হ'লে খেল-ধেমালিৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। গতিকে এটি সুস্থ সবল শৰীৰ গঢ়ি তুলিবলৈ সকলোৱে চিন্তা কৰা উচিত। কাৰণ সুস্থ শৰীৰেহে সুস্থ মানসিক সবল যোগান ধৰিব পাৰে।

আমাৰ মহাবিদ্যালয়তো খেল-ধেমালিৰ কাৰণে কিছু কিছু সুবিধা থাকিলেও এখন আহল-বহল খেল পথাৰৰ অভাৱ সদায়ে অনুভব কৰি আহিছোঁ। তাৰ উপৰি বেড্‌মিণ্টন, টেবুল টেনিছ আদি খেলাৰ ছাত্ৰী থাকিলেও উপযুক্ত সা-সৰঞ্জাম নথকাত ছাত্ৰীসকলে অনুশীলন কৰিবলৈ সুবিধা নাপায়। বিশেষকৈ টেবুল টেনিছৰ কাৰণে আহল-বহল কোঠা আৰু টেবুল নাই। এই বিশেষ সা-সুবিধাবোৰ লাভ নকৰাকৈ আমাৰ কলেজৰ কেইগৰাকীমান ছাত্ৰীয়ে গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ক্ৰীড়া সমাৰোহত অংশ গ্ৰহণ কৰি যথেষ্ট সুনাম অৰ্জন কৰিছে — তথা কলেজৰ সুনাম আনিছে। বিশেষকৈ বাস্কেটবলত নগাঁও ছোৱালী কলেজৰ যথেষ্ট সুনাম আছে। বহু কেইগৰাকী ছাত্ৰীয়ে অসম ৰাজ্যিক দলক প্ৰতিনিধিত্ব কৰি নিজৰ তথা কলেজৰ সুনাম আনিবলৈ সক্ষম হৈছে। তাৰ ভিতৰত সৰ্বশ্ৰী ৰীতা গায়ন, অকুণ্ঠিতা শইকীয়া, কল্পনা শইকীয়া আৰু নিপা গায়নৰ নাম উল্লেখযোগ্য। সেইদৰে ভলীবলতো শ্ৰীমঞ্জুলা লস্কৰ, শ্ৰীদীপালী ফুকন আৰু মই নিজে কেইবাবাৰো অসম ৰাজ্যিক দলক প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা পাই আহিছোঁ। ই সচাঁকৈয়ে গৌৰৱৰ বিষয়। বাস্কেটবলৰ কাৰণে এখন স্থায়ী কৰ্টৰ নিতান্ত প্ৰয়োজন।

আগৰ বাৰৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতা হৈ যায়, কিন্তু সেই সময়ত বৰপেটাত অনুষ্ঠিত হোৱা আন্ত:জিলা ভলীবল প্ৰতিযোগিতা হোৱাৰ কাৰণে নগাঁও জিলাৰ হৈ খেলিব লগা হোৱাত ক্ৰীড়া পৰিচালনা কৰিবলৈ সুবিধা নাপালোঁ। মোৰ সহকৰ্মী শ্ৰীইভা বৰা আৰু ক্ৰীড়া তত্বাৱধায়ক শ্ৰীযুত ভূপেন তালুকদাৰ চাৰক প্ৰতিযোগিতাসমূহ সমাধা কৰিবৰ কাৰণে মোৰ দায়িত্ব দি যাব লগা হয়। সেয়ে দুয়োলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। সদৌ শেষত শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰীসকললৈ মোৰ হিয়া-ভৰা ওলগ যাচি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

॥ জয়তু নগাঁও ছোৱালী কলেজ ॥

**কল্পনা শইকীয়া,**

। ক্ৰীড়া সম্পাদিকা, ॥

## সহকাৰী ক্ৰীড়া-সম্পাদিকা ঃ

মোৰ শ্ৰদ্ধেয় শিক্ষাগুৰুসকলৰ আশীৰ্বাদ আৰু মৰমৰ ছাত্ৰী বান্ধৱীসকলৰ আন্তৰিক শুভেচ্ছাত নগাঁও ছোৱালী কলেজৰ ১৯৮৩-৮৪ চনৰ ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা হিচাবে মই মোৰ ক্ৰীড়া বিষয়ক কৰ্ত্তব্য পালন কৰিবলৈ পাই যথেষ্ট গৌৰৱান্বিত হৈছোঁ।

খেল-বিভাগৰ সহকাৰী সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই আমাৰ বিদ্যালয়ত ২০।১২।৮৩ তাৰিখৰ পৰা আৰম্ভ কৰি ২৩-১২-৮৩ তাৰিখলৈকে চাৰিদিনীয়া কাৰ্য্য-সূচীৰে "মহাবিদ্যালয় সপ্তাহৰ ক্ৰীড়া সমাৰোহ পাতিছিলোঁ। আমাৰ মহাবিদ্যালয় খেল-পথাৰখন যথেষ্ট পৰিমাণে আহল-বহল নোহোৱাৰ কাৰণে যেনেদৰে পাতিব লাগিছিল তেনেদৰে খেল পাতিব পৰা নগ'ল যদিও এশ মিটাৰ দৌৰ, দুশ মিটাৰ দৌৰ, লং জাম্প, হাইজাম্প, কাবাদী, বেডমিণ্টন, কেৰম, ডবা, যাঠী দলিওৱা, ওজন দলিওৱা, চকী খেল, কাঁহী দলিওৱা আদি বিভিন্ন খেলৰ লগতে বিশেষ আকৰ্ষণীয় খেল হিচাবে ভেশচন প্ৰতিযোগিতা আৰু টেকেলি ভঙা প্ৰতিযোগিতাই সমূহ ছাত্ৰী আৰু শিক্ষকৰ মাজত আনন্দৰ খোৰাক যোগাইছিল। এই-বাৰ প্ৰতিযোগিতাত যিসকল ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল, তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ আৰু বাকী সকলো প্ৰতিযোগীলৈকে মোৰ আন্তৰিক শুভেচ্ছা থাকিল— যাতে ভৱিষ্যতে তেওঁলোকেও পাৰদৰ্শিতা দেখুৱাই সন্মান অৰ্জন কৰিবলৈ সক্ষম হয়। এই বছৰৰ শ্ৰেষ্ঠা ক্ৰীড়া প্ৰতিযোগী হিচাবে স্নাতক শ্ৰেণীৰ ২য় বাৰ্ষিকৰ শ্ৰীমতী মিনতি দেৱীয়ে সন্মান লাভ কৰে।

আমাৰ মহা বিদ্যালয়ৰ খেলুৱৈসকলৰ যথেষ্ট অভাৱ-অভিযোগ থকা কাৰণে লিখাৰ লোভ সামৰিব নোৱা-ৰিলোঁ। প্ৰথমতে মহাবিদ্যালয়ৰ খেল পথাৰখন সমান নোহোৱাৰ কাৰণে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লাগে। দ্বিতীয়তে কলেজৰ নিজা টেবুল টেনিছ বৰ্ড নোহোৱাৰ কাৰণে প্ৰতিযোগীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হৈছে। আমাৰ মহাবিদ্যালয়ত যাতে এখন স্থায়ী টেবুল টেনিছ বৰ্ড হয় তাৰ বাবে মই কৰ্তৃপক্ষক এই ক্ষুদ্ৰ প্ৰতিবেদনৰ জৰিয়তে সবিনয় অনুৰোধ জনালোঁ।

সদৌ শেষত, মোৰ কাৰ্য্যকালৰ ভিতৰত বিভিন্ন দিশত বিভিন্ন সময়ত উৎসাহ-উদ্দীপনা প্ৰদান কৰাৰ কাৰণে প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত বলকান্ত বৰুৱা, খেল বিভাগৰ তত্বাৱধায়ক শ্ৰীযুত ভূপেন তালুকদাৰ, প্ৰতিটো কামতে অনবৰত সহযোগ আৰু উপদেশ আদিৰে আমাক উপকৃত কৰা শ্ৰীযুত টঙ্কেশ্বৰ বৰাদেৱ প্ৰমুখ্যে সমূহ অধ্যাপক-অধ্যাপিকালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। তদুপৰি যিসকল সহযোগী বান্ধৱীয়ে ঐকান্তিক সহযোগ আগবঢ়াই মোক অনুপ্ৰাণিত কৰিলে, সেইসকল মোৰ মানস-পটত চিৰসেউজীয়া হৈ ৰ'ব। মোৰ কাৰ্য্যকালৰ ভিতৰত অনিচ্ছাকৃত ভাৱে হোৱা ভুলৰ বাবে শিক্ষাগুৰু প্ৰমুখ্যে ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**ইভা বৰা,**

॥ ক্ৰীড়া সহকাৰী সম্পাদিকা ॥

## সমাজ-সেৱা সম্পাদিকা ঃ

১৯৮৩-৮৪ চনৰ নগাঁও ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্যকালৰ ভিতৰত সম্পন্ন কৰা কামসমূহৰ ভিতৰত **প্ৰথমে,** কলেজত দুদিনীয়াকৈ (২৫/২৬ আগষ্ট) সমাজ-সেৱা বিভাগৰ কাম কৰা হয়। প্ৰথম দিনা সমূহ ছাত্ৰীয়ে কলেজ কম্পাউণ্ডটো পৰিষ্কাৰ কৰে। দ্বিতীয় দিনাৰ কাম হিচাবে শিক্ষকসকলৰ জিৰণি-কোঠা, কলেজ কাৰ্য্যালয়ৰ কোঠা, পুথিভঁৰালৰ আৰু ছাত্ৰী জিৰণি-কোঠাৰ সন্মুখ ভাগত ৰং দিয়া কাম সুকলমে সম্পূৰ্ণ কৰা হয়।

বৰ্ত্তমান কলেজত ছাত্ৰী একতা সভাৰ কাৰ্য্যালয় আৰু কলেজ কেণ্টিনৰ কাম চলি আছে। এই কামতো সমাজ-সেৱা বিভাগৰ তৰফৰ পৰা সহায় আগবঢ়োৱা হয়। দুই অক্টোবৰৰ দিনা কলঙৰ পৰা মাটি কাটি আনি কাৰ্য্যালয় আৰু কেণ্টিনৰ গাঁঠনিৰ তলৰ অংশত পেলোৱা হয়। যিহেতু আমাৰ কলেজৰ আৰ্থিক দিশটো নিশকটীয়া, সেয়ে এনেধৰণৰ কামৰ দ্বাৰা কলেজৰ কামত সহায় কৰা হয়।

বিভিন্ন সময়ত বহুমূলীয়া উপদেশ প্ৰদানেৰে সহায় কৰা বাবে এই বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীজয়ধন দাস, অধ্যাপক শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ চাৰলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। তদুপৰি যিসকল মাননীয় শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰী-বান্ধৱীয়ে বিভিন্ন ধৰণেৰে মোক সহায়-সহযোগ আগবঢ়াইছিল, তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সদৌ শেষত পুনৰ সকলো ছাত্ৰী-বান্ধৱীলৈ মোৰ শ্ৰদ্ধা আৰু শুভ-কামনাৰে ছাত্ৰী একতা সভাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

কলেজৰ উত্তৰোত্তৰ উন্নতি কামনাৰে—

**শ্ৰীমালা মহন্ত,**

॥ সম্পাদিকা, সমাজ-সেৱা ॥

## দুখীয়া সাহায্য পুঁজিৰ সম্পাদিকা ঃ

জয়জয়তে বৰ্ত্তমান অস্তিত্ব ৰক্ষা আন্দোলনত যিসকল বীৰ-বীৰাঙ্গনাই লুইতৰ বগা পানী বুকুৰ তেজেৰে ৰাঙলী কৰিলে, সেইসকল শ্বহীদলৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি জনাইছোঁ।

নগাঁও ছোৱালী কলেজৰ ছাত্ৰী-বান্ধৱীসকলে মোক ১৯৮৩-৮৪ চনৰ বাবে দুখীয়া সাহায্য পুঁজিৰ পদত নিৰ্বাচন কৰি সম্পাদিকাৰ দায়িত্ব লৈ সেৱা কৰিবলৈ সুযোগ দিয়া বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ, লগতে শ্ৰদ্ধাভাজন তথা পৰম পূজ্য-পূজ্যা অধ্যাপক আৰু অধ্যাপিকাসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মোৰ কৰ্য্যভাৰ গ্ৰহণৰ কালছোৱাত কলেজখনৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে যিবোৰ কাম কৰা হৈছে, সেই সকলোবোৰতে জড়িত থকাত মই ত্ৰুটী কৰা নাই। এই কাৰ্য্যকালৰ সময়ছোৱাতে বান-পীড়িত অঞ্চললৈ আমাৰ পুঁজিৰ পৰা কিছুমান বৰঙণি আগবঢ়োৱা হ'ল।

আমাৰ কলেজলৈ বহুতো দুখীয়া ছাত্ৰী আহে। তেওঁলোকক কিতাপ-পত্ৰ আৰু বৃত্তি দি সহায়-সহযোগ আগবঢ়াব বুলি কৰ্মকৰ্ত্তাসকলক অনুৰোধ জনালোঁ।

শেষত নগাঁও ছোৱালী কলেজৰ সুন্দৰ ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

**পদ্মাৱতী দেৱী,**

॥ সম্পাদিকা দুখীয়া সাহায্য পুঁজি ॥

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা ঃ

প্ৰতিবেদনৰ আৰম্ভণিতেই যিসকল ছাত্ৰী বান্ধৱীৰ অনুপ্ৰেৰণাত ছাত্ৰীৰ জিৰণি কোঠাৰ দায়িত্ব আৰু কৰ্ত্তব্য কৰিবলৈ পাইছিলোঁ, সেইসকল প্ৰিয় বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাটো কলেজৰ অতি আৱশ্যকীয় বিষয় বুলিয়েই ধৰিব পাৰি। আমাৰ বহু ছাত্ৰীয়েই শিক্ষা লাভ কৰিবৰ কাৰণে কষ্ট কৰি অনেক দূৰ ঠাইৰ পৰা আহিব লগা হয়। তেনে ক্ষেত্ৰত এটা জিৰণি কোঠাৰ আমাৰ নিতান্ত প্ৰয়োজন বুলি আমি অনুভৱ কৰোঁ। আমাৰ কলেজত এটা জিৰণি কোঠা আছে যদিও তাৰ কোনো বিশেষ সুবিধা নাই। কলেজৰ ১৪০০-১৫০০ ছাত্ৰীৰ ভিতৰত সেই অকণমান কোঠাটো একেবাৰে অসুবিধাজনক। তাৰ উপৰি ছাত্ৰী বহিবলৈ তেনে কোনো বিশেষ সুবিধা ব্যৱস্থা নাই। মোৰ কাৰ্য্যকালত কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰা হৈছিল যদিও কৰ্তৃপক্ষই তেনে কোনো সুবিধাজনক ব্যৱস্থা নললে। সেয়ে মই অনুৰোধ জনাওঁ যাতে ছাত্ৰীৰ জিৰণি কোঠাৰ উন্নতিৰ বাবে কৰ্তৃপক্ষই ব্যৱস্থা লয়।

শেষত মোৰ দীৰ্ঘদিনীয়া কাৰ্য্যকাল নিয়াৰিকৈ চলাই নিয়াত যিসকল ছাত্ৰীয়ে সহায়-সহযোগ আগবঢ়ালে আৰু মোক তত্ত্বাৱধায়ক হিচাবে অধ্যাপিকা মুনি কাকতি বাইদেৱে যি অনুপ্ৰেৰণা দিছিল, তাৰ কাৰণে মই তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ। সৰ্বশেষত আমাৰ কলেজৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

**নিভা বৰা,**

॥ সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ॥

## কলেজ সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফল ১৯৮৩-৮৪ চন।

আবৃত্তি ঃ

**অসমীয়া কবিতা ঃ**

১ম— শ্ৰীত্ৰিবেণী বৰা
২য়— ,, নীতা শৰ্মা
৩য়— ,, অভিনন্দা বৰা

**সংস্কৃত কবিতা ঃ**

১ম— শ্ৰীঋৰ্ণা গোস্বামী
২য়— ,, অদিতি ভূঞা
৩য়— ,, অৰ্পণা গোস্বামী

**বঙালী কবিতা ঃ**

১ম— শ্ৰীচন্দনা দাস
২য়— ,, নীতা শৰ্মা
৩য়— ,, মিলু পাল

**ইংৰাজী কবিতা ঃ**

১ম – শ্ৰীচন্দনা দাস
২য়— ,, মিলু পাল
৩য় – ,, দীপিকা দাস

**হিন্দী কবিতা ঃ**

১ম – নিশা আগৰৱালা
২য়— স্মিতা আগৰৱালা

**আকস্মিক বক্তৃতা ঃ**

১ম — শ্ৰীকবিতাৰাণী দাস ( ভাওনা )
২য়— ,, দীপিকা দাস ( গুৱালগালি )
৩য় — ,, মণিকুন্তলা ভট্টাচাৰ্য্য ( কেবাহী )

**তৰ্ক প্ৰতিযোগিতা ঃ**

১ম— শ্ৰীদীপিকাবালা দাস
২য়— ,, অনুৰূপা শৰ্ম্মা
৩য়— ,, মানী গোস্বামী

**স্বৰচিত কবিতা ঃ**

১ম— নাই
২য়— মণিকুন্তলা ভট্টাচাৰ্য্য ( সংকেত )
৩য় — উৎপলা বৰা ( শান্তি )
ত্ৰিবেণী বৰা ( অজানিতে )

**চুটি গল্প ঃ**

উদ্গনি বঁটা— শ্ৰীমণিকুন্তলা ভট্টাচাৰ্য্য
[ অব্যক্ত বেদনা ]

**প্ৰদৰ্শনী ঃ**

চাৰুকলা
১ম— শ্ৰীস্মিতা আগৰৱালা

**কাৰু-কলা ঃ**

১ম— শ্ৰীদীপিকাবালা দাস

**সূচীকলা ঃ**

১ম— ত্ৰিবেণী বৰা

**বয়ন শিল্প ঃ**

১ম— শ্ৰীপ্ৰতিমা হাজৰিকা

**স্থলিতে ৰচা কবিতা ঃ**

( বিষয় – ভৱিষ্যত ছন্দ )

১ম – নাই
২য়— দীপিকাবালা দাস
৩য়— মণিকুন্তলা ভট্টাচাৰ্য্য
নীতা শৰ্ম্মা

[ এই প্ৰতিযোগিতাৰ ফলাফল সমূহ দি সহায় আগবঢ়ালে সাংস্কৃতিক সম্পাদিকা শ্ৰীত্ৰিবেণী বৰাই—সম্পাদিকা ]

## ১৯৮৩-৮৪ চনৰ কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত সংগীত প্ৰতিযোগিতাৰ ফলাফল

জ্যোতি-সঙ্গীত : ১ম— শ্ৰীঅদিতি ভূঞা
২য়— ,, মণিমা শইকীয়া
,, কল্পনা পাতৰ
৩য়… ,, হিমাদ্ৰি শৰ্ম্মা

বিষ্ণুৰাভাৰ সঙ্গীত : ১ম… শ্ৰীমণিমা শইকীয়া
২য় – ,, অদিতি ভূঞা
৩য়— ,, হিমাদ্ৰি শৰ্ম্মা

ভূপেন্দ্ৰ সঙ্গীত : ১ম— শ্ৰীঅদিতি ভূঞা
,, মণিমা শইকীয়া
২য়— ,, অঞ্জলি বাজখোৱা
৩য় — ,, মনিকা চন্দ

ৰবীন্দ্ৰ সঙ্গীত : ১ম – শ্ৰীঅদিতি ভূঞা
২য় — ,, ৰত্না পাল
৩য় — ,, লিপিকা ব্যানাৰ্জী

ভজন : ১ম— শ্ৰীৰাগিনী ভট্টাচাৰ্য্য
২য়— ,, অদিতি ভূঞা
৩য়— ,, মণিমা শইকীয়া

বৰগীত : ১ম— শ্ৰীনীতা শৰ্ম্মা
২য়— ,, অদিতি ভূঞা
৩য়— ,, জলী শইকীয়া

আধুনিক : ১ম– শ্ৰীঅদিতি ভূঞা
২য়— ,, ৰাগিনী ভট্টাচাৰ্য্য
৩য়— ,, কল্পনা পাতৰ

লোকগীত : ১ম— শ্ৰীহিমাদ্ৰি শৰ্ম্মা
২য়— ,, অদিতি ভূঞা
৩য়— ,, কল্পনা পাতৰ

আইনাম : ১ম – শ্ৰীঅদিতি ভূঞা
২য় – ,, মণিমা শইকীয়া
৩য়… ,, হিমাদ্ৰি শৰ্ম্মা

[ সঙ্গীত প্ৰতিযোগিতাৰ ফলাফল আলোচনীত প্ৰকাশ কৰাত সুবিধা আগবঢ়ালে অধ্যাপক তত্ত্বাৱধায়ক ইদ্ৰিছ আলি চাহে—সম্পাদিকা ]

# ক্ৰীড়া বিভাগ

## ১৯৮৩-৮৪ চনত হোৱা কলেজ সপ্তাহত পুৰস্কৃত প্ৰতিযোগিসকলৰ নাম

(1) 100 Metres Race
1st— Minati Devi
2nd— Ira Bora
3rd— Ruma Roy

(2) 200 Metres Race
1st— Minati Devi
2nd— Rupamoni Goswami
3rd— Bharati Saikia and Bani Bora

(3) Disscuss Throw
1st— Ira Bora
2nd — Ruma Roy
3rd— Rupamoni Goswami

(4) Shot put
1st— Juti Rekha Bora
2nd— Misel Faris
3rd— Saityavati Rabha

(5) Javellin Throw
1st— Rijumoni Bora
2nd— Dipika Das
3rd— Saityavati Rabha

(6) Three leged Race
1st— Rupamoni Goswami & Padmini Saikia
2nd— Ira Bora & Minati Devi

(7) Chess
1st— Pranita Bezabora
2nd— Alaka Borthakur

(8) Carrom (single)
1st— Mira Bordolai
2nd— Manika Das

(9) Badminton (single)
1st— Misel Faris
2nd— Mala Mahanta

(10) Long Jump
1st— Minati Devi
2nd— Padmini Saikia
3rd— Rupamoni Goswami

(11) High Jump
1st... Minati Devi
2nd .. Ira Bora

(12) Musical Chair
1st... Smita Agarwala & Sangita Sa
2nd— Ira Bora
3rd... Dipika Das

(13) Go As you Like
1st... Manika Das
2nd... Dipika Das

(15) Best Compitior
Minati Devi

(16) Kabaddi
i) Rupamoni Goswami
ii Ruma Roy
iii) Nabanita Bhuyan
iv) Ira Bora
v) Pranita Bezbora
vi) Minati Devi

(17) Breaking the pitcher (টেকেলি ভঙা)
1st... Bani Bora